# ৰঙিয়া কলেজ আলোচনী



—সম্পাদক—
শ্ৰীধীৰেন্দ্ৰ নাথ শৰ্ম্মা

# ৰঙিয়া কলেজ আলোচনী



11896

● নবম সংখ্যা ●

১৯৭৭-৭৮

★ সম্পাদনাত ★

ধীৰেন্দ্ৰ নাথ শৰ্ম্মা

# ঃ ৰঙিয়া কলেজ আলোচনীঃ

নৱম সংখ্যা


সম্পাদনাত ঃ

ধীৰেন্দ্ৰ নাথ শৰ্ম্মা

সম্পাদনা সমিতিতঃ

অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰদলৈ, সভাপতি
অধ্যাপক উমেশ চন্দ্ৰ গোস্বামী, তত্বাবধায়ক
অধ্যাপক হৰেন দাস, সদস্য
শ্ৰীধীৰেন্দ্ৰ নাথ শৰ্ম্মা, সম্পাদক
শ্ৰীভগীৰথ শৰ্ম্মা, সদস্য ।

বেটুপাত অঙ্কনত :

প্ৰদীপ কুমাৰ দত্ত

অঙ্গসজ্জাত ঃ

ধীৰেন্দ্ৰ নাথ শৰ্ম্মা
ভগীৰথ শৰ্ম্মা

মুদ্ৰণত ঃ

জয়ন্তী প্ৰেছ
ৰঙিয়া ষ্টেচন ৰোড—৭৮১৩৫৪

ব্লকৰ যোগান ধৰোতা :

শৰাইঘাট গ্ৰাফিক আৰ্টচ,
গুৱাহাটী—৭৮১০০৩

বিভিন্ন দিশত সহায়-সহানুভূতি আগবঢ়োৱা বন্ধু-বান্ধৱীসকল ক্ৰমে :

মোছাৰেফ হুচেইন, আবু তাহেৰ হুচেইন, দেবেন ডেকা, কন্দৰ্প কলিতা, সবিতা লহকৰ, বিমলা কলিতা, বিজু কলিতা, হাচনাৱাৰা বেগম, ৰবীন বৰ্ম্মন আৰু বহুতো ।

কৃতজ্ঞতাৰে সুঁৱৰিছোঁ :

অধ্যাপক সৰ্ব্বশ্ৰী জ্যোতিষ চৌধুৰী, গোলোক ভূঞা, অমৰেন্দ্ৰ শৰ্ম্মা, আব্দুল ৰেজাক আৰু জয়ন্তী প্ৰেছৰ কৰ্ম্মীবৃন্দ ।


ক্ষমা বিচাৰিছোঁ ঃ

সময়মতে আলোচনী প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আৰু অনিচ্ছাকৃত ভুলভ্ৰান্তিৰ বাবে।


RANGIA COLLEGE LIBRARY


## অশ্ৰু অঞ্জলি যাচিছোঁ—এইসকল মৃত ব্যক্তিৰ সোঁৱৰণত -



৺ৰঞ্জন বড়ো (ৰাজেন)
মৃত্যু—১৯৭৭ চন



৺খগেন ডেকা
মৃত্যু—১৯৭৮ চন

লগতে—

- শ্ৰমিক নেতা পোনাৰাম গগৈ
- শ্ৰমিক নেতা প্ৰবীৰ ভট্টাচাৰ্য্য
- সংস্কৃতিৰ পূজাৰী দয়াল চন্দ্ৰ সুত্ৰধাৰ
- ঢোলৰ যাদুকৰ মঘাই ওজা
- সাহিত্যিক উপেন লেখাৰু

## নৱম সংখ্যা : ৰঙিয়া কলেজ আলোচনীৰ নিবেদন :


● সম্পাদকীয় ●

প্ৰগতিশীল কবি আৰু কবিতা /ক

প্ৰাচীৰ ভঙাৰ প্ৰস্তুতিৰেই প্ৰাচীৰৰ গুণগুণনি..../ঘ

● প্ৰবন্ধ

॥ জাতীয়তাবাদ : এটি বিশ্লেষণ /১ ॥ সাহিত্য আৰু জনগণ বা প্ৰগতিশীল সাহিত্যৰ সমস্যা /১০ ॥ গণ স্বাক্ষৰতা প্ৰসঙ্গত /২৩ ॥ চাৰ্লি চ্যাপলিন /৪৮ ॥ আৰবী ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ /৬০ ॥ মৌখিক সাহিত্যত এভুমুকি /৭০ ॥ 'দিন বদলেৰ কবি /৮৫ ॥

● কবিতা

॥ এইবাৰ ইতিহাস সলনিৰ সময় /৯ ॥ প্ৰশ্ন /২২ ॥ সংগ্ৰাম /২৯ ॥ প্ৰাৰ্থী /৩৯ ॥ মহাকাল /৪৩ ॥ বৰ্ত্তমান /৫৯ ॥ চিলনী /৬৪ ॥ মই জেললৈ যোৱাৰ পিচত /৬৫ ॥ যাত্ৰী আমি নতুনৰ /৭৮ ॥ আহা আগুৱাই আহা /৮৪ ॥ কাল আৰু প্ৰতিশ্ৰুতি /৯১ ॥

● গল্প

॥ জন্ম পাতনি এটি সূৰ্য্যৰ /১৬ ॥ সংগ্ৰাম /৩০ ॥ চৈতন্য /৩৫ ॥ দৃষ্টি /৪০ ॥ প্ৰেমত পৰা ছোৱালী /৫৩ ॥ পৰিশোধিত ৰক্ত /৬৬ ॥

● আৰু অন্যান্য শিতানত

॥ বিজ্ঞান : জনসংখ্যা আৰু পৃথিৱী /৪৪ ॥ যোৱা দুবছৰৰ নোবেল বঁটা বিজয়ীসকল /৭৯ ॥


# সম্পাদকীয়

## প্ৰগতিশীল কবি আৰু কবিতা

সাম্প্ৰতিক কালছোৱাত অসমীয়া কবিতাত পৰিলক্ষিত হৈছে এক নতুন জোৱাৰ। জীৱনক এটা নতুন ৰূপ দিয়াৰ মানসেৰে কবিমনত এক নতুন জাগৰণ। নিৰ্জনতাৰ ভয়ঙ্কৰ যালটোৰ পৰা জনতাৰ মাজলৈ সোমাই আহিল— কবি চিন্তা। সেয়ে দেশে দেশে জন্ম হ'ল সজাগ জীৱন জিজ্ঞাসাৰে পুষ্ট এক নতুন কবিতা। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ শোষণ নিৰ্য্যাতনৰ পৰা মুক্তিৰ বাবে জন-সাধাৰণে চলোৱা সংগ্ৰামৰ সৈতে যোগ দিলে- কবি চিন্তা। কবিতাতো সেয়ে পোৱা গ'ল—শ্ৰম আৰু ঘামৰ—মাটি আৰু মানুহৰ গোন্ধ। বুৰ্জোৱা ভাৱাদৰ্শ আৰু কৌটিকলীয়া অন্ধ বিশ্বাসৰ ঠগত কবিমন তুমুল সংগ্ৰামত ব্ৰতী হ'ল। তেনেদৰেই সৃষ্টি হ'ল—মানুহক লৈ কবিতা—মাটিক লৈ কবিতা—সচা জীৱনবোধৰ কবিতা। বস্তুবাদী দৃষ্টিভঙ্গীৰে কবিমন ভৰি পৰিল। সেয়ে সজালে জনতাৰ কবিক। লগে লগে অসমীয়া কবিতা জগততো এক নতুন আলোড়ণৰ সৃষ্টি হ'ল। কবি কণ্ঠই অসমৰ আকাশতো চিঞৰি উঠিল—

"বিষণ্ণ দিনৰ প্ৰহৰৰ কণ্ঠস্বৰত
আজিৰ কবিতা
হেঙুলীয়া পালতৰি বণিজ বেহাৰলৈ যোৱা
সাউদৰ কোঁৱৰৰ সাধু আৰু জানো শুনিবা ?
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে দুখৰ বিষদাঁত
জীৰ্ণ ঘৰত বহি আৰু কি ভাবিছা ?
দাদাৰ বোজা কঢ়িয়াই সৰ্ব্বস্ব হেৰুওৱা
কত হৰিহৰ মেধী—
জোঁকে তেজ নিপিয়া কত এ'কৈশ বছৰীয়া লৰাৰ
বুকুত জটায়ুৰ যন্ত্ৰণা। ……."

(টিকেন দাস)

দ্বিতীয় মহাযুদ্ধৰ পিছৰ কালছোৱাই অসমীয়া আধুনিক কবিতাৰ জন্মক্ষণ। বাস্তৱ জীৱনৰ কদৰ্য্যতাৰ প্ৰতি বিতৃষ্ণাই কবি মানসত এক নতুন চিন্তাৰ সোত বোৱাই দিলে। ভাৱবাদ আৰু ৰহস্যবাদক জলাঞ্জলি দিয়া কবি মনত এক নতুন আশাৰ সঞ্চাৰ হ'ল। জনজীৱনৰ লগত গঢ় লৈ উঠিল কবিতাৰ এক নিবিড় সম্পৰ্ক। সংশোধনবাদ আৰু ভাববাদৰ লগত এই ধৰণৰ কবিতাৰ অহৰহ সংগ্ৰাম চলিল। এলান্ধুকলীয়া সমাজ ব্যৱস্থাৰ প্ৰেম, প্ৰকৃতি আদিক নতুন ৰূপত পোৱাৰ ইচ্ছাৰে জন্ম গ্ৰহণ কৰিলে এক নতুন ধৰণৰ কবিতাই। তেনেদৰেই জন্ম হ'ল প্ৰগতিশীল কবিতাৰ। কবিতাত সঞ্চাৰিত হ'ল এক নতুন জীৱন—নতুন ভাবাদৰ্শ—আহি পৰিল এক নতুন গতি। কবি ৰবীন্দ্ৰ সৰকাৰৰ কবিতাত তাৰেই ইঙ্গিত প্ৰতিভাত—

"যদি তুমি কেতিয়াবা অধৈৰ্য্য অপেক্ষাত
ৰৈ থাকা প্ৰিয়তমা মোৰ,
মোক তুমি বিচাৰি নাপাবা
পানবজাৰ মচগুল সন্ধিয়াত
অথবা উদ্দাম 'কাফে'ৰ সন্মুখত।
হয়তো তেতিয়া মই
হেজাৰ চেতনা লৈ
গাওঁ-ভুই কলঘৰ পথাৰত
বিচাৰিছো মুক্তিৰ নতুন দুৱাৰ……"

অৰ্থনৈতিক জীৱন ধাৰাৰ পৰিবৰ্ত্তনে সাহিত্য সংস্কৃতিতো প্ৰভাৱ পেলায়। প্ৰগতিশীল কবিসকলৰ জীৱনতো তাৰেই ইঙ্গিত পোৱা যায়। ৺অমূল্য বৰুৱাৰ নাম এই ক্ষেত্ৰত স্মৰণীয়। মহাসমৰৰ আগৰ কালছোৱাত ৺বৰুৱাৰ কবিতাত 'ৰোমাণ্টিচিজিম'ৰ প্ৰভাৱ সুস্পষ্ট। কিন্তু দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্ত্তনৰ লগে লগে ৺বৰুৱাৰ কবিতাৰ বিষয় বস্তুৰো লাহে লাহে সলনি হৈ আহিল। সেই সময়ত বহু খ্যাত অখ্যাত কবিৰ কবিতাত সাম্ৰাজ্যবাদ বিৰোধী শ্লোগান ধ্বনিত হৈ উঠিছিল। জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদিৰ গীত আৰু কবিতাত তাৰ সুৰ আজিও বাজি আছে। ৺অমূল্য বৰুৱাৰ 'কুকুৰ', 'বেশ্যা' আদিত সমাজৰ এটা দিশ ফুটি উঠিছে। 'বেশ্যা'ত কবিয়ে লিখিছে—

"….তেওঁলোকৰ ঘৰৰ ডিঙিত শিকলি দিয়া
বিলাতী কুকুৰটোৰ দৰে



চেপি ৰখা দুৰন্ত কামনাৰ তাড়ণা
আৰু তাৰেই চৰিতাৰ্থৰ বাবেই চোৰৰ দৰে
আন্ধাৰৰ আৰ লৈ
তাইৰ ঘৰলৈ সিহঁতৰ গোপন আগমণ…"

কবিতাটোত প্ৰচলিত সমাজ ব্যৱস্থাৰ এখন হুবহু ছবি ডাঙি ধৰা হৈছে। ইয়াত এই সমাজৰ এচাম তথাকথিত ভদ্ৰ ব্যক্তিৰ মুখা খুলি দিয়া হৈছে। ৺বৰুৱাৰ প্ৰচেষ্টা এই ক্ষেত্ৰত অভিনন্দনীয়।

এনেদৰেই সমাজ বিকাশৰ লগে লগে কবিতাৰো ভাব ভাষাৰ পৰিবৰ্ত্তন হ'ল। প্ৰগতিশীল কবিৰ চিন্তা এনেদৰেই মূৰ্ত্ত হৈ উঠিল।

"….বৃত্তৰ মাজত প্ৰাচীন নৃপতি, সহস্ৰ যোনীৰ দৰে চকু
চমৎকাৰ ন্যায়দণ্ড বিশাল এন্ধাৰত নাচে
বহুৱাদলৰ হাত চাপৰিত ৰজনজনাই চৌদিশ
তবা জলে ৰক্তাক্ত গঞাৰ মুখৰ তেজেৰে জলে।"

(পৰশু গোস্বামী)

আলোচনাৰ পৰা দেখা যায় যে বস্তুবাদী চিন্তা চৰ্চ্চা আধুনিক কবিতাত এক শ্লোগানত পৰিণত হৈছে। অকামিলা ভাৱবাদ আৰু জীৱন বিমুখ কল্পনাই সমাজ বিকাশৰ সত্যতা আৰু শ্ৰমজীৱি জনগণৰ মুক্তি সংগ্ৰামক ভেটা দিব নোৱাৰে। আৰু নোৱাৰে বাবেইতো আজিৰ সাহিত্যত—আজিৰ কবিতাত প্ৰগতিৰ ঢল। কিন্তু কথা হ'ল আজিৰ যি চাম কবি সাহিত্যিকে প্ৰগতিৰ ঢাক ঢোল বজাই আছে—তেওঁলোকৰ মাজৰ কিমানে বাৰু বৈজ্ঞানিক সমাজবাদ গঢ়াৰ আদৰ্শক—সৰ্ব্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ আদৰ্শক আকোৱালী লৈছে? প্ৰগতিশীল সাহিত্যইয়ে শ্ৰমজীৱি জনগণৰ প্ৰেৰণাদাতা। সেয়ে ইয়াৰ অন্য এক নাম বিপ্লৱী সাহিত্য। সেয়ে জনগণৰ প্ৰকৃত মুক্তিৰ পথ এই সাহিত্যই বা এই কবিতাই দিবলৈ হলে—সম্পূৰ্ণ ভাবে বিপ্লৱী সংগঠনৰ লগত ই জড়িত হব লাগিব—বিপ্লৱী গণ সংগঠনৰ কাম কাজ কৰিব লাগিব স্বীকাৰ্য্যযে ধনতন্ত্ৰৰ এই সংকটপূৰ্ণ অৱস্থাত কেৱল মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শৰে গঢ়া সংগঠনেহে প্ৰকৃতাৰ্থত মুক্তিৰ পথদাতা। ইতিহাস তাৰ স্বাক্ষৰ বহনকাৰী। আৰু সেয়াই হ'ল এক-মাত্ৰ বিপ্লৱী পাৰ্টি—সৰ্ব্বহাৰাৰ পাৰ্টি—কমিউনিষ্ট পাৰ্টি। যিহেতু সমাজৰ আমূল পৰিবৰ্ত্তন কৰাটোৱেই বিপ্লৱীৰ কৰ্ম্ম—আৰু প্ৰগতিশীল সাহিত্যৰো ধৰ্ম্ম—সেয়ে বিপ্লৱী পাৰ্টি আৰু প্ৰগতিশীল দৃষ্টি ভঙ্গী সম্পন্ন যি কোনো ব্যক্তি বা

সাহিত্যিকৰে ইটোৰ সিটোৰ লগত ওতঃপ্ৰোতঃ ভাবে জড়িত হৈ থকাটো অত্যন্ত প্ৰয়োজন। কিন্তু এই কথা যেতিয়াই কোৱা যায় তেতিয়াই কিছুমান উন্মাদ তথাকথিত প্ৰগতিশীল কবিয়ে চিঞৰ কৰি উঠে। এয়া কিন্তু পলায়নবাদীৰহে লক্ষণ। জনগণে এওঁলোকৰ ভেণ্ডুচালৈক ভালদৰে বুজি পায়। সেয়ে এওঁলোক কেতিয়াও সফল কবি হব নোৱাৰে—জনগণৰ সমাদৰ লাভ কৰিবলৈ অক্ষম হয়। এওঁলোকে ৰাজনীতিৰ গোন্ধ পালেই মূৰ্চ্ছা যাব খোজে। সংগ্ৰামী কৰ্ম্ম-কাণ্ডৰ পৰা আতৰত থাকি বিপ্লবীৰ নামত চৰ্দাৰ হৈ থকা বা বিপ্লবৰ পৰামৰ্শদাতা হিচাপে থকাটোহে এওঁলোকৰ অভিলাষ। কিন্তু জনগণ আজি আৰু ইমান পিছপৰি থকা নাই। এই সকল মুখাপিন্ধা কবি সাহিত্যিক বুৰ্জোৱা ভাৱাপন্ন হৈ থাকি ব্যক্তি সত্বাক গুৰুত্ব দিয়াত শ্ৰেণীসংগ্ৰামত আৱৰ্জনা স্বৰূপহে। এইয়া যদি ৰাজনীতি নহয়—তেন্তে দালালীহে। এই সকলৰ চিঞৰ বাখৰ সচেতন জনগণে ফাগৰে খোৱা কুকুৰৰ ভুকভুকনি বুলিহে ভাবে।

## প্ৰাচীৰ ভঙাৰ প্ৰস্তুতিৰেই প্ৰাচীৰৰ গুণগুণনি ..

প্ৰাচীৰেও হঠাত চিঞৰ কৰি উঠিল—"ভাঙ্‌....ভাঙ্‌....ভাঙ্‌.... ভাঙি দে.... ভাঙি দে"—জীৱনত পোৱা নোপোৱাৰ ক্ষোভত—আন এখন কলকৰ প্ৰাচীৰ ভঙাৰ প্ৰস্তুতিৰে। '৭৬ চনৰ এক শুভ মুহূৰ্ত্তত ৰঙিয়া কলেজত প্ৰথম প্ৰাচীৰে কথা কলে। এই কথা শুনাৰ আগ্ৰহেৰে প্ৰাণোচ্ছল এক বৃহৎ সংখ্যক ডেকা গাভৰুৰ আগমনে ৰঙিয়া কলেজত খলকনি তুলিলে। দেৱালৰ প্ৰতি টুকুৰা ইটাই যেন হুঙ্কাৰ তুলি উঠিল—"আমি আৰু এতিয়া মূক বধিৰ নহয়—আমিও কথা কব পাৰো—আমিও এতিয়া নিজক উপলব্ধি কৰিব জানো।" নতুন আশা আকাংক্ষাৰে যুৱক-যুৱতীৰ হৃদয়ো পূৰ্ণ হ'ল। ভাব আৰু ভাষাৰ যেচাত প্ৰতি-জনৰে ওঠ কঁপি উঠিল—লগে লগে যেন গঢ় ললে—দেৱাল আৰু যুৱমানসৰ এক নিবিড় সম্পৰ্ক। প্ৰভাতী সূৰ্য্যৰ ৰ'দ কাচলীত বিৰিঙি উঠিল—কেইখন মান উদ্বেলিত মুষ্টিবদ্ধ হাতৰ ছবি এখন নতুন ছবি প্ৰাচীৰে বুকুত আঁকি ললে জীৱনক আগুৱাই নিয়াৰ ছবি। বতাহতো যেন ভাহি আহিল কাৰোবাৰ কণ্ঠস্বৰ—

"........মনত নাই?
সেইদিনা যে
আমি সকলোৰে জ্বলি উঠিছিলো একেটা বাহুত
তহঁত চমকি উঠিছিলি আমি শুনিছিলো
তহঁতৰ বিবৰ্ণ মুখৰ আৰ্ত্তনাদ



আমাৰ কি অসীম শক্তি
অনুভৱ কৰিছ বাৰে বাৰে !...."

এয়াতো সুকান্তৰ কণ্ঠস্বৰ—সুকান্তৰ ভাষা। তাৰেই সুৰতেই আকৌ যেন প্ৰতিধ্বনিত হ'ল—

"... মুখত এই জ্বলো জ্বলো বাৰুদ
বুকুত জ্বলি উঠাৰ দুৰ্ব্বাৰ উচ্ছাস...."

এনেদৰেই বহু খ্যাত অখ্যাত কবিৰ কবিতাৰে উদ্বুদ্ধ ৰঙিয়া কলেজৰ কবিমন। যুৱ মানসত প্লাৱিত হ'ল এক নতুন চিন্তাধাৰা। প্ৰাচীৰেও সাবতি ললে টুকুৰা-টুকুৰ সংগ্ৰহিত কবিতাৰ পংক্তি—

"....ডিঙি চিঙা মানুহৰ দেহৰ ঝংকাৰ
সুৰে সুৰে ভুৰ নীলিমাৰ
বোমাৰু বিমানে নামনিৰ ধাননিত
ৰঙা তেজ বগা হাড়
আৰু মৃত্যুৰ নীল ৰঙী ছবি আঁকি যায়
কিন্তু সেই জাজ সংগীতৰ সুৰ
ন হেজাৰ মাইল দূৰ....?"

কলেজৰ জনৈক কবিয়েও লিখি গ'ল....

"....আমি জানো আই !
আমিতো এতিয়া আৰু বধিৰ নহয়
সিহঁতৰ—
ষড়যন্ত্ৰেৰে ভৰা ফুচফুচনি
আমি শুনিছো।
আমি জানো আই
আমি শুনিছো...."

11896

অকল কবিতাতেই ক্ষান্ত নাথাকিল। মহাবিদ্যালয়ৰ প্ৰাচীৰত বিভিন্ন সমস্যাৰ ভিত্তিত বিভিন্ন জনে লিখি গ'ল—বিভিন্ন ৰচনা, গল্প, প্ৰবন্ধ। ন-ন লিখকৰ ন ন প্ৰকাশ ভঙ্গীৰে ৰঙিয়া কলেজৰ প্ৰাচীৰত অঙ্কুৰিত হ'ল নতুন নতুন চিন্তাৰ বীজ।

এনেদৰেই জন্ম হ'ল—ৰঙিয়া কলেজ প্ৰাচীৰ পত্ৰিকা—'বিকাশ'ৰ।

এইখিনিতেই স্বীকাৰ কৰিব লাগিব যে পত্ৰিকাত এতিয়ালৈকে প্ৰকাশিত প্ৰবন্ধৰ মান গল্প আৰু কবিতাতকৈ কিছু উন্নত। কবি সকলৰ ভাবতকৈ ভাষা বহু পিছ পৰা যাৰ ফলত প্ৰকাশভঙ্গী কিছু দুৰ্ব্বল। আনহাতে কেইজনমান প্ৰবন্ধকাৰৰ বাস্তৱবাদী চিন্তাধাৰাই পত্ৰিকাখনৰ মান উন্নত কৰাত সম্পাদনা সমিতিক যথেষ্ঠ সহায় কৰিছে। প্ৰবন্ধকাৰসকলে সমাজ ব্যৱস্থাৰ বিভিন্ন সমস্যাৰ কথা যথে মথে তথা কথিত লিখকৰ দৰে কবলৈ নগৈ সম্পূৰ্ণ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰাত পাঠক সকলৰ গ্ৰহণযোগ্য হৈছে বুলি কব লাগিব। আনহাতে গল্পলিখক আৰু কবিমনৰ জন জীৱনৰ সতে এক সহজ সম্পৰ্ক গঢ়ি তুলিব খোজাৰ যি প্ৰচেষ্টা সিও শলাগিবলগীয়া। জীৱনৰ মহান বৰণীয় দিশটোৰ পৰা লিখক

সকলে পলাই নগৈ সামাজিক বিভিষিকাৰ পৰা মুক্তি লাভৰ বাবে যি এই পত্ৰিকাত আলোচনা আগবঢ়াইছে সেই সকলৰ এইদৰে জীৱনক উপলব্ধি কৰাৰ এই প্ৰচেষ্টা সচাকৈয়ে প্ৰশংসা কৰিবলগীয়া। কিন্তু লগে লগে আমি এইটো কথাও উপলব্ধি কৰিছো যে প্ৰকৃতাৰ্থত সাৰ্থক হৃদয়গ্ৰাহী সৃষ্টি এতিয়াও আমি কৰিব পৰা নাই। হৃদয়গ্ৰাহী লিখনিয়েহে পত্ৰিকাৰ মান উন্নত কৰে। কিন্তু সেইয়া নিৰ্ভৰ কৰে লিখক সকলৰ দ্বাৰা অৰ্জ্জিত বস্তুবাদী বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পন্ন জ্ঞানৰ ওপৰত। তাৰ বাবে অশেষ চেষ্টাৰ প্ৰয়োজন। অন্যথাই পলাব লাগিব জীৱনৰ মহান দিশটোৰ পৰা আত্ম বিধ্বংসী দিশটোলৈ যেনেদৰে বহুতো পলাইছে সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক সংঘাট সহিব নোৱাৰি। জনগণৰ ভাব ভাষাক চিনি লৈ তাক প্ৰয়োগ কৰিলেহে হৃদয়গ্ৰাহী সৃষ্টি হব। তাৰ বাবে প্ৰয়োজন লিখকৰ অপৰিসীম প্ৰচেষ্টা—জনগণৰ লগত নিবিড় সম্পৰ্ক।

## ব্যক্তিগত—

এইখিনিতে কলেজ আলোচনীখন সময়মতে প্ৰকাশ কৰিব নোৱাৰাত আমি দুখ প্ৰকাশ কৰিছো। অৱশ্যে ইয়াৰ কাৰণ হ'ল কৰ্ত্তৃপক্ষৰ যি কোনো কথাতে হস্তক্ষেপ কৰিব খোজাৰ প্ৰয়াস আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ উন্নত চিন্তাধাৰাৰ উপযুক্ত লিখনিৰ অভাৱ। এইয়া কিন্তু কাৰোৰেই অবিদিত নহয় যে ৰঙিয়া মহাবিদ্যালয়ৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিম্নমধ্যবিত্ত আৰু দুখীয়া পৰিয়ালৰ পৰা অহা। কিন্তু তথাপি এই ছাত্ৰ-ছাত্ৰী সকলে যেতিয়াই কলম হাতত তুলি লয়—তেতিয়াই দেখা যায় যে সামাজিক তথা অৰ্থনৈতিক জীৱনত দেখা দিয়া ঘাট-প্ৰতিঘাটৰ বৰ্ণনা দিবলৈ নগৈ বজৰুৱা সস্তীয়া প্ৰেমপ্ৰীতিৰ তথা কদৰ্য্য চিন্তাধাৰাৰে পৰিপুষ্ট লিখনিৰ পাতনিহে মেলে। যাৰ ফলত লিখনিসমূহৰ বিষয়বস্তু অতি তৰাং আৰু প্ৰকাশৰ বাবে অনুপযুক্ত। কলেজৰ লিখক সকলে এতিয়াও প্ৰচলিত সমাজৰ ভয়াবহ ভবিষ্যতটোৰ কথা চিন্তা নকৰি কেৱল বুৰ্জোৱা ভাৱবিলাসতে উটি ভাহি ফুৰা দেখা গৈছে। ই আত্মঘাটী হোৱাৰহে লক্ষণ। এই ধৰণৰ চিন্তাধাৰাইয়ে আজিৰ বহু বহু লিখকৰ দুৰাৱস্থাৰ হেতু। সেয়ে আগলৈ উন্নত মানৰ চিন্তাগধুৰ প্ৰবন্ধ পাতিৰে সুসজ্জিত 'ৰঙিয়া কলেজ আলোচনী'ক এখন উৎকৃষ্ট কলেজ আলোচনীৰূপে হাতত পাম বুলি আশা কৰিলো।

শেষত মোক এই দিশত সহায় কৰা অধ্যাপক, অধ্যাপিকা, বন্ধু-বান্ধৱী আৰু লগতে জয়ন্তী প্ৰেছৰ কৰ্ম্মী বৃন্দলৈ মোৰ আন্তৰিক ধন্যবাদ জনাই মোৰ লিখনিৰ সামৰণি মাৰিছো।

ধীৰেন্দ্ৰ নাথ শৰ্ম্মা
সম্পাদক/ৰঙিয়া কলেজ আলোচনী



# ॥ জাতীয়তাবাদ : এটি বিশ্লেষণ ॥

শ্ৰীদেবেন ডেকা

"সকলো প্ৰগতিশীল আৰু গণতান্ত্ৰিক আন্দোলনৰ বৈশিষ্ট্য হ'ল তাৰ নেতৃত্বৰ স্বাৰ্থত্যাগী আৰু নিৰ্লোভ চৰিত্ৰ। যদি কোনো আন্দোলনৰ নেতৃত্বৰ মাজত এনে গুণ দেখা নাযায় ( আৰু জোৰকৈ তেনে নেতৃত্ব সৃষ্টি কৰিব নোৱাৰি, আনকি বাতৰি কাকতত এসোপা ফাকি আৰু ভুৱা সিচি দিও নোৱাৰি ) তেন্তে বুজিব লাগিব যে সেই আন্দোলনৰ পিচত ঐতিহাসিক প্ৰগতিৰ মহাশক্তি নাই—সাময়িক ভাবে সি যিমানেই উত্তেজনাৰ সৃষ্টি নকৰক।"

(অসমীয়া জাতীয়তাবাদৰ সমস্যা : ডঃ হীৰেণ গোহাঁই)

ভাৰতৰ বৰ্ত্তমান পৰিস্থিতি গভীৰ ভাবে বিশ্লেষণ কৰিলে দেখা যায় যে, দেশৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক সংকট সমূহৰ লগতে ছাত্ৰৰ বিভিন্ন সমস্যা সমূহো (শিক্ষা গ্ৰহণৰ সমস্যা; গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সমস্যা, শিক্ষা সমাপ্তিৰ অন্তত সংস্থাপনৰ সমস্যা ইত্যাদি ) ক্ৰমান্বয়ে দ্ৰুতৰ পৰা দ্ৰুততৰ গতিত আগবাঢ়ি আহিছে আৰু এই সমস্যা সমূহৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ সমাজৰ মাজত এহাতে হতাশা, অনীহা—অসন্তোষ, বিশৃঙ্খলতা, অপৰাধ প্ৰৱণতাই মূৰ ডাঙি উঠিছে আৰু আনহাতে এই সমস্যা সমূহৰ উদ্ধাৰন আৰু সমাধানৰ পথ সম্পৰ্কে বিজ্ঞান সন্মত বিশ্লেষণ কৰি চোৱাৰ নিৰলস প্ৰচেষ্টা চলিছে। ছাত্ৰ সমাজৰ মাজত দেখা দিয়া এই সমস্যা সমূহক কেন্দ্ৰ কৰিয়েই বিচ্ছিন্ন অথবা সংঙ্ঘবদ্ধ ছাত্ৰ আন্দোলন গঢ় লৈ উঠাটো আৰু এই আন্দোলন সমূহে ব্যাপক পৰিসৰ লাভ কৰাটো উল্লেখনীয়।

সমগ্ৰ ভাৰতবৰ্ষতে গঢ়লৈ উঠা এই ছাত্ৰ আন্দোলন সমূহৰ পটভূমি বিচাৰ কৰি চালে এই কথা স্পষ্ট ভাবে উপলব্ধি কৰিব পাৰি যে বৰ্ত্তমান ভাৰতৰ সামাজিক, অৰ্থনৈতিক সংকটৰ সৈতে শিক্ষা-সংকটৰ এক নিবিড় সম্পৰ্ক আছে। বিশ্বৰ ধনতান্ত্ৰিক দেশ সমূহত যিমানেই অৰ্থনৈতিক সংকটৰ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ আহিছে, যিমানেই বিভিন্ন অশান্তি তথা আন্দোলনৰ লগতে ছাত্ৰ অশান্তি আৰু আন্দোলনেও ব্যাপক ৰূপ ধাৰণ কৰিছে। সেয়ে ভাৰতবৰ্ষতো ছাত্ৰানাং অধ্যায়নং তপঃ, পঢ়ে পঢ়ুৱাই ৰোৱে পান, এই তিনিয়ে নিচিন্তে আন

ছাত্ৰ ৰাজনীতিৰ পৰা দূৰত থকা উচিত, আদি প্ৰচলিত নীতি বাক্য সমূহৰ নিৰৰ্থকতা সামন্তযুগীয় আৰু পুজিবাদী নীতিবাক্যৰ ফোপোলা অস্তিত্ব প্ৰহসনত পৰিণত হবলৈ বাধ্য হৈছে।

মুঠ কথাত ভাৰতৰ দৰে শ্ৰেণী-বিভক্ত (সমাজত) দেশত ছাত্ৰ-সম্প্ৰদায়ৰ অস্তিত্ব গভীৰ সংকটত নিমজ্জিত হবলৈ বাধ্য হৈছে আৰু এই হৃত অস্তিত্ব পুনৰোদ্ধাৰৰ বাবে ছাত্ৰ সমাজৰ এটা বুজন অংশ আগ বাঢ়ি আহিছে।

ভাৰতবৰ্ষৰ অন্যান্য অঞ্চল বা প্ৰদেশ সমূহৰ দৰে অসমতো ছাত্ৰ-সমস্যা ক্ৰমাগত ভাবে বৃদ্ধি পাব লাগিছে। আৰু এই সমস্যা সমূহৰ ভিতৰত শিক্ষা সমাপ্তিৰ অন্তত সংস্থাপনৰ সমস্যাই প্ৰধান! তাৰোপৰি সমাজৰ অন্যান্য সমাস্যা যেনে মূল্য-বৃদ্ধি, মূদ্ৰাস্ফীতি আৰু জনসাধাৰণৰ অৰ্থনৈতিক দুৰাৱস্থা আদিৰ দৰে সমস্যা সমূহো ক্ৰমে ক্ৰমে ব্যাপক হাৰত বৃদ্ধি পাব লাগিছে।

অসমৰ এই নিবনুৱা সমস্যা আৰু জনগণৰ অৰ্থনৈতিক দুৰাৱস্থাৰ উদ্ধাৰন আৰু সমাধানৰ পথ সম্পৰ্কে বিভিন্ন মহলৰ পৰা বিভিন্ন মন্তব্য আগবঢ়োৱা হৈছে।

এই কথা ঠিক যে সাম্প্ৰতিক সময়ৰ সমগ্ৰ-ভাৰতবৰ্ষৰ লগতে অসমতো অসমৰ জনগণৰ অৰ্থনৈতিক দুৰাৱস্থা আৰু নিবনুৱা সমস্যাৰ দৰে এক সুদূৰ প্ৰসাৰী সমস্যাৰ সমাধান অসমৰ অৰ্থনৈতিক দুৰাৱস্থাত ভোগী থকা শ্ৰমিক কৃষক আৰু নিম্ন মধ্যাবৰ্ত্ত তথা ছাত্ৰ-সমাজে সমাধান কৰিব লাগিব।

সেয়েহে অসমৰ সমাজ সচেতন ছাত্ৰ সমাজে নিশ্চয় এই পৰামৰ্শ সমূহ বা পথ নিৰ্দেশ বিজ্ঞান সন্মত ভাবে, বস্তুনিষ্ঠ দৃষ্টি ভংগীৰে বিশ্লেষণ কৰি চাব লাগিব আৰু সেই পথ গ্ৰহণ বা বৰ্জ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

অসমৰ সাম্প্ৰতিক কালৰ সামাজিক, অৰ্থনৈতিক দুৰাৱস্থাৰ লগতে নিবনুৱা সমস্যাৰ উদ্ধাৰনৰ বাবে বিশিষ্ট এক মহলে এই মত পোষণ কৰিছে যে অসমৰ সমস্ত অৰ্থনৈতিক সংকট বা ছাত্ৰৰ নিবনুৱা সমস্যাদিৰ দৰে সনস্যা সমূহৰ বাবে প্ৰধানকৈ দায়ী হৈছে— অসমত বসবাস কৰি থকা অনা অসমীয়াবোৰ। অনা অসমীয়াবোৰৰ বাবেই উদ্ভৱ হোৱা এই সমস্যাৰাজিৰ সমাধান, অসমৰ পৰা অনা অসমীয়াবোৰক অপসৰণ কৰা আৰু বহিৰাগতৰ প্ৰব্ৰজন বন্ধ কৰাৰ জৰিয়তেহে সম্ভৱ হব পাৰে। আৰু এই পথ গ্ৰহণৰ বাবে অসমীয়া জনগণে জাতীয়তাবাদী চেতনাক প্ৰাধান্য দিব লাগিব। অৰ্থাৎ জাতীয়তাবাদ অবিহনে অসমীয়া জাতি জীয়াই থকাটো সম্ভৱ নহব।

বিশিষ্ট এই মহলে এই কথাও প্ৰচাৰ কৰিছে যে এই জাতীয়তাবাদ অবিহনে অসমত সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত আৰু সুদৃঢ় কৰাত অসম্ভৱ।

মুঠ কথাত অসমৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা দুৰীকৰণৰ বাবে আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে অসমীয়া জাতিয়ে নিজৰ জাতীয় চৈতন্য সম্বন্ধে সজাগ থাকিব লাগিব আৰু নিজ লক্ষ্য পূৰণৰ বাবে আগবাঢ়ি যাব লাগিব বুলি এই মহলে দৃঢ়ভাবে ঘোষণা কৰিছে।

অসমৰ ছাত্ৰ সমাজে এই পৰামৰ্শ বা পথনিৰ্দ্দেশ গ্ৰহণ কৰাৰ পূৰ্ব্বে ইয়াৰ বিজ্ঞান সন্মত বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি;

আমাৰ এই প্ৰবন্ধতো বিশিষ্ট এই মহলৰ পৰামৰ্শ সমূহ বিজ্ঞান সন্মত ভাবে বিশ্লেষণ কৰি চোৱাৰ চেষ্টা কৰা হব।

বিশিষ্ট এই মহলৰ প্ৰধান এক অভিমত হ'ল



এই যে—

'অতীজৰে পৰা অসমীয়া জাতি এটা স্বাধীন জাতি হিচাপে পৰিগণিত হৈ আহিছে; অথচ বৰ্ত্তমান অসমীয়া জাতিৰ অৱস্থা সংকটাপন্ন আৰু এই অৱস্থাৰ বাবে দায়ী হৈছে অসমত বসবাস কৰি থকা আৰু অসমলৈ অবাধ গতিৰে প্ৰবেশ কৰি থকা অনা-অসমীয়াসকল। সেয়ে, অতীত ঐতিহ্যৰ কথা মনত ৰাখি অসমীয়া জাতিয়ে অনতি পলমে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

ভাৰতলৈ বৃটিছ সাম্ৰাজ্যবাদৰ আগমণৰ পূৰ্ব-বৰ্ত্তী কালছোৱাত অসমীয়া মানুহ বা ভাৰতৰ অন্যান্য প্ৰদেশ বা অঞ্চলসমূহৰ মানুহ কেতিয়াও একেটা জাতিৰ ভিতৰুৱা নাছিল। সেয়ে বিভিন্ন অঞ্চলত বিভিন্ন ভাষাৰ মানুহক লৈ বিভিন্ন জাতি, সভ্যতা সংস্কৃতি গঢ় লৈ উঠিছিল। আৰু প্ৰত্যেক জাতিৰে কিছুমান নিজস্ব বৈশিষ্ট্যও আছিল। এই কথা-খিনিৰ যি তাৎপৰ্য্য সেয়া সঠিক দৃষ্টিভংগীৰে ফহিয়াই চোৱা প্ৰয়োজন।

ভাৰতৰ ভোগলিক বিশালতা আৰু বিচ্ছিন্নতাৰ বাবেই বিভিন্ন প্ৰাকৃতিক পৰিবেশত বিভিন্ন জাতি-উপজাতি ভাষা-সংস্কৃতি গঢ় লৈ উঠিছিল। কিন্তু এই সমস্ত ভাষা-ভাষীৰ মানুহৰ প্ৰকৃত সমন্বয় বৃটিছ সাম্ৰাজ্য-বাদৰ আগমণৰ আগছোৱাত অসম্ভৱ আছিল। আৰু ইয়াৰ প্ৰধান কাৰণ আছিল—সামন্তবাদী ৰাষ্ট্ৰ ব্যৱস্থাৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক কাঠামো। সামন্তবাদী উৎপাদন ব্যৱস্থাৰ প্ৰধান চৰিত্ৰ 'অচলায়তন উৎপাদন সম্পৰ্কই স্বাভাৱিকতে এই সমন্বয়ৰ প্ৰধান হেঙাৰ স্বৰূপ আছিল। কিন্তু বৃটিছ সাম্ৰাজ্যবাদৰ আগমণৰ লগে লগে অঙ্গাঙ্গী ভাবে আহি পৰা পুজিবাদী উৎপাদন ব্যৱস্থাই আগৰ অচলায়তন উৎপাদন পদ্ধতিৰ মৌলিক চৰিত্ৰ ভাঙি দিছিল আৰু এটা সময়ত (বৃটিছৰ অসমত প্ৰবেশৰ পৰবৰ্ত্তী কালছোৱাত) অসমতো তদৰূপ অৱস্থাৰ সৃষ্টি হৈছিল। কেৱল মাত্ৰ বৃটিছ সাম্ৰাজ্যবাদৰ স্বাৰ্থতে অসমৰ প্ৰাকৃতিক সম্পদ বিশেষকৈ চাহ শিল্পৰ পৰা মুনাফা লুণ্ঠনৰ উদ্দেশ্যে উৰিষ্যাৰ পৰা হোৰাহোৰে মানুহ আমদানি কৰা হৈছিল! তাতোকৈ ডাঙৰ কথা অসমত বৃটি-ছৰ প্ৰবেশ বহু পলমকৈ হোৱা বাবেই অসমত সামন্তযুগীয় উৎপাদন ব্যৱস্থাই কায়েম আছিল আৰু সেয়ে পুজিবাদৰ সৃষ্ট জাতীয় ধনীক শ্ৰেণীৰ উৎপত্তি হোৱা নাছিল। কিন্তু বহু আগতেই পুজিবাদী উৎপাদন ব্যৱস্থা গঢ় লৈ উঠা পাৰ্শ্ববৰ্ত্তী ৰাজ্য সমূহৰ পৰা বৃটিছ সাম্ৰাজ্যবাদৰ অনুগ্ৰহত গঢ় লৈ উঠা তাৰ ধনীক ব্যাৱসায়িক শ্ৰেণীয়ে অসমত ব্যৱসায়ৰ সুচল অৱস্থা লক্ষ্য কৰি অসম-মুখী হৈছিল। বৃটিছ আমোলত ৰাজনৈতিক আৰু অৰ্থনৈতিক তাড়নাত পৰি তাহানিতে যিবিলাক লোক অসমলৈ আহি অসমৰ অৰ্থনীতিত গা কৰি বহিল, এতিয়া আৰু অসমৰ দুৰাৱস্থাৰ বাবে তেওঁ-লোকক দোষাৰোপ কৰাটো অনৈতিহাসিক কথা। 'এখন দেশৰ একেটা অৰ্থনীতিৰ তলত কোনো অঞ্চল শূন্য হৈ থাকিব নোৱাৰে'। বৃটিছৰ পুঁজিবাদী অৰ্থনীতিৰ তলতো সেয়ে অসমীয়া মধ্য-বিত্তৰ ঠাই দখল কৰিছিল বহিৰাগত ব্যৱসায়িক শ্ৰেণীয়ে। ই আছিল বৃটিছৰ পুঁজিবাদী অৰ্থনীতিৰ বাস্তৱ প্ৰয়োজনীয়তা। এই ঐতিহাসিক পটভূমিৰ বাস্তৱ বিশ্লেষণ নকৰাকৈ বা এই ঐতিহাসিক সত্যক আওঁকান কৰি এতিয়াৰ পৰিস্থিতিত আমি অসমীয়া নহও দুখীয়া; বুলি অনাঅসমীয়াক দোষা-ৰোপ কৰাটো আৰু তেওঁলোকক অপসাৰিত কৰি কেৱল অসমীয়ালোকৰ বাবে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখন পৰিস্কাৰ কৰিব খোজাতো অকল আবে-গিকতা নহয়; আবন্তৰো।

সেই একেই মহলৰ পৰা এই অভিযোগ অনা হৈছে যে, 'অসমৰ বৰ্ত্তমান অৰ্থ নৈতিক দুৰাৱস্থাৰ বাবে; অসমৰ ভয়াবহ নিবনুৱা সমস্যাৰ বাবে অসমত বসবাস কৰি থকা আৰু :অসমলৈ অবাধ গতিৰে আহি থকা অনা-অসমীয়া :তথা বহিৰাগত সকলেই প্ৰধানকৈ দায়ী।

অসমৰ বৰ্ত্তমান অৰ্থ নৈতিক দুৰাৱস্থাৰ বাবে, ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাৰ বাবে বহিৰাগত সকলেই প্ৰকৃততে দায়ী নে? আৰু বহিৰাগতসকলক অসমৰ পৰা আতৰাই-পঠিয়ালেই অসমৰ বৰ্ত্তমানৰ অৰ্থ নৈতিক দুৰাৱস্থা, নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱ নে? এই গুৰুত্বপূৰ্ণ দিশটোৰো সূক্ষ্মভাবে বিশ্লেষণ কৰি চোৱা আৰু ইয়াৰ সত্যাসত্য নিৰ্ণয় কৰা প্ৰয়োজন।

'আজিৰ ভাৰতবৰ্ষৰ সাম্ৰাজ্যবাদীহতৰ টকা পইচাৰে আৰু দেশীয় একচেতীয়া পুজিপতি আৰু অৰ্দ্ধসামন্তবাদী প্ৰভুৰ সহযোগিতাত চলাই থকা জোৰাতাপলি মৰা অৰ্থনীতিৰ একেখন শালতে অসমখনো জোট খাই আছে। সেয়ে ভাৰতবৰ্ষৰ সামগ্ৰিক অৰ্থনীতিৰ কথা বাদ দি অসমৰ স্বকীয়া অৰ্থ নৈতিক অগ্ৰগতি বা মুক্তিৰ চিন্তা সম্ভৱ হবনে?

বৰ জোৰ জুলুম কৰি কেন্দ্ৰৰ পৰা এটা বা দুটা তেল শোধানগৰ নাইবা দুই, তিনিটা উদ্যোগ স্থাপনৰ বাবে অনুমতি আনিব পাৰি। কেই হাজাৰমান অসমীয়া নিবনুৱা যুবকে :কৰ্ম্মসংস্থানো পাব পাৰে। কিন্তু সেয়ে অসমৰ অৰ্থ নৈতিক দুৰাৱস্থা সম্পূৰ্ণভাবে দূৰ কৰিব পাৰিবনে? অথবা অসমৰ নিবনুৱা সমস্যা ইয়াৰ জৰিয়তে চিৰদিনৰ বাবে শেষ হবনে?

এটা উদাহৰণ লোৱা যাওক। অসমত বৰ্ত্তমান চৰকাৰী হিচাব মতে ১৫'৫ লাখৰো অধিক পঞ্জীভুক্ত নিবনুৱা আছে। গোটেই অসমত প্ৰায় ১'৫ লাখ প্ৰশাসনীয় কাম-কাজ পৰিচালনা কৰাৰ বাবে কৰ্ম্মচাৰী নিযুক্ত হৈ আছে। যদি ধৰা যায় যে, এই সমস্ত ১'৫ লাখ কৰ্ম্মচাৰীয়েই অনা-অসমীয়া আৰু তেওঁলোকক অপসাৰিত কৰি ১'৫ লাখ নিবনুৱা যুৱকক চাকৰি দিয়া যায়; তথাপিও ১৪ লাখ নিবনুৱা থাকি যাব। এই ১৪ লাখৰ খুব বেছি ৪/৫ লাখ নিবনুৱাক বিভিন্ন উদ্যোগাদিত সংস্থাপন দিলেও ৯-১০ লাখ নিবনুৱা থাকি যাব। সেই নিবনুৱা সকলৰ সমস্যা কেনেদৰে সমাধান কৰা যাব?

অন্যহাতেদি যি সময়ত সমগ্ৰ ভাৰতৰ শ্ৰমকাৰী মানুহে বিদেশী সাম্ৰাজ্যবাদ, দেশীয় একচেতীয়া পুজিবাদ আৰু অৰ্দ্ধসামন্তবাদী শোষণৰ কবলত পৰি তেওঁলোকৰ উৎপাদিত সামগ্ৰী আৰু ক্ৰয়ক্ষমতা হেৰুৱাই দাৰুণ অৰ্থ নৈতিক সংকটৰ মাজেৰে জীৱন অতিবাহিত কৰিবলৈ বাধ্য হৈছে, সেই একে সময়তে কৰ্ম্মসংস্থান পোৱা অসমীয়া ডেকাই এই ত্ৰি-ধাৰা শোষণৰ কবলত পৰি নিজ নিজ ক্ৰয়ক্ষমতা হেৰুৱাব লগীয়া নহবনে?

গতিকে আজিৰ ছাত্ৰসমাজে গভীৰ ভাবে চিন্তা কৰা প্ৰয়োজন যে বৰ্ত্তমানৰ অসমৰ যি নিবনুৱা সমস্যা, সেয়া অসমত বসবাস কৰি থকা অনা অসমীয়া অপসাৰিত কৰিলেই সম্পূৰ্ণভাবে সমাধান হব নে নাই।

প্ৰতিজন সমাজ সচেতন ব্যক্তিয়ে এই কথা জানে যে ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম কাৰিকৰী বা উদ্যোগিক দিশত পিচ পৰা। তাৰ প্ৰধান কাৰণ বৃটিছৰ অসমত বহু পলমকৈ হোৱা প্ৰবেশ আৰু স্বাধীনোত্তৰ ভাৰতৰ একচেতীয়া পুজিপতি।

এই কথা ঠিক যে, অসমত উদ্যোগিক বিকাশ হলে অসমৰ নিবনুৱা যুৱকৰ যি সমস্যা, সেয়া সাময়িক আৰু আংশিক ভাবে সমাধান হব। কিন্তু এই উদ্যোগ বা কাৰিকৰী প্ৰতিষ্ঠানসমূহ যদি দেশী বিদেশী একচেতীয়া পুজিপতি আৰু বহুনিগম সংস্থা সমূহৰ হাতত থাকি যায়, তেন্তে তাৰ দ্বাৰা অসমৰ বৃহত্তৰ জনগণৰ কোনো উন্নতি নহব। তাৰ অৰ্থাৎ দেশী বিদেশী কোম্পানীৰ হাতত এই প্ৰতিষ্ঠান সমূহ থাকি গলে যে প্ৰকৃত শ্ৰমজীৱি জনসাধাৰণৰ কোনো লাভ নহব, তাৰ আটাইতকৈ বাস্তৱ প্ৰমাণ আসমৰ চাহশিল্প। সেয়ে প্ৰতিজন ছাত্ৰ বা নিবনুৱা যুৱকৰ কৰ্ত্তব্য হব, অসমত দ্ৰুত শিল্পায়নৰ লগতে ব্যক্তিগতখণ্ডত থকা প্ৰতিষ্ঠান সমূহ ৰাষ্ট্ৰীয়কৰণ কৰাৰ দায়িত্ব চৰকাৰে হাতত লবলৈ দাবী কৰাটো।

আৰো এটা কথা ছাত্ৰ সমাজৰ লগতে প্ৰতিজন শিক্ষিত নিবনুৱা যুৱকে লক্ষ্য কৰা প্ৰয়োজন যে, অসমৰ বৰ্ত্তমান যি নিবনুৱা সমস্যা তাৰ সাময়িক সমাধানৰ বাবে৷ যুক্তিহীন ছাত্ৰ সম্প্ৰদায়ে নিজ শক্তিৰ অপচয় কৰিব নে এই বিশেষ সমস্যাৰ জন্মৰ কাৰণ, বিজ্ঞানসন্মত ভাবে বিশ্লেষণ কৰি তাৰ দ্বাৰা সমাধানৰ পথ গ্ৰহণ কৰিব।

উগ্ৰ জাতীয়তাবাদৰ দোহাই দিয়া মহলে কিন্তু, বৰ্ত্তমান সমগ্ৰ ভাৰতৰ লগতে অসমৰো মেহনতী মানুহৰ প্ৰধান তিনিশত্ৰু—বিদেশী সাম্ৰাজ্যবাদী, দেশীয় একচেতীয়া পুজিবাদী আৰু অৰ্দ্ধসামন্তবাদী শোষণ নিষ্পেষণৰ স্বৰূপটো জনগণৰ মাজত প্ৰকাশ কৰি দিয়া নাই।

যি সময়ত অসমৰ প্ৰাকৃতিক সম্পদৰ পৰা ৰয়েলিটিৰ নামত বিশেষকৈ চাহশিল্পৰ পৰা বৃটিছ সম্ৰাজ্যবাদে প্ৰতি বছৰে ১০০ (এশ) কোটিতকৈও অধিক টকা আত্মসাৎ কৰি আছে; বহুজাতিক নিগমবোৰে (Multinational corporation) বিভিন্ন উদ্যোগত অংশ গ্ৰহণৰ জৰিয়তে কোটি কোটি টকা লুণ্ঠন কৰি আছে, সেই সময়তে উগ্ৰজাতীয়তাবাদৰ বিষবাষ্প বিয়পাই দিব বিচৰা বুদ্ধিজীৱিৰ বিশেষ এক শ্ৰেণীয়ে আমেৰিকা, জাপান, ফ্ৰান্স, বৃ জাৰ্মান, সাম্ৰাজ্যবাদক অসমৰ বা ভাৰতৰ মেহনতী মানুহৰ মূল শত্ৰু বুলি চিনাক্ত কৰি দিয়াৰ পৰিবৰ্ত্তে ভাৰতৰ অন্যান্য প্ৰদেশৰ শ্ৰমজীৱি জনগণক বা ক্ষুদ্ৰ ব্যৱসায়ীক অসমৰ জনসাধাৰণৰ মূল শত্ৰু বুলি চিনাক্ত কৰিবলৈ প্ৰয়াস কৰিছে।

স্বাভাবিকতেই প্ৰশ্ন হব—প্ৰতিবছৰে ১০০(এশ) কোটিতকৈও অধিক অকল চাহ শিল্পৰ পৰা মুনাফা লুণ্ঠন কৰা বৃটিছ সাম্ৰাজ্যবাদ আমাৰ অসমীয়া মানুহৰ প্ৰধান শত্ৰু নে অসমৰ চাহশিল্পৰ সৈতে কায়িক শ্ৰমৰ দ্বাৰা ওতঃ প্ৰোতঃ ভাবে জড়িত চাহ মজদুৰ খিনি অসমৰ জনগণৰ মূল শত্ৰু,?

ঠিক একেদৰেই বিভিন্ন উদ্যোগ স্থাপন কৰি, সেই উদ্যোগবোৰত নিত্য প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰি উচ্চ দামত সেই সামগ্ৰী বিক্ৰি কৰি লাভবান হোৱা বহুজাতিক সংস্থা বা বিদেশী সাম্ৰাজ্যবাদ আমাৰ মূল শত্ৰু নে ইয়াত বসবাস কৰি থকা অনা অসমীয়া ক্ষুদ্ৰব্যৱসায়ী আমাৰ মূল শত্ৰু?

যদি অসমৰ বাহিৰৰ পৰা অহা অনা অসমীয়া চাহ মজদুৰখিনিক আতৰাই তাৰ পৰিবৰ্ত্তে অসমীয়া মজদুৰক নিয়োগ কৰা হয়, বৃটিছ সম্ৰাজ্যবাদে প্ৰতিবছৰে শবাং পৰিমাণৰ ধন আত্মসাৎ কৰা পথ বন্ধ হবনে?

যদি অসমৰ চুকে কোনে বসবাস কৰি থকা ক্ষুদ্ৰ ব্যৱসায়ী বোৰক আতঁৰাই অসমীয়া ব্যৱসায়ীয়ে তাৰ ঠাই দখল কৰে তেন্তে স্থানীয় কৰ'ৰ নামত আৰু অধিক দামত নিত্যপ্ৰয়োজনীয় সামগ্ৰী বেচি লাভবান হোৱা দেশী বিদেশী পুঁজিপতিৰ

মুনাফা লুণ্ঠণৰ পথ বন্ধ হব নে? উদ্যোগ প্ৰতিষ্ঠান সমূহত কাম কৰা শ্ৰমিক সকলক কৰা প্ৰত্যক্ষ শোষণৰ পথ বন্ধ হব নে?

প্ৰসংগক্ৰমে উল্লেখ কৰিব লাগিব যে মাক্সবাদ, লেনিনবাদৰ উদ্ধৃতি দিয়া, জাতীয়তাবাদৰ নামত উগ্ৰ-জাতীয়তাবাদৰ প্ৰসংগক্ৰমে উল্লেখ কৰিব লাগিব যে জাতীয়তাবাদ (উগ্ৰ-জাতীয়তাবাদ?) অবিহনে সমাজতন্ত্ৰ প্ৰতিষ্ঠা নোহোৱাৰ কথা ঘোষণা কৰা আৰু কথাই কথাই মাক্সবাদ-লেনিনবাদৰ উদ্ধৃতি দিয়া এই মহলে কিন্তু শোষণ নিষ্পেষণৰ মূল হাতিয়াৰ 'ব্যক্তিগত সম্পত্তি' আৰু সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজন 'ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন' অৰ্থাৎ উৎপাদনৰ হাতিয়াৰ ৰাষ্ট্ৰায়ত্ব কৰাৰ কথা এবাৰলৈকো ঘোষণা কৰা নাই। যদি সেয়ে হয়, অৰ্থাৎ যদি উৎপাদনৰ আহিলা-পাতি ৰাষ্ট্ৰয়ত্বই কৰা নহয়, তেন্তে অসমৰ গাৱে-ভূঞে সিচৰিত হৈ থকা অনা-অসমীয়া আধিয়াৰ বা খেত-মজুৰক বিতাৰিত কৰি অসমীয়া খেত-মজুৰ বা আধিয়াৰে সেই ঠাই দখল কৰিলেই অসমীয়া জমিদাৰৰ শোষণৰ কবলৰ পৰা অসমীয়া দুখীয়া খেতিয়কে ৰেহাই পাবনে? আকৌ একে অৰ্থ নৈতিক চৰিত্ৰৰে বান্ধ থকা অসমৰ অসমীয়া দুখীয়া খেতিয়কে দেশী বিদেশী সাম্ৰাজ্যবাদী শোষণৰ কবলৰ পৰা মুক্ত পোৱা সম্ভৱনে?

এই আটাইবোৰ প্ৰশ্নই আমি সুস্থ মস্তিষ্কৰে, বিজ্ঞান সম্মত ভাবে বিশ্লেষণ কৰি চোৱাৰ যুগ সন্ধি এয়া।

যদি ভাৰতৰ বৰ্ত্তমান পৰিস্থিতি গভীৰ ভাবে বিশ্লেষণ কৰা যায়, দেখা যাব যে, অসমৰ বৰ্ত্তমানৰ যি অৰ্থ সামাজিক সংকট; সেই সংকট গোটেই ভাৰতৰ অন্যান্য প্ৰদেশ সমূহতো ক্ৰমান্বয়ে ঘণীভূত হৈছে। আজিৰ অসমৰ এজন দুখীয়া খেতিয়কৰ সমস্যাৰ লগত বিহাৰ, মধ্যপ্ৰদেশ বা ৰাজস্থানৰ এজন দুখীয়া খেতিয়কৰ সমস্যাৰ কোনো মৌলিক পাৰ্থক্য নাই; অসমৰ এটা নিম্ন মধ্যবিত্ত পৰিয়ালৰ যি সমস্যা, সেই একেই সমস্যাই পঞ্জাব, হাৰিয়াণা তামিলনাডু বা কেৰেলাৰ এটা নিম্ন মধ্যবিত্ত পৰিয়ালক ক্ৰমাগতভাবে পঙ্গু কৰি আনিছে। অসমৰ শিক্ষিত নিবনুৱা সমাজৰ সমস্যাতকৈ পশ্চিম বংগ, উত্তৰ প্ৰদেশৰ নিবনুৱা সমাজৰ সমস্যা কোনো গুণেই কম নহয়।

কাৰণ, কাৰণ একেই পুজিবাদী সাম্ৰাজ্যবাদী-সামন্তবাদী শোষণে সমগ্ৰ ভাৰতৰে শোষিত মানুহৰ অৰ্থ নৈতিক স্বাধীনতা ক্ৰমান্বয়ে হৰণ কৰি নি আছে। অসমৰ একেবাৰে পিচ পৰা এটা অঞ্চলৰ এখন দোকানৰ বিক্ৰী হোৱা নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ যি লাভাংশ আৰু মহাৰাষ্ট্ৰৰ এখন চহৰাঞ্চলৰ দোকানত বিক্ৰী হোৱা একেই সামগ্ৰীৰ যি লাভাংশ, সেয়া ভাৰতৰ দেশীয় পুজিপতি বা বিদেশী সাম্ৰাজ্যবাদীৰ হাতলৈ গৈছে। গতিকেই বিদেশী সাম্ৰাজ্যবাদী আৰু দেশীয় একচেতীয়া পুজিপতি যেনেকৈ অসমৰ শোষিত জনগণৰ শত্ৰু, একেদৰেই মহাৰাষ্ট্ৰ পশ্চিম বংগ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ শোষিত জনগণৰো শত্ৰু।

আৰু, সমগ্ৰ ভাৰতবৰ্ষতে বিয়পি থকা এই তিনি শত্ৰুৰ শোষণৰ কবলত পৰিয়েই সমগ্ৰ ভাৰতীয় জনগণে অৰ্দ্ধাহাৰে, অনাহাৰে জীৱন অতিবাহিত কৰিবলৈ বাধ্য হৈছে। এই তিনি শত্ৰুৰ স্বাৰ্থত পৰিগণিত শাসক গোষ্ঠীৰ জনস্বাৰ্থ বিৰোধী পুজিবাদী অৰ্থনীতিৰ ফলস্বৰূপেই দেশত মূল্যবৃদ্ধি মুদ্ৰাস্ফীতি নিবনুৱা সমস্যা আদি ক্ৰমাগতভাবে বৃদ্ধি পাব লাগিছে।

গতিকে, এই সমস্যাসমূহে যিহেতু গোটেই ভাৰতৰে শ্ৰমজীৱি জনগণক অধিক অৰ্থ নৈতিক সংকটৰ মাজলৈ ঠেলি দিছে, যিহেতু অসমৰ শোষিত জনগণৰ শত্ৰু আৰু পশ্চিম বংগ, বিহাৰ বা উৰিষ্যাৰ শোষিত জনগণৰ শত্ৰু একেটাই সেয়ে সমগ্ৰ ভাৰতৰ শোষিত জনগণৰ মিলিত প্ৰণালীবদ্ধ সংগ্ৰামৰ প্ৰয়োজনীয়তা কোনো সুস্থ মস্তিষ্কৰ ব্যক্তিয়ে নুই কৰিব নোৱাৰে।

কিন্তু একেই শোষণ নিষ্পেষণৰ কবলত জৰ্জৰিত দুই বা ভিন্ন প্ৰদেশৰ শোষিত, লাঞ্চিত মানুহে এই মিলিত, ঐক্যবদ্ধ সংগ্ৰামৰ পথ পৰিহাৰ কৰা মানেই আত্ম-প্ৰৱঞ্চনাৰ পথ বাচি লোৱা হব।

অথচ ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট ভাবে উপলব্ধি কৰিব পাৰি যে উগ্ৰ জাতীয়তাবাদৰ এই প্ৰবক্তা সকলে অসমৰ অৰ্থনৈতিক দুৰাৱস্থাৰ বাবে অসমৰ শ্ৰমিক-কৃষক নিম্ন-মধ্যবিত্ত অৰ্থনৈতিক সংকটত নিমৰ্জ্জিত হবলৈ বাধ্য হোৱাৰ বাবে, অসমৰ ছাত্ৰ সমাজৰ পৰা শিক্ষা সমাপ্ত কৰি সংস্থাপন নোপোৱা দুৰাৱস্থাৰ বাবে, অসমৰ মাটিত বসবাস কৰি থকা অনা অসমীয়া মেহনতী মানুহক বা ক্ষুদ্ৰ ব্যৱসায়ীক দোষী সাব্যস্ত কৰিব বিচাৰিছে। এই প্ৰচাৰৰ দ্বাৰা আমি এটা কথাই স্পষ্ট ভাবে বুজিব লাগিব যে, মূল তিনি শত্ৰুক অসমৰ জনগণৰ চকুৰ পৰা আতৰাই ৰাখি শ্ৰমজীৱি জনগণৰে একাংশক আন অংশৰ শত্ৰু হিচাবে দেখুৱাব বিচাৰিছে।

আৰু এই প্ৰচাৰৰ অন্তৰালত থকা উদ্দেশ্যৰ কথাও আজিৰ অসমৰ ছাত্ৰ-সমাজে সূক্ষ্মভাবে বিশ্লষণ কৰি চোৱা প্ৰয়োজন।

সমগ্ৰ ভাৰতবৰ্ষতে নিজৰ স্বাৰ্থত এই তিনি-মূল শত্ৰুৱে নিজ শোষণ শাষন কায়েম ৰাখিবলৈ বিভিন্ন সময়ত বিভিন্ন কৌশল অবলম্বন কৰে। বিশ্বাস কৰিবলৈ টান যেন লাগিলেও, ভাৰতৰ অতীত ইতিহাসৰ (স্বাধীনোত্তৰ যুগৰ) ফালে চকু দিলেই, এই সত্য জল জল পট পটকৈ ওলাই পৰে

বাস্তৱ অভিজ্ঞতাই এই শিক্ষাকে দিছে যে, যেতিয়াই এই শাসক শোষক গোষ্ঠীৰ অনাচাৰ অত্যাচাৰ, শোষণ নিষ্পেষণত জৰ্জ্জৰিত শোষিত জনগণে দৈনন্দিন জীৱন যাত্ৰাৰ সংকটত অতিষ্ঠ হৈ এই অন্যায় অবিচাৰৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহে তেতিয়াই ভাষা-ধৰ্ম্ম সাম্প্ৰদায়িকতাৰ নামত বিভেদ সৃষ্টি কৰি শোষক-শাসক গোষ্ঠীয়ে জনগণৰ এই প্ৰতিবাদ কণ্ঠক স্তব্ধ কৰি দিবলৈ, এই ঐক্যবদ্ধ আন্দোলন সমূহক মষিমূৰ কৰি দিবলৈ আপ্ৰাণ চেষ্টা চলায়। এই বিভেদ সৃষ্টি কৰাৰ ফলত শাসক শোষক গোষ্ঠীৰ দুটা লাভ হয়। এহাতে সিহঁতৰ শোষণ-শাষণ কায়েম ৰখা পথ নিষ্কণ্টক হয়; আনহাতে শোষিত জনগণৰ মাজৰ ঐক্যবদ্ধ সংগ্ৰামৰ শক্তি বিলুপ্ত হয়।

ভাৰতৰ সাম্প্ৰতিক কালৰ ইতিহাসলৈ চকু দিলেও এই ঐতিহাসিক সত্য স্পষ্ট ভাবে অনুভব কৰিব পাৰি।

ভাৰতৰ বৰ্ত্তমান পৰিস্থিতিত শোষক শ্ৰেণী সমূহৰ এই শোষণ নিষ্পেষণৰ প্ৰতিবাদত বিচ্ছিন্ন অথবা সংগবদ্ধ সংগ্ৰাম বা আন্দোলন গঢ়লৈ উঠাতো পৰিলক্ষিত হৈছে। এই গণতান্ত্ৰিক সংগ্ৰামক যাতে ব্যাহত কৰিব পাৰি আৰু এই আন্দোলন সমূহক যাতে প্ৰতিক্ৰিয়াশীল আন্দোলনৰ ঠেক বত্তীয়ে আবদ্ধ ৰাখিব পাৰি তাৰ বাবে সুবিধাভোগী শাসক-শোষক গোষ্ঠীয়ে সদায়ে চেষ্টা চলাই আছে আৰু চলাই থাকিব।

অসমৰ বৰ্ত্তমান পৰিস্থিতিতো অসমৰ শোষিত জনগণে ভাষা-ধৰ্ম্ম গোষ্ঠী নিৰ্বিশেষে এই শোষণ নিষ্পেষণৰ প্ৰতিবাদত সংগ্ৰামৰ পথ গ্ৰহণ কৰিছে। অসমৰ ছাত্ৰ সমাজেও নিজস্ব দাবী-দাৱাৰ বাহিৰেও মূল্য বৃদ্ধি, মুদ্ৰাস্ফীতি আদিৰ প্ৰতিবাদ স্বৰূপে গণতান্ত্ৰিক সংগ্ৰামী পথ আকোঁৱালি লৈছে।

আৰু অসমৰ এই পৰিবৰ্ত্তিত পৰিস্থিতিত, যি

পৰিস্থিতিত শোষিত জনগণে মূল শক্তিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিবলৈ ক্ৰমে ক্ৰমে অধিক সচেতনাভাৱে আগবাঢ়ি আহিছে, ঠিক সেই সময়তে ভাষা-ধৰ্ম-সাম্প্ৰদায়িকতাৰ নামত ন্যাস্ত স্বাৰ্থৰ পোষকতা কৰা, 'শোষক গোষ্ঠীৰ উচ্ছিষ্ট খাই জীয়াই থকা গুটাম তথাকথিত বুদ্ধিজীৱিয়ে 'অসম অসমীয়াৰ, অসমত বিদেশীৰ হস্তক্ষেপ সহ্য কৰা নহব, বিদেশীৰ প্ৰব্ৰজন বন্ধ নহলে অসম মাতৃৰ চৰণত লাচিতৰ হেংডাঙেৰে বিদেশীক বলী দিয়া হব' ইত্যাদি শ্লোগানেৰে অসমীয়া শোষিত জনগণৰ মাজত বিষ বাষ্প বিয়পাই দিবলৈ চেষ্টা কৰিছে। (লগতে এই কথাত ঘোষণা কৰিছে যে বিদেশীয়ে অসমৰ ভাষা সংস্কৃতিও গ্ৰাস কৰিবলৈ আগবাঢ়ি আহিছে।)

অসমৰ শোষিত জনগণে এই পথ সচেতন-ভাবে বৰ্জন নকৰিলে, অসমৰ শিক্ষিত যুৱকে তথা ছাত্ৰ সমাজে ইয়াৰ অন্তৰালত থকা অভিসন্ধি অশিক্ষিত জনসাধাৰণৰ মাজত উদঙাই নেদেখুৱালে, শোষক-শাসক গোষ্ঠীয়ে আৰু সিহতৰ ভেড়নীয়া বুদ্ধিজীৱিয়ে ভাষা-ধৰ্ম সম্প্ৰদায়ৰ আৱৰত থকা নতুনা নামকৰণেৰে অসমৰ মাটিত ভাতৃ-ঘাটী সংঘাটৰ সৃষ্টি কৰিবলৈ অধিক যত্নপৰ হব। আৰু তাৰ ফলত অৰ্থাৎ ভাতৃঘাটী হাঙ্গামাৰ ফলত শোষিত জনগণে নিজৰ ভিতৰতে মূৰ ফলাফলি কৰি নিজৰ সংগ্ৰামী ঐক্য বিনষ্ট কৰিব। এই সংঘাটৰ ফলত এহাতে শাসক শোষক গোষ্ঠীৰ শোষণৰ পথ নিষ্কণ্টক হব আৰু আনহাতে শোষিত জনগণে মূল উদ্দেশ্যৰ পৰা বহু যোজন আতৰি আহিবলৈ বাধ্য হব।

এটা কথা আমি সদায়ে মনত ৰখা উচিত হব যে—'ছাত্ৰ-ছাত্ৰীসকল তেওঁলোকৰ নিজস্ব পৰিয়াল সমূহৰ উন্নতে এক নিবিড় সম্পৰ্কৰ দ্বাৰা জড়িত হৈ আছে। আৰু এই সম্পৰ্কৰ আচল এনাজৰি ডাল হৈছে অৰ্থনীতি। আনহাতে এই কথাত অনস্বীকাৰ্য্য যে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ৭০ (সত্তৰ) শতাংশ মানুহ গভীৰ অৰ্থনৈতিক সংকটৰ মাজেৰে জীৱন অতিবাহিত কৰিবলৈ বাধ্য হোৱাৰ পাছফালে আছে শাসক গোষ্ঠীৰ জনস্বাৰ্থ বিৰোধী পুঁজিবাদী অৰ্থনীতি। ভাৰতৰ ছাত্ৰ সমাজৰ গৰিষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰী, যিহেতু অৰ্থনৈতিক সংকটত নিমজ্জিত শ্ৰমিক-কৃষক-মধ্যবিত্ত পৰিয়ালৰ পৰা অহা সেয়ে স্বাভাৱিকতে তেওঁলোকৰ স্বাৰ্থ এই পৰিয়াল সমূহৰ স্বাৰ্থ বা লক্ষ্যৰ সৈতে একে হবলৈ বাধ্য। সেয়েহে ছাত্ৰ সমাজৰ মাজত দেখা দিয়া সমস্যা সমূহক শ্ৰমিক-কৃষক-মধ্যবিত্তৰ সমস্যা সমূহৰ পৰা কেতিয়াও বিচ্ছিন্ন ভাবে চোৱাটো উচিত নহব আৰু ছাত্ৰ সম্প্ৰদায়ৰ এই সমস্যা সমূহৰ সমাধান কেতিয়াও পৃথক ভাৱে হব নোৱাৰে গতিকেই ভাৰতবৰ্ষৰ ৭০ শতাংশ মানুহৰ যি সামাজিক-অৰ্থনৈতিক দুৰাৱস্থা, তাৰ সামাগ্ৰিক উন্নতি অবিহনে, বেলেগে কেৱল মাত্ৰ ছাত্ৰসকলৰ উন্নতিৰ কল্পনা কৰাটো অবাস্তৱেই নহয় অসম্ভৱ আৰু অবৈজ্ঞানিকো।

এই কথা শাসক-শোষক শ্ৰেণীয়ে ভালদৰেই জানে আৰু সেয়েহে এই দুই শ্ৰেণীয়ে আৰু তাহাতৰ মোচাহেব গোষ্ঠীয়ে ছাত্ৰ সম্প্ৰদায়ক এই শোষিত জনগণৰ পৰা বিচ্ছিন্ন কৰাৰ লগতে প্ৰতিক্ৰিয়াশীল ক্ৰিয়া কাণ্ডত লিপ্ত কৰাই ছাত্ৰ শক্তিৰ অপব্যয় কৰিবলৈ বিচাৰে।

এই পৰিস্থিতিত, সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ ছাত্ৰ সম্প্ৰদায়ৰো এক বিশেষ দায়িত্ব আছে। ছাত্ৰ সম্প্ৰদায়ৰ সন্মুখত দুটা স্পষ্ট পথ আছে—'হয় তেওঁলোকে দেশৰ গৰিষ্ঠ সংখ্যক শোষিত জনগণৰ অৰ্থনৈতিক মুক্তিৰ হকে সচেতন ভাবে শত্ৰু মিত্ৰ বিচাৰ কৰি, শত্ৰু পক্ষক এঘৰীয়া কৰি মিত্ৰ



পক্ষক অধিক শক্তিশালী কৰি ঐক্যবদ্ধ কৰি প্ৰণালী-বদ্ধ সংগ্ৰামৰ পথ বাচি লব লাগিব, নহয় 'দেশৰ বৃহত্তম স্বাৰ্থ জলাঞ্জলি দি মুষ্টিমেয় শ্ৰেণীৰ স্বাৰ্থত কাম কৰাৰ পথ বাচি লব লাগিব'।

আৰু আজিৰ এই যুগসন্ধিত, দেশৰ ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক সমস্যা সমূহৰ প্ৰকৃত বস্তুনিষ্ঠ দৃষ্টি ভংগীৰে, বিজ্ঞান সন্মত ভাবে বিশ্লেষণ কৰি সেই সমস্যা সমূহৰ স্থায়ী সমাধানৰ পথ গ্ৰহণ কৰাটোৰে ছাত্ৰ সমাজৰ ঐতিহাসিক কৰ্তব্য হব। ●

# এইবাৰ ইতিহাস সলনিৰ সময়

সবিতা লহকৰ
স্নাতক ১ম বাৰ্ষিক

এনেকৈয়ে যুগে যুগে
হাতত শানিত অস্ত্ৰ লৈ
সিহঁত আহে—
সিহঁত আগবাঢ়ি আহে।
শেষ কৰি দিয়ে—
আমাৰ সমস্ত
আশা আকাংক্ষা।
আমাৰ ককাদেউতা-আইতাহঁতো
বঞ্চিত হৈছিল—
ইহঁতৰেই দ্বাৰা।
* * *
আৰু
আজিও একেই বেশেৰে
একেই গতিৰে
সিহঁত আহিছে—
সিহঁত আগবাঢ়ি আহিছে।
* * *
কিন্তু,
সিহঁতে নেজানে—
আজি কালি আমি আৰু বেয়নেটৰ খোচলৈ
ভয় নকৰো!
আমাৰো আছে—
দুখনি লোহকঠিন হাত
আমাৰো আছে—
ধান কটা চিক্‌মিক্ কাঁচি।
বঞ্চনাৰ ইতিহাস সৃষ্টি কৰিব
সিহঁতে এইবাৰ নোৱাৰে।
* * *
এইবাৰ আমাৰ সময়
এইবাৰ ইতিহাস সলনিৰ সময়। ●



# সাহিত্য আৰু জনগণ বা প্ৰগতিশীল সাহিত্যৰ সমস্যা ॥

শ্ৰীভগীৰথ শৰ্ম্মা
প্ৰাক্-বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক

সমাজ এখনৰ পৰিবৰ্ত্তন অনা মানেই হ'ল এক বিপ্লৱৰ সৃষ্টি কৰা। বিপ্লৱ অবিহনে কেতিয়াও সমাজ পৰিবৰ্ত্তনৰ কথা মনলৈ আনিব নোৱাৰি। কিন্তু কথা হ'ল এই বিপ্লৱ নো কি ভাবে সম্ভৱ? উৎপাদন ব্যৱস্থাৰ পৰিবৰ্ত্তনেই সমাজ পৰিবৰ্ত্তনৰ নিৰ্ণয় সূত্ৰ। "Every basis has its corresponding super structure' The basis of the feudal system has its own super structure, its political, legal and other views, and corresponding institution. The capitaliest basis its own superstructure, So has the socialist. If the basis change or climinated, then following after this its super structure change or climinated; if a new basis arise then fol'owing afcer this a super structure arises corresponding to it"

গতিকে এনে ধৰণৰ উৎপাদন- কাঠামো বদলাই দিবলৈ আমাক লাগিব কিছু বাস্তৱ জ্ঞান অৰ্থাৎ কি ভাবে উৎপাদন ব্যৱস্থা চলিছে সেই জ্ঞান এক কথাত সামাজিক গতি বিধিৰ জ্ঞান। ইয়াৰ বিৱৰণ পাব পাৰো বিপ্লৱী সাহিত্যিকৰ বিপ্লৱী বা প্ৰগতিশীল, লিখনিত। প্ৰগতিশীল ৰচনা নো কি? গতিহীন, বন্ধ্যা সমাজ ব্যৱস্থাৰ বিপৰীতে গতিশীল আৰু সৃষ্টিশীল সমাজব্যৱস্থাৰ প্ৰতি আগ্ৰহী হৈ শোষিত জনগণৰ বাস্তৱ জীৱনক লৈ যি সাহিত্য ৰচনা কৰে সিয়েই প্ৰগতিশীল ৰচনা বা বিপ্লৱী সাহিত্য, বিপ্লৱী সাহিত্য পঢ়ি সচেতন হৈ শোষিত নিষ্পেষিত দলে সমাজ পৰিবৰ্ত্তন কৰিবলৈ আগুৱাই আহে। গতিকে সমাজ পৰিবৰ্ত্তনত কলা সাহিত্য ভূমিকা অতি গুৰুত্বপূৰ্ণ।

এই পৰিবৰ্ত্তনৰ কাৰণে লাগিব প্ৰগতিশীল কলা সাহিত্য আৰু প্ৰেৰণা। এই প্ৰেৰণা যোগাব প্ৰগতিশীল বিপ্লৱী সাহিত্যই। এতিয়া কথা হ'ল প্ৰগতিশীল সাহিত্য কি দৰ্শনৰ ওপৰত ৰচনা হোৱা উচিত? ইতিহাসৰ লগত ইয়াৰ সম্পৰ্ক থকা উচিত নে? প্ৰগতিশীল কলা সাহিত্য সদায় বস্তুবাদি দৰ্শনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা উচিত। দ্বিতীয়তে এই সাহিত্যৰ ইতিহাসৰ লগত সম্পৰ্ক থকা উচিত। এতিয়া প্ৰশ্ন হ'ল বস্তুবাদ মানে কি? বস্তুবাদী দৃষ্টি কি? আমাৰ বহুতৰে ধাৰণা হ'ল, বস্তুক প্ৰাধান্য দি (গাড়ী, মটৰ, লাহ-বিলাহ) জীৱন কটোৱাটোৱেই বস্তুবাদী দৃষ্টি। কিন্তু সেইটো ভুল প্ৰকৃত বস্তুবাদী দৃষ্টি-ভঙ্গি হ'ল পৃথিবীৰ বিভিন্ন দৃষ্টিবোৰৰ ভিতৰত বাস্তৱিক আৰু বিজ্ঞান সন্মত ধাৰাটো এই দৃষ্টিৰ মতে বস্তু (Matter) মুখ্য আৰু চেতনা গৌণ। অৰ্থাৎ আমাৰ চাৰিওফালে থকা বস্তু জগত খনেই আমাৰ চিন্তাৰ সমল যোগায়। ইয়াৰ অবিহনে আমি চিন্তা কৰিব নোৱাৰো, আমি কিবা এটা চিন্তা কৰিবলৈ হলে বস্তু জগতখনৰ ভিত্তিতেই চিন্তা কৰো। কিন্তু ভাৱবাদী দৰ্শনৰ মতে চেতনা মুখ্য বস্তু, অৰ্থাৎ চেতনাৰ অবিহনে বস্তু জগতৰ অৱস্থিতি থাকিব নোৱাৰে, কিন্তু সেইটো সচা জানো? আমাৰ চেতনা থাকক বা নাথাকক বস্তু বস্তুৱেই, ই আছে আৰু থাকিব। সময় ঠাই আৰু পৰিবেশে আমাৰ চিন্তা নিৰ্ণয় কৰে। চিন্তা কোনো অলসৰ পৰা অহা বস্তু নহয়।

পৃথিবী সম্পৰ্কে ভাববাদী সকলে ধাৰণা কৰে যে পৃথিবীখন কিবা এটা অলৌকিক শক্তিৰ দ্বাৰা পৰিচালিত হৈ আছে। কিন্তু বস্তুবাদী দৰ্শনৰ মতে পৃথিবী জন্মগত ভাবে বস্তুমূলক। ই বস্তুৰ সকলো ধৰ্ম্ম মানি চলে। সেইদৰে অতীতৰ পৰা পৃথিবীত জীৱৰ উৎপত্তি সম্পৰ্কে পৃথিবীৰ বিভিন্ন দেশত ভাববাদী আৰু বস্তুবাদী দাৰ্শনিকৰ মাজত দ্বন্দ চলি আহিছে। ভাববাদী সকলৰ মতে পৃথিবীত জীৱৰ সৃষ্টি কিবা এক অলৌকিক শক্তিৰ দ্বাৰা সম্ভৱ। কিন্তু বস্তুবাদী সকলে মানৱ সমাজৰ এতিয়ালৈ বিভিন্ন দিশত হোৱা বিকাশৰ সমলৰ ওপৰত ভিত্তি কৰিহে পৃথিবীত জীৱৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়, প্ৰত্যেক বস্তুৰে বিজ্ঞান সন্মত বিশ্লষণ বিচাৰে। এতিয়া কথা হ'ল; সাহিত্য সদায় এই ধৰণৰ বস্তুবাদী দৰ্শনৰ ওপৰত ভিত্তি কৰি ৰচনা হোৱা উচিত। তাৰ ফলত সাহিত্যত জনগণৰ প্ৰকৃত সমস্যা ফুটাই তুলিব পৰা যাব। আনফালে প্ৰগতিশীল কলা সাহিত্যৰ ঐতিহাসিক দৃষ্টিভঙ্গী থকাটো নিতান্ত দৰকাৰ। কাৰণ আমি যদি কোনো সমাজ ব্যৱস্থাৰ সমস্যাৰ ওপৰত সাহিত্য লিখিবলৈ যাওঁ তেতিয়া হলে আমি সেই সমাজৰ ইতিহাসৰ পাত লুটিয়াই চোৱা দৰকাৰ। সেই ইতিহাসৰ উৎপাদন সম্পৰ্কে আৰু অৰ্থনৈতিক গাঠনি কি বস্তুৰ ওপৰত ভিত্তি কৰিছিল সেই সম্পৰ্কে প্ৰগতিশীল কলা সাহিত্যই যথেষ্ট নিৰ্ভৰ কৰে। সেয়েহে প্ৰগতিশীল কলা সাহিত্যৰ ঐতিহাসিক দৃষ্টিভঙ্গী থকা দৰকাৰ।

পৰিবৰ্ত্তন কামী সাহিত্যিকৰ লগত ৰাজনীতিৰ কেনে ধৰণৰ সম্পৰ্ক হোৱা উচিত। যদি আমি এইটো বুজো যে ৰাজনীতিৰ পৰা নিলগত থকা সাহিত্য বিলাকহে বিশুদ্ধ, এইটো ভ্ৰান্তি মূলক ধাৰণা মাথোন। এইটো কথা ঠিক যে ৰাজনীতি সাহিত্যৰ ৰণাঙ্গণ স্বকীয়া, ৰণ-কৌশলো স্বকীয়া কিন্তু যুদ্ধ একেখনেই, মাও-ছে-তুঙে কৈছে দুটা ফৌজৰ কথা, ৰাজনৈতিক আৰু সাংস্কৃতিক ফৌজ। প্ৰথমটো প্ৰধান সন্দেহ নাই, কিন্তু দ্বিতীয়টো অপৰিহাৰ্য্য আৰু গুৰুত্বপূৰ্ণ।

আমি বহুতে আজিও ভাবো যে—সাহিত্য আৰু সংস্কৃতি শ্ৰেণী নিৰপেক্ষ। আমাৰ বৰ্ত্তমান সমাজত সংস্কৃতিৰ মুমূৰ্ষ অৱস্থান। আমি ভাবিছিলো যে সৰ্বহাৰা বিপ্লৱে সংস্কৃতিৰ পুনৰজীৱন ঘটাব। ইতিমধ্যে কিন্তু সংস্কৃতি তথা সাহিত্যৰ যথাসাধ্য উৎকৰ্ষ সাধন কৰি তাক বিজয়ী জনগণৰ হাতত

তুলি দিয়াই শিল্পী, সাহিত্যিকৰ দায়িত্ব, এয়ে আমাৰ ধাৰণা। আজি আমাৰ জনসাধাৰণে বুর্জোৱা সংস্কৃতিকেই সংস্কৃতি বুলি ধৰি লৈছে। জন সাধাৰণে বুজা নাই সেই সংস্কৃতি বুর্জোৱা কথা চিন্তা, ব্যক্তি কেন্দ্রিকতা আৰু প্রতিযোগিতাৰ প্রভাৱত বিকলাংগ। তাৰ উপৰিও সমাজৰ অধিকাংশ লোকক শোষণ আৰু দমন কৰি গঢ়ি উঠা শ্রেণীৰ সংস্কৃতিত বহু অশুভ, অসুস্থ উপাদান থকাটো স্বাভাবিক। প্রকৃততে তাৰ উচ্চ মূল্য বোধৰ অন্তৰালত আছে এক উচ্চ পর্য্যায়ৰ প্রতাৰণা। কিন্তু শ্রেণী চেতনাৰ অপৈণত অৱস্থাৰ ফলত এই প্রতাৰণা বুজাটো আমাৰ সাধ্যাতীত আছিল। কেৱল মাত্র ৰাজনীতিত শ্রেণী সংগ্রাম আৰু প্রগতিৰ কথা থাকিলেই নহব। জনগণৰ বাবে সাহিত্য সংস্কৃতিতো শ্রেণী সংগ্রাম আৰু প্রগতিৰ কথা ফুটাই তুলিব লাগিব। আজি কেৱল মাত্র মাক্স এংগেলচ, লেনিনৰ ৰচনাত্বে সুক্ষ্ম স্পর্শী আৰু সন্ধানী মনে সমাজবাদৰ নতুন সংস্কৃতি চিন্তাৰ ঠিকনা বিচাৰি পাইছে। ইয়াৰ উপৰিও শ্রেণী সংগ্রাম দৃষ্টিকোণৰ পৰা মাওঁ-ছে-টুংৰ যথেষ্ট অৱদান আছে। মাওঁ-চে-টুংৰ মতে শ্রেণী ভিত্তিক দৃষ্টিকোণৰ পৰা উৎকৃষ্ট কথা সাহিত্যৰ সৃষ্টি কৰাটোৱেই প্রগতিশীল কথা সাহিত্যৰ মূল সমস্যা। সর্ব্বহাৰা জনগণৰ স্বার্থৰ বাবেই প্রগতিশীল কলা সাহিত্যৰ সৃষ্টি। এনে কলা সাহিত্যৰ সৃষ্টিৰ মূল সমস্যা হ'ল স্রষ্টাসকলৰ দৃষ্টিভঙ্গি। কাৰণ সৃষ্টিৰ প্রশ্নটো অহাৰ লগে লগে এটা প্রশ্ন আহি পৰে যে—এই সৃষ্টিয়েই উৎকৃষ্ট আংগিকৰ উৎকৃষ্ট কলা সাহিত্য সৃষ্টি কৰিব নে ই প্রচাৰ ধর্মী হব। ইয়াৰ উত্তৰ হ'ল দুয়োটাই প্রয়োজনীয়। প্রগতিশীল কলা সাহিত্যই দি যি চাম মানুহক সাঙুৰি সৃষ্টি কৰা হয় সেয়া হ'ল ১) শত্রুপক্ষ ২) বিপ্লৱৰ সতে মিত্রতা থকা মুক্তি মৰ্চ্চাৰ বন্ধুসকল ৩) দেশৰ সাধাৰণ জনগণ, এই প্রতিটো শ্রেণীৰ প্রতি ইয়াৰ দৃষ্টি ভঙ্গি সুকীয়া সুকীয়া। প্রগতিশীল কলা সাহিত্যৰ প্রথম কর্ত্তব্য হ'ল—দেশৰ জনগণক সাম্রাজ্যবাদী শক্তি আৰু দেশীয় প্রতিক্রিয়াশীলসকলৰ সৈতে চিনাক্ত কৰি দিয়া। এই কথা সাহিত্যিকৰ সাহিত্যৰ মাজেদি দেশৰ ৰাইজে শত্রু পক্ষৰ শোষণ নিপীৰণ, অত্যাচাৰ, কু-অভিসন্ধি আদিৰ বিষয়ে গম পাব লাগিব আৰু লগতে সিহঁতৰ যে পৰাজয় সুনিশ্চিত তাকো বুজাই দিব লাগিব যাতে ৰাইজে সংঘবদ্ধ সংগ্রামত লিপ্ত হব পাৰে। প্রগতিশীল কলা সাহিত্যৰ আন এটা মূল সমস্যা হ'ল পাঠক পাঠিকাকলৈ। যিহেতু বিভিন্ন অঞ্চলত শ্রেণী চেতনাৰ স্তৰ এক নহয়। আন হাতেদি ৰাজ্যৰ বিভিন্ন অঞ্চলৰো শ্রেণী চেতনাৰ স্তৰ একে নহয়। ৰাজ্যৰ সমূহ জনগণৰ বাবেই এই কলা সাহিত্যৰ সৃষ্টি আৰু যিহেতু তেওঁলোকৰ প্রত্যেকৰে শ্রেণী চেতনা বিভিন্ন স্তৰৰ, এতেকে প্রগতিশীল কলা সাহিত্যৰ স্রষ্টাসকলৰ মূল কর্ত্তব্য হ'ল সমূহ জনগণক বুজিবলৈ চেষ্টা কৰাটো সাধাৰণতে দেখা যায় যে, এই কলা সাহিত্যৰ ৰূপকাৰ সকলে যাকলৈ আৰু যাৰ বাবে সৃষ্টি কৰিছে, এই দুয়োচাম মানুহে ভালদৰে বুজিব পৰা নাই। শ্রমিক কৃষক, মুক্তি যোদ্ধা, বিপ্লৱৰ কৰ্ম্মী এওঁলোকৰ কাকোৱেই স্রষ্টাসকলে সঠিকভাবে বুজিব পৰা নাই। কিন্তু এওঁলোকৰ বাবেই কলা সাহিত্যৰ সৃষ্টি। ফলত স্রষ্টা সকল হৈ পৰিছে এনে একোজন বীৰ যাৰ বাবে পাৰদর্শিতা প্রদর্শনৰ সকলো পথেই ৰুদ্ধ।

প্রগতিশীল কলা সাহিত্যৰ আন এটা মূল সমস্যা হ'ল মাক্সীয় বিজ্ঞান আৰু সমাজক প্রকৃতভাবে বিশ্লেষণ কৰিবলৈ শিকাটো। প্রগতিশীল চিন্তাধাৰাৰ যি কোনো কলাকাৰ সাহিত্যিকৰ



মার্ক্সীয় বিজ্ঞান অর্থাৎ মার্ক্সীজম লেনিনিজম সম্পর্কে যথার্থ জ্ঞান থাকিবই লাগিব। সাধাৰণতে তেওঁলোকৰ মাজত ইয়াৰ অভাব পৰিলক্ষিত হয়।

এখন সমাজত শ্রেণী চেতনা আৰু জাতীয় মুক্তি সংগ্রামৰ যি প্রকৃত স্তৰ, সেই স্তৰেই সেই সমাজত বসবাস কৰা লোকসকলৰ মৌলিক ভাব ধাৰাক নিয়ন্ত্রণ কৰে। ই এক মাক্সীয় সত্য। কিন্তু এই বৈজ্ঞানিক সত্যক আওকান কৰি কিছু প্রগতিশীল ৰূপকাৰে ভাবে যে সকলো সৃষ্টিৰ আৰম্ভণি হোৱা উচিত প্রেমেৰে! কিন্তু এখন শ্রেণী সমাজত 'প্রেম মানে' শ্রেণী ভিত্তিক প্রেমকেই বুজায়। কিন্তু এই স্রষ্টাসকল এনে এক 'প্রেম'ৰ সন্ধানত ব্যস্ত হয়; যি প্রেম অপার্থিব। অপার্থিব স্বাধীনতা, অপার্থিব সত্য আৰু অপার্থিব মানসিকতাৰ অনুসন্ধানত এওঁলোক ব্যস্ত। ইয়াৰ দ্বাৰা এটা কথাই প্রমাণিত হয় যে এওঁলোক ভাববাদী চিন্তা ধাৰাৰ দ্বাৰা প্রভাবান্বিত। এওঁলোকে নিজ প্রচেষ্টাৰে এই প্রভাবৰ পৰা মুক্ত হব লাগিব আৰু অতি সৰলতাৰে সম সাময়িক ভাবে মার্ক্সীয় বিজ্ঞান অধ্যায়ন কৰিব লাগিব।

প্রতিজন শিল্পী সাহিত্যিকৰে সকলো ধৰণৰ চিন্তা অধ্যায়ন কৰাৰ স্বাধীনতা আছে। প্রতিজন প্রগতিবাদী সাহিত্যিকে গভীৰ ভাবে মাক্সীয় বিজ্ঞান অধ্যায়ন কৰাটো কৰ্ত্তব্য আৰু দায়িত্ব। শিল্পী সাহিত্যিক ইয়াৰ ব্যতিক্রম হব নোৱাৰে। সকলো প্রগতিশীল শিল্পী সাহিত্যিকে সমাজৰ বিভিন্ন শ্রেণীৰ বিষয়ে অধ্যায়ন কৰিব লাগিব। এই শ্রেণী সমূহৰ মাজৰ সম্পর্ক তেওঁলোকৰ অৱস্থিতি, দৈহিক বৈশিষ্ট্য আৰু মানসিকতা আদিৰ এই সকলোবোৰৰ বিশদ জ্ঞান আহৰণ কৰিব লাগিব। যেতিয়া এই আটাইবোৰ প্রগতিশীল কলা সাহিত্যৰ ৰূপকাৰ সকলে আয়ত্ব কৰিব পাৰিব তেতিয়াহে তেওঁলোকে উন্নত বিষয়-বস্তু, উন্নত আংগিক আৰু সঠিক বিশ্লেষণেৰে উৎকৃষ্ট প্রগতিশীল কলা সাহিত্যৰ সৃষ্টি কৰিব পাৰে।

এই সমস্যাৰ বিষয়ে আলোচনা কৰোতে আমি সদায় বাস্তৱ সত্যৰ পৰা আৰম্ভ কৰা উচিত, তত্বৰ পৰা নহয় বর্ত্তমান উদ্ভৱ হোৱা প্রগতিশীল কলা সাহিত্য সম্পৰ্কীয় বিভিন্ন মতাদর্শগত পার্থক্যৰ অন্ত পেলাই এই আন্দোলনক আৰু শক্তিশালী কৰি তুলিবলৈ কিছুমান সঠিক নীতিৰ প্রয়োজন। এই ক্ষেত্রত যদি প্রথমতে এই সম্পর্কে কিতাপত কি সূত্র দিয়া আছে তাক চাই এই নীতি নির্ব্বাচন কৰিবলৈ লোৱা হয়, তেন্তে ভুল কৰা হব। মাক্সীয় দর্শন অনুযায়ী এটা সমস্যাক সদায় বাস্তৱ সত্যৰ ভিত্তিতহে ফহিয়াই চাব লাগে, তত্বৰ ওপৰত ভিত্তি কৰি নহয়। এই বিষয়ৰ সত্যবোৰ ফহিয়াই চাই তাৰ ওপৰত ভিত্তি কৰিয়েই আমি মানি চলিবলগীয়া নিয়মসমূহ, ব্যৱস্থাসমূহ বাচি উলিয়াব লাগিব।

এতিয়াৰ মূল সমস্যা হ'ল, কেনেকৈ জনগণৰ স্বার্থৰ হকে কাম কৰা যায়? যেতিয়ালৈকে এই সমস্যাৰ এক উপযুক্ত মীমাংসা নহব তেতিয়ালৈকে প্রগতিশীল কলাকাৰ সাহিত্যিক সকলে বাতাবৰণৰ লগত নিজকে খাপ খুৱাব নোৱাৰিব আৰু ভিন ভিন ধৰণৰ আভ্যন্তৰীণ তথা বাহ্যিক সমস্যাৰ সন্মুখীন হব লাগিব।

প্রথম প্রশ্ন হ'ল কলা সাহিত্য কাৰ বাবে।

ইয়াৰ উত্তৰত ১৯০৫ চনতেই লেনিনে কৈছিল প্রগতিশীল কলা সাহিত্য দেশৰ অগণন খাটি খোৱা মানুহৰ বাবে। আনহাতে শোষক গোষ্ঠীৰো নিজস্ব কলা সাহিত্য আছে। সামন্তবাদী কলা সাহিত্য জমিদাৰ শ্রেণীৰ স্বার্থত, বুর্জোৱা কলা, সাহিত্য পুঁজিপতি শ্রেণীৰ স্বার্থত তৈয়াৰী।

আনকি এনে ধৰণৰ কলা সাহিত্যই সাম্ৰাজ্যবাদী হতৰ স্বাৰ্থৰ হকেও কয়। এই সকলোবোৰ ভাববাদী চিন্তা চৰ্চ্চাৰ বলি আৰু ই সৰ্বহাৰাৰ স্বাৰ্থৰ বিৰুদ্ধে। প্ৰগতিশীল কলা সাহিত্য উপৰোক্ত গোষ্ঠীভুক্ত নহয়। ই সাধাৰণ জনগনৰ স্বাৰ্থৰ বাবে। সৰ্বহাৰাৰ নেতৃত্ব পুজিবাদ সামন্তবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধী নীতিৰ ওপৰত প্ৰতিষ্ঠিত। জনস্বাৰ্থৰ সকলো কামেই সংগঠিত হয় সৰ্বহাৰাৰ নেতৃত্বত। বিদেশী আৰু অতীজৰ কলা সাহিত্যৰ উজ্বল দিশ সমূহৰ সকলোখিনি গ্ৰহণ কৰিব লাগিব আৰু লক্ষ্য ৰাখিব লাগিব যাতে সেইবোৰ লৈ হোৱা নতুন সৃষ্টি সমূহ জনস্বাৰ্থৰ হকে হয়। আমি অতীজৰ বা-বিদেশী কলা সাহিত্যৰ উৎকৃষ্ট আংগিক বাদ দিলে নচলিব। কিন্তু সেই আংগিকৰ সতে প্ৰগতিশীল বক্তব্যৰ সমন্বয় কৰি এক শক্তিশালী কলা সাহিত্যৰ সৃষ্টি কৰিব ঃলাগিব।

এতিয়া প্ৰশ্ন হ'ল, সাধাৰণ জনগণ কোন? এওঁলোক হ'ল—দেশৰ কৃষক শ্ৰমিক আৰু চহৰাঞ্চলৰ নিম্ন, মধ্যবিত্ত শ্ৰেণীটো। এওঁলোকেই দেশৰ সংখ্যা গৰিষ্ঠ জনগণ। এতেকে প্ৰগতিশীল কলা সাহিত্য প্ৰথমতে শ্ৰমিকসকলৰ স্বাৰ্থত তৈয়াৰী, কাৰণ এওঁলোকেই বিপ্লৱৰ মূল নেতা। দ্বিতীয়তে এই কলা সাহিত্য বিপ্লৱৰ অন্তৰতম মিত্ৰ আৰু জন-সংখ্যাৰ সকলোতকৈ সংখ্যা গৰিষ্ঠ শ্ৰেণী কৃষক সকলৰ স্বাৰ্থৰ বাবে। এই কলা সাহিত্য বিপ্লৱৰ কৰ্মী আৰু যোদ্ধাসকলৰ বাবে। ই বিপ্লৱৰ সতে মিত্ৰতা থকা চহৰাঞ্চলৰ মধ্যবিত্ত আৰু নিম্নবিত্ত লোক সকল আৰু বুদ্ধিজীবি সকলৰ বাবে।

যদিও এই চাৰিওটা শ্ৰেণীকেই প্ৰগতিশীল কলা সাহিত্যই সাঙুৰি লৈছে তথাপি ইয়াৰ ৰচনা হব লাগিব সৰ্ব্বহাৰা শ্ৰেণী ভিত্তিক দৃষ্টি কোণৰ পৰা, ব্যক্তি কেন্দ্ৰিক আৰু পেটি বুৰ্জোৱা দৃষ্টি কোণৰ পৰা কৰা সৃষ্টি জনগণৰ স্বাৰ্থ পূৰণ কৰিব নোৱাৰে। মুষ্টিমেয় পেটি বুৰ্জোৱাক লৈয়ে তেওঁলোক সীমাবদ্ধ সেয়েহে 'কাৰ বাবে লিখিম' এই সমস্যাটোৰ সমাধান কলাকাৰ সাহিত্যিকে বিচাৰি পোৱা নাই।

বহু ক্ষেত্ৰত দেখা যায় যে কলাকাৰ সাহিত্যিক সকলে শ্ৰমিক, কৃষক, সকলতকৈ বুদ্ধিজীবিসকলক লৈহে ব্যস্ত। এওঁলোক বুদ্ধিজীবিসকলৰ বিভিন্ন দোষ-ত্ৰুটি সমূহ আঙুলিয়াই দি তেওঁলোকক ৰাইজৰ ওচৰ চপাত সহায় কৰি ৰাইজক শিক্ষিত কৰি তুলিবলৈ উদগণি নিদি তেওঁলোকৰ দোষ-ত্ৰুটি সমূহ বিভিন্ন যুক্তিৰ দ্বাৰা ৰক্ষা কৰিবলৈহে চেষ্টা কৰে। যিহেতু বেছি ভাগ বুদ্ধিজীবিয়েই পেটি বুৰ্জোৱা শ্ৰেণীৰ পৰা অহা এতেকে তেওলোকে পেটি বুৰ্জোৱাৰ লগতেই বন্ধুত্ব কৰে আৰু তেওঁলোকৰ জীৱন অংকনতে ব্যস্ত থাকে। এইটো কৰাত অৱশ্যে একো দোষ নাই, যদিহে ইয়াক সৰ্বহাৰা শ্ৰেণীভিত্তিক দৃষ্টিকোনৰ পৰা কৰা হয়। কিন্তু তেওঁলোকে সেইটো নকৰে। তেওঁলোকৰ বিশ্লেষণ সমূহো পেটি বুৰ্জোৱা শ্ৰেণীভিত্তিক দৃষ্টিকোনৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁলোকৰ অন্তৰত আছে পেটি বুৰ্জোৱাৰ প্ৰতি আন্তৰিক সমবেদনা, যাৰ ফলত সেই শ্ৰেণীৰ দোষ ত্ৰুটি সমূহৰ প্ৰতিও তেওঁলোকে পোষণ কৰে এক সহনশীল মনোভাব। তেওঁলোক সাধাৰণ জনগণৰ পৰা বিচিন্ন হয় বাবেই তেওঁলোকৰ সৃষ্টি সমূহো ত্ৰুটিপূৰ্ণ। তেওঁলোকে যেতিয়া কোনো খাটি খোৱা শ্ৰমিকৰ চৰিত্ৰ অংকণ কৰে তেতিয়া দেখা যায় চৰিত্ৰই শ্ৰমিক সাজ পোচাক পিন্ধিলেও অৱয়ব বা মানসিকতাত পেটি বুৰ্জোৱা হে। তেওঁলোকে সৰ্ব্বহাৰা শ্ৰেণীৰ মূল কৃষ্টিক (লোকনৃত্য, লোকগীত, প্ৰাচীৰ পত্ৰিকা, প্ৰাচীৰচিত্ৰ) মাজে সময়ে ঘিণ কৰে। কেতিয়াবা এই বোৰৰ প্ৰতি দৰদ দেখুৱালেও, এই দৰদ মূলতঃ নিজৰ সৃষ্টিত অভিনবত্ব আনিবৰ বাবেহে দেখুৱাই। তেওঁলোকে বেচি ভাগেই পেটি বুৰ্জ্জোৱা, আনকি কেতিয়াবা বুৰ্জোৱা শ্ৰেণীৰ বস্তুক লৈয়ে ব্যস্ত। তেওলোকৰ মনবোৰ পেটি বুৰ্জোৱা মানসিকতাৰ বোকাত পোত খোৱা। এতেকে কাৰবাবে সৃষ্টি কৰিম এই সমস্যাৰ সমাধান তেওলোকে দিব নোৱাৰে। কিন্তু যিমানেই কঠিন নহওক কিয়, এই সমস্যাৰ এক প্ৰকৃত মীমাংসা কৰিব লাগিব। সৰ্ব্বহাৰা ৰাইজৰ মাজলৈ গৈ, তাত লাভ কৰা অভিজ্ঞতা, মাৰ্ক্সীয় বিজ্ঞান অধ্যয়ন আৰু সমাজৰ প্ৰকৃত বিশ্লেষণৰ সহায়েৰে প্ৰগতিশীল কলাকাৰ সাহিত্যিক সকলে লাহে লাহে তেওলোকৰ মানসিকতাত পৰিবৰ্ত্তন আনি সৰ্বহাৰা শ্ৰেণীভিত্তিত দৃষ্টি কোনৰ পৰা প্ৰগতিশীল কলা সাহিত্যৰ সৃষ্টিত ৰত হবই লাগিব।

যেতিয়ালৈ কাৰ বাবে লিখিম" এই সমস্যাৰ সঠিক সমাধান নহব তেতিয়ালৈকে আন কিছুমান সমস্যাৰ সমাধান অসম্ভৱ যেনে—ক্ষুদ্ৰ জাতীয়তাবাদী বিভেদকামী শক্তিৰ সমস্যা। ইয়াক নাইকিয়া কৰিবলৈকো কৃষক শ্ৰমিকৰ স্বাৰ্থৰ বাবে কলা সাহিত্য, ৰাইজৰ মাজলৈ গৈ অভিজ্ঞতা আহৰণ কৰা, ইত্যাদি নীতি সমূহকে ব্যৱহাৰ কৰিব লাগিব

এই সমস্যাৰ অন্ত পেলাবলৈ আমি গভীৰ ভাবে মাৰ্ক্সীয় দৰ্শন অৰু সমাজৰ বিষয়ে অধ্যয়ন কৰিব লাগিব। মাৰ্ক্সীয় বিজ্ঞান মানে জণগণৰ জীৱন আৰু সংগ্ৰামৰ সতে ওতঃ প্ৰোত ভাবে জড়িত জীৱন্ত মাৰ্ক্সীয় বিজ্ঞানৰ কথা কোৱা হৈছে, তথা কথিত মাৰ্ক্সীয় বিজ্ঞান নহয়। যেতিয়া তথা কথিত মাৰ্ক্সবাদে জীৱন্ত ৰূপ লব তেতিয়াই ক্ষুদ্ৰ জাতীয়তাবাদী বিভেদকামী শক্তিবোৰ নিজে নিজে ধ্বংস পাব লগতে তাৰলগত জৰিত আন বহু সমস্যাৰ ওৰ পৰিব।

প্ৰগতিশীল কলাকাৰ সাহিত্যিক সকলে কি গল্প কি উপন্যাস, প্ৰবন্ধ আদি সকলো বিষয়তে বিপ্লবৰ সফুৰা সিচি দি সমাজ পৰিবৰ্ত্তনত সহায় কৰে অৰ্থাত বিপ্লব সংঘটিত হোৱাত ইন্ধন যোগায়। সামাজিক তথা ৰাজনৈতিক ধ্যান ধাৰনাই যুগ পৰিবৰ্ত্তনত অৰ্থাৎ সমাজ পৰিবৰ্ত্তনত ইন্ধন যোগায়। প্ৰগতিশীল কলা সাহিত্যৰ একমাত্ৰ ভিত্তি হল শ্ৰমজীবি মানুহৰ জীৱণ আৰু সংগ্ৰামৰ বাস্তৱ জ্ঞান আৰু অভিজ্ঞতা এই জ্ঞান আৰু অভিজ্ঞতাৰ সহায়ত উপলব্ধিয়েহে হল প্ৰগতিশীল সাহিত্যৰ প্ৰাণ।

শ্ৰমজীবি মানুহৰ বৈপ্লবিক সংগ্ৰামৰ বিকাশৰ মান ধ্যান, জ্ঞান আৰু অভিজ্ঞতাৰ অবিৰত অবিশ্ৰান্ত ধাৰক আৰু বাহক হল বিপ্লবী পাৰ্টি।

প্ৰগতিশীল সাহিত্যৰ উদ্দেশ্য হল মানুহৰ মনত বিপ্লবৰ প্ৰতি সহানুভূতি; শক্তি, প্ৰেৰণা আৰু জয়াকাঙ্খা জগাই তোলা। এই সাহিত্যৰে লক্ষ্য হল চূৰান্ত, সৰ্ব্বাত্মক বৈপ্লবিক বিজয়।

---

বিঃ দ্ৰঃ— মাও- চে- টুংৰ Art and literature বিষয়ক প্ৰবন্ধৰ আলম লৈ লিখা।

# জন্ম পাতনি—এটি সূৰ্য্যৰ

কুমাৰী বিভা ডেকা
২য় বাৰ্ষিক, স্নাতক

'হেৰৌ পোনা—সৌজনী গাওঁবুঢ়াহতৰ গাই গৰু নহয়নে ? শুনিছনে বোলো পোনাকণ গাইজনী ৰাৰীখনৰ পৰা খেদি দেহিছোন আহ্‌। বেগাই আহ আকৌ। সোপাকে লুৰিয়াই খালে যেন পাইছো। 'ঐ 'পোনা"—

'এই যে ডেকা ডেকা ল'ৰা মথা থৰ ধৰকৈ কোনো এটা কামকেই কৰিব নোৱাৰে। তহতৰ বয়সত আমি ক'ত যে কি নকৰিছিলো ? আমাৰ লগত ৰিজালে তহতক একো একোটা ধোদৰ-পচলা বুলিহে কব পাৰি জানিছ। সেই দিনবোৰৰ কথা ভাবিলেই কিবাখন লাগে। ক'ত কিখন যে নকৰিছিলো ? কাৰ বাৰীত আম, কাৰ বাৰীত জাম অলো তলো কৈ বিচাৰি থাইছিলো।

...............ৰৈ ৰৈ বাপুকণ বুঢ়াই আকৌ আৰম্ভ কৰিলে—'সেই জামৰ গছৰ পৰা পৰিয়েই মহীৰামৰ আজিলৈকে হাতখন চিধাই নহ'ল। সেই ভাজটো কিলাকুটিৰ ওচৰতে থাকিল। তথাপি জানো মহী ৰামে বহি বহি খাইছে ? সেইখন হাতেৰে হাল-বাই, কোৰ মাৰি আজি চাৰিকুৰি বছৰীয়া বুঢ়াত পৰিলহি। ইহ ইহতক আকৌ ·ঘৰখনতে লৰি ধাপৰি কাম এটা কৰিবলৈ কিবা বোলেনে শক্তি লাগে ! ককা—'অমুক ভিটামিন লাগে হাড় গঠনৰ বাবে',—ককা তমুক ভিটামিন লাগে মানুহৰ শক্তি সঞ্চয়ৰ বাবে। ইহ্‌ যেনিবা সিহতহে ল'ৰা ওলাইছে। আমি আকৌ লৰা নোহোৱাকৈয়ে বুঢ়া হলো"....
.... .... .. এইদৰে অতীত বৰ্ত্তমান ৰিজাই ৰিজাই বাপুকণ বুঢ়াই নাতিয়েকক বলকি থাকিল।

নাতিয়েক পোনা ওৰফে প্ৰদীপ বৈশ্যই আকৌ ভিতৰত কাৰ্ল মাক্সৰ কিতাপ এখন চাই আছিল বৰ মনোযোগেৰে। ভাস্কৰ ককাইদেৱে তাক এনেকুৱা কিতাপ কেইখনমান আ জি দুদিনমান আগতে দি থৈ গৈছে। আজি দুদিন ধৰি সি এই কিতাপ কেইখন বৰ মনোযোগেৰে পঢ়িছে। পঢ়াৰ মাজতে তাৰ চিন্তা জগতত ঢৌ উঠে—ইমানবোৰ জ্ঞানৰ অধিকাৰী হোৱা বাবেই আজি গোটেই বিশ্বই তেওঁ লোকক আদৰিব পাৰিছে। সেয়েহে সি ককাকৰ কথাত কাণ নিদি আকৌ পঢ়াতে লাগিছে। এই বুঢ়াবোৰৰ আকৌ এইবোৰ স্বভাৱতে পৰিণত হৈছে।



চেলু এটা পাবহে লাগে মাত্ৰ কেৱল বৰ্ত্তমানৰ সমালোচনা আৰু অতীতৰ গুণ বৰ্ণনা। পুহ মহীয়া চোতালত জুই পুৱাই থকা ককাকৰ বয়সীয়া ফুল, দিগন্ত, মানিক, বসন্তহঁতৰ ককাক কেইজনৰে। সেই একেবোৰ বক্তৃতাই। শুনি শুনি পোনাৰ এইবোৰ সাধু সাধু যেনহে লগা হৈছে।

কিন্তু পোনা এইবাৰ বাধ্য হল উঠি যাবলৈ যেতিয়া মাকে মাত--দিলে ৰান্ধনি ঘৰ নামৰ বৰ ঘৰৰ কাষেৰে বঢ়াই দিয়া চালি খনৰ তলৰ পৰা। ঘৰ আৰু গাৱত প্ৰদীপক সকলোৱে পোনা বুলিয়েই মাতে মৰমতে। সি এই বাৰ সোমাল গৈ বাৰীত। দেখিলে গাৱৰে নাম জলা পৰিয়াল যাৰ ধনে ধানে ৰজ-ন্‌জনাই থাকে সেই ভূমিধৰ গাওঁবুঢ়া হঁতৰে গৰু জনীয়ে সিহঁতৰ বাৰী খনৰ আটাইবোৰ খাই তহিলং কৰিলে। পোনাহঁতে অৱশ্যে গাইজনী ঘৰত গটাই দি আহিব পাৰে। কিন্তু সিহতে বা তেনেকৈ দায় দোষ লৈ গাওঁবুঢ়া পৰিয়ালৈ যাব কেনেকৈ ? বহু কথা বলকি থকা ককাকৰো দুটা কলিজা নাই নিশ্চয়। পদুলী মুখলৈ গাইজনী উলিয়াই দি পোনাকণে পিৰালিত বহি থকা ককাকক জোকাই চোৱাৰ মানসেৰে মাত লগালে—'নহয় নে ককা এই ডাঙৰ মানুহ (?) বোৰৰ কামে এনেকুৱা। দিনটো পথাৰত আনৰ ধান খাব পৰা কৈ এৰাল দিব আৰু গধূলি এৰাই দি আনৰ বাৰীৰ লাম লাকুটি ডালো খুয়াব। তোমালোকেহে ককা এই বোৰ মানুহক সমীহ কৰি চলা মই হলে এই বোৰ মানুহৰ ছাঁটোকে সহিব নোৱাৰো। "

'পোনা' .... ককাকৰ গহীন মাত সৰিত কথা বন্ধ কৰি এহাত মান আতৰত ঠিয় হৈ ৰ'ল। পোনা—ভাবিছিলো তই ভাল ল'ৰা হবি গৈ। কথা বতৰাত গহিন গম্ভীৰ হবি ডাঙৰ দুই চাৰিতাক মান সন্মান কৰি চলিবি।" ককাকৰ কথাত যেন হতাশাৰ সুৰ। 'কিন্তু তই গাওঁবুঢ়া হেন ধনী মানী মানুহক এনেকুৱা কথা কবলৈ সাহসটোৱে বা গোটালি ক'ৰ পৰা।' এই বাৰ যেন ককা-কৰ সচাকৈয়ে খং উঠিল। ঘোলা চকু দুটা ডাঙৰ কৈ পোনালৈ মেলি দি প্ৰশ্ন কৰিলে —" তই এই বাৰ কিবা বোলে নে প্ৰবেশিকা পৰীক্ষা দিছে নহয়?

পোনাইও গহিন ভাবেই উত্তৰ দিলে—
'হয় ককা তুমি পাহৰিলাই নেকি ? পৰীক্ষা শেষ হোৱাৰ দেখোন আজি দুমাহ হ'ল হে মাত্ৰ।'

খং আৰু ক্ষোভত ককাকে উত্তৰদিলে— 'ওঁ মই পাহৰা নাই পোনা। তই পাচ কৰিবি বুলি সেই দিনা পথাৰৰ পৰা আহি থাকোতে সেই আলি কেকুৰীটোতে হামিদ মাষ্টৰেও কলে। কিন্তু শুন পোনা তই পাচ কৰিলেও সেই কিবা বোলে নে কলেজে চলেজে পঢ়িব নোৱাৰ। বাপেৰেই হাড়ক মাটি তেজক পানী কৰি তোক খুটিয়াই খাব পৰা কৰিলে। আৰু মাৰই তাত সূতা বই, ভুঁই ৰুই, কাণৰ ঠুৰীয়া, গলৰ গলপতা বন্ধকত থৈ তোক প্ৰবেশিকাটো দিয়ালে। আৰ তই যিমা-নেই ডাঙৰ হৈ আহিছ সিমানে তই ডাঙৰ সৰু একোকে নমনা হৈ আহিছ। মোৰ ককা পিতা চৈধ্য পুৰুষ গ'ল গাওঁবুঢ়া পৰিয়ালতে হাল কোৰ বাই, মই আজি তিনি শূৰীয়া হলোহি, বাপেৰতো এতিয়াও সেই পৰিয়ালৰ মাটিতে দুমুঠি আৰ্জি তোক দুমাহলৈ হলেও খেতিৰ ভাত খুৱাইছে অৰু তাৰে পো নাতি হৈ তই গাওঁবুঢ়া পৰিয়ালক এনে কথা ক'লৈ শিকিলি। তহতে পঢ়ি শুনি লাভ নাই বুজিছ। পঢ়ি শুনি ডাঙৰ মানুহক নামান যদি, ধনী মানী মানুহক সমীহ কৰি নুফুৰ যদি তেনেহলে পঢ়ি আৰু একো লাভ নাই।" পোনাই এইবাৰহে মন কৰিলে সি যেন বৰলৰ বাহতহে জুই জলাই দিলে। এতিয়া যদি দেউ-

তাক আহি পাই তেন্তে তাক শুনাব ভালকৈ কেইবাৰ মান। মাকেতো এনেকৈ লাগি থাকিবলৈ সদায়ে মানা কৰি আহিছে। অৱশ্যে মাকেও তাক নোকোৱা নহয় তাৰ হেনো কথা বোৰ অলপ খাপ চৰা হৈ আহিব ধৰিছে। ভাস্কৰ, বাপন হতৰ লগত পৰিয়েই সি এতিয়া ধনীক শ্ৰেণীৰ হাতিয়াৰ কোন, ধনীবোৰে কেনেকৈ দুখীয়াবোৰক শোষণ কৰি আহিছে ইত্যাদি বোৰ কথা; চৰকাৰৰ কাৰু-কাৰ্য্যবোৰৰ কথাই হেনো বলকি থাকে। মাকৰ কথাষাৰ অৱশ্যে নুই কৰিবও নোৱাৰি। বহুদিন সি ধেমালিৰ মাজেৰেও কৈছে। চাবাচোন মা কেই বছৰমান পিচত দেখিবা তুমি আৰু আনৰ কাপোৰ বই ভুই কই ভাত খাব নালাগে। দেউতাইও ভূমিধৰ গাওঁবুঢ়াহতৰ ঘৰত গেবাৰি খাটিব লগীয়া নহয়। সিহতৰ নিচিনা ঠগ, প্ৰৱঞ্চক হতৰ পৰা এদিন দুখীয়া দৰিদ্ৰবোৰে মুক্তি পাবই।' তাৰ কথা বোৰ মাকে কিছু সময়লৈ মন দি শুনে তাৰ পিচত হুমুনিয়াহ কাঢ়ি কয় জানো বোপাই কিবোৰ কৰ আমি আৰু সেইবোৰ সুখ নিবিচাৰো। আমাৰ জীৱনৰ আধাদিন এইদৰে আনৰ ঘৰত ৰোৱা বোৱা কৰিয়েই এসাজ খাই এসাজ লঘোনে কটালো। তহতৰ দিনবোৰ ভালকৈ আহিলেই হ'ল।"

মাকে ভেকাহি মাৰি উঠি যোৱাৰ পিচতো সি ভাবিয়েই বহি ৰ'ল হয়ও অৱশ্যে মাকেনো জীৱনত কিসোপা সুখ পালে! উচ্চ বংশৰ ছোৱালী আছিল তাৰ মাক। সিপৰীয়া নাওঁকণ বৰুৱাৰ ছোৱালী। নদীটো মাজতে। আজিও গহীন সোতৰ নৈ নোনা। সুন্দৰ সুঠাম দেহৰ গৰাকী আছিল তাৰ দেউতাক বিনন্দ। তাৰ মাক ৰাধা-ওটো কম ধুনীয়া নাছিল। ইমান কষ্টৰ মাজত চলা স্বত্বেও আজিও তাৰ মাক ইমান ধুনীয়া। গাওঁবুঢ়াৰ হালুৱৈ হৈ আছিল কেইবছৰমান তাৰ দেউতাক। নোনা নৈৰ বুকুতে হেনো তাৰ মাক দেউতাৰ চিনাকি হয়। সিহত দুটাৰ মিলনৰ হেতু আছিল তাৰ দেউতাকৰ বন্ধু পবিন আৰু মাকৰ বান্ধবী মিনতি। এদিন সেই চিনাকিয়ে সুন্দৰ যুৱক-যুৱতী হালক বান্ধি থুৱালে প্ৰণয় পাশত। সিহতে জানে নীঃ-কুলৰ ল'ৰা বিনন্দৰ লগত উচ্চ বংশৰ ছোৱালী ৰাধাৰ বিবাহ হোৱা অসম্ভৱ। তাতে আকৌ বিনন্দ আছিল বাপুকণ বুঢ়াৰ পুতেক, গাওঁবুঢ়াৰ হালুৱৈ। মাটিবাৰী হীন নীঃকুলীয়া বিনন্দই সামাজিক ভাবে ৰাধাক পোৱা অসম্ভৱ। সেয়েহে এদিন মৰো জীও সেঁ অধিকৈ পবিন মিনতিৰ সহায়ত ৰাধাক পলুৱাই আনিলে বিনন্দই। এইবোৰ শুনিছিল সি ককাকৰ পৰা। তেতিয়া হেনো তাৰ আইতাকো জীয়াই আছিল। মাক দেউতাৰ এই মিলনৰ বাবেই সি আজিলৈকে মোমায়েকৰ ঘৰ দেখা নাই। সি মাত্ৰ জানে মোমায়েকহত ধনী মানুহ। মাকো যিদিনাই আহি বৰুৱাৰ ছোৱালী বৈশ্যৰ ঘৰৰ বোৱাৰী হ'ত সিদিনাৰ পৰা আৰু মাকৰ ঘৰ দেখা নাই। এই পবিত্ৰ প্ৰেমৰ প্ৰথম স্বাক্ষৰ হিচাপে বাৰ বছৰ মূৰত জন্ম হ'ল পোনাৰ। পোনাইও আৰু আজিলৈকে কোনো এটা ভাই-ভনীৰ মুখ নেদেখিলে।

তাৰ মনত নপৰা দিনবোৰ কিমান সুখৰ, কিমান মধুৰ সি সেইবোৰ নাজানে। কিন্তু যিদিন ধৰি তাৰ দেউতাকহত আকৌ গাওঁবুঢ়াহতৰ মাটি আধি লৈ খেতি কৰিছে সেই দিন ধৰি সিহঁতৰ ঘৰখনৰ অভাৱ-অভিযোগৰ শেষ আজিলৈকে হোৱা নাই। তথাপি কিয় জানো সেই মানুহবোৰকে 'ভাল মানুহ' 'ডাঙৰ মানুহ' বুলি বিবেচনা কৰি থাকে ককাকটোৱে। সিহত বাৰু মস্ত একোটা ঠগ, প্ৰৱঞ্চক নহয়নে? আনৰ দৃষ্টান্তৰ বা প্ৰয়োজন কি? সিহতৰ ঘৰখনকে কম ঠগিলেনে? ককাকৰ বাপতি সাহোন স্বৰূপ মাটি আছিল মাত্ৰ দুবিঘা। সেইখিনি মাটিতে ককাকহঁতে গাওঁবুঢ়াহতৰ আধি মাটিৰ লগতে জোৰা তাপলি মাৰি দুমুঠিমান ধান ঘৰলৈ আনিছিল। কিন্তু ইমানখিনি জানো গাওঁবুঢ়াহতৰ সহ্য হয়? আজি চাৰি বছৰ হল ভূমিধৰ গাওঁবুঢ়াৰ পুতেক নতুন গাওঁবুঢ়া শ্ৰীধৰে পোনাৰ দেউতাকক জনাই দিছিল বোলে—তেওঁৰ দেউতাকৰ দিনতে হেনো সিহতে আকালত পৰি চাৰিমোন ধান আনিছিল। এতিয়া তেওৰ দিনত পুৰণা দেওনা পাওনা শেষ কৰিব বিচাৰে। গতিকে সুতে মূলে সিহতে বহু-খিনি দিব লগা হৈছে। যদি পাৰে ধাৰ পৰি-শোধ কৰিব লাগে নহলে সিহতৰ মাটি দুবিঘা আছে সেই দুবিঘা দিলেও ধাৰ পৰিশোধ হব। গতিকে নিৰ্দ্দিষ্ট দিনৰ ভিতৰত কি কৰে কৰিব লাগে।

সেইদিনা যে মাটি দুবিঘা হস্তান্তৰ কৰাৰ বাহিৰে আন একোৱেই উপায় নাছিল। তাৰ এতিয়াও সুন্দৰকৈ মনত আছে কেনেকৈ সেই ঘৰখনত সিদিনা-খন বিষাদৰ কলা ছাঁ পৰিছিল, কেনেকৈ ঘৰখনৰ তিনিটা প্ৰাণী নীৰৱে তপ্ত হুমুনিয়াহ পেলাইছিল। সি তেতিয়া আছিল অষ্টম মান শ্ৰেণীত।

তাৰ হাইস্কুল শেষান্ত পৰীক্ষাৰ ওচৰত মাক দেউতাকে ফৰ্ম ফিলাপ কৰিবলৈ টকা বিচাৰি কম-খন হাৰাশাস্তি খাইছেনে? তাক লৈ উপস্থিত হৈছিল দেউতাক গাওঁবুঢ়াহতৰ ঘৰত। দেউতাকে ক'ত কাৰো কাকুতি কৰিছিল টকা আঢ়ৈ কুৰি ধাৰে দিবলৈ। কিন্তু গাওঁবুঢ়া শ্ৰীধৰ মান্তি নহ'ল—কাৰণ সিহতৰ নিচিনা 'সৰু মানুহ'বোৰৰ হেনো একো বিশ্বাস নাই। তাৰ যে মনত পৰিলেই বুকু-খন বিষাই উঠে। মনৰ ক্ষোভত ঘৰলৈ আহি মাকক কৈছিল—মা মই পৰীক্ষা নিদিও। গাওঁবুঢ়াহতৰ নিচিনা মানুহৰ ইমানবোৰ কথা শুনি মই পৰীক্ষা দিব নোৱাৰো।"

পিচদিনাখন মাকে তাক আচলৰ পৰা যেতিয়া গাঠিটো খুলি তাৰ সন্মুখত নোট কেইখন ডাঙি ধৰি কৈছিল—পোনা—ল তোৰ ফৰ্ম-ফিলাপৰ বাবে টকা,—তেতিয়া সি মনৰ ক্ষোভ বেজাৰ, হতাশাৰে পৰি আছিল বিছনাখনত। সেইদিনা কিন্তু সি ঘুনা-ক্ষৰেও গম পোৱা নাছিল যে মাকে সেইদিনা কাণৰ ঠুৰীয়াজোৰ গাওঁবুঢ়াৰ ঘৰত বন্ধক থৈ তাক টকা দিছিল। তাৰ মনটো কিন্তু খু-দুৱাই আছিল মাকে টকাখিনি জোগাৰ কৰিলে ক'ৰ পৰা। কিন্তু সুধিবলৈ সেইদিনা তাৰ মনোবলকণ হেৰাই গৈছিল।

তাৰ মাজে মাজে বৰ বেয়া লাগে শিক্ষক সকলে যে তাৰ ওপৰত কিমান আশা নকৰে। তেখেতসকলৰ মতে সি চোকা ল'ৰা গতিকে ভালকৈ মনপুতি পঢ়িব লাগে। চাৰ সকলৰো যে কথা আৰু দুখীয়া মানুহৰ আকৌ ভাল ল'ৰা চোকা ল'ৰা। কিমান সময় যে সি এনেকৈ ভাবি ভাবি বহি আছিল কব নোৱাৰে।

মাকৰ মাতত সি সম্বিত ঘুৰাই পাই দেখিলে ভাত খাবলৈ হ'ল অথচ ইমান পৰে সি ৰান্ধনি ঘৰৰ চুকটোতে জুলুকা মাৰি বহি আছে।

এদিন তাৰ পৰীক্ষাৰ খবৰ ওলাল। সি প্ৰথম বিভাগতে পাচ কৰিছে কিন্তু চাৰ সকলে আশা-কৰা মতে তাৰ ৰিজাল্ট নহ'ল। সি এখন পেপাৰতো লেটাৰ নাপালে। চাৰ হতেতো নাজানে সি কিমান চিন্তা ভাৱনা মূৰত লৈ পৰীক্ষা দিছিল। ইমান-বোৰ দুখ-বেজাৰৰ মাজত ৮০% নম্বৰ পোৱাতো জানো তাৰ বাবে সম্ভৱ! তাৰ বেয়া লাগিছিল যদিও মাক, দেউতাক, ককাক আৰু দুখীয়া পৰি-য়াল কেইটাৰ মনত ৰেচ আনন্দই লাগিছিল। যিয়েই নহওক দুখীয়াৰ বাবে সেইখিনিয়েই যথেষ্ট। ভাস্কৰেও সেই দিনাখন মনৰ আনন্দত দৌৰি আহিছিল সিহতৰ ঘৰলৈ। এই যে ভাস্কৰ ককাই দেউজনে দুখীয়া বোৰক ইমান মৰমৰ চকুৰে চায়।

দুখীয়াবোৰক ধনীক শ্ৰেণীৰ কবলৰ পৰা মুক্ত কৰাই যেন তেওঁৰ কৰ্ত্তব্য।

সেই দিনাখনেই সি ভাস্কৰ ককাইদেউক ভাল দৰে চিনি পাইছিল যিদিনাখন ককায়েকৰ চাইকেলৰ পিছ ফালে উঠি গৈছিল টাউনলৈ বুলি আৰু টাউনৰ পৰা সিহঁত গৈছিল নিৰ্ব্বাচনৰ বাবে ভোট বিচাৰি। ভাস্কৰ তেতিয়া ১ম বাৰ্ষিক স্নাতকৰ ছাত্ৰ। তেওঁ যে ইমান সুন্দৰকৈ মানুহ বোৰক বুজাব পা.ৰ। প্ৰত্যেকটো দৰিদ্ৰ পৰিয়ালৰ একোজন হৈ পৰিছিল তেওঁ। আৰু সেই ছোৱালী কেইজনী। গাৱত থকা শিক্ষাৰ পোহৰ নোপোৱা মাতৃ কেইগৰাকীক যে কিমান কথা নিশিকালে। শেষত বহু খিনিয়েই বুজাইছে তেওঁলোকে। কিন্তু ভোট দিবলৈ তেওঁলোক যাব কেনেকৈ। তেওঁ লোকৰ যে এডুখৰি গাত দিবলৈ কাপোৰ নাই। লাজকুৰীয়া অসমীয়া সেই মাতৃ কেইগৰাকীয়ে কেতিয়াও গাত কাপোৰ নে'হোৱাকৈ যাব নোৱাৰে। বহু কেইগৰাকীৰ মুখত এনেবোৰ কথা শুনি নীৰৱে পৰ্য্যবেক্ষণ কৰি থকা পোনা কণৰ মনত পৰিছিল মাকৰ করুণ মুখনিলৈ।

ছোৱালী কেইজনীয়ে সিদিনাখন বহু কথাই বুজাইছিল তেওঁলোকক। সেইখন গাৱতে লগ পাইছিল এগৰাকী নিঃসহায় আশ্ৰয়হীনা মাতৃক। তিৰোতা গৰাকীৰ গিৰিয়েকজন পগলা আৰু এটি মাত্ৰ ল'ৰা। যিটোক আনৰ ঘৰত চাকৰ থৈ অকন মানি ছোৱালী জনীৰ সৈতে সৰগ দেখা চালি খনৰ তলত বহি আছিল। সেই তিৰোতাজনী ছোৱালী কেইজনাৰ কথাৰ উত্তৰত মাত্ৰ কৈছিল তোমালোকে কেৱল ভোট বিচাৰিয়েই অহা নাই আহিছা ভবিষ্যতলৈ দৰিদ্ৰ বোৰ জীয়াই থকাৰ আচনিলৈ। তোমালোক আটাই বোৰ পঢ়া শুনা কৰা ল'ৰা-ছোৱালীয়ে যদি দুখীয়া নিচলাক জীয়াই ৰাখিবলৈ সংগ্ৰাম কৰিলাহেঁতেন তেন্তে আমাৰ নিচিনা দুখীয়া বোৰে নিশ্চয় মুক্তি পালোহেঁতেন। তেওঁ চাগৈ ভাবিছে এই পঢ়া শুনা কৰা ল'ৰা-ছোৱালী বোৰ এসাজ খাই এসাজ লঘোন দিয়া পৰিয়ালৰ নহয়। আটাই বোৰ তথা কথিত ধনী আৰু উচ্চ শ্ৰেণীৰ ল'ৰা-ছোৱালী।

পোনাৰ সেই দিনা বুকু খন বৈ বৈ গম্‌গমাই বিষাই উঠিছিল। যেনিবা প্লেটফৰ্মত দেখা সেই ভিখাৰী জনৰ ভৰিত হোৱা দগদগীয়া ঘাডোখৰ তাৰ বুকুত হে হৈছে। ভিখাৰী জনৰ বাৰু তাৰ নিচিনা গম্‌গমাই বিষাই উঠে নে? সিহঁতে বাৰু তেনেকৈয়ে প্লেটফৰ্মত, ফুটপাথত, সুউচ্চ দালান বোৰ ছাঁতে থাকি জীয়াই থকা নাইনে?

সেই দিনা গধূলী ভাস্কৰ ককায়েক আৰু সি উঠা চাইকেল খন আগবাঢ়িছিল গাৱলৈ বুলি এন্ধাৰৰ ফাকে ফাকে। সি গোটেই বাটতে মাত্ৰ চিন্তা কৰি আহিছিল এই দুখীয়া ভিকহু বোৰৰ মাজত ইমান বোৰ অদৃশ্য কিয়? সেই তিৰোতা কেইজনীৰ মাজতে জানো তাৰ মাকজনী সোমাই থকা নাই? গণতন্ত্ৰৰ নামত মানুহ বোৰক ভোট দিবলৈ, চৰকাৰ গঠন কৰিবলৈ ক্ষমতা দিছে অথচ গণতন্ত্ৰত জীয়াই থকাৰ ক্ষমতা কণ এই দৰিদ্ৰ বোৰৰ নাই কিয়? এন্ধাৰৰ ফাঁক বোৰৰ পৰা ওলাই অহা নানা বোৰ প্ৰশ্নই যেন তাক চাৰিও ফালৰ পৰা আক্ৰমণ কৰিছে। 'পোনা আমি ঘৰ পালোৱেই।' ভাস্কৰ ককায়েকৰ মাতত টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে থক্‌মক্‌কৈ চাইকেলৰ পৰা পোনা নামি পৰিছিল।

পৰিয়ালৰ একমাত্ৰ সন্তান পোনা সেই দিনা গধূলীলৈকে ঘৰ আহি নোপোৱা বাবে চিন্তিত হৈছিল ককাক, দেউতাক-মাক তিনিওটাৰ ভাস্কৰ



ককায়েক তাৰ লগত আহিছিল বুলিহে ককাকে তাক বেছি টান কথা নুশুনালে। সিহতে দিনটোৰ ভাগৰ জুৰাইছিল ককাকৰ ওচৰত পিৰালিতে বহি। আটাইকে মাকে এবাতিকৈ ফিকা চাহ দি গৈছিল এটা সময়ত। ককাকৰ মতে স্বাধীনতাৰ পিচৰে পৰা কংগ্ৰেছেই দেশ শাসন কৰিলে আৰু এতিয়াও কংগ্ৰেছকে ভোট দিব লাগে। ককাকৰ গা চেবাই যোৱা কথাত কিন্তু পোনাই মনে মনে থাকিব নোৱাৰিলে যদিও সি ককাকৰ লগত তৰ্ক নকৰিব বুলি আৰম্ভনীতে ভাবিছিল।

পিচে ককা আজি স্বাধীনতাৰ ৩১ বছৰ পিচতো কংগ্ৰেছৰ পৰা কিটো পালা?

হেৰৌ পোনা তই মনে মনে থাকচোন। তোৰ নিচিনা পেন্দুকনা এটাই মোক বুজাব নালাগে। মই ভাস্কৰকহে সুধিছো—ককাকে পোনাক গৰজি উঠিল। এই ককাকটোৰ কাণ্ড কাৰখানাবোৰ দেখিলে পোনাৰ হাঁহিও উঠে খঙো উঠে। বুঢ়াটোৰ বাৰু আত্মসচেতনতা নায়েই নেকি? সি জানে ককাকৰ আকোৰগোজালি মনো ভাৱৰ শেষ কোনোদিনেই নহব। অৱশ্যে মাক-দেউতাকৰ কথা সুকীয়া। মাক দেউতাক আজি আৰু ককাকৰ দৰে পুৰণিকলীয়া ঢং লৈ থকা নাই। স্বল্পভাষী দেউতাকে গাওঁবুঢ়াহতৰ দৰে তথাকথিত ডাঙৰ মানুহবোৰক আজি কালি মুঠেই দেখিব নোৱাৰে। সিবিলাকৰ প্ৰতি জন্মা ঘৃণাৰ ভাৱ পোনাই দেউতাকৰ কথা-বতৰাৰ মাজতে বহুদিন লক্ষ্য কৰিছে। ঘৃণা নজন্মি জানো শ্ৰদ্ধা জন্মিব? সেইবোৰ মানুহে দেউতাকহতৰ নিচিনা সহজ সৰল মানুহবোৰক কম বোৱাইনে? পথাৰত ৰ'দ বৰষুণ কাটি কৰি সুন্দৰকৈ সোণালী ধান মুঠি আৰ্জিব দেউতাকহতে আৰু সেই গুটিধানবোৰেৰে ভৰাল ভৰে গাওঁবুঢ়াহতৰ দৰে লোক সকলৰ।

এইবোৰ চিন্তা কৰি কৰিয়ে পোনাই এই সমাজখন নাইকীয়া কৰি এখন নতুন সমাজ গঢ়াৰ কল্পনা কৰে, য'ত মানুহৰ মাজত উচ্চ নীচ, ধনী দুখীয়া, ডাঙৰ-সৰু, হিংসা-বিদ্বেষ নাথাকিব।

এটা সময়ত পোনাৰ সপোন বাস্তৱত ৰূপ দিবলৈ, নতুন সমাজ গঢ়াত সহায় কৰিবলৈ সুবিধা পালে যিদিনাখন সি মাকৰ তাঁত বুই পোৱা টকা, ভুঁই ৰুই পোৱা টকা, দেউতাক পথাৰত কৰা হাৰভঙা পৰিশ্ৰমৰ পাৰিশ্ৰমিকখিনিক সম্বল কৰি লৈ কলেজত নাম লগাইছিল। আজি পোনা আৰু সৰু লৰা নহয়। এইবাৰ সি স্নাতক মহলাৰ শেষ পৰীক্ষাৰ্থী। কলেজতো পোনাৰ সেই ভাল লৰা বুলি হাইস্কুলতে পোৱা উপাধিতো শেষ হোৱা নাই। আজিও প্ৰদীপ বৈশ্য এটা ভাল লৰা, চোকা লৰা। সভা-সমিতিত প্ৰদীপৰ বক্তৃতাই শ্ৰোতাৰ মন মোহে। তৰ্ক সভাত সুন্দৰ তৰ্ক কৰি প্ৰদীপ সদায় প্ৰথম হয়। আলোচনীৰ পাতত প্ৰদীপৰ জ্বাঞ্জল ভাষাৰ কবিতাৰ মাজত আজিৰ সমাজৰ প্ৰতি থকা তাৰ ঘৃণা আৰু নতুন সমাজ গঢ়াৰ আশাৰ ৰেঙনি।

মাকৰ মন কিন্তু বেজাৰেৰে ভাৰাক্ৰান্ত। এখন ঘৰৰ একেটি মাত্ৰ সন্তান পোনা তাকো তেওঁলোকে সুখত এসাজ খুৱাব পৰা নাই। সকলোৱে দেখোন কয় এবাহ লৰা-ছোৱালী হলে ঘৰত সুখ শান্তি নাথাকে। কিন্তু কত তেওলোকৰতো একেটি মাত্ৰ সন্তান তাকে দেখোন দুবেলা দুমুঠি পেট ভৰাই খাবলৈ দিব নোৱাৰে। পোনা কিন্তু আজি কালি খোৱা লোৱাৰ প্ৰতি বৰউদাস। সি জানে তাৰ দৰে কত হেজাৰজনে আজি এসাজ খাই এসাজ লঘোন দি আছে। অৱশ্যে সি এইটোও জানে যে আজিৰ এই সমাজ ব্যাৱস্থাত সিহতৰ দৰে ভোকাতুৰ ক্ষুধাতুৰে বিনা

সংগ্ৰামে বিনা প্ৰতিবাদে জীয়াই থকাৰ কথা ভাবিব নোৱাৰে। সিহঁত যদি জীয়াই থাকিব লগা হয় তেন্তে সিহঁতে আন্দোলন কৰিবই লাগিব, বিপ্লৱ আনিবই লাগিব, সমাজৰ হেয় শ্ৰেণীটোক সজাগ কৰি তুলিবই লাগিব। নহলে! নহলে! সি জানে এইচাম জনতাৰ মুক্তি নাই।

আজি কালি অৱশ্যে ককাক, দেউতাকহঁতে পোনাকণক বিশেষ একো নকয়। কাৰণ তেওঁলোকেও নিশ্চয় বুজি পাইছে যে তেওঁলোকে যি ভুল কৰিলে সেই ভুল আজি আৰু পোনাকণ হঁতে নকৰে, কৰা উচিত নহয়। উচ্চ শ্ৰেণীৰ এই মানুহবোৰ তলত গেবাৰী খাটি তেওঁলোক আজীৱন কটোৱা সম্ভৱ নহয়। তেওঁলোকৰ নিচিনা নীৰৱে থাকিতো পোনাকণ হঁত তিলতিলকৈ ধ্বংসৰ মুখলৈ আগবাঢ়ি যাব নোৱাৰে।

কিন্তু—কিন্তু তেওঁলোকৰ একেটি মাত্ৰ পোনা কণ যদি হেৰাই যায়! নাই কেতিয়াও তেওঁলোকৰ পোনাৰ জীৱন বন্তি নুমাব নোৱাৰে। হেজাৰ খন ঘৰৰ পৰা হেজাৰজন পোনা আজি মুক্তি বিচাৰি ওলাই আহিছে। সিহঁত একো একোটা প্ৰভাতী সূৰ্য্য। সিহঁতৰ প্ৰভা এদিন বিকলি উঠিবই।

★

# প্ৰশ্ন ?

শ্ৰীমহিম চন্দ্ৰ নাথ
স্নাতক প্ৰথম বাৰ্ষিক

অগ্নিগৰ্ভা শত
শ্ৰমিক, কৃষক; মজদুৰৰ
বিমূৰ্ত্ত,
বজ্ৰ কণ্ঠৰ ৰুদ্ৰ নিনাদ
শুনা নাই জানো ?
পোৱা নাই নে
পোৰা কলিজাৰ
তপত হুমুনিয়াহবোৰৰ উমান ?
জলি জলি শেষ হোৱা,
শত সহস্ৰ ধূপৰ ছাঁই,
তহঁতে জানো দেখা নাই ?
শুনিবি, উমানো পাবি আৰু
দেখিবি।
যিদিনা, অগ্নিৰ গৰ্ভ বিস্ফোৰিত হব।
যিদিনা, হুমুনিয়াহবোৰে
তহঁতৰ চাৰিওফালৰ বায়ুমণ্ডল
বিষাক্ত কৰি তুলিব।
আৰু, ছাঁইবোৰে তহঁতৰ মুখমণ্ডল
আবৰি পেলাব।

০০



# গণ স্বাক্ষৰতা প্ৰসঙ্গত

মূল—সত্যপ্ৰিয় ৰায়
অনুঃ—নুৰুল ইছলাম (স্নাতক ২য়)

ভাৰতৰ জনসাধাৰণৰ দ্ৰুত বৰ্দ্ধমান নিৰক্ষৰতাৰ গতিয়ে এটি বিৰাট সমস্যাৰ সৃষ্টি কৰিছে আৰু এই বিষয়টোৱে সৰ্ব্বস্তৰৰ শিক্ষাকৰ্ম্মীসকলক চিন্তিত আৰু ক্ষুব্ধ কৰি তুলিছে। আমাৰ দেশৰ স্বাধীনতা প্ৰাপ্তিৰ সুদীৰ্ঘ একত্ৰিশ বছৰ পিছতো শিক্ষাৰ শতকৰা হাৰ মাত্ৰ ৩০% কিন্তু ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ লগত এই হাৰে মুঠেই খোজ মিলাই চলিব পৰা নাই; যাৰ ফলত নিৰক্ষৰ মানুহৰ সংখ্যা ক্ৰমে এটা উদ্বেগজনক অৱস্থালৈ গতি কৰিছে। ১৯৭১ চনৰ ভাৰতীয় আদম চুমাৰী ৰিপোৰ্টত দেখা যায় যে ভাৰতত মুঠ জনসংখ্যা হ'ল ৫৪'৭ কোটি আৰু ১৯৬১ চনৰ পৰা ১৯৭১ পৰ্য্যন্ত এই এক দশকৰ পৰিসংখ্যাত দেখা যায় জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল ২৪'৬৬% ফলত জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল বছৰি প্ৰায় ২'৫% কিন্তু স্বাক্ষৰতা বৃদ্ধিৰ হাৰ মাত্ৰ ৫% বিগত ১৯৬১-৭১ দশকত স্বাক্ষৰতাৰ হাৰ মাত্ৰ ৫% বৃদ্ধি পাইছে। ১৯৬১ চনত স্বাক্ষৰতাৰ হাৰ আছিল ২৪'০২% আৰু ১৯৭১ চনত সেই হাৰ হয়গৈ ২৯'৩৪% কিন্তু দেখা যায় ১৯৬১-৭১ এই দহ বছৰৰ প্ৰতি বছৰে স্বাক্ষৰতাৰ হাৰ জনসংখ্যাৰ তুলনাত শতকৰা ২% ভাগ পিচ পৰি আছে। আৰু অত্যন্ত লজ্জাৰে সৈতে এই কথা স্বীকাৰ কৰিব লাগিব যে আমাৰ দেশৰ স্বাক্ষৰতা বৃদ্ধিৰ হাৰ সম্ভৱতঃ পৃথিৱীৰ সকলো দেশতকৈ কম।

আমেৰিকা, ফ্ৰান্স, ইংলণ্ড আৰু জাপানৰ ওচৰা ওচৰি; ৰাচিয়া চীন আৰু ভীয়েৎনাম প্ৰভৃতি আদি সমাজতান্ত্ৰিক দেশ সমূহে এই সময়ৰ ভিতৰত তেওঁলোকৰ দেশৰ পৰা নিৰক্ষৰতাৰ অভিশাপ মচি পেলাবলৈ সক্ষম হৈছে। এচিয়াৰ অধিকাংশ অগ্ৰসৰমান দেশত সমস্ত জনসংখ্যাক স্বাক্ষৰ কৰাৰ কামত আত্মনিয়োগ কৰি সম্পূৰ্ণ সফলতাৰ পিনে জোৰ পদক্ষেপে আগুৱাই গৈছে। দক্ষিণ এচিয়াৰ কেইখনমান দেশৰ লগত আমাৰ ভাৰতবৰ্ষৰ তুলনামূলক বিচাৰ কৰিলে দেখা যায় এই প্ৰতিবেশী দক্ষিণ এচিয়াৰ দেশবিলাকৰ লগত ভাৰতৰ স্বাক্ষৰতাৰ হাৰৰ এটা বিৰাট ব্যৱধান আছে। তলত দিয়া তুলনামূলক পৰিসংখ্যাৰ পৰা এইটো নিৰ্ভুল ভাবে প্ৰমাণ হব যে ভাৰতবৰ্ষই যদি দেশৰ স্বাক্ষৰতাৰ প্ৰসাৰৰ কাৰণে বিশেষ ভাবে উদ্যোগী নহয় তেনেহলে অন্যান্য অগ্ৰসৰ দেশবিলাকতকৈ বহু পিচুৱাই যাব আৰু অচিৰেই

বৰ্ত্তমানৰ এই বৈজ্ঞানিক অগ্ৰগতি ও সফলতাৰ যুগত পৃথিবীৰ ভিতৰত একচেতীয়া নিৰক্ষৰ দেশ বুলি নিজকে দাবী কৰিব পাৰিব।

অত্যন্ত পৰিতাপৰ সৈতে লক্ষ্য কৰা যায় যে দেশৰ এনেকুৱা ভয়াবহ শিক্ষা পৰিস্থিতিৰ অৱস্থাতো কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী এনেকি প্ৰধান মন্ত্ৰীও দেশৰ শিক্ষা বিস্তাৰৰ সম্পৰ্কে ঢোল পিটি ফুৰিছে "আজি দেশে শিক্ষাৰ ক্ষেত্ৰত অভাবনীয় অগ্ৰগতি কৰিছে স্কুলৰ ছাত্ৰ সংখ্যা ২'৬ কোটিৰ পৰা ৮'৬ কোটিলৈ বৃদ্ধি পাইছে গৈ আৰু কলেজৰ ছাত্ৰ সংখ্যা ৩ লক্ষৰ পৰা ৩০ লক্ষ লৈ বৃদ্ধি পাইছে গৈ"। ১৯।৯।৭৩ চনত কড়াই কোডিত ডঃ আলাপ্পা চেট্টিলয়াৰ শিক্ষণ মহাবিদ্যালয় ৰজত জয়ন্তী অনুষ্ঠানত দেশৰ প্ৰধান মন্ত্ৰীৰ প্ৰদত্ত ভাষণৰ পৰা উল্লেখিত অংশ উদ্ধৃত কৰা হ'ল। "পঞ্চম পঞ্চ বাৰ্ষিকী পৰিকল্পনাৰ আভাষ পত্ৰত দুখেৰে সৈতে উল্লেখ কৰা হৈছে যে এতিয়ালৈকে দেশৰ শিক্ষা প্ৰসাৰতাৰ গুণগত দিশটো অবহেলা কৰি তাৰ পৰিমান গত দিশৰ ওপৰতে অধিক গুৰুত্ব দিয়া হৈছে আৰু বৰ্ত্তমানৰ এই পঞ্চম পঞ্চবাৰ্ষিকী পৰিকল্পনা যি এতিয়াও সূৰ্য্যৰ পোহৰ দেখা পোৱা নাই সেই পৰিকল্পনা ৰূপায়নত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত গুণগত দিশৰ ওপৰতে বেছি গুৰুত্ব আৰোপ কৰাৰ পদ্ধতি লোৱা হৈছে।

ৰাজনৈতিক আৰু পৰিকল্পনা কৰ্তৃপক্ষৰ পৰা যি বক্তব্য প্ৰচাৰ কৰা হৈছে সেইটো একান্ত বিভ্ৰান্ত আৰু ভুল। ইয়াৰ প্ৰধান কাৰণ হ'ল আমাৰ দেশত প্ৰাথমিক আৰু জন সংখ্যা বিষয়টোক চৰম অবহেলা কৰি মাধ্যমিক আৰু উচ্চশিক্ষাৰ ওপৰত বেছি জোৰ দিয়া হৈছে, মুঠ কথা সামগ্ৰীক ভাবে শিক্ষাৰ ক্ষেত্ৰত অত্যন্ত কম অৰ্থ খৰচ কৰা হৈছে। দক্ষিণ এচিয়াৰ কেইখন মান দেশত শিক্ষাৰ ক্ষেত্ৰৰ বিভিন্ন স্তৰৰ পৌণঃ পৌণিঃক শতকৰা হাৰ সম্বলিত এটা পৰি সংখ্যা তলত দিয়া হ'ল যাৰ পৰা আমাৰ দেশৰ অৱস্থাটো সম্যক উপলব্ধি কৰা যাব।

পৌণঃ পৌণিঃক শতকৰা হাৰ

| দেশ | খৰচ প্ৰাথমিক | মাধ্যমিক | এ্যাহিক (তৃস্তৰ) |
|---|---|---|---|
| পাকিস্থান | ৩৩ | ৩০'২ | ১৬'১ |
| ভাৰত | ২৭ | ৩৫'৫ | ১৮'৫ |
| বাৰ্ম্মা | ৪৭'৯ | ২০'৮ | ৯'৯ |
| দঃ ভিয়েৎনাম | ৪১ | ২৩'৩ | ৭'৬ |
| ফিলি পাইন্চ | ৮৩'৮ | ৮ | — |
| থাইলেণ্ড | ৬৫'৫ | ১৪'৫ | ২'৯ |
| মালেচিয়া | ৬৮'৩ | ১২'৫ | ৪ |

ওপৰৰ পৰিসংখ্যাৰ পৰা এই সত্যটো পৰিস্কাৰ হয় যে দক্ষিণ এচিয়াৰ দেশবিলাকৰ তুলনাত ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা লগতে মাধ্যমিক আৰু তৃস্তৰ বিশিষ্ট শিক্ষা ব্যৱস্থা অতি শোচনীয় ভাবে অবহেলিত হৈ আহিছে। এই অসঙ্গতি হ'ল সম্পূৰ্ণই দৃষ্টি ভঙ্গীগত। এই বিষয়ে দুটা পৰম্পৰ বিৰোধী চিন্তা শিক্ষা জগতত বৰ্ত্তমান সেই দুটা হ'ল ব্যাপক প্ৰাথমিক আৰু বয়স্ক শিক্ষাৰ চিন্তাৰ কাষে কাষে মাধ্যমিক আৰু উচ্চশিক্ষাৰ ওপৰত সমান্তৰাল ভাবে গুৰুত্ব আৰোপ কৰা। যি সকলে স্বাক্ষৰতাকে শিক্ষা সংস্কাৰৰ লক্ষ্য হিচাপে গ্ৰহণ নকৰে তেওঁলোকেই অশিক্ষিত জনসাধাৰণৰ স্বাভাবিক জন্মগত বিজ্ঞতা সম্পৰ্কে নানা ৰোমান্তিক আৰু গতানুগতিক চিন্তা পোষণ কৰে আৰু তেওঁলোকে এনেকুৱা যুক্তি দেখুৱাই যে সাধাৰণতঃ জনপ্ৰিয় সাৰ্ব্বজনীন শিক্ষা অশিক্ষিত জনসাধাৰণৰ সামাজিক স্তৰ বৃদ্ধি জগতত নতুন একোৱেই বৃদ্ধি নকৰে। সেইবাবে উন্নয়ণশীল দেশবিলাকৰ সামগ্ৰীক আৰু দ্ৰুত উন্নয়ণৰ ক্ষেত্ৰত



সাৰ্বজনীন শিক্ষাক এটি অপৰিহাৰ্য্য পূৰ্ব চৰ্ত্ত বুলি গণ্য কৰা নহয়।

এই চিন্তাৰ বশৱৰ্ত্তী হৈয়েই তেওঁলোকে কয় যে দৰিদ্ৰ দেশবিলাকৰ কৰ্ত্তব্য হ'ল শিক্ষাৰ উন্নয়ণ আৰু অন্যান্য উন্নয়ণমূলক কামৰ ক্ষেত্ৰত ব্যয় সঙ্কোচন কৰা। এই মত যিসকলে পোষণ কৰে তেওঁলোকে শেষ পৰ্য্যন্ত এই ধৰণৰ সিদ্ধান্তত উপনীত হয় যে উন্নয়ণশীল দেশবিলাকৰ ক্ষেত্ৰত প্ৰথমে প্ৰয়োজন হ'ল মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটোৱা আৰু প্ৰাথমিক শিক্ষাৰ গতিক অলপ মন্থৰ কৰা। এই মত প্ৰধানত প্ৰাচীন ঔপনাসিক ধৰণৰ উচ্চ শিক্ষিত বুদ্ধি জীৱি দৃষ্টি আৰু তাৰ লগতে নিম্ন কাৰিকৰী শিক্ষাত শিক্ষিত শ্ৰেণীৰ তৈয়াৰীৰ মনোভাবৰেই পৰিচায়ক। যাৰ ফলত ব্যাপক জনসাধাৰণ অজ্ঞতাৰ অন্ধকাৰত ডুব গৈ থাকে।

দ্বিতীয় মতৰ সমৰ্থকসকলে ওপৰৰ চিন্তাক ভ্ৰান্ত বুলি ভাবে। তেওঁলোকে ভাবে অৰ্থ নৈতিক ক্ষেত্ৰ সহ সমস্ত ক্ষেত্ৰতেই উন্নয়ণক ত্বৰান্বিত কৰাৰ কাৰণে প্ৰয়োজন শিক্ষা বিষয়টোক নিম্নোক্ত কাৰণে যতদুৰ সম্ভৱ সুদূৰ প্ৰসাৰী কৰা. যেনে—মাধ্যমিক আৰু তৃস্তৰ বিশিষ্ট শিক্ষাত ছাত্ৰ সংখ্যা বৃদ্ধি কৰা আৰু এইভাবে যোগ্যতা বঢ়োৱা। (২) মন্দ, অৰ্থনীতিৰ অৱৰ্ত্তত সীমাবদ্ধ নাথাকি দেশৰ সমগ্ৰ শ্ৰেণী আৰু সম্প্ৰদায়ৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱা ইত্যাদি। ভাৰতবৰ্ষৰ দৰে বৃহৎ আৰু দৰিদ্ৰ দেশৰ ক্ষেত্ৰত বিশেষকৈ সমস্ত জনসংখ্যাক স্বাক্ষৰ কৰি তোলাৰ ব্যাপক উদ্যোগ গ্ৰহণ কৰা প্ৰয়োজন আৰু এইক্ষেত্ৰত প্ৰান্তিক অগ্ৰগতি মুঠেই যথেষ্ট বুলি বিবেচিত নহয়।

পৰিতাপৰ কথা ভাৰতবৰ্ষই ১৮৩৫ চনতেই লৰ্ড মেকলে নিৰ্দেশিত এই প্ৰথমোক্ত প্ৰাচীন গতানুগতিক চিন্তাই অনুসৰণ কৰি আহিছে। মেকলেই কৈছিল—'বৰ্ত্তমানে আমি সৰ্ব্ব শক্তি প্ৰয়োগ কৰি চেষ্টা কৰিম এটি এনে শ্ৰেণী সৃষ্টি কৰিবলৈ যি সকলৰ কাম হব, কোটি কোটি মানুহ যাক আমি শাসন কৰিম সিহতৰ ওচৰত আমাৰ বক্তব্যক অনুবাদ কৰা আৰু এই শ্ৰেণীই জনসংখ্যাৰ ব্যাপকতম অংশৰ ওচৰত শিক্ষাক পহুচাই দিব পাৰিব।

মেকলে অনুসৃত এই নীতিই পৰৱৰ্ত্তী কালত ইংৰাজ শাসনত "নিম্নমুখী ছাকণ পদ্ধতি" (০ wn word filtration theory) হিচাপে গৃহীত হৈছিল। যাৰ ফলত সুযোগ প্ৰাপ্ত মুষ্টিমেয় এক বুদ্ধিজীৱি শ্ৰেণী সমাজৰ মধ্যমণি হিচাবে কোটি কোটি অজ্ঞ অশিক্ষিত জনসাধাৰণৰ মাজত শিক্ষা সংস্কৃতি বিতৰণৰ কামত নিযুক্তি থাকিল। ইংৰাজ সাম্ৰাজ্যবাদী শাসন কালতেই স্বাধীনতা সংগ্ৰামত ভাৰতবৰ্ষৰ জাতীয়তাবাদী চিন্তাবিদ সকলে এই ধাৰণাক সম্পূৰ্ণ ভাবে ভ্ৰান্ত বুলি পৰিত্যাগ কৰিছিল।

দুৰ্ভাগ্যৰ বিষয় স্বাধীনতা প্ৰাপ্তীৰ ২৭ বছৰ পাচতো এই প্ৰত্যেক্ষ ভ্ৰান্ত আৰু ,জাতীয়তা বিৰোধী চিন্তাই মূলতঃ শিক্ষা ক্ষেত্ৰত বিৰাজ কৰিছে। একাদিক্ৰমে পঞ্চবাৰ্ষিকী পৰিকল্পনা বিলাকত শিক্ষা ক্ষেত্ৰত লগ্নীকৃত অৰ্থৰ নিম্ন প্ৰদত্ত হিচাবৰ পৰা এই ধাৰণাৰ সত্যতা প্ৰমাণিত হব।

| | প্ৰথম পৰিকল্পনা | দ্বিতীয় পৰিকল্পনা | তৃতীয় পৰিকল্পনা | অন্তৱৰ্ত্তী কাল | চতুৰ্থ পৰিকল্পনা |
|---|---|---|---|---|---|
| ১। প্ৰাথমিক শিক্ষা | ৫৬% | ৩৫% | ৩০% | ২০% | ১৪'৪% |
| ২। মাধ্যমিক শিক্ষা | ১৩% | ১৯% | ২১ ०/০ | ২৫% | ২৪'৩ ०/০ |
| ৩। বিশ্ববিদ্যালয় শিক্ষা | ৯% | ১৮% | ১৯% | ২৭% | ১৫'২% |
| ৪। কাৰীকৰী শিক্ষা | ১৩% | ১৮% | ৩০% | ২০% | ২৮'৫% |

ইয়াৰ ফলত ভাৰতীয় সংবিধানৰ ৪৫ তম ধাৰাত ভাৰতীয় সংবিধান কাৰ্য্যকৰী (চালু) হোৱাৰ ১০ বছৰৰ ভিতৰতে ১৪ বছৰ বয়স পৰ্য্যন্ত শিক্ষাক সাৰ্ব্বজনীন বাধ্যতামূলক ও অবৈতনিক কৰাৰ যি নীতি ঘোষিত হৈছিল তাক কাৰ্য্যকৰী আৰু ফলপ্ৰসূ কৰাৰ আজিও সম্ভৱ নহ'ল।

অত্যন্ত সংকীৰ্ণ অৰ্থত কেইখনমান ৰাজ্যত অষ্টম শ্ৰেণী পৰ্য্যন্ত অবৈতনিক শিক্ষা প্ৰচলন কৰা হৈছে যাৰ একমাত্ৰ অৰ্থ হ'ল সেই শ্ৰেণী পৰ্য্যন্ত ছাত্ৰ সকলে মাত্ৰ মাচুল দিব নেলাগে। বস. এই খিনিয়েই। এই সমূহ শ্ৰেণী পৰ্য্যন্ত স্কুলৰ পৰা আদায় কৰা অন্যান্য খৰচ বাবদ কিন্তু টকা দিবলগীয়া হয়। ইয়াৰ বাহিৰেও পাঠ্যপুথি আৰু শিক্ষা ক্ষেত্ৰৰ অন্যান্য আনুষাঙ্গিক সমস্ত খৰচেই এই শ্ৰেণীসমূহৰ ছাত্ৰসকলে পৰিয়ালৰ পৰা খৰচ কৰিবলগীয়া হয়। 'এইটো লক্ষ্য কৰিব লগীয়া আৰু এতিয়াও তেনেকুৱা দৃষ্টি পৰা নাই যে কেৱল মাত্ৰ মাহেকীয়া মাচুলখিনি তুলি দিয়াটোৱেই ছাত্ৰসকলৰ শিক্ষাক খৰচ মুক্ত কৰা ক্ষেত্ৰত মুঠেই যথেষ্ট নহয়। অন্যান্য সমস্ত অপ্ৰত্যক্ষ খৰচো যিবোৰ ছাত্ৰসকলে আৰু তেওঁলোকৰ অভিভাৱক সকলে বহন কৰিব লাগে যেনে—কিতাপ পত্ৰ কিনা, শিক্ষাগত ভ্ৰমণ, পাঠ কালীন অন্যান্য কামত খৰচ ইত্যাদি মিলি যিমান খৰচ হয়, সেই খৰচ, কিতাপ ইত্যাদি প্ৰত্যক্ষ খৰচতকৈও বেছি।' (আন্তৰ্জাতিক শ্ৰম দপ্তৰ, প্ৰকাশিত মাৰ্ক ব্লগৰ উন্নয়ণশীল দেশ সমূহৰ শিক্ষা ও চাকৰিৰ সমস্যামূলক প্ৰতিবেদন দ্ৰষ্টব্য) কিন্তু বস্তুতঃ পক্ষে ভাৰতবৰ্ষৰ কতো শিক্ষা ব্যৱস্থা সাৰ্ব্বজনীন হোৱা নাই আৰু বাধ্যতামূলক কৰাটো পৰিত্যক্তই হৈছে।

প্ৰাথমিক শিক্ষা ক্ষেত্ৰত ছাত্ৰসকলৰ তালিকাভুক্তি নিঃসন্দেহে বৃদ্ধি পাইছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই প্ৰাথমিক শিক্ষা কালত এক বিৰাট সংখ্যক ছাত্ৰৰ মাজ পথত পঢ়া বন্ধ হৈ যোৱাৰ কথাটোক চৰকাৰী দপ্তৰে মুঠেই গুৰুত্ব দিয়া নাই। যাৰ ফলত শিক্ষাৰ যিখিনি প্ৰসাৰ ঘটিছে তাৰ দ্বাৰা কোনো সুফল ফলা নাই। স্কুলত শিক্ষা কালীন মাত্ৰ চাৰি পাচ বছৰৰ ভিতৰতে শতকৰা ৬০% ভাগ ছাত্ৰ-ছাত্ৰীৰ পঢ়া বন্ধ কৰি দিবলগীয়া হয় আৰু এই ল'ৰা ছোৱালীবোৰো স্থায়ী ভাবে শিক্ষিত বুলি গণ্য কৰা হয়। যাৰ ফলত এটা বিৰাট অসঙ্গগতিয়ে দেখা দিয়ে।

মানসিক শক্তি আৰু বস্তুগত সম্পদৰ এনে চৰম ও ব্যাপক অপচয়ৰ মাজতো পঞ্চ বাৰ্ষিকী পৰিকল্পনাৰ খচৰাৰ ৰিপোৰ্টত কোৱা হৈছে যে, 'বৰ্ত্তমানৰ জনমূৰি আয়ৰ স্তৰ আৰু শ্ৰম শক্তিৰ ব্যৱহাৰ পদ্ধতি বিশেষকৈ কৃষিৰ ক্ষেত্ৰত যিটো অৱস্থা বৰ্ত্তমান তাত আশা কৰা অবাস্তৱ হব যে মধ্য পথত বন্ধ কৰি দিবলৈ বাধ্য হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ সমস্যাটো অদূৰ ভৱিষ্যতে সমাধান কৰা সম্ভৱ হব"। "প্ৰাথমিক বিদ্যালয়ত ব্যাপক ছাত্ৰ সংখ্যা বৃদ্ধিৰ ফলত শিক্ষিতৰ হাৰৰ কোনো সমানুপাতিক বৃদ্ধি ঘটা নাই, কাৰণ অতি সামান্য সংখ্যক শিক্ষাৰ্থীহে চতুৰ্থ শ্ৰেণী পৰ্য্যন্ত যাব পাৰে আৰু সেইখিনি পালেই শিক্ষিত বুলি ধৰি লোৱা যাব পাৰে।" ১৯২৯ চনৰ হাৰ টগ কমিতিৰ প্ৰতিবেদনত এই মৰ্ম্মে বহুকাল পূৰ্বেই যি মন্তব্য কৰা হৈছিল সি আজিও সত্য হৈ আছে।

আমাৰ দেশৰ বয়স্ক শিক্ষাৰ ক্ৰমবৰ্দ্ধমান ব্যাপক অশিক্ষাৰ ক্ষেত্ৰত বয়স্ক শিক্ষাৰ কৰ্ম্মসূচীৰ ওপৰত বিশেষ গুৰুত্ব দিয়া প্ৰয়োজন কিন্তু এই বৃহৎ সমস্যাটি চৰকাৰ পক্ষৰ পৰা সম্পূৰ্ণ ভাবে অবহেলিত হৈছে আৰু সামাজিক শিক্ষা নাম দি বয়স্ক শিক্ষাৰ সামান্য উদ্যোগ লোৱা হৈছে আৰু



তাত শিক্ষা বাজেটৰ শতকৰা ১% ভাগৰো কম অৰ্থ ধৰা হয়।

এই প্ৰসঙ্গত শিক্ষা কমিচনে পৰামৰ্শ দিছে যে, "এই অসহনীয় অৱস্থা দূৰীকৰণৰ কাৰণে গোটেই দিন ব্যাপী নিৰক্ষৰতাৰ অন্ধকাৰ দূৰ কৰাৰ বাবে ব্যাপক ও সুসংবদ্ধ প্ৰচাৰ অভিযান সৃষ্টি কৰা প্ৰয়োজন অন্যথাই এই সমস্যাৰ সমাধান নহয়। এই প্ৰচাৰ অভিযান জাতীয় জীৱনত অপৰিহাৰ্য্য তাৎপৰ্য্য ও বিশ্বগত উদ্বুদ্ধ হোৱা বাঞ্চনীয়"। ৰিপোৰ্টৰ বক্তব্য অনুযায়ী এই কৰ্ত্তব্য পালন কৰা সম্ভৱ হব, যেনে ভাবে বিপ্লৱ সংঘটিত হোৱাৰ পাচত ৰাচিয়াত কৰা হৈছিল। অত্যন্ত দৃঢ়তাৰে ৰাচিয়ান সকলে সেই বিষয়ত ব্যাপক ৰূপে গ্ৰহণ কৰাত সাৰ্ব্বজনীন স্বাক্ষৰতাৰ সাফল্যলৈ যাব পাৰিছিল। জাতীয় স্তৰত জনজীৱনত এই উদ্যোগে গভীৰ প্ৰত্যয় বোধৰ সৃষ্টি কৰিছিল আৰু সামগ্ৰীক ভাবে সমাজ বিবৰ্ত্তনৰ কৰ্ম্ম কাণ্ডত উদ্বুদ্ধ ও উৎসাহিত কৰিছিল।" (শিক্ষা কমিচন ১৯৬৬)

আমি ভাবো যে মানুহবিলাকে নিৰ্দেশাৱলী ও পৰিকল্পনা বিলাক পঢ়িব আৰু বুজিব পাৰে আৰু যি সকলে নোৱাৰে তুলনা মূলক ভাবে প্ৰথমোক্ত সকল অনেক দক্ষ শ্ৰমিক। যি কৃষিজীবি মানুহে খবৰৰ কাগজ বা হেণ্ডবিল পঢ়িব আৰু সংখ্যা গণনা কৰিবলৈ সক্ষম তেওঁলোক যি সকলে নোৱাৰে তেওঁলোকতকৈ অধিক প্ৰগতিশীল আৰু দক্ষ। আমাৰ দেশৰ সামগ্ৰীক উন্নয়ণৰ ক্ষেত্ৰত স্বাক্ষৰতাৰ বিষয়টো এটা অন্যতক শক্তিশালী হাতিয়াৰ।

বিভিন্ন স্থানীয় পৰিকল্পনাৰ সফল ৰূপায়ণ, স্বায়ত্ব শাসন মূলক প্ৰতিস্থান আৰু সমবায় আন্দোলনৰ সফলত ইত্যাদি সকলোবোৰেই শিক্ষা ব্যৱস্থাৰ কাৰ্য্যকৰী বিস্তৃতিৰ ওপৰত নিৰ্ভৰশীল। চৰকাৰী প্ৰশাসন আৰু শিল্প বিজ্ঞানৰ লগত কৃষি আৰু শিল্প ক্ষেত্ৰৰ অগ্ৰগতিৰ কাৰণে জনসাধাৰণৰ ব্যাপক শিক্ষাৰ প্ৰয়োজনীয়তা ক্ৰমশই বাঢ়ি গৈছে। সাধাৰণ ভাবে কবলৈ গলে ভীন্ন ভাবে স্তব্ধ হৈ থকা সমস্ত পথ শিক্ষাৰ মাধ্যমত উন্মুক্ত হৈ যায়, বাস্তৱ ধৰ্ম্মীৰ দৃষ্টি ভঙ্গী আৰু অন্যান্য গঠন মূলক কামত নৈপুন্য বিকশিত হোৱাৰ একমাত্ৰ পূৰ্ব্ব চৰ্ত্ত হ'ল শিক্ষাৰ প্ৰসাৰতা (গাৰণাৰ মিৰডাল, Gunner Myrdal)

এতেকে আমি দৃঢ়তাৰে কৈতে দাবী কাৰো যে, যিমান দ্ৰুত গতিত সম্ভৱ ভাৰতবৰ্ষৰ পৰা নিৰক্ষৰতা দূৰ কৰিব লাগিব, বয়স্ক আৰু প্ৰাথমিক শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত যথাযথ গুৰুত্ব দি দেশক সামাজিক, ৰাজনৈতিক আৰু অৰ্থ নৈতিক দিশত আগবঢ়ায় নিয়াৰ কামত বিশেষ ভাবে উদ্যোগী হব লাগিব।

স্বাধীনতাৰ পিচত ইমান বছৰ ধৰি শিক্ষা বিষয়টো ভাৰত চৰকাৰৰ কতৃক পৰা চৰম ভাবে অবহেলা হৈছে এই প্ৰধান সত্যটো স্বীকাৰ কৰিবই লাগিব।

11896

এই কথা সত্য যে ভাৰতৰ জাতীয় আয় পৃথিবীৰ অন্যান্য দেশবিলাকৰ তুলনাত বহু কম। ভাৰতবৰ্ষৰ মানুহৰ জনমূৰি আয়ৰ নুন্যতাও স্বীকৃত। কিন্তু তংস্বত্বেও পৰিসংখ্যাৰ পৰা এইটো পৰিস্কাৰ ভাবে দেখা যায় যে পৃথিবীৰ অন্যান্য উন্নয়ণশীল দেশবিলাকতকৈ তুলনামূলক ভাবে ভাৰতৰ জাতীয় আয়ৰ অত্যন্ত নগন্য এটা অংশ শিক্ষাক্ষেত্ৰত ব্যয় কৰা হৈছে। ইয়াৰ ফলত জনসাধাৰণৰ মাজত ব্যাপক অশিক্ষাই দেশৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অনতি ক্ৰমণীয় বাধা হৈ থিয় দিছে যত বাৰ্ম্মা, সিংহল; থাইলেণ্ড আৰু ফিলিপাইনৰ দৰে দেশ বিলাকত জাতীয় আয়ৰ—৬ শতাংশ অৰ্থ খৰচ কৰা হয়, সেই ক্ষেত্ৰত ভাৰতবৰ্ষই শিক্ষাৰ

ক্ষেত্ৰত ব্যয় কৰিছে মাত্ৰ ৩ শতাংশ অৰ্থ। গানাৰ মিৰডালে 'এচিয়ান ড্ৰামা' গ্ৰন্থত শিক্ষা ক্ষেত্ৰত জনমূৰি খৰচৰ যি হিচাপ দিছে তাৰ এটি আভাস তলত দিয়া হৈছে।

| ভাৰতবৰ্ষ | বাৰ্ম্মা | ফিলিপাইন |
|---|---|---|
| ১৯৫৮-৫৯ | ১৯৫৮-৫৯ | ১৯৫৭-৫৮ |
| ১'২৫(ডলাৰ) | ১'৭৫ ডলাৰ) | ২'৭৫(ডলাৰ) |
| থাইলেণ্ড | সিংহল | মালয় |
| ১৯৫৭ | ১৯৫৭-৫৮ | ১৯৫৭ |
| ৩,ডলাৰ) | ৫(ডলাৰ) | ৬'২৫(ডলাৰ) |

[ডলাৰ হিচাপত]

ইয়াৰ পৰা দেখা যায় যে ভাৰতবৰ্ষত শিক্ষা বিষয়ত জনমূৰি খৰচৰ শতকৰা হাৰ উল্লেখযোগ্য ভাবে বৃদ্ধি নাপালেও অন্যান্য দেশত তুলনামূলক ভাবে দ্ৰুত হাৰত বৃদ্ধি পাইছে।

১৯৬৬ চনৰ শিক্ষা কমিচনৰ [৪৬৫ পৃষ্ঠাত] প্ৰদত্ত হিচাপত তৃতীয় পঞ্চ বাৰ্ষিকী পৰিকল্পনাৰ শেষত শিক্ষা ক্ষেত্ৰত জনমূৰি খৰচ দেখুৱা হৈছিল ১২'০০ টকা আৰু বৰ্ত্তমানে সেই খৰচৰ পৰিমাণ ১৬'০০ টকা বুলি দাবী কৰা হৈছে।

গতিকে বৰ্ত্তমানে আমাৰ কৰ্ত্তব্য হ'ল শিক্ষা ক্ষেত্ৰত চৰকাৰৰ আৰু অন্যান্য পৰিকল্পনাৰ কৰ্তৃপক্ষৰ সামগ্ৰীক দৃষ্টি ভঙ্গী বিশেষকৈ প্ৰাথমিক আৰু বয়স্ক শিক্ষা প্ৰসঙ্গ পৰিবৰ্ত্তনৰ ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰা। পৃথিবীৰ অন্যান্য দেশত জাতীয় আয়ৰ শতকৰা যি পৰিমাণ অৰ্থ বৰ্ত্তমানে শিক্ষা ক্ষেত্ৰত ব্যয় কৰা হৈছে সেই পৰিমাণ অৰ্থাৎ শতকৰা ৬% শতাংশ টকা শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত আৰু বিশেষকৈ প্ৰাথমিক আৰু বয়স্ক শিক্ষাৰ শিক্ষাত জাতীয় আয়ৰ শতকৰা ৩% ভাগ যাতে চৰকাৰৰ দ্বাৰা ব্যয় কৰা যায় সেইফালে বিশেষ ভাবে চেষ্টা কৰি যাব লাগিব। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ প্ৰাৰম্ভণীতে শিক্ষাৰ বাবে ৩২০০ কোটি টকাৰ দাবি কৰা হৈছিল, পিচত পৰিকল্পনা কমিচনে তাক কৰ্ত্তন কৰি ১৭২৬ কোটি টকা অনুমোদন কৰিছে। ইয়াৰ অৰ্থ হ'ল পঞ্চম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ খচৰাৰ প্ৰস্তাৱনাত শিক্ষা ক্ষেত্ৰত মাত্ৰ ৩'২৫% টকা মঞ্জুৰ কৰা হ'ল। দেশৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ব্যাপক পৰিবৰ্ত্তন ঘটোৱাৰ স্বাৰ্থত এই দৃষ্টি-ভঙ্গীৰ পৰিবৰ্ত্তন কৰা একান্ত প্ৰয়োজন।

কেন্দ্ৰৰ যুক্তৰাষ্ট্ৰীয় চৰকাৰে বৰ্ত্তমানে শিক্ষাৰ সংস্কাৰৰ ক্ষেত্ৰত অত্যন্ত অসাৰ দৃষ্টি-ভঙ্গী লৈছে। শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষা সংস্কাৰ বিষয়টো ৰাজ্য বিলাকৰ নিজস্ব বিষয়। এই যুক্তি প্ৰদৰ্শন কৰি সমস্ত দায় দায়িত্ব ৰাজ্যৰ ওপৰত জাপি দি কেন্দ্ৰীয় যুক্তৰাষ্ট্ৰীয় চৰকাৰ এনেয়ে হাত ভৰি সাৰটি বহি আছে। ভাৰতীয় সংবিধান সঠিক অৰ্থত যুক্তৰাষ্ট্ৰীয় হয়নে নহয় এই বিষয়টোত আমাৰ দেশৰ সংবিধান বিশেষজ্ঞ সকলৰ মাজত সন্দেহ দেখা দিছে, আয়ৰ সমস্তবিলাক পথেই কেন্দ্ৰৰ নিয়ন্ত্ৰণত থকাৰ ফলত ৰাজ্য চৰকাৰবিলাকে অনেক ক্ষেত্ৰতেই অৰ্থাভাবত উন্নয়ণমূলক ৰাজ্যৰ জনগণৰ মঙ্গলজনক অনেক কামেই নিজৰ দায়িত্বত পালন কৰিব নোৱাৰে। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য বিলাকৰ সাহাৰ্য্যৰ বাবে উদাৰ মনলৈ আগুৱাই আহি তেওঁলোকৰ অৱশ্য পালনীয় দায়িত্ব সম্পাদন কৰিব লাগিব। আমেৰিকা, ৰাচিয়া আৰু অষ্ট্ৰেলিয়াৰ দৰে সঠিক যুক্তৰাষ্ট্ৰীয় কাঠামো বিশিষ্ট দেশবিলাকত কেন্দ্ৰীয় চৰকাৰে সৰু বৰ এনেকি সীমান্তবৰ্ত্তী ৰাজ্য নিৰ্বিশেষে দেশৰ শিক্ষাক্ষেত্ৰত সুসম জাতীয় মান সৃষ্টিত সমান আৰ্থিক দায়িত্ব বহন কৰি চলিছে। বিশেষকৈ ভাৰতবৰ্ষত শিক্ষাৰ নিজস্ব নীতি সমূহ [সংবিধানৰ ৪৫ নং ধাৰাত]



কেন্দ্ৰীয় চৰকাৰৰ দায়-দায়িত্বত। গতিকে কেন্দ্ৰীয় চৰকাৰে সমস্ত ৰাজ্যত ৬ বছৰৰ পৰা ১৪ বছৰৰ সমস্ত লৰা-ছোৱালীক সাৰ্ব্বজনীন আৰু বাধ্যতামূলক গণশিক্ষাৰ দায়িত্বত গ্ৰহণ কৰিব লাগিব।

ভাৰতবৰ্ষৰ শিক্ষা ক্ষেত্ৰৰ পিৰামিড এনেকুৱা ভাৰসাম্য বিশিষ্ট হব যাৰ ভিত্তিত থাকিব ব্যাপক সাৰ্ব্বজনীন স্বাক্ষৰতা আৰু তাৰ পাচত লাহে লাহে সু-সমঞ্জস্য ভাবে ওপৰৰ স্তৰলৈ উঠি গৈ থাকিব।

আমি আশা কৰো ডঃ ক্ষেত্ৰি নিয়ে শিক্ষা বিস্তাৰৰ সংগ্ৰামত তেখেতৰ গোটেই জীৱন উছৰ্গা কৰি গৈছে তেখেতৰ স্মৰণত নিবিদিত এই ভাষণত যিবিলাক সমস্যা গুৰুত্ব সহকাৰে উদ্ধৃত কৰা হ'ল দেশৰ শিক্ষাবিদ মাত্ৰে সেইবিলা কবিষয়ে বিশেষ ভাবে চিন্তা কৰিব।

(শিক্ষা ও সাহিত্য পত্ৰিকাৰ সৌজন্যত)

# ॥ সংগ্ৰাম ॥

শ্ৰীবিজুলী চক্ৰবৰ্ত্তী
স্নাতক ২য় বাৰ্ষিক

চিঞৰি উঠিছিল—
এটি নৰকংকাল
পেটত আছিল তাৰ
ভোকৰ তীব্ৰ জ্বালা,
এমুঠি অন্নৰ বাবে সি কৰিছিল—
বৃথা চিৎকাৰ।
তাৰ দাবী—'জীয়াই থকাৰ'
..........কিন্তু..........
শকুনৰ চঞ্চুৰ আঘাতত—
ক্ষত-বিক্ষত হৈছিল তাৰ দেহ,
বিক্ষুব্ধ জনতাৰ ওপৰত—
মুমুৰ্ষ পশুহঁতৰ তাণ্ডৱ নৃত্য দেখি।
স্পন্দিত হৈছিল তাৰ অন্তৰ।
বিজয় উল্লাসেৰে—
উজাগৰ নিশাৰ জাগ্ৰত ক্ষণত
সি যাবলৈ বিচাৰিছিল—
এক স্বপ্নৰঙীন উৰ্ম্মিমালাৰ মাজলৈ,
কিন্তু ব্যৰ্থ !!!
মাজ নিশাৰ ভয়াবহ নিঃশব্দতাই
তাক সোৰৰাই দিছিল
সংগ্ৰাম নকৰিবলৈ,
তথাপি—
অভাৱৰ কৰাল গ্ৰাসত পৰি
দুৰ্গম অত্যাচাৰ শৈল-শিখৰ ভাঙি—
উজাগৰ নিশাৰ জাগ্ৰত ক্ষণত
সি সংগ্ৰাম কৰিবলৈ সাজু।

# “সংগ্ৰাম”

মিছ ভাগ্য দেৱী
স্নাতক মহলা ১ম বাৰ্ষিক

আকাশত বিজুলীয়ে হাঁহিছিল। মেঘে গুৰ্-গুৰকৈ গাজিছিল। বৰষুণ জাক জিৰ্-জিৰ্কৈ নামি আহিছিল। তাই হুক্ হুক্কৈ কান্দিছিল। হঠাৎ কোনো নাৰীৰ হিয়া ভগা কান্দোন শুনি ৰমেনৰ দীঘল খোজ বৈ গৈছিল। ৰমেন এক অজান শিহৰণত শিহৰিত হৈ উঠিছিল। অলপ সময় কিবা চিন্তা কৰি ৰমেন চিকাৰীৰ শৰত আঘাত পোৱা হৰিণৰ দৰে সেই কান্দোন ভাহি অহা ঠাইলৈ গতি কৰিলে। অলপ দূৰ গৈয়ে দেখে যে ৰূপহীয়ে ৰভাৰ এটি খুটাত আউজী তেতিয়াও কান্দি আছে। ৰমেনে ৰূপহীৰ নিচেই ওচৰত থিয় হ'ল। কিন্তু ৰূপহীক তেনে এটা অৱস্থাত দেখি ৰমেন শিলৰ মূৰ্ত্তিৰ দৰে জঠৰ হৈ ৰল। ৰমেনে ভাবিবলৈ ধৰিলে যোৱা প্ৰাক্ বিশ্ববিদ্যালয়ৰ শেহান্ত পৰীক্ষাত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা ১ম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ভূগোলত অনাৰ্চ সহ স্নাতক মহলাৰ ১ম বাৰ্ষিকত পঢ়ি থকা এজনী তীক্ষ্ণ বুদ্ধিৰ গাভৰু ৰূপহীৰ আজি এই বিপুল জনসভাত কি হ'ল! অলপ আগতে দেশৰ জনতাৰ প্ৰতিনিধিত্ব কৰা নেতা, যুব নেতা সকলৰ অৰ্থনৈতিক বিপ্লৱৰ, সমাজবাদৰ, প্ৰগতিবাদৰ হিয়াভেদি যোৱা দীঘল দীঘল ভাষণ শুনি আনন্দত বিহ্বল হৈছিল ৰূপহী। কিন্তু ৰমেনে ভাবিব নোৱাৰা হয়.......।

নিশাদেৱীয়ে দিনমণিৰ বিদায়ৰ ইঙ্গিত পাই লাহে লাহে দুহাত মেলি পৃথিবীৰ বুকুলৈ নামি আহিছিল। গধূলি সাত বজাৰ লগে লগে সভা-পতি মাননীয় মন্ত্ৰী ডাঙৰীয়াই সভা সমাপ্ত কৰিলে। লগে লগে সভাত গোটখোৱা জনতা ফৰিংচিটিকা দি চাৰিওফালে হৈ চৈ লগাই যাবলৈ ধৰিলে। সকলোৰে মুখত মাথো একে কথাকে শুনা গ'ল। আমাৰ দেশৰ অৰ্থ নৈতিক প্ৰগতিৰ বাবে অৰ্থ নৈতিক সংগ্ৰাম অপৰিহাৰ্য্য। ৰূপহীৰ মনত উদ্যোগ মন্ত্ৰী, কৃষি মন্ত্ৰী, স্থানীয় এম-এল এ. এম-পি সকলৰ আজিৰ মঞ্চত দিয়া অৰ্থনৈতিক বিপ্লৱৰ ভাষণ বিলাক এফালৰ পৰা কথা ছবিৰ দৰে মন দাপোণত দেখা দিবলৈ ধৰিলে। লগে লগে তাইৰ মগজুত প্ৰতিধ্বনিত হ'ল দাৰ্শনিক ৰাধা কৃষ্ণণৰ একাকি কথালৈ—“ৰাজপথৰ শ্লোগানে জনগণৰ মুক্তি আনিব নোৱাৰে।” লগতে তাইৰ মনত মঞ্চৰ অবিৰাম সংগ্ৰামে জনসাধাৰণৰ দুৰ্গতি, দেশৰ সমস্যা, দাৰিদ্ৰতা দূৰ কৰিব নোৱাৰে বুলি প্ৰতি-ভাত হ'ল। ৰূপহী যত বহিছিল তাত থিয় হ'ল আৰু দুখোজ আগুৱাই গৈ ৰভাৰ খুটাটোত ধৰি থিয় দি থাকিল। ৰূপহীয়ে পুনৰ ভাবে দাৰ্শনিক পণ্ডিত সকলে কোৱা কথা—‘কম কথা কৰা, অধিক কাম কৰিবা, বেছি কথা কোৱা মানুহে সমাজ, জাতি' দেশ আৰু জনতাৰ কাৰণে কোনো কাম কৰিব নোৱাৰে।’ ইত্যাদি ইত্যাদি কথাবোৰ আজি ৰূপহীৰ মন দাপোণত এটাৰ পিচত এটাকৈ উদ্ভাষিত হবলৈ ধৰিলে। কৃষি মন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ দেশৰ উন্নতি আজি নিৰ্ভৰ কৰিছে দেশৰ কৃষক ভাইসকলৰ ওপৰত বুলি কোৱা কথাষাৰলৈ ৰূপহীৰ বাৰে বাৰে মনত পৰে। লগে লগে ৰূপহীৰ মনত পৰে আজিৰ পৰা ছয়মাহ আগতে এৰি অহা দিনকেইটালৈ। ছয়মাহ আগৰ সেই কৰুণ স্মৃতিবোৰে তাইক এটি এটিকৈ জুমুৰি দি ধৰিলে। লগতে সেই স্মৃতিয়ে তাইক পুনৰ সোঁৱৰাই দিলে যে এই নেতা, মন্ত্ৰী সকলৰ মঞ্চৰ সংগ্ৰামে দুখীয়া জনসাধাৰণৰ কোনোদিনে কল্যাণ সাধন কৰিব নোৱাৰে। একলোক আজি আহিছে ভোট বিছাৰি সৰল সহজ জনতাৰ মাজলৈ। জনতাৰ মঙ্গলৰ বাবে কাম কৰিবলৈ নহয়। এওঁলোক আজি অহা নাই অসমৰ প্ৰলয়কাৰী বানপানী ৰোধ কৰি কৃষকক ৰক্ষা কৰিবলৈ। অহা নাই ধনীক শ্ৰেণীটোৰ শোষণৰ পৰা কৃষকক ৰক্ষা কৰি প্ৰকৃত সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ। জাতিভেদ বৰ্ণ-বৈষম্যৰ বিষ বৃক্ষ উভালি পেলাবলৈ এই নেতা-বৃন্দই এইদৰে অভিযান চলোৱা নাই। তাৰ বিপৰীতে জাতিভেদ, বৰ্ণ বৈষম্যৰ বিষ বৃক্ষ পুনৰ ৰোপনৰ বাবেহে এইদৰে জনতাৰ মাজলৈ আহি ৰাজহুৱা সভাত আৰকাপোৰ তৰি অভিনয় কৰিছে। এনে ধৰণৰ অলেখ অযুত চিন্তাই ৰূপহীৰ মনত ভুমুকি মাৰিলে।

আজিৰ পৰা ছমাহ আগতে দিহিং নদীৰ বাঢ়নি পানীয়ে কেবা ঠাইতো পাৰ ভাঙি গাওঁ-ভূই ডুবাই যি ধ্বংসলীলাৰ সৃষ্টি কৰিলে ভাবিলে আজিও গাৰ নোম শিয়ৰি উঠে। ৰূপহীৰ পিতাক আছিল এজন সাধাৰণ খেতিয়ক। দিহিং নৈৰ পাৰত তাকৰীয়া মাটিত খেতি কৰি পাঁচজনীয়া পৰিয়ালটিয়ে সুখেৰে দিন নিয়াইছিল। অভাব অনাটনে দিহিং পৰীয়া মানুহক কোনো দিনে জুমুৰি দিয়া নাছিল। দিহিং পৰীয়া বাসিন্দা সকলে বান পানীৰ ধ্বংসলীলা কোনো দিনেই দেখা নাহিল। মাত্ৰ বাতৰি কাকতত ওলোৱা অসমৰ কিছুমান নদীৰ বাঢ়নি পানীৰ ধ্বংসলীলাৰ কাহিনী পঢ়িছে; কিন্তু কোনো দিনে নিজ চকুৰে দেখা নাই।

অসমত গ্ৰীষ্মকালত মৌচুমীৰ প্ৰভাবত ধাৰাসাৰে বৰষুণ হয়। ফলত এই দেশৰ প্ৰধান নৈ ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনৈ সমূহ বৰষুণৰ পানীৰে পুষ্ঠ হয়। কিন্তু বৰষুণৰ পৰিমাণ বৃদ্ধিৰ ফলত নৈ সমূহে পানী বহন কৰিব নোৱাৰি অতিৰিক্ত পানীয়ে নৈ সমূহৰ দুই পাৰ ভাঙি প্ৰতিবছৰে অসমৰ বুকুত ধ্বংসলীলা চলায়। ফলত অসমৰ হাজাৰ হাজাৰ কৃষক গৃহহীন হৈ পৰিছে। শ-শ মানুহ, জীৱ-জন্তুৱে অকাল মৃত্যুক সাৱতি লৈছে। বহুত মানুহে ঘৰৰ মুধত, গছৰ আগত আশ্ৰয় লয় যদিও খাদ্যৰ অভাবত আৰু অখাদ্য খোৱাৰ ফলত মৃত্যুৰ মুখত পৰে। ল'ৰা-ছোৱালীৰ আলাই-আথানি নোহোৱা হয়। বলীয়া বানৰ উদভাগুলিত মানুহৰ মনত মহাত্ৰাসৰ সৃষ্টি কৰে, মানুহে হতবুদ্ধি হৈ চাই থাকিব লগীয়া হয়। প্ৰকৃতিৰ এই প্ৰচণ্ড মূৰ্ত্তিত মানুহ পেপুৱা লাগি প্ৰকৃতিৰ ওচৰত হাৰ মানিব লগীয়া হয়। বান পানীৰ কবলত জীয়াই থকা লোক সকলে মহামাৰী, দুৰ্ভিক্ষৰ কবলত গ্ৰাস হয়। স্বাধীন-তাৰ পিচৰ পৰা আজিলৈকে কোনো দিনে অস-

মীয়াই বানপানীৰ ধ্বংসলীলাৰ পৰা হাত সৰা নাই। প্ৰতি বছৰে চৰকাৰে ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণৰ নামত কোটি কোটি টকা ব্যয় কৰিছে। কিন্তু ইয়াৰ শুভফল দেখা নাই। ইয়াৰ কাৰণ সম্ভৱ বিভাগীয় কৰ্ম্মচাৰী সকলৰ দুৰ্নীতি, ঠিকাদাৰসকলৰ দুৰ্নীতিয়ে প্ৰধান। যি সময়ত কাম কৰিব লগীয়া হয় সেই সময়ত বহি থাকে আৰু সময়ত মৰুত বৈপ্লৱিক ভাষণ দি বৰ্ষা অহাৰ লগে লগে উঠি পৰি কামত লাগে। ফলস্বৰূপে জাতীয় অৰ্থৰ অপব্যৱহাৰ হয় আৰু বানপানী নিয়ন্ত্ৰণত ব্যৰ্থ হয়।

ছমাহ আগতে দিহিং নদীৰ বানপানীয়ে তাৰ দুই পাৰত সৃষ্টি কৰা ধ্বংসলীলাৰ বৰ্ণনা দিয়া টান। পুৱতি নিশা দিহিং নদীৰ পাৰত এক কৰুণ আৰ্ত্তনাদ উঠে। চাৰিওফালে মাথো এটি শব্দ উচ্চাৰিত হৈছে··· পানী···পানী। নদীৰ বাঢ়নী পানীয়ে তাৰ পাৰ ভাঙি ঘৰ দুৱাৰ, গৰু-ছাগলী মানুহ-দুনুহ সকলো এফালৰ পৰা বুকুত সাৱতি লৈ কালযমৰ দৰে কঢ়িয়াই লৈ গৈছে। চাওঁতে চাওঁতে পানী কালসৰ্পৰ দৰে আহি ৰূপহীহতৰ ঘৰত প্ৰৱেশ কৰিলে। ৰূপহীৰ বাপেকে ঘৈণীয়েকক জগাই দি গোহালিৰ গৰু-ছাগলী কেইটিক বান্ধৰ পৰা মোকোলাই দিয়ে। পানী ক্ৰমাৎ বাঢ়ি গৈ চোতালত এবুকু পালেহি। উপায়হীন হৈ লৰা-ছোৱালীৰে সৈতে ঘৈণীয়েকক লৈ তেওঁ বৰ ঘৰৰ চালত আশ্ৰয় ললে। ৰূপহীয়ে চাৰিওফালে সমুদ্ৰ সদৃশ পানী দেখি অবাক হ'ল। হঠাৎ এটা প্ৰকাণ্ড ঢৌ আহি ৰূপহীহতৰ বৰ ঘৰত খুন্দা মাৰে। লগে লগে ৰূপহীহতে আশ্ৰয় লোৱা বৰ ঘৰটো কোনো এটা মুহূৰ্ত্তত পানীৰ বুকুত বুৰ মাৰিলে। ৰূপহীক প্ৰবল ঢৌৱে কোবাই লৈ গৈ এজোপা প্ৰকাণ্ড আহত গছৰ গুৰি পোৱালে গৈ। ইতিমধ্যে ৰাতি পুৱাল।

ৰাতিপুৱা বান পীড়িত মানুহক উদ্ধাৰ কৰিবৰ কাৰণে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে বস্ত্ৰ আদি লৈ গৈ তাত উপস্থিত হ'ল। কেইজনমান ছাত্ৰই নীৰৱে গৈ থাকোতে হঠাতে আহত জোপাৰ ডালত ৰূপহীক দেখা পাই গছৰ ওপৰৰ পৰা নমাই আনে। নাৱত বহিয়ে ৰূপহীয়ে সৰু ভায়েক দুটি আৰু মাকক বিচাৰি উচুপিবলৈ ধৰিলে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে ৰূপহীক লৈ গৈ আশ্ৰয় শিবিৰত থয়। তাতে ৰূপহীয়ে মাক-পিতাকক অচেতন অৱস্থাত পায়। এদিন এনিশা অচেতন হৈ থকাৰ পাচত তেওঁলোকে চেতনা লভি ৰূপহীৰ মাকে সন্তান দুটিক বিচাৰিলে। কিন্তু হায়! তাই আৰু মৰমৰ কেচুৱা দুটিক ক'ত পাব। সময় ঘড়ী ঘণ্টাৰ লগে লগে অগ্ৰসৰ হৈ আছে। এমাহৰ মূৰত পানী শুকাই আৰু চৰকাৰে আশ্ৰয়শিবিৰ বন্ধ কৰি দিয়ে। ৰূপহীক লগত লৈ মাক-বাপেকে নিজ ঘৰৰ ভেটিলৈ আহিল। কিন্তু তাত গৈ দেখিলে মৰমৰ ঘৰকেইটিয়ে নৈৰ সৈতে সংগ্ৰাম কৰি কোনোমতে মূৰটো উলিয়াই নিজৰ গিৰিহতক পৰিচয় দিব পাৰিছে। ৰূপহীৰ বাপেকে কলপাত কিছু কাটি সেই ঘৰটোতে কোনোমতে আশ্ৰয় লৈ থাকিব পৰা কৰে। মাধৱীয়ে পোনা দুটিক নাপাই বলীয়া হয়। তাইৰ বিকৃত মগজুৰ পৰা মাত্ৰ শুনা গ'ল—'মোৰ পোনা দুটিক কোনে নিলে, পোনা দুটি ক'ত।'

বান পানীৰ পিছত মহামাৰী হয়। ই যেন এটি চিৰন্তন ৰীতি। এই মহামাৰীত পৰি ৰূপ-হীৰ বাপেকে সংসাৰ ধামৰ পৰা চিৰবিদায় ললে। ৰূপহী আকৌ উচুপি উঠিল। উচুপি উচুপি তাই ভাগৰি টোপনিৰ কোলাত আশ্ৰয় লয়। সাৰ পাই দেখে মাকে 'পোনা, পোনা' বুলি চিঞৰি বাউলী হৈছে। গঞালোকে মৃতকৰ সৎকাৰ কৰি ৰূপহীক



শান্তনা দিছে। ৰূপহী আজি নিঠৰুৱা। ৰূপহীৰ মোমায়েক আহি নোপোৱালৈকে ৰূপহী কোনো এঘৰত আশ্ৰয় লব লগীয়া হ'ল। তাইৰ পৰম হিতাকাঙ্খী ভদাই ককাদেউতাকে তেওঁলোকৰ ঘৰতে তাইক আশ্ৰয় দিলে। ভদাই ককায়েকৰ ঘৰত আশ্ৰয় লওঁতে ভদাইৰ আত্মীয় ৰমেনে ৰূপহীক জীয়াই থাকিবলৈ উপদেশ দিছিল। সাত দিনৰ মূৰত মোমায়েক আহি দুখুনী ৰূপহীজনীক গুৱা-হাটীৰ নিজৰা পাৰৰ ঘৰলৈ লৈ গ'ল। ৰূপহী বুদ্ধিমতী আছিল। তাইৰ শিক্ষাৰ প্ৰতি ৰাপ আছিল। মোমায়েকৰ যত্নত তাইৰ নিজৰ অধ্যা-ৱশায়ৰ ফলত, শেষত তাই গুৱাহাটীৰ কটন কলেজত স্নাতক মহলাত পঢ়িবলৈ লৈছিল।

সময় ৰৈ নাথাকে। এই কুৰিশতিকাৰ যুগলৈ নিতে ন ন বতাহৰ সোত বৈ আহে। ইয়াৰ মতে খোজ মিলাই ৰূপহীয়ে আগবাঢ়ি গৈ থাকে যদিও নিষ্ঠুৰ সময়ে তাইক তাইৰ কৰুণ অতীতটো জগাই দিয়ে। তেতিয়া তাই চকুলো টুকি নীৰৱে কান্দে। তাইৰ সৰু ভাতৃ দুটিলৈ মনত পৰিলে সেই কৰুণ পুৱতি নিশাৰ কাহিনীটো মনত আহে। তাইৰ স্মৃতিৰ পটত ভাহি উঠে বাপেকৰ অকাল মৃত্যু আৰু পাগলী মাতৃৰ ছবি। মাকলৈ মনত পৰিলে তাইৰ মন সেমেকি যায়। তাই আজি সম্পূৰ্ণ অজ্ঞ মাক জীয়াই আছে নে নাই। তেখেতে তাইৰ মোমায়েকৰ জীয়েক ৰুমীয়ে স্কুলৰ পৰা আহোতে দেখা পাগলীজনীৰ বৰ্ণনা তাইক কলে। তাই অধৈৰ্য্য হৈ ৰুমিৰ সৈতে স্কুলৰ ওচৰলৈ সেই পাগলীজনীক চাবলৈ গ'ল। পাগলীজনয়ে তাহাতক দেখিয়েই বিদ্ৰূপৰ হাঁহি মাৰিছিল। সেই অৰ্দ্ধনগ্ন পাগলীজনীয়ে তাইৰ মাকৰ স্মৃতি জাগৰিত কৰি দিয়াত ৰূপহী অচেতন হৈ তাতে পৰি গ'ল। তাইৰ মোমায়েকে আহি তাইক শান্তনা দি পাগলী-জনীৰ ওচৰৰ পৰা লৈ গ'ল। কোনোবা পাগলী নাইবা মগনীয়া তিৰোতা দেখিলে ৰূপহীয়ে একেঠৰে চাই থাকে। জানো তাইৰ মনত আজিলৈ জীয়াই আছে। তাইৰ বেদনাকাতৰ অন্তৰখন দেখিলে মোমায়েকৰ মনত ভাহি উঠে বাইদেউক আৰু ভিন-দেউকহতৰ পৰিয়ালটো। মোমায়েকৰ স্মৃতিৰ এল-বামত প্ৰতিভাত হয় ৰূপহীহতৰ পৰিয়ালটো গৰা-খহনীয়াত পৰি আজি কেনেকৈ ধ্বংসমুখী হ'ল। তেওঁৰ অন্তৰত দাৰুণ আঘাতে কষ্ট দিয়ে, কিন্তু তেওঁ এই আঘাত গোপন কৰি ৰাখে একমাত্ৰ ৰূপহীৰ বাবে। আনহাতে ৰূপহীয়ে জীয়াই আছে তাইৰ মোমায়েক, মামীয়েকহতৰ মৰমৰ বাবে। তাই মৃত্যুক বিতাৰিত কৰিছে। নহলে যে তাই বহুদিন আগতেই.................... ।

সেইদিনা ৰূপহীয়ে কলেজৰ পৰা আহি 'দৈনিক অসম'খনত চকু ফুৰালে। তাইৰ তৎক্ষণাত চকু পৰিল 'দিহিং নৈৰ মৰাসুঁতীত এখন বিৰাট জন-সভাৰ আয়োজন।" দেশৰ মন্ত্ৰী, এম-এল-এ, এম-পি সকলো আহিব। তেতিয়াই তাই থিৰাং কৰিলে তাইৰ মৰমৰ উপজা গাৱখন এবাৰ চাবলৈ। যথা সময়ত তাই মোমায়েকৰ অনুমতি লৈ সভালৈ যাবৰ আয়োজন কৰিলে। তাইৰ মনত অপাৰ আনন্দ লাগিল। তাইৰ আনন্দ, তাই নিজ জন্মভূমিক চাবলৈ যাব। কিন্তু·······

কিন্তু·······ৰূপহীয়ে গৈ দেখিলে কি। তাই দেখিলে তাহানিৰ দিহিংনৈৰ পাৰৰ সেই গাৱখন নাই। তাত আজি মানুহৰ বসতি প্ৰায় নাই। আছে মাথো প্ৰেতাত্মাসদৃশ হাড় চাল ওলোৱা তাকৰীয়া লোক। নিজৰ গাৱৰ মানুহৰ এনে ৰূপ দেখি ৰূপহীৰ প্ৰাণ কান্দি উঠিল। কিন্তু তাই কৰিবই বা কি। তাই অনিচ্ছা স্বত্বেও ৰাজহুৱা সভাখনত বহিল। সভাত মানুহেই মানুহ। দূৰ-দূৰণিৰ পৰা মানুহ

আহিছে একোটা আশা বুকুত বান্ধিলৈ। সময়মতে সভাৰম্ভ হ'ল, সভাত কৃষিমন্ত্ৰী, উদ্যোগমন্ত্ৰী স্থানীয় এম-এল-এ আদিয়ে বহুমূলীয়া ভাষণ দিলে। কিন্তু প্ৰত্যেকৰে এটা উদ্দেশ্য যদিও কথা কোৱাৰ সুৰ বেলেগ। প্ৰত্যেকৰে ভাষণত কৰ্ণগোচৰ হ'ল— আপোনালোকে জানে যে অসম নদী মাতৃক দেশ। এইদেশ শস্যৰে নদন-বদন। অসম কৃষিত আগবঢ়া দেশ। অসমৰ কৃষিয়েই সম্বল। গতিকে আপোনালোক কৃষক সকল দেশৰ ধৰণী স্বৰূপ। এইদেশ আপোনালোকে গঢ়িব লাগিব। সেয়ে আপোনালোকে বানপানী, প্ৰাকৃতিক দুৰ্যোগ আদিৰ লগত সংবাস কৰি সংগ্ৰাম কৰি জীয়াই থাকিব লাগিব। আমি সদায়েই আপোনালোকৰ লগত আছো। গতিকে অহা নিৰ্ব্বাচনত আপোনালোকে আমাক দেশ শাসন কৰিবলৈ সুবিধা দিয়ক। আমি আপোনালোকক কথা দিছো দেশৰ সমস্যা আমি দূৰ কৰিম, বান পানী ৰোধ কৰি কৃষিৰ উন্নতি সাধিম। কৃষকৰ উন্নতি অবিহনে দেশৰ উন্নতি সম্ভৱপৰ নহয়। গতিকে আমি কৃষকৰ উন্নতিৰ বাবে ইতিমধ্যে আচনি যুগুত কৰিছো।' ইত্যাদি ইত্যাদি ভাষণ দিলে মন্ত্ৰী ডাঙৰীয়া সকলে! এইবিলাক কথা শুনি ৰূপহীৰ চিঞৰি দিবৰ মন গৈছিল। তাইৰ মনত এই সকলোবোৰ মিছা প্ৰলোভন, ঠগ-প্ৰৱঞ্চনা। ৰাইজে এই প্ৰলোভনত ভোল যোৱা উচিত নহয়। যোৱা দিহিং নৈৰ প্ৰবল বান পানীত লোক সকলে কেনেকৈ অকাল মৃত্যুক আকোৱালি ললে এইটো নিশ্চয় অধিবাসীবিলাকৰ পাহৰণিৰ গৰ্ভত লীন যোৱা নাই। তাইৰ মনত খেলালে যে এই মন্ত্ৰীসকলে নিৰ্ব্বাচন ওচৰ পোৱাহে এনেকুৱা প্ৰলোভন দেখুৱাবলৈ আহিছে। ৰূপহীৰ এইবোৰ চিঞৰি চিঞৰি কবৰ মন গ'ল। কিন্তু তাই নোৱাৰিলে। মাথো তাই নীৰৱে সেইবোৰ শুনি থাকিল। বিবেকৰ তাড়নাত তাই এইবিলাকৰ প্ৰত্যুত্তৰ নিদিলে। মাথো তাই অতীতৰ করুণ স্মৃতিক ৰোমন্থন কৰিবলৈ ধৰিলে।

এনেতে হৈ চৈ লাগি পৰিল এগৰাকী তিৰোতাৰ চিঞৰ বাখৰত। 'সিহঁত···, ···সিহঁত—— মিছলীয়া, ঠগ, বদমাচ। ইহঁত প্ৰলোভন দেখুৱাবলৈ আহিছে। যোৱা বান পানীত আমাক বচাবলৈ সিহঁত নাছিল কিয়। সিহঁত—সিহঁতেই মোৰ পোনা দুটিৰ হত্যাকাৰী···হত্যাকাৰী।' এনেতে কৰবাৰ পৰা লাঠিধাৰী পুলিচ আহি তিৰোতাজনীক কোবাই উলিয়াই লৈ গৈ মিটিঙৰ বাহিৰত থৈ আহিল। ৰূপহীৰ ভৰিৰ তলৰ মাটিখিনিহে যেন নাইকিয়া হৈ গ'ল। তিৰোতাগৰাকীৰ কথা তাই স্পষ্ট শুনিবলৈ পাইছিল। মনত পৰিল তাইৰ ভায়েক দুটিলৈ···মনত পৰিল সন্তান হাৰা মাতৃলৈ··· পাগলী মাতৃৰ স্মৃতিৰে তাই অভিভূতা হৈ পৰিল।

মিটিংখন যে কেতিয়া শেষ হ'ল তাই কবই নোৱাৰিলে। ইতিমধ্যে সন্ধিয়া লাগি ভাগিছে। হঠাৎ তাই কাৰোবাৰ স্পৰ্শত উচপ খাই উঠিল। কিন্তু, কিন্তু এয়া যে·······ৰমেন দা। তাইৰ বেদনাবিধুৰ চকু হালৰ পৰা ধাৰাসাৰে চকুলো বৈ গ'ল। ৰমেনক তাই সাৱটি ধৰিলে। বতৰ ডাৱৰীয়া হোৱা বাবে ৰমেনে ৰূপহীক অনতি পলমে ঘৰমুৱা হবলৈ দিলে। ৰূপহীয়ে ৰভাৰ খুটাত থিয় হৈ হুক্ হুক্কৈ কান্দিবলৈ ধৰিলে! আকাশত বিজুলীয়ে হাঁহিব ধৰিলে। মেঘে গুৰ্ গুৰ্কৈ গৰ্জিব ধৰিলে আৰু লগে লগে বৰষুণ ধৰাৰ বুকুলৈ গিৰগিৰকৈ নামি আহিল। হায়! ৰূপহীৰ দৰে কিমান হতভগীয়াই আজি বানপানীৰ কৰাল গ্ৰাসত গৃহহীন হৈ সৰ্ব্বস্ব হেৰুৱাই উচুপি কান্দিছে তাৰ হিচাব কোনে ৰাখিছে। ৰূপহীৰ সংগ্ৰামী মনে জাগি উঠিল। ৰমেনে সান্ত্বনাৰ সুৰত ৰূপহীক কবলৈ



ধৰিলে······"নেকান্দিবি ৰূপহী! জীয়াই থাকিবলৈ শক্তি সঞ্চয় কৰ। সাহস সঞ্চয় কৰি আমি আটায়ে সংগ্ৰাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হব লাগিব। আমি সংগ্ৰাম কৰিব লাগিব জীয়াই থাকিবলৈ, সংগ্ৰাম কৰিব লাগিব দেশৰ বাবে, দহৰ বাবে, জনতাৰ সমুখত আৰু কাপোৰ তৰি অভিনয় কৰা শ্ৰেণীটোৰ আৰকাপোৰখন আতৰাই দি সিহঁতৰ নগ্নৰূপ সমাজৰ আগত দাঙি ধৰিম।"

নিশা ক্ৰমাৎ গভীৰ হৈ আহিল। ঃঃ

# চৈতন্য

গোবিন্দ শৰ্ম্মা
প্ৰাক্তন ছাত্ৰ

ৰাতি তেতিয়া দোভাগ। কুৱলীময় ঘোৰ অন্ধকাৰ ৰাতি। তিমিৰাচ্ছন্ন আকাশত মাজে মাজে দুই চাৰিটা তৰাৰ ম্লান হাঁহিত বাদে তলৰ পথাৰ বোৰ তেনেই নিজম নিতাল। মৰিশালাৰ নিস্তব্ধতাই সমস্ত পৃথিবীখনকে যেন গ্ৰাস কৰি থৈছে। দুই এছাটি চেঁচা বতাহে ঠেৰেঙা লগা জাৰটোক বেছি তীব্ৰতৰ কৰি তুলিছে। হিম চেচা শীতলতাই তাৰ যেন শৰীৰৰ গোটেইবোৰ তেজকে গোট খুৱাই পেলাইছে। গাৰ কপনিত দুপাৰি দাতৰ মাজত এটি মৃদু ঝংকাৰৰ সৃষ্টি হৈছে। শ্বাস-প্ৰশ্বাসবোৰ বাষ্প হৈ শূন্যত বিলীন হৈছে। যিমানে ঠাণ্ডা লাগিছে সিমানে তাৰ খোজ তাৱৰ পৰা তীব্ৰতৰ হৈছে। সি কলৈ যাব নেজানে। তথাপি গৈ আছে। সি যাব। সি যাব হেজাৰ বিজাৰ কঙ্কাল সাৰ জীৱিত জকাৰ মাজলৈ হা-ভাত হা-কাপোৰ কৈ দিনে নিশাই শ্ৰম কৰি কংকাললৈ ৰূপান্তৰিত হোৱা চিৰ অন্ধকাৰ অজ্ঞতাই আবৰি ৰখা সৰ্ব্বহাৰা সকলৰ লগত মিলি যোৱাটোৱে আজি তাৰ প্ৰধান কৰ্ত্তব্য। সিহঁতৰ মাজৰে এজন হৈ সিহঁতক সজাই তুলিব। মুক্তিকামী জনতাক ঐক্যবদ্ধ ভাবে থিয় কৰোৱাটোৱে তাৰ আজি জীৱনৰ একমাত্ৰ পণ। নগৰৰ পৰা সি প্ৰায় সাত আঠ কিলোমিটাৰ মান আহিল। এই শুকান ফাগুনৰ উদং উকা বৃহৎ পথাৰখন পাৰ হৈ গলে সন্মুখত সেইখন চৰকাৰী ৰিজাৰ্ভ। তাৰ কেচা বুকুত এতিয়াও জীয়া কঙ্কালৰ বুকুৰ কেচা তপত তেজৰ চেকাবোৰ লাগি আছে। সেয়া দিনৰ ঘটনা। জীয়াই থকাৰ সংগ্ৰামত মানুহৰ জীৱন্ত কবৰ। এটি অখ্যাত অলিখিত ইতিহাসৰ কলঙ্কিত অধ্যায়। হয়তো কোনেও গম নেপাব। সকলো অতীতে সামৰি থব। মানুহ মানুহ হৈ জীয়াই থকাৰ অপৰাধত গণতান্ত্ৰিক চৰকাৰৰ এয়া নিদারুণ

বিচাৰ। সিহতৰ অপৰাধ ? সিহতে আধাপেটি কৈ হলেও দুবেলা দুমুঠি খাই জীয়াই থাকিব বিচাৰে। সিহতে নাজানে এয়া বুৰ্জোৱা তন্ত্ৰ। ইয়াত শোষণ আছে; কিন্তু প্ৰাপ্য বিচৰাৰ অধিকাৰ নাই। এই দেশ, এই চৰকাৰ এমুঠি শোষকৰ। ইয়াত মানবীয় মূল্য বোধৰ দাবী বিফল। সিহতক দমাই ৰাখিবলৈ নানা অপ প্ৰচাৰেৰে জাল সজায় থৈছে। থিয় দিলেই জীৱিকাৰ চাবুক ডাল পেটত মাৰিছে। আৰু তাকে কৰিবলৈ আধুনিক শকুনি হতে নানা চল চাতুৰিৰ পাখ্যা খেলৰ সৃষ্টি কৰি শেষ তেজ তোপাও শুহি লৈছে। তাৰ বিনিময়ত দালাল শকুনিহঁতেও শোষক পুঁজিপতিহঁতৰ বাঃ বা লভিছে। মোটা বকচিচ লভিছে। ত্ৰিশ বছৰীয়া স্বাধীনতাই গৰকি যোৱা দেশখনত নিবনুৱাৰ হাৰ বাঢ়িল, বস্তুৰ দাম বাঢ়িল আৰু পুঁজিপতিৰ পুঁজি বাঢ়িল; কিন্তু নাবাঢ়িল মানুহৰ দাম। নোলাল জীৱিকাৰ পথ। বছৰ বাগৰিল; কিন্তু গৰীৱৰ গৰিবী নাতৰিল।

এইখনে সেই অভিশপ্ত ৰিজাৰ্ভ। ৰক্ত পিপাসু ৰিজাৰ্ভ।- অলেখ নৰবলী লৈ জন শূন্য হৈ পৰি আছে। ভাঙি থৈ যোৱা ঘৰ বোৰে যেন ইতিহাসৰ এক অধ্যায় জাহিৰ কৰিছে। 'সত্যৰ অপলাপ কৰিব পাৰিব. কিন্তু ঢাকি ৰাখিব নোৱাৰা।' প্ৰকৃতিৰ ধ্বংসকাৰী লীলা আৰু সমাজৰ এক শ্ৰেণীৰ কৰাল নিষ্পেষণত জৰ্জৰিত ক্ষুধাতুৰ জনগণৰ আশা আকাংখাৰ পটভূমি সিঃতক জীৱিকা লাগে। সিহত জীয়াই থাকিব বিচাৰে। প্ৰাণত হেৰোৱা পোৱাৰ প্ৰৱল আশা। ৰিজাৰ্ভৰ বুকু ভাঙি শস্যৰ প্লাৱন তুলিছে। কিন্তু এয়া কি হ'ল ? তাৰ আদেশতে ৰং কুকুৰৰ দল বুভুক্ষ নিৰাশ্ৰয় অসহায় জনতাৰ ওপৰত জপিয়াই পৰিল। যেন এজাক কুকুৰ নেচীয়া বাঘৰ মাজত এজনী দুৰ্বলা গাভিনী হৰিণী। নিমিষতে সকলো চাৰখাৰ হ'ল। গুলীৰ কাণ তাল মৰা শব্দত ৰিজাৰ্ভৰ বুকুত কাৰবালাৰ কৰুণ প্ৰতিধ্বনি হ'ল। ধোৱাৰে কুহেলীকাময় ৰিজাৰ্ভৰ বুকুত বহুত প্ৰাণহীন আৰু হাত-ভৰি ভঙা দেহ পৰি ৰ'ল। চাৰিওফালে হাহাকাৰ। আৰ্ত্তনাদ। চিৎকাৰ। স্বাধীন দেশৰ নাগৰিকক মুক্ত ভাবে দিয়া প্ৰতিদান। ভাত-কাপোৰৰ সলনি গুলী। জনতা ছত্ৰভঙ্গ দিছিল। কিছুমান খোৰা, কোঙা হৈ পৰি ৰৈছিল। কিছুমানৰ বুকুত প্ৰাণ নাছিল। আধুনিক সভ্যতাত পুৰণিৰ প্ৰতিকৃতি স্বৰূপ শতচিন্ন কাপোৰবোৰ তেজেৰে তুমুকলি দিছিল। ৰিজাৰ্ভৰ কেচা বুকুত জীয়া মানুহৰ কেচা তেজৰ এটা সোঁত মিলি গৈছিল। চকুত আশা আৰু বুভুক্ষতাৰ অযুত অগ্নি শিখা। দৃষ্টি নিঠৰ হোৱা প্ৰাণহীন দেহবোৰৰ মাজত তাহানীৰ ছাত্ৰ বন্ধু বিপ্লৱী নেতা জনৰো দেহটো পৰি ৰৈছিল। ছাত্ৰ অৱস্থাত সিহতে একেলগে ৰাজনীতি কৰিছিল। দেশৰ দৰিদ্ৰতা দূৰিকৰণৰ আচনি লৈছিল। অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ প্ৰতিজ্ঞা কৰিছিল। সি জানো প্ৰতিশ্ৰুতি ৰাখিব পাৰিছে ? চৰকাৰী বিলাসিতা আৰু গৰীবৰ তেজৰে অৰ্জা উপকৰণা ধনৰ মাজত সি ডুব গৈছে। সি অন্ধ হৈ পৰিছে। নাই সি আৰু ভাবিব নোৱাৰে। তাৰ মূৰটো ঘূৰিবলৈ ধৰিলে। খুউব গৰম লাগিছে। ঠেৰেঙা লগা জাৰ বা চেচা বতাহ জাকেও তাৰ শৰীৰ মন ঠাণ্ডা কৰিব পৰা নাই। সি গৈ আছে। তাৰ খোজ তীব্ৰ হৈছে।

কেইটা মান দৰ্শকৰ আগৰ কথা। বিদেশী বগা বঙালৰ নিষ্পেষণত জৰ্জৰিত অগনণ ভাৰতীয় ৰাইজে গান্ধী নেহেৰুৰ নেতৃত্বত বুকু দাঠি থিয় দিছিল। দেশ বাসীক স্বাধীনতা লাগে। দেশৰ অৰ্থনীতি বগা বঙালৰ হাতৰ পৰা দেশীয় চৰকাৰৰ হাতত অৰ্পিত হব লাগে। পুলিচ মিলিটাৰীৰ ৰঙা চকু আৰু বুটৰ গছকক ভয় নকৰি আগ্নেয়াস্ত্ৰৰ আগত বুকু পাতি থিয় দিছিল। স্বাধীনতাৰ তুলনাত জীৱনৰ মূল্য তেনেই কম। দেশবাসীক স্বাধীনতা লাগে। দেশ স্বাধীনো হ'ল। স্বাধীনতাৰ আনন্দত পুত্ৰহাৰা মাতৃ আৰু স্বামীহাৰা তিৰোতাৰ ওঁঠতো হাঁহি বিৰিঙিল। সেই দিনা হাঁহি বিৰিঙিছিল সিহঁতৰ অমূল্য ত্যাগেৰে হোৱা স্বাধীনতাৰ বাবে। কিন্তু লাহে লাহে সিহঁতৰ সেই হাঁহি মাৰ গ'ল। সোনালী আকাশক ক'লা মেঘে ঢাকি ধৰাৰ দৰে. সিহঁতৰ স্বাধীনতা, সিহতৰ গণতন্ত্ৰৰ মাজতো এচপৰা ক'লা মেঘ থূপ খালেহি। সমষ্ট দেশ খনকে যেন এফালৰ পৰা গ্ৰাস কৰি আনিলে। বগা চাহাবৰ ঠাই দেশীয় ক'লা চাহাবে অধিগ্ৰহণ কৰিলে !

ঘোৰ অন্ধকাৰ নিশা। সি একো দেখা নাই। কেৱল উমানতে আগুৱাই গৈ আছে। বাৰে বাৰে উজুটি খাইছে। বাগৰি পৰা নাই। চেঙেল যোৰ চিঙি যাব নেকি ? সি জোতা পিন্ধা নাই। সাধাৰণ সাজ পাৰেৰে আহিছে। সৰ্ব্বহাৰাৰ মাজৰে এজন সৰ্ব্বহাৰা হবলৈ আগুৱাই আহিছে। সি আগুৱাই গৈছে। কলৈ যাব নেজানে। কিন্তু সি যাব য'ত হেজাৰ হেজাৰ মানুহ সৰ্ব্বশ্ৰান্ত হৈছে। জীৱনৰ জীয়াতু ভুগিছে। ডিগ্ৰী লোৱাৰ পাচত যেতিয়া সি চাকৰিৰ সন্ধানত ওলাল তেতিয়া সি দেশৰ পৰিস্থিতিৰ লগত নতুনকৈ পৰিচিত হ'ল। তাৰ দৰিদ্ৰ ঘৰখনক সি পোহ-পাল দিবই লাগিব। চাকৰি পালে। বহু কষ্টেৰে। ভাল চাকৰি। আই-এ-এচ অফিচাৰ। যিদিনা ঘৰৰ পৰা ওলাই আহিছিল সেইদিনা তাৰে ওচৰৰ মলয়াজনীয়ে কৈছিল— চাবা মেজিষ্ট্ৰেট হৈ আৰু নিজৰ আদৰ্শ, নিজৰ মানবীয়তাক পাহৰি নেযাব। সি পাহৰি গৈছিল। অতী দুখীয়া ঘৰখনক অলপ দিনতে পৰিবৰ্ত্তন কৰি দিছিল। এটি পইচাৰ কাৰণে হাঁহাকাৰ কৰি মৰা ল'ৰাজনে অতি কম দিনতে পইচা অহা ৰাস্তাবোৰ চিনি উলিয়াইছিল। বিচাৰখনত বহি পুলিচ আৰু উকিলে যোগোৱা তথ্য প্ৰমাণৰ ভিত্তিত বহুতো চোৰ ডকাইটক কঠোৰ শাস্তি বিধান কৰিছিল। আইনৰ শাস্তি বিধানৰ ব্যৱস্থা আছে। ব্যৱস্থা নাই সিহতক সেই কু প্ৰবৃত্তিৰ পৰা উদ্ধাৰ কৰাৰ। সেই পেনেল ক'ডে যথেষ্ট নহয়। সি আজি ওলায় আহিছে আন এখন পেনেল ক'ড বিচাৰি য'ত মানুহক পঙ্কিলতাৰ পৰা ওভতাই অনাৰ পথ উল্লেখ আছে। য'ত দেশৰ নিষ্পেষণ পঙ্কিলতাক আতৰোৱাৰ ব্যৱস্থা আছে। সেয়ে মহামতি মাৰ্ক্স লেলিনৰ সমাজবাদ। বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত আচল দোষীক বিচাৰি উলিৱাৰ ব্যৱস্থা নাই। সিহতক শাস্তি দানৰ কোনো নিয়ম নাই। সেয়ে এক শ্ৰেণীৰ ভব্য চোৰ দিনক দিনে ধনী হ'ল আৰু আন শ্ৰেণীয়ে পেটৰ দায়ত পেটত পানী গামোচা বান্ধিব লগীয়া হ'ল। এই তেজপিয়াৰ দৰে মানুহ মাৰিব পাৰে। মানুহক তিল-তিল কৈ হত্যা কৰিব পাৰে। তথাপি জানো আইনে সিহতক দোষী সাব্যস্ত কৰিছে ? এই বক্তৃতাৰ ফুল জাৰি, ভুৱাবাদৰ বিভীষিকা উৰুৱাই দি এখন বাস্তৱ সমাজ গঢ়িব লাগিব। মানুহক মানুহ হিচাবে জীয়াই থাকিবলৈ দিয়া এখন কৃষক শ্ৰমিকৰ সমাজবাদী সমাজ ৰচনা কৰিব লাগিব। এই দেশ মেহনতী জনতাৰ দেশ। বুৰ্জোৱা আৰু সিহতৰ পালিত দালালৰ নহয়। যিদিনা অজ্ঞ কৃষক-শ্ৰমিকে এমুঠি ষড়যন্ত্ৰকাৰীৰ মেৰ জালৰ বিষয়ে বুজি উঠিব সেইদিনা প্ৰত্যেক জনে প্ৰত্যেক জন সৰ্ব্বহাৰাৰ অযুত তীক্ষ্ণ প্ৰশ্নৰ উত্তৰ দিব লাগিব। মানুহক পিহি নিয়াৰ অধিকাৰ সিহতক কোনে দিছিল ? সিহতৰ ক্ষোভ

আৰু তীক্ষ্ণ দৃষ্টিৰে বুজায় দিব যে মানুহ—মানুহ। জন্তু নহয়। প্ৰকৃতিৰ মুক্ত দান কাৰো বাপতি সাহোন নহয়। ইয়াত একচ্ছত্ৰি অধিকাৰ কাৰো নাই।

দুনীয়াৰ ঠাণ্ডাবোৰে যেন তাৰ কাণ আৰু নাকতহে হেচা মাৰি ধৰিছে। হাতৰ আঙুলিবোৰৰ তত নাই। ভৰি দুখন বৰফ হৈ গ'ল নেকি? শুকান বনৰ ঘহনি থাই কিজানি তাৰ ভৰি দুখন চিৰিলা-চিৰিলি দিছে। পিন্ধা পেণ্টটো নিয়ৰত তিতি তেনেই কিবাটো হৈ পৰিছে। নাই একো হোৱা নাই। সি সহ্য কৰিব পৰিব। দেশৰ শ শ মানুহৰ বাবেতো এয়া দৈনন্দিন সত্য। নৈমিত্তিক কৰ্ত্তব্য। সি ক্লান্ত নহয়। আগুৱাই যাব। এতিয়া বাৰু কেইটামান বাজিল? দেশৰ কোনো ঠাইত প্ৰবল বানপানী হৈছে। গৰা খহনীয়াই ঘৰ দুৱাৰ খহাই নি সৰ্ব্বশ্ৰান্ত কৰিছে। কোনোবা অঞ্চলত দুৰ্ভিক্ষত পৰি মানুহৰ মৃত্যু হৈছে। বাতৰিত প্ৰকাশ পাইছে। তাৰ প্ৰতি চৰকাৰৰ কোনো কানসাৰ নাই। বিৰোধী পক্ষৰ নেতাৰ কটু সমালোচনাত পৰি চৰকাৰে বাতৰি ভুল বুলি প্ৰমাণ কৰিবলৈ চেষ্টা চলাইছে। তদন্তৰ বাবে তাৰ দৰে কেইজন মান পোহনীয় অফিচাৰ নিযুক্ত কৰিছে। সিহঁতে কৰিছে কি? মিছাৰে ভৰাই এসোপা ৰিপোৰ্ট দিছে। পুষ্টি হীনতা আদি নানা ভুৱাৰ সৃষ্টি কৰিছে। বৰ বেছি জনে প্ৰতি সপ্তাহ বা পোন্ধৰ দিনত এপোৱা বা আধা কেঃ জিঃ চাউল ৰিলিফ হিচাবে দিছে। বচ, ইমানে। গাওঁ আৰু চহৰৰ ফুট পাথত নতুন নতুন ভিক্ষাৰীৰ আমদানি হৈছে। সিহঁত বোৰ যেন প্ৰত্যেকে একোটি যুগৰ ফিংস্ক। ইহঁতৰ প্ৰতি কাৰো ভ্ৰুক্ষেপ নাই। চকু দিয়াৰ সময় নাই। কাৰণ প্ৰগতিশীল দেশ এখনত এজন বা দুজনক লৈ ব্যস্ত থাকিলে নহব। য'ত কোটি কোটিজনৰ বাবে আচনি লোৱাৰ প্ৰয়োজন তাত জানে। এজন বা দুজনক লৈ ব্যস্ত থাকিব পাৰি? ইহঁত যেনেকৈ আছে তেনেকৈ থাকিব। ইহঁত অনাদৃত। ইহঁতক দেখি দেখি সকলো যেন অভ্যস্ত হৈ পৰিছে। বেৰত ওলমি থকা থিক পুৰণি কেলেণ্ডাৰ খনৰ দৰে ইহঁতে খালী ঠাই পুৰাই আছে। নহলেহে বেয়া লাগিব। যেন ফুটপাথত কিবা এটিৰ অভাৱ ঘটিছে।

সমগ্ৰ দেশখনেই যে এটা বিৰাট ভণ্ডামীৰ ছত্ৰ চায়াৰ মাজত সোমাই পৰিছে। এইবোৰৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰত্যেকজন মানুহৰ জ্ঞান চকু মুকলি কৰি দিব লাগিব। সিহঁতক লগতে কব লাগিব যে ঐক্যবদ্ধ শক্তিৰ সন্মুখত মেচিন গান তেনেই নিস্তব্ধ। মেচিন গানে মানুহ মাৰিব পাৰে কিন্তু পুজিবাদ শোষণবাদ বেছি দিন জীয়াই ৰাখিব নোৱাৰে! আৰু এই মহান উদ্দেশ্য আগত লৈয়ে সহস্ৰজন সৰ্ব্বহাৰা, ভাতৃ আগুৱাই আহিছে। পিচে ইমান দিনে জানো সি নিজে ভাতৃহতৰ মৃত্যু কবৰ খন্দা নাছিল? নাই নাই! সি আৰু ভাবিব নোৱাৰে। তেনে ভুল সি আৰু নকৰে। তাৰ শৰীৰটো যেন আজি অৱশ হৈ পৰিছে। চকুৰ পতা যেন গধুৰ হৈ উঠিছে। নাক-কাণবোৰ যেন নিস্ক্ৰীয় হৈ পৰিছে। চেণ্ডেল যোৰ ভৰিত আছে নে নাই সি ধৰিব নোৱাৰা হৈ আহিছে। ভৰি দুখনৰ ওজন যেন আগতকৈ, পাচ কেঃজিঃ মানকৈ বাঢ়িছে। নাই সি এইখিনি কষ্ট সহ্য কৰিব পাৰিব তাৰ মৃত বন্ধুহঁতে যি কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে সেই কাম সি পূৰ্ণ কৰিব। ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। পূবে চখকাট দিছে। তথাপি কুৱলীৰ বাবে ভালকৈ মনিব নোৱাৰি। সন্মুখত কলগছ বাহেৰে সৈতে সেইখন গাওঁ যেন অনুমান হৈছে। সি নগৰৰ পৰা কিমান দূৰ আহিল বাৰু? সি এই গাৱখনতে ৰব। তাতে সি তাৰ কামৰ প্ৰাথমিক স্তৰ আৰম্ভ কৰিব। তাৰ পিচত দূৰৰ গাৱবোৰৰ পিনে প্ৰসাৰিত কৰিব। ৰাতিৰ অন্ধকাৰ পুৱাৰ আগমণত আতৰি গৈছে। অন্ধকাৰৰ অন্তত পোহৰ যেনেকৈ আৱশ্যম্ভাবি তেনেকৈ মানুহৰ অজ্ঞান অন্ধকাৰো যেন ক্ষণস্থায়ী। তাক দূৰ কৰিব লাগিব আৰু তাৰ ঠাইত সত্য নিষ্ঠাৰ পোহৰ বিলাব লাগিব। লাগিব ন্যায়ৰ সৌধ গঢ়িব। মানুহৰ মাজত সাম্যবাদ আৰু ভাতৃত্ব ভাব জগাই তুলিব লাগিব। সি গাৱখনৰ পিনে ক্ৰমে আগুৱাই গৈছে। জাৰত কপি কপি শুই থকা ভাতহীন কাপোৰ হীন গাৱৰ মানুহবোৰে দুই এটিকৈ উঠাৰ যোজা কৰিছে। এইখিনি সময় জুই ধৰি নবহিলে ঠাণ্ডাৰ কোৱত থাকিব নোৱাৰে। কাৰণ সিহঁতৰ লঘোণীয়া পেটবোৰত বান্ধ দিবলৈ পানী-গামোচা কেইখনত বাদে জাৰত উৰিবলৈ কাপোৰ নাই! কিন্তু জুইয়েবা জলাব কিহেৰে। খৰি নাই, বস্তিৰ গছ-গছনি কেইডাল ভাতৰ হাহাকাৰত বেচা হৈ গৈছে। গৰুৰ গোবৰত বাদে জলাবলৈ আছেইবা কি? সি ক্ৰমে আগুৱাই গৈছে। এতিয়া আৰু তাৰ খোজ তীব্ৰ হৈ থকা নাই ক্ৰমে খোজবোৰ মন্থৰ হৈ গৈছে।

☆

# : প্ৰাৰ্থী :

মূল—সুকান্ত ভট্টচাৰ্য্য
অনুবাদ—হাৰুণাৰ ৰচিদ (ৰুণা)
১ম বাৰ্ষিক স্নাতক

হে সূৰ্য্য! শীতৰ সূৰ্য্য!
নহম শীতল সুদীৰ্ঘ ৰাতি তোমাৰ প্ৰতীক্ষাতে
আমি থাকো—
যেনেকৈ প্ৰতীক্ষাত কৃষকৰ চঞ্চল চকু
ধান কটাৰ ৰোমাঞ্চকৰ দিনবোৰৰ বাবে।
হে সূৰ্য্য, তুমিতো জানা
আমাৰ গৰম কাপোৰৰ কি অভাব!
ওৰে ৰাতি খেৰ-কুটা জলাই,
এক টুকুৰা কাপোৰেৰে কাণ ঢাকি,
কত কষ্টে আমি শীতক ভেটো।
পুৱাৰ এক বিন্দু ৰ'দ
যেন এক বিন্দু সোণতকৈও দামী।
ইফালে-সিফালে আমি ঘৰ এৰি যাওঁ
এক বিন্দু ৰ'দৰ তৃষ্ণাত।
হে সূৰ্য্য!
তুমি আমাৰ লেট-লেটীয়া ভিজা ঘৰত
উত্তাপ আৰু পোহৰ দিবা,
আৰু উত্তাপ দিবা
ৰাস্তাৰ কাষৰ সেই উলঙ্গ শিশুটোক।
হে সূৰ্য্য!
তুমি আমাক উত্তাপ দিবা
শুনিছো তুমি এক জলন্ত অগ্নিপিণ্ড,
তোমাৰ পৰা উত্তাপ পাই পাই
হয়তো এদিন আমি প্ৰত্যেকে একো একোটা জলন্ত
অগ্নিপিণ্ডত
পৰিণত হম,
তাৰ পিছত সেই উত্তাপে যেতিয়া পুৰিব আমাৰ জড়তা
হয়তো তেতিয়া গৰম কাপোৰেৰে ওপচাই দিব পাৰিম
ৰাস্তাৰ দাতিৰ সেই শিশুটোক।
আজি কিন্তু আমি তোমাৰ অকৃপণ উত্তাপৰ প্ৰাৰ্থী। ঃঃ

# ॥ দৃষ্টি ॥

মূল—আনিসুজ্জামান
অনুবাদ—অনিমা ঠাকুৰীয়া
২য় বাৰ্ষিক, বি-এ

পঁচিশ বছৰ কেৰাণিগিৰি কৰাৰ পিচত চকুৰ আৰু কি শক্তি থাকিব পাৰে। তদুপৰি বহুদিনৰ পৰাই চকুৰ অসুখ। সাধাৰণতে চশ্‌মাযোৰ টেবুলৰ ওপৰতে ৰখা হয়। ধুমুহাৰ নিশা, ওচৰতে থকা খিৰিকিখন খুব জোৰেৰে খোল খাই টেবুলৰ ওপৰত খুন্দা মাৰি দিলে। টেবুলৰ ওপৰত থকা শকত ফ্ৰেমৰ চশ্‌মাযোৰ মাটিত পৰি গ'ল। তক্তা-পোচখনৰ তলত দুটামান ইটা দি ওখ কৰি লৈছে। চশ্‌মাযোৰ সুতাৰে বান্ধি কাম চলাব পৰা গ'লহেতেন। কিন্তু চালেহা দৌৰা-দৌৰিকৈ ভিতৰ সোমায়েই তাৰ ওপৰত ভৰি দি দিলে।

আৰু এযোৰ যে ল'ব সেই আশা সাদত বাবুৰ আছে। কিন্তু কেতিয়া লোৱা হ'ব সেই প্ৰশ্নহে অবান্তৰ। কাৰণ পেন্‌সনৰ টকা তেওঁ কেতিয়াও সময় মতে নাপায়। আচাদে যিখিনি দৰমহা পায় তাৰ দ্বাৰা সংসাৰখন কোনো মতেহে চলে। চালেহাৰো বিয়াৰ বয়স হৈছে। কিন্তু এনে অৱস্থাত সেয়া সম্ভৱপৰ নহয়। আচাদৰ অৱশ্যে বিয়া হৈছে। আল্লাই দিলে এইবাৰ এটি সন্তানো হব লাগে। চশ্‌মাযোৰ ভঙাৰ পৰা সাদত বাবুৰ বৰ অসুবিধা হৈছে। চকু নথকা মানুহৰ যেন একোৱেই নাই। ঘৰৰ পৰাতো বাহিৰলৈ ওলাব নোৱাৰেই, তদুপৰি ঘৰৰ ভিতৰৰ বস্তুবোৰো যদি অস্পষ্ট হয় তেনেহলে মানুহে কেনেকৈ জীয়াই থাকিব। বোবাই কথা কব নোৱাৰিলেওতো দেখিবলৈ পাই—আকৌ দেখা পালে কি হব যদি কথাই কব নোৱাৰে ইত্যাদি নানা অসংলগ্ন চিন্তাই তেওঁক জুমুৰি দি ধৰিলে। ভাববোৰ একালে ঠেলি পঠিয়াই সাদত বাবুৱে চিঞৰিলে, "চালেহা, তামোল এখন দে-অ, মা।"

তামোল দিবলৈ হাসিনাহে আহিল—আচাদৰ পত্নী। "এয়া তামোল" মাতটো শুনিয়ে সাদতে বুজিব পাৰিলে। "চালেহা কলৈ গ'ল"—তেওঁ সুধিলে।

"ভিতৰত আছে।"

"তাইৰ হাতত তামোলখন দি পঠিয়াব পাৰিলাহেতেন তুমি এই সময়তে বৰকৈ লৰা-চৰা নকৰিবা মা।"

মৰমৰ এনে অভিযোগ শুনি হাসিনাই হাহিলে। তাইৰ শহুৰেকটো যে কিমান ভাল। বৃদ্ধ শহুৰেকৰ মুখৰ পৰা কি আশাৰ বাবে তেনেবোৰ কথা ওলাইছে তাই বুজে। হাসিনা আন এটা প্ৰসঙ্গলৈ আহিল—"চশ্‌মাযোৰ কিনিলে ভাল হয় দেখোন, ঘৰত অলপ পইচা আছে, আৰু অলপ ধাৰ কৰিলে—পিচৰ মাহত ধাৰ মাৰিব পৰা যাব! "সাদত বাবুৱে অলপ হাঁহি উত্তৰ দিলে—"এই সময়ত ঘৰত অলপ টকা পইচা ৰখা প্ৰয়োজন, পুৰণি মানুহৰটো বহু সেৱাই কৰিলা মা, এইবাৰ নতুন মানুহৰ যত্ন লোৱা হওক।" হাসিনা তাৰ পৰা আতৰি আহিল।

চালেহা দৌৰা দৌৰি কৈ ভিতৰ সোমাই আহিল।

"আব্বা কি হৈছে যানা।"

কি মা?"

"মেডিকেল কলেজত ৰাষ্ট্ৰভাষাৰ দাবিৰ বাবে ছাত্ৰ-সকলে বিক্ষোভ প্ৰদৰ্শন কৰিছিল, পুলিচে গুলি-চালনা কৰিছে।" "গুলি?" সাদত বাবুৰ কণ্ঠত অবিশ্বাসৰ সুৰ। "হয়! কন্দুৱাগেচ, লাঠি চালনা আৰু গ্ৰেপ্তাৰো কৰিছে। গুলিচালনাৰ ফলত ছয় জনৰ মৃত্যু হৈছে!

'ছয়জন!

"এৰা॥ আকৌ বহুতো আহত হৈছে।

"তাক কোনে কলে।"

"ভাইটীয়ে, সিও সেই সময়ত তাত আছিল। গুলি চালনা কৰা বাবে তাৰ পৰা গুচি আহিছে।

"কি আচৰিত! সাদত বাবুৰ যেন এতিয়াহে চেতনা ঘুৰি আহিল। বৃটিছ চৰকাৰৰ ইয়াতকৈ আৰু কি বেয়া আছিল। এই বাবত কম গুলি চালনা নহ'লনে?

"আমি বোবা হৈয়ে থাকিম নে? চালেহাৰ কণ্ঠত অগ্নিস্ফুলিঙ্গ। তাই ঘৰৰ পৰা বাহিৰ হ'ল।

কন্ধ ঘৰৰ ভিতৰত সাদত বাবুৱে ভাবিবলৈ ধৰিলে—মানুহ থকা অনুপযুক্ত হৈছে এই পৃথিবীখন আৰু নানা কথা।

কথাবোৰ সকিয়াই থাকোতে আচাদ আহি পালে। তেওঁ আৰু উৎসুক হৈ উঠিল, "সচাকৈয়ে ছয়জনৰ মৃত্যু হৈছে নে?"

"এৰা আচাদে অৱসন্নভাবে উত্তৰ দিলে। বৃদ্ধ আকৌ চিন্তা সাগৰত বুৰ গ'ল।

টোপনিৰ পৰা উঠিয়েই সাদত বাবু আচাদৰ ওচৰলৈ চাপলি মেলিলে। সাদতৰ প্ৰশ্নৰ উত্তৰত হাসিনাই কলে, "অফিচলৈ গৈছে।"

"এই পুৱাই"।

"ৰাতিপুৱাই আছে নে? আজি শুক্ৰবাৰ; ৰাতি পুৱাই অফিচ।

সচাঁই ৰাতিপুৱাই আৰু ক'ত! সাৰ পাওঁতেই পলম হৈ গৈছে। নিশা ৰাইফলধাৰী সৈন্যবোৰৰ ঘন ঘন পদশব্দ বহু সময়লৈ তেওঁ শুনি আছিল।

সাদত বাবুলৈ চালেহাই চাহলৈ আহি কলে ককাইদেউহঁতৰ অফিচত আজি ধৰ্ম্মঘট হব পাৰে। সি অৱশ্যে সিমানদূৰ সম্ভৱ হ'ব পাৰে বুলিয়ে কৈ গৈছে।

আব্বা, যদি ককাইদেউৰ চাকৰি যায়!" গভীৰ আশাৰে কথা কলেওঁ তাইৰ মন হতাশাচ্ছন্ন হৈ আছিল।

সাদত বাবুৱে অন্যমনস্কভাবে কলে, ওহো চাকৰি নাযায়" তথাপিও কথাটোৱে তেওঁক চিন্তা-যুক্ত কৰি তুলিলে। মানুহৰ ভাৱনাৰতো আৰু শেষ নাই।

বাট পথ সকলো নিস্তব্ধ। মটৰ গাড়ীৰ শব্দও শুনা নাই। আজি সকলো বন্ধ। চাৰিজনতকৈ বেছি মানুহো একেলগে যোৱা নাই। সকলোবোৰ মৃত্যুৰ দৰে নিস্তব্ধ। কিন্তু মৃত্যুৰ দৰে শান্ত নহয়, এটা চেপা উত্তেজনাত যেন চহ

ৰখন কঁপি আছে।

মৃত্যুৰ কথা মনলৈ অহাৰ লগে লগে তেওঁৰ নিজৰ মৃত্যুৰ কথাও মনত পৰিল। তেওঁৰো মৃত্যু হব, তাৰ পাচত। হয়তো আচাদো যাব, তেতিয়া বাৰু কি থাকিব? আচাদৰ ল'ৰা-ছোৱালী? তেওঁ নিজে নিজে উত্তৰ বিচাৰি পালে। কিছু নিশ্চিতও হ'ল। অনাগত উত্তৰাধিকাৰীৰ ওপৰত কিছু ভৰসাও পালে! সিংতৰ সজীৱ তেজৰ উষ্ণতাত বৃদ্ধৰ হিমশীতল বুকুখনতো গৰম গৰম ভাৱ হ'ল।

দুৱাৰত টুকুৰিওৱাৰ শব্দ তেওঁ শুনিবলৈ পালে চালেহাক মাতিবলৈ তেওঁ চেষ্টা কৰিলে।

এনেতে দুৱাৰ এখন খোলাৰ শব্দ তেওঁৰ কানত পৰিল। "কি খবৰ হালিম ককাই?" চালেহাৰ কণ্ঠস্বৰ শুনিবলৈ পালে।

তেওঁ কিন্তু উত্তৰটো শুনিবলৈ নাপালে। হালিমে আচাদৰ লগতে চাকৰি কৰে, ওচৰতে থাকে। কথাটো কি বাৰু?

চুবুৰিয়া এঘৰত তেওঁ কেইটা মান পদশব্দ শুনিবলৈ পালে। হাসিনা আৰু চালেহাৰ চিঞৰি চিঞৰি কন্দাৰ শব্দ বোৰ তেওঁৰ কাণত পৰিল। "কি হ'ল হাসিনা— চালেহা!" তেওঁ তক্তাপোচ খনৰ পৰা নামি পৰিল। চশমাতো নায়েই সেয়ে আগুৱাই যাব নোৱাৰিলে। চালেহা সোমাই আহিল। কান্দি কান্দিয়ে ভাই কবলৈ ধৰিলে" ককাইদেউৰ গাত গুলি লাগিছে, তাৰ মৃত্যু.......।

"অফিচত হৰতাল হৈছিল, শোভাযাত্ৰাৰ ওপৰত পুলিচে গুলিচালনা কৰিলে, আৰু লগে লগে আচাদৰ মৃত্যু হ'ল, অৱশ্যে ডাক্তৰখানালৈ লৈ গৈছিলো, মৃতদেহ তাৰ :পৰাই লৈ আহিছো হালিমে কলে।

চালেহাই সাদত বাবুক ধৰি ধৰি ভিতৰলৈ লৈ আহিল। তাই উচুপি কান্দিবলৈ ধৰিলে। হাসিনা মৃতদেহৰ ওপৰত আছাৰ থাই পৰি কান্দি আছে।

তাইৰ পেটৰ সন্তান টোৱেও যেন কিবা বুজি পাই লৰচৰ কৰি উঠিল।

সাদত বাবুৱে কান্দি কান্দি মৃত দেহৰ ওপৰত হাত বুলাই থাকিল। তেওঁ মৃত দেহটো চাবলৈ প্ৰাণপনে চেষ্টা কৰিবলৈ ধৰিলে। "মই যে একোৱেই দেখা নাই।" তেওৰ দৃষ্টি শক্তি হেৰাই গৈছে। চাৰিও ফালে এক গভীৰ অস্পষ্টতাই বিৰাজ কৰিছে। তেওঁ ভাবিবলৈ ধৰিলে এই অস্পষ্টতা যে আৰু কোনো দিনে দূৰ নহব। তেওঁ আৰু কোনো দিনে দেখিবলৈ নাপায়। তেওঁ কি তেন্তে হাসিনাৰ সন্তানটোও দেখা নাপাব?

হাসিনাৰ গৰ্ভস্থ সন্তানৰ প্ৰতিচ্ছবি তেওঁ মনতে আকিবলৈ ধৰিলে। প্ৰাণপনে চাবলৈ বিচাৰিলে। লাহে লাহে কান্দোনৰ শব্দ কমি আহিবলৈ ধৰিলে।

★

বিঃদ্ৰঃ গল্পটো ষষ্ঠবৰ্ষ দশম সংখ্যা "নন্দন" আলোচনীত প্ৰকাশিত।



# ॥ মহাকাল ॥

চফিদা বেগম
২য় বাৰ্ষিক স্নাতক

যুগৰ ঘড়ীৰ কাটাৰ সংকেট মানি
ঘোষিত হ'ল মহাকাল
মৰম-চুমাৰ পৰশ বিলোৱাৰ ছলনাৰে
সেয়া—
স্বাৰ্থান্বেষী ৰক্ত পিপাসুৰ ইপ্সিত জিহ্বা।
পূৰ্ণিমাৰ পিছত চন্দ্ৰমা পল অনুপলকৈ
অমানিশালৈ হে ধাবমান হয়—
তুমিও জানো অমানিশালৈয়ে মন মেলিছা?
তোমাৰ হৰিণী নয়ন যুগলত
প্ৰতিভাত হৈছে আজি—
চাৰ্কাচৰ বাঘিনীৰ তীব্ৰ চাৱনি
আৰু
পৰম তৃপ্তিৰ অহংকাৰ।
কিন্তু—ভাবি দুখলাগে চকিনা;
জিভাৰ ৰসেৰে জানো তুমি
ইতিহাসে দোহাৰি থকা
কাৰবালাৰ মৰু প্ৰান্তৰ
চিৰ ৰসাল কৰিব পাৰিবা?
সময়ে এদিন পুনৰ
পূৰ্ব্বস্মৃতি ঘূৰাই পাই মূৰ দাঙি চাব—
আৰু
দিয়াশলাইৰ কাঠী জলিয়েই নুমুৱাৰ দৰে
মহাকালেও অচিৰেই মেলানি মাগিব—
সত্য সুন্দৰৰ বাস্তৱ প্ৰকাশ থলীত সেয়ে
সৰ্ব্বসাধাৰণৰ মনত একেই ভাৱৰ থু-দুৱনি
স্বপ্নৰ স্বৰ্গৰাজ্য আৰু কিমান দূৰত? ●

# বিজ্ঞান : জনসংখ্যা

## আৰু পৃথিৱী

গোকুল কলিতা
বি-এ প্ৰথম বৰ্ষ

সমগ্ৰ গুৱাহাটী চহৰখনক এটা প্ৰকাণ্ড ঘৰৰ ভিতৰত ভৰাই থব পৰা যায়নে ? গুৱাহাটী মহানগৰীৰ জনসংখ্যা ছয় কি সাত লাখমান হব পাৰে হয়তো। তিনি বছৰ আগতে ইয়াৰ জনসংখ্যা আছিল এতিয়াৰ আধাতকৈও কম। অস্থায়ী ৰাজধানী স্থাপনৰ পিচত দ্ৰুততৰ গতিত এই মহানগৰীৰ পৰিসৰ বৃদ্ধি পাব লাগিছে। ওপৰোক্ত প্ৰস্তাৱটো নিঃসন্দেহে এটা মাৰাত্মক প্ৰস্তাৱ, যিহেতু লক্ষাধিক মানুহৰ বাসৰ বাবে যি ক্ষেত্ৰত হাজাৰ হাজাৰ গৃহৰ প্ৰয়োজন, সেই ক্ষেত্ৰত মাত্ৰ এটা গৃহত এই অতুল সমাবেশ। তাতেই মানুহৰ বাবে মুক্ত বায়ু, অফিচ কাছাৰী, খাদ্যখানা, ফুৰ্ত্তি-ফাৰ্তাৰ বাবে খেল পথাৰ, ষ্টেডিয়াম ছবিঘৰ, পানী যোগান শক্তি যোগান, বাছ মটৰ ৰেলৰ তীব্ৰ প্ৰয়োজনবোৰ মাত্ৰ এটা ঘৰত ঠেলি-হেচি ভৰাই মানুহক উশাহ বন্ধ কৰি হত্যা কৰাৰ অদ্ভূত পৰিকল্পনাত বাহিৰে আন একো নহয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত কিছু জাগাত বৃটিছ বৰ্বৰতে নিৰীহ বিপ্লৱী সকলৰ বৃহৎ সংখ্যকক এটা ৰেল ডবাত ভৰাই দিছিল ঠেলি হেচি। ফলত বন্ধ ডবাত বতাহ গৰম হৈ মানুহবোৰ মৰিছিল নিৰ্ম্মম ভাবে। নাৎসি আন্দোলনত হিটলাৰেও অগনণ ইহুদী প্ৰজাক গেছ চেম্বাৰত সুমুৱাই মাৰিছিল। তবে যিয়েই নহওক, ওপৰোক্ত পৰিকল্পনা ইয়াৰ এটাও হব নোৱাৰে, সত্য অৰ্থত মানুহৰ অগনণ জনসংখ্যা বৃদ্ধিৰ দ্ৰুততালৈ লক্ষ্য ৰাখি এইটো কৰাৰ পৰিকল্পনা কৰিব পৰা যায়। কাৰণ দিনে দিনে গুৱাহাটী ইমানেই লোকাৰণ্য হৈ পৰিছে যে পাহাৰ, পৰ্বত, বন্দৰৰ মাজত কেইবছৰমান পিচত ইয়াত বাস কৰাই নিৰলতা প্ৰিয় লোকৰ বাবে অসম্ভৱ ব্যাপাৰ হৈ পৰিব। তথাপি এইটো কৰিলে বেচ কিছু জাগা ওলাব। ইয়াৰ বাবে লাগিব তুমুল অৰ্থ আৰু উন্নত বৈজ্ঞানিক আয়োজন। গতিকে একো নাভূত পৰিকল্পনা গুৱাহাটীত বুলি নহয়, ভাৰততেই অসম্ভৱ কাণ্ড। কিন্তু পৃথিৱীত এনে এটা কাণ্ড লাহে লাহে সম্ভৱ হবলৈ ওলাইছে সম্প্ৰতি।

দুবছৰ মান আগতে খবৰ কাকতত এনে এটা চকু ডাঙৰ কৰা খবৰ ওলাইছিল। ছোভিয়েত চৰকাৰে এনে এটা পৰিকল্পনা হাতত লৈছিল যে মস্কোত এটা কেবা মহলাৰ ঘৰ বনোৱা হব। এই ঘৰটো তলৰ পৰা ওপৰলৈ আয়তন ক্ৰমাৎ ডাঙৰ হব, থিক কুটুব মিনাৰৰ ওলোটা আকৃতিৰ। ইয়াত এই ঘৰৰ ভিতৰত মুঠতে চাৰি লাখ লোকে বাস কৰিব পাৰিব। ইয়াত খেতি বাতিৰ সু-ব্যৱস্থাত বাহিৰে বাকী সকলো কাৰবাৰ থাকিব। থাকিব কেবাখনো সুদৃশ্য, সুবৃহৎ ষ্টেডিয়াম, বিলাসী হোটেল, বাছ মটৰ, ৰেলৰ সুব্যবস্থা, চাৰি পাচটা হেলিপেদ বা সৰু উৰাজাহাজ নামিবৰ ব্যবস্থা থকা এৰোড্ৰম, চিনেমা থিয়েটাৰৰ শালা, কলেজ স্কুলৰ ওপৰিও বিশ্ববিদ্যালয় ইত্যাদি ইত্যাদি। মুঠৰ ওপৰত বৃহৎ মহানগৰী এখনক এটা বৃহদাকাৰ ঘৰত ভৰাই থোৱা হব যুগ যুগান্তৰৰ বাবে।

এই অৰ্থবহুল, কাৰিকৰী বিজ্ঞানৰ লীলা-খেলা ময় কামটোৰ পৰিকল্পনাৰ ৰূপায়ন হ'লনে নাই তাৰ কোনো খবৰ পোৱা নগ'ল। তথাপি যি নহওক জনসংখ্যাৰ বিপুল বোজাৰ পৰা পৃথিৱীক কিছু সকাহ দিয়াৰ এইটো এটা সুন্দৰ প্ৰচেষ্টা বা সাহসী উদ্যম বুলিব পাৰি।

পৃথিৱীৰ বৰ্ত্তমান জনসংখ্যা ৬০০ কোটিত কৈও অধিক, আৰু বৰ্ত্তমান অবস্থাত কেতবোৰ দেশৰ উন্নয়ণৰ ক্ষেত্ৰত জনসংখ্যাই হৈ পৰিছে তাৰ বাধাস্বৰূপ। মাওচে টুঙৰ দেশ চীনটো জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে তীব্ৰ প্ৰচেষ্টা চলোৱা বুলি মৈত্ৰেয়ী দেবীৰ ভ্ৰমন কাহিনী "অচিনাকী চীন" পঢ়ি গম পোৱা যায়। অৰ্থনীতিবিদ, আৰু বিজ্ঞানী সকলে ধাৰণা কৰিছে যে এইটো গতিত জনসংখ্যা বাঢ়ি থাকিলে ২০০০ চনত পৃথিৱীৰ মুঠ জনসংখ্যা হব ৭৫০ কোটি আৰু তেতিয়া মানুহৰ ভৰি দিবলৈ জাগা নহব। জনসংখ্যাৰ এই বিপুল বিস্ফোৰণক যদি বাধা দিব পৰা নাযায় তেনেহলে মানুহবোৰে খাব কি, থাকিব ক'ত ? ইমান মানুহ থকাৰ জাগা হলেই বাৰু, কাম কৰাৰ জাগা হবনে ? মানুহবোৰ কতো বচ'ই ৰাখিব লাগিব, বাঁচি থকা অধিকাৰততো সাব্যস্ত কৰাৰ সুবিধা দিব লাগিব।

সমস্ত কথা চিন্তা কৰি কেজন মান প্ৰখৰ বুদ্ধিৰ বহল দৃষ্টি সম্পন্ন বিজ্ঞানীয়ে কেইটামান বুধি উলিয়াইছে। তেওঁলোকে ভাবিছে যে খেতি-কৰাৰ জাগা হলে মানুহ বোৰৰ খাদ্য খানাৰ সুবন্দবস্ত কৰিব পৰা যাব। কাৰণ অলপ জাগাতো বৈজ্ঞানিক উপায়ে অধিক ফচল লাভ কৰি খেতি কৰিব পৰা যাব। অথবা ইয়াতো এনে এবিধ নতুন গ্যাচৰ আবিস্কাৰ কৰিব পৰা যাব, যাক ভক্ষন কৰি সাধাৰণ খাদ্য প্ৰানতকৈ হাজাৰ হাজাৰ গুণ উন্নত খাদ্য প্ৰাণ সঞ্চয় কৰিব পৰা যাব। তেতিয়া মাত্ৰ সমস্যা হব মানুহৰ থকাটো শোৱা আৰু বিচৰণ কৰাৰ বাবে উপযুক্ত ঠাই বাহিৰ কৰাটো।

এনে কাৰ্য্যৰ বাবে জাৰ্মানিৰ সুস্থ বুধিৰ বিজ্ঞানী এজনে দিয়া এটা উপায় হ'ল—পৃথিৱীৰ ওপৰত মানুহৰ বসবাসৰ বাবে আন এখন ভূজগত সৃষ্টি। তেওঁ ভাবে যে পৃথিৱীৰ ওপৰি ভাগত সৰ্বত্ৰ ওপঙা গৃহৰ বন্দবস্ত কৰিব পাৰিলে পৃথিৱীৰ মুঠ জনসংখ্যাৰ দুগুণ লোকক থকাৰ বন্দবস্ত কৰি দিব পৰা যাব। এজন আমেৰিকান বিজ্ঞানীয়ে দিয়া অভিনৱ নাভূত নাশ্ৰুত উপায় হ'ল বেলুন। তেওঁ প্লাষ্টিক বা পাট সূতাৰে বৃহৎ আকাৰৰ বেলুন সৃষ্টি কৰাৰ কথা কয়, য'ত গেচ সুমুৱাই আকাশ মাৰ্গত উৰুৱাই দিব পৰা যাব আৰু য'ত ঘৰ দুৱাৰ বান্ধি হাজাৰ-বিজাৰ লোকে সুখৰ সংসাৰ ৰচিব পাৰিব। তেওঁৰ মতে ইয়াত প্ৰয়োজন হলে গেচ সুমুৱাই দিব আৰু উলিয়াই আনিব পৰা যাব। গেচ গৰম হলে মানুহৰ সৰু সৰু চহৰ কঢ়িওৱা এই প্ৰকাণ্ড বেলুনবোৰ আকাশৰ ওপৰলৈ উৰিব আৰু গেচ ঠাণ্ডা হলে ই মাটিত নামিব।

তবে, এইবোৰ কল্পনা বাস্তৱত ৰূপ দিয়া সম্ভৱ হলেও মানুহে এনে এটা সিদ্ধান্তৰ অন্বেষণত আছে, যিটো সম্ভৱ হলে নতুন খবৰা খবৰৰ প্ৰয়োজন নহব। পৃথিবীৰ পৰা কিছু সংখ্যক মানুহ আকাশ মাৰ্গৰে, মহাজগতৰ কৰবালৈ প্ৰেৰণ কৰি পৃথিবীৰ ভাৰ লঘু কৰিব পৰা যায় নেকি তাৰেই চেষ্টা চলিছে।

সাতৰ দশকত যেতিয়া চন্দ্ৰত মানুহ নামিল তেতিয়া মানুহৰ মনত এটা ধাৰণা সোমাইছিল যে মানুহে অন্ততঃ মহাজগতত বিচৰণ কৰোতে চন্দ্ৰত এটা ষ্টেচন কৰি জ্ঞাতি কুটুম্বৰ ঘৰত এসাজ চান্দ্ৰ ভাত খাই যাব পাৰিব, লৰা ছোৱালীৰ বিয়া বাৰুৰ মাধ্যমেৰে চন্দ্ৰৰ পৰিয়ালৰ লগত সম্বন্ধ স্থাপন কৰিব পাৰিব, মাজে মাজে তীব্ৰ বেগী ঘণ্টাত ২৫০০০ মাইল গতিত ৰকেটত উঠিব পাৰিব। কিন্তু নীল আৰ্মষ্ট্ৰং আৰু এডুইন এলড্ৰিন নামৰ বিজ্ঞানী দুজনমানৰ পিচতো আন দুজনমানে তাত কেই ঘণ্টা মান বিচৰণ কৰি, উজুটি খাই আহি আমাক কলে যে চন্দ্ৰত মানুহ বসবাস কৰিব পৰা নাযায়। কাৰণ ত'ত সৰ্বত্ৰ, সৰ্বসময়তে আগ্নেয়গিৰীৰ তীব্ৰ উৎপীৰণ হয়, তাত অক্সিজেনৰ পৰিমাণ অতিশাত কম আৰু নাইট্ৰ'জেনহে অলপ বেছি, তাৰ মাধ্যাকৰ্ষণ শক্তি পৃথিবীতকৈ বহুগুণে কম। অৰ্থাৎ ইয়াত এফুট জপিওৱা মানুহ এটাই তাত ১২ বা ১৮ ফুট জপিয়াব পাৰিব। চন্দ্ৰ অভিজান আমেৰিকাই বাদ দিয়াৰ এটা আয়োজন কৰিলেও বাকীবোৰ দেশে বাদ দিয়া নাই। ইয়াৰ পিচত মানুহৰ বাবে মঙ্গল শুক্ৰ একোৰে গবেষণা বাকী নাথাকিল সকলোতে মানুহৰ বাবে উপযুক্ত পৰিবেশৰ তীব্ৰ অভাৱ বিজ্ঞানী সকলে দেখা পালে।

কিন্তু এতিয়াও আশাৰ শেষ নাই। মানুহে এতিয়াও মনত এটা তীব্ৰ আশা পুহি ৰাখিছে যে মহাজগতত সূৰ্য্য সদৃশ কোনো নক্ষত্ৰৰ পৰা অনুৰূপ দূৰত্বত অবস্থিত অইন হাজাৰ হাজাৰ পৃথিবী থাকিব পাৰে আৰু এই গ্ৰহবোৰত মানুহ কিম্বা মানুহতকৈ বহুত গুণে আগবঢ়া উন্নত, সভ্য জীৱ থাকিব পাৰে, যিবোৰ জীৱই নেকি ইতিমধ্যে পৃথিবীৰ মানুহৰ কথা গম পাই গৈছে, আৰু আমি এতিয়া আমাতকৈ নিম্ন শ্ৰেণীৰ জীৱ, পৰুৱাৰ কাণ্ড কাৰখানা দেখি যিদৰে হাহি ধেমালি কৰো, তেওঁলোকেও তেনে কৰে হয়তো। আমাতকৈও যে উন্নত জীৱ মহাজগতত কৰবাত আছে, তাৰ ধাৰণা কৰি থোৱা হৈছে একধৰণৰ আশ্চৰ্য্যজনক তথ্যৰ পৰা! এই শতিকাৰ চাৰিৰ দশকমানৰ পৰা মানুহে পৃথিবীৰ ওপৰি ভাগত কাহীৰ নিচিনা উৰন্ত সোণালী যান কেতবোৰ দেখি আহিছে আৰু কিছুমান লোকে এই যানবোৰৰ পৰা মানুহৰ দৰে কিবা জীৱ নামি আহি পৃথিবীত পৰীক্ষা নিৰীক্ষা পৰ্য্যন্ত চলোৱা গম পাইছে! আজিকোপতি এই আশ্চৰ্য্যজনক কাণ্ডৰ ওৰহীৰ ওৰ পোৱা নাই যদিও মোটামোটি ধাৰণা এটা কৰি লোৱা হৈছে যে পৃথিবীৰ বাহিৰেও মহাজাগতিক জীৱ কেতবোৰ আছে, যিবোৰ মানুহতকৈ বেছি—বহুগুণে সভ্য বা উন্নত আৰু এই উৰন্ত কাহীবোৰৰ মাধ্যমেৰে তেওঁলোকে সৰু সৰু মহাকাশ অভিযান চলাই পৃথিবী আৰু মানুহৰ ওপৰত নানান পৰীক্ষা চলাব লাগিছে। সম্প্ৰতি ইয়াৰ সন্ধানত সুদূৰ হাতীপটি এলেকালৈ আমেৰিকাই এখন যানৰ সহায়ত খবৰ পঠাইছে, অৱশ্যে আশা কৰা মতেও এই খবৰ গৈ পালে বহুত পলম হৈ যাব। কাৰণ চেকেণ্ডত ১,৮৬,০০০ মাইল বেগত গলেও যানখন নিৰ্দ্দিষ্ট লক্ষ্য পাবগৈ ১৪০০০ বছৰ পিছত আৰু তেতিয়ালৈ পথিবীত মানুহৰ সংখ্যা বাঢ়ি হাজাৰ লাখ গুণ হবগৈ। তথাপি অনতি বিলম্বে মানুহৰ বাবে



বাসোপযোগী এটা গ্ৰহ আবিষ্কাৰ কৰিব পাৰিলে অন্ততঃ আমাৰ জ্ঞাতি কুতুম্বৰ আধামানক তালৈ সতি-সন্ততি সহিত প্ৰেৰণ কৰিব পৰা যায়। দেখা যাওক, কি হয়, বিজ্ঞানে কি কৰিব পাৰে।

অন্যথা জনসংখ্যাই এনে এটা মাৰাত্মক ৰূপত ফুলিছে যে আমেৰিকাৰ বহু মহলাৰ গগণ চুম্বী স্কাইস্ক্ৰেপাৰবোৰ দেখিলেহে ইয়াক উপলব্ধি কৰিব পাৰি। চীনত মানুহৰ বসবাসৰ বাবে চহৰ আৰু ইয়াৰ উপকণ্ঠীয় এলেকাত পানী, আন দোং নদীৰ ওপৰতো মানুহে দলংঘৰ সাজি বসবাস কৰিছে। ভেনিচ নামৰ যিখন চহৰৰ কথা চেক্সপিয়েৰে 'মাৰ্চেণ্ট অব ভেনিচ'ত কৈছে, তাতো বোলে সমগ্ৰ চহৰখনক পানীৰ ওপৰত ওপঙাই ৰখা হৈছে। এলিজাবেথ নামৰ এসময়ৰ প্ৰকাণ্ড জাহাজখনোতো তেনেকুৱাই আছিল। য'ত আছিল হাজাৰ হাজাৰ লোক, আৰু তেওঁলোকৰ বাবে আটাইবোৰ অত্যাধুনিক সুবিধা।

যিয়েই নহওক, পৃথিবীৰ জ্ঞান বিজ্ঞানৰ চৰ্চাই সম্প্ৰতি এনে এটা তীব্ৰ অগ্ৰগতি লাভ কৰিছে যে সোনকালে জনসংখ্যা ৰোধ কৰণৰ বিষয়ৰ উপযুক্ত সমিধান ওলাব আৰু অন্যথা দৰকাৰত কৰবালৈ মানুহ চাপ্লাইৰ ব্যৱস্থাও ওলাব বুলি আশা কৰা যায়।

★

---

ইংৰাজী কাকতৰ পৰা কিছু সহায় লোৱা হৈছে :

লেখক—

# চাৰ্লি চ্যাপলিন

তফছিৰ আহমেদ
স্নাতক ২য় বাৰ্ষিক

এটা যুগৰ অৱসান হ'ল। পৃথিৱীৰ ৰসৰৱ শূন্য হ'ল। শূন্য হ'ল এক আদৰ্শনিষ্ঠ মহান শিল্পীৰ যাৰ বাবে পৃথিৱীৰ সকলো সুন্দৰতা আছিল অতীৱ সুন্দৰ। হাঁহিৰ আঁৰত চকুপানী।

মানুহজন আছিল চাৰ্লছ স্পেনচাৰ চ্যাপলিন। জনাজাত কিন্তু চাৰ্লি চ্যাপলিন নামেৰেহে। দেখাত পৃথিৱীৰ 'সৰু মানুহজন' কিন্তু প্ৰতিভা আৰু ব্যক্তিত্বৰে হিমালয়তকৈও ওখ, বিশ্বৰ মেহনতী জনগণৰ ঘনিষ্ঠতম আত্মীয় শিল্পী। চ্যাপলিনৰ সমগ্ৰ শিল্পী জীৱনটোৱে দৃঢ়তাৰে মাত মাতি গৈছে অন্যায়ৰ বিৰুদ্ধে, শোষণৰ বিৰুদ্ধে। মানুহৰ দুখ-কষ্ট কোনখিনিত আৰু ইয়াৰ উৎপত্তিৰ কাৰণ কি এই কথা চ্যাপলিনে কোনো পুথি-পত্ৰ পঢ়ি আৱিস্কাৰ কৰা নাছিল, নিজৰ সৰু কালৰ জীৱন যাত্ৰাই এই আমোঘ সত্যৰ সন্ধান দিছিল। এই দৰেই গঢ়ি উঠিছিল চ্যাপলিনৰ জীৱন দৰ্শন। জীৱনৰ মহিমা অফুৰন্ত হাঁহি ধেমালিৰ মাজেৰে প্ৰকাশ কৰিছে নিজৰ অনবদ্য শিল্প কৰ্মত। শিল্প সৃষ্টি সম্পৰ্কে চ্যাপলিনে কৈছিল—

I have known humiliations And humiliatio.. is a thing you can not forget

বাল্যকালৰ পৰা যৌৱন প্ৰাপ্তিৰ সময়ছোৱালৈকে নিদাৰুণ দাৰিদ্ৰত চাৰ্লিৰ জীৱন অতিবাহিত হয়। বুৰ্জোৱা সমাজ ব্যৱস্থাত দাৰিদ্ৰৰ পৰা প্ৰাচুৰ্যালৈ উপনীত হোৱা অনেক শিল্পীৰ ক্ষেত্ৰত দেখা গৈছে—বিশেষকৈ চিনেমা শিল্পত। চ্যাপলিনৰ ক্ষেত্ৰতো সেয়া ঘটিছে। সেই বুলি চ্যাপলিনে নিজৰ শিল্পী সত্ত্বা শোষণকাৰীৰ হাতত বিসৰ্জন দিয়া নাই।

চাৰ্লি চ্যাপলিনৰ জন্ম হয় ১৮৮৯ চনৰ ১৬ এপ্ৰিলত লণ্ডনৰ কেনিংটনত। চ্যাপলিনৰ প্ৰতিভাৰ পৰিচয় শৈশৱৰে পৰা পোৱা যায়। মাক-বাপেক উভয়ে আছিল শিল্পী। সেয়ে পাৰিবাৰিক পৰিবেশতে শিল্পৰ আৱহাওৱা আছিল। মাক আছিল মঞ্চৰ গায়িকা। মাকে অনুষ্ঠান পৰিবেশনৰ সময়ত প্ৰায়ে লৰাটোকো লগত লৈ গৈছিল। চ্যাপলিনে নিজেও নাচ গানৰ প্ৰতি বৰ অনুৰাগী আছিল। শৈশৱতে ঘটা এটা ঘটনাৰ পৰা ইয়াৰ পৰিচয় পোৱা যায়।

লণ্ডনৰ বিখ্যাত ক্ৰোয়ডন মঞ্চ। চ্যাপলিনৰ ৰুগীয়া মাকে ভঙা ভঙা মাতেৰে গীত পৰিবেশন কৰিছে। দৰ্শকক আকৰ্ষণ কৰিব পৰা নাই। সেয়ে দৰ্শকৰ মাজত চিঞৰ-বাখৰ, গণ্ডগোল আৰম্ভ হৈছে। আৰম্ভ হৈছে। উপায় নাপায় মঞ্চৰ পৰা মাক ওলাই আহিল। পৰিচালকজন বিবুধিত পৰিল। কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰি শেষত উইঙ্চৰ কাষত থিয় হৈ থকা লৰাটোকে মঞ্চৰ ভিতৰলৈ ঠেলি পঠালে। কাৰণ পৰিচালকে লক্ষ্য কৰিছিল লৰাটোৱেও মাকৰ গানৰ সতে গুণগুণাই ওঠ মিলাই গৈছিল। লৰাটোৰ মনৰ কোনো ভীতিভাব নাই। মাকে গোৱা গীতটিকে আৰম্ভ কৰিলে। গীতত অভিভূত হৈ দৰ্শকবোৰে মঞ্চলৈ পইচা দলিয়াবলৈ ধৰিলে। লৰাটোৱে পইচাবোৰলৈ চাই গান বন্ধ কৰি কলে—'আগতে পইচাবোৰ বুটলি লওঁ, তাৰ পিচত গান গাম।' দৰ্শকৰ মাজত হাহিৰ গিৰ্গিৰণি উঠিল। পৰিচালকেও ৰুমাল লৈ পইচা বোটলাত সহায় কৰি দিলে। লৰাটোৱে এইবাৰ চিঞৰি চিঞৰি কবলৈ ধৰিলে—'চাওঁক, চাওঁক পৰিচালকে মোৰ পইচাবোৰ চুৰি কৰিছে।' দৰ্শক হাহি বাগৰি পৰিল। পইচাবোৰ মাকক দিয়া হব বুলি কোৱাতহে লৰাটোৱে আকৌ গান আৰম্ভ কৰিলে।

এয়াই আছিল চ্যাপলিনৰ মঞ্চত প্ৰথম অৱতৰণ আৰু মাকৰ শেষ। জীৱনৰ প্ৰথম মঞ্চ অৱতৰণৰ সময়ত যাৰ মাজত নিহিত আছিল এক শোকৰ পৰিবেশ, অথচ যি নিজৰ অজ্ঞতে দৰ্শকক হুহুৱালে শেষলৈ সেইটোৱেই হ'লগৈ জীৱন। হাহি আৰু কান্দোনৰ এক অভিনৱ সংমিশ্ৰণ চাৰ্লি চ্যাপলিন।

চ্যাপলিনৰ জীৱনলৈ চৰম দুৰ্দশাৰ দিন আহি পৰে মাক-পিতাকৰ বিচ্ছেদ হোৱাত। পিতাকৰ অত্যাধিক সুৰাপানেই বিচ্ছেদৰ একমাত্ৰ কাৰণ হৈ পৰে। ইফালে মাকৰ কণ্ঠ নষ্ট হোৱাত জীৱিকাৰ একমাত্ৰ উপায় মঞ্চাভিনয়ো বাদ দিব লগাত পৰে। শেষত টকা ধাৰ লৈ এটা চিলাই মেচিন কিনি আনি কাপোৰ চিলাই কৰি কোনোমতে জীৱন নিৰ্ব্বাহ কৰিবলৈ ধৰে। কিন্তু ধাৰে লোৱা টকাখিনি সময়মতে পৰিশোধ কৰিব নোৱাৰাত চিলাই মেচিনটোও হেৰুৱাব লগাত পৰে। উপায়হীন হৈ পুওৰ, হাউচ'ত (Poor house) আশ্ৰয় লয়। কিন্তু দুখ-কষ্ট, অদ্ধাহাৰ-অনাহাৰত মাকৰ মস্তিস্কৰ বিকৃতি ঘটে। অৱশেষত মাকক হেৰুৱাই চ্যাপলিন অনাথ হ'ল। অভাৱ অনাটনত জৰ্জ্জৰিত এয়ে এক জীৱন অতিবাহিত কৰিছিল চাৰ্লিয়ে। তেওঁ দেখিছিল একালে ধন-ঐশ্বৰ্য্য, গগণ চুম্বী অট্টালিকা আনফালে সীমাহীন দাৰিদ্ৰতা—য'ত মানুহ খাব নাপায়ো মৰে।

পেটৰ দায়ত কাম বিচাৰি ঘূৰি ফুৰিছে চাৰ্লিয়ে। বাতৰি কাকত বিক্ৰি, ছপাখানাত কাম আদি যতে যি পাইছে তাকে কৰিব লগীয়া হৈছে। তথাপিতো অভিনয়ৰ প্ৰতি মোহ তেতিয়াও দূৰ হোৱা নাই। সুযোগ বিচাৰি আছিল মঞ্চত অভিনয় কৰিবলৈ। এদিন সুযোগ আহিল। ৱেষ্ট এণ্ড (West End) থিয়েটাৰত কমেডিয়ান হিচাবে স্থান পালে। বয়স তেতিয়া সোতৰ। তাৰ পিচত কাম কৰে বিখ্যাত ফ্ৰেদ কাৰ্ণোৰ গ্ৰুপৰ লগত। চ্যাপলিন জনপ্ৰিয় হৈ উঠা বহুতু মৰমৰ অত্যাচাৰো হৈছিল বহুত তেওঁৰ ওপৰত। ১৯১০ চনত কাৰ্ণো যায় আমেৰিকালৈ। লগত চ্যাপলিন। তেতিয়াই চাৰ্লিৰ অভিনয় নৈপুন্য চলচিত্ৰকাৰ মেক চেনেটৰ চকুত পৰে। লগে লগে ঘটে বোল ছবিত প্ৰবেশ। প্ৰথমে কীষ্টোন ফিল্ম কোম্পানীত যোগ দি ৩৫ খন মান ছবিত অভিনয় কৰে। তাৰ পিচত এছানী কোম্পানী। তাৰ পিচত কাম কৰে মিছুৱেল কোম্পানীত।

চাৰ্লি অভিনীত প্ৰথম ছবি 'অটো ৰেচেজ এট্ ভেনিচ'ত পৰিচালকে নিজৰ ইচ্ছামতে চাৰ্লিক কাপোৰ পিন্ধিবলৈ কলে। চাৰ্লিয়ে পিন্ধিলে এটা

ডাঙৰ হলৌ কোট ঢিলা পেণ্ট। প্ৰয়োজনতকৈ ডাঙৰ এযোৰ জোতা। মূৰত টুপি। ওঠত একোছা টুথব্ৰাছ, গোফ আৰু হাতত এডাল লাঠি। দেখিলে ভাৱ হয় চাৰ্কাছৰ বহুৱা। কিন্তু চাৰ্লিৰ সেইটো এটা পোছাকী ৰূপহে আছিল। তাৰ আৰতহে লুকাই আছিল প্ৰকৃত চাৰ্লি যি ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ সৰু বৰ ন'নান সমস্যাক চলচিত্ৰৰ মাধ্যমেৰে প্ৰচণ্ড ভাবে ব্যঙ্গ কৰিছে। প্ৰশ্ন কৰিছে কিন্তু এই সকলোবোৰ চাৰ্লিয়ে এনেভাবে কৰিছে যেন চাৰ্লি এই সম্পৰ্কে সম্পূৰ্ণ অচেতন। চাৰ্লিয়ে নিজেই কৈছে—'মোৰ যে এই সৰু গোফকোছা—সেইটো হ'ল অহমিকাৰ প্ৰতিচিহ্ন। মোৰ হাস্যকাৰ পোছাক কোট-পেণ্ট এই বিলাক হৈছে আমাৰ বুৰ্ব্বকামি আৰু নিৰ্বোধ স্বভাৱৰ কেৰিকাচাৰ। হাতৰ সেই লাঠিডাল আছিল বোধকৰো মোৰ আটাইতকৈ ডাঙৰ অনুপ্ৰেৰণা। সেই লাঠি ডালেই ক্ষীপ্ৰভাবে মোক পৃথিবীৰ সতে পৰিচয় স্থাপন কৰাত সহায় কৰিছে। তাৰোপৰি এই লাঠিডাল মই এনেদৰে কামত লগালো যে সেইডাল নিজেই এটা কমিক চৰিত্ৰ হৈ উঠিল। কেতিয়াবা দেখিলো লাঠিডাল কাৰোবাৰ ডিঙিত লাগি ধৰিছে, কেতিয়াবা কাৰোবাৰ ভৰিত। এনেভাবে দৰ্শকৰ পৰা মই প্ৰচুৰ হাত চাপৰি পাইছো। অথচ মই নিজে কেতিয়াও সেই অদ্ভুত হাস্যকৰ ভঙ্গীৰ বিষয়ে সচেতন নাছিলো।'

চাৰ্লি চ্যাপলিনৰ ১৯১৪ চনত এক নীৰৱ ছবি 'মেকিং এ লিভিঙ্‌ৰে ছবি নিৰ্ম্মাণত প্ৰথম পদক্ষেপ। চ্যাপলিনৰ ছবি নিৰ্ম্মাণ ধাৰাৰ সম্পূৰ্ণ পৰিবৰ্ত্তন আহে 'দি কীড' ছবিৰ যোগেৰে। এই ছবিত জেকী কোগেনে অপূৰ্ব অভিনয় কৰি গৈছে। বিশ্ব বোলছবি ইতিহাসত 'দি কীড'ৰ কাৰুণ্যৰ তুলনা পাবলৈ নাই।

ধুমুহাৰ সৃষ্টি হয় ১৯২৫ চনত যেতিয়া ন নীৰৱ ছবি 'দি গোল্‌ড ৰাছ' এ মুক্তি পায়। আমেৰিকাৰ উত্তৰে থকা আলাস্‌কাৰ বৰফে ঢকা পাহাৰৰ পৰা সোণ খান্দি উলিয়াবলৈ যোৱা এচাম মানুহৰ লোভ, ক্ষুধা, হিংসা দ্বেষৰ এখন প্ৰতীক ধৰ্ম্মী ছবি 'দি গোল্‌ড ৰাছ'। ক্ষুধাই মানুহক কি অৱস্থালৈ নিয়ে সেয়া ব্যঙ্গাত্মক ভাৱে চাৰ্লিয়ে এই ছবিত ফুটাই তুলিছে। তেওঁ কৈছিল—"In the creation on comedy, it is paradoxical that tragedy stimulates the spirit of ridicule because ridicule I suppose is an attitude of defiance, we must laugh in the face of our helplessness against the forces of nature or go insane" ছবিখনত ক্ষুধাৰ তাড়নাত এপাত মোজা সিজাই খোৱা দৃশ্যটোৱে মানুহৰ চিৰন্তন ক্ষুধাৰ ওপৰত প্ৰচণ্ড বিদ্ৰূপ কৰিছে।

শৈশৱৰ দাৰিদ্ৰ্য অসাহয়তা আৰু মাকৰ জীৱন সংগ্ৰামে চ্যাপলিনৰ পৰৱৰ্ত্তী জীৱনত গভীৰ ভাৱে ৰেখাপাত কৰিছিল। চ্যাপলিনে ছবি সমূহৰ মূল উপাদান বিচাৰি পাইছিল। শৈশৱৰ অতিবাহিত হোৱা সময় ছোৱাৰ পৰা। সেয়ে চ্যাপলিনৰ ছবিত সমাজ চেতনাৰ প্ৰকাশ হবলৈ ধৰে। 'মডাৰ্ণ টাইমচ্‌' ছবিখন কৌতুক পূৰ্ণ হলেও ইয়াৰ মাজেৰে ধনতান্ত্ৰিক সভ্যতাৰ স্বৰূপটোক তীব্ৰভাবে ব্যঙ্গ কৰিছে সেয়ে ছবিখনক কোৱা হয়—

'Modern Times, is the story of the industry of individual enterprise humanity crusading in the persuit of happiness."



ইতিমধ্যে বোল ছবিলৈ শব্দ আহিছিল যদিও বহু দিনলৈ চাৰ্লিয়ে শব্দৰ ব্যৱহাৰ কৰা নাছিল। চাৰ্লিৰ মতে অভিনেতাৰ অভিব্যক্তিয়েই হ'ল মূল কথা, উচ্চাৰিত সংলাপ তাত অপ্ৰয়োজনীয়।' অৱশেষে 'চিটি লাইট্‌চ' ছবিখনৰ যোগেৰে পৰৱৰ্ত্তী ছবি সমূহত শব্দৰ প্ৰয়োগ কৰিছিল।

চ্যাপলিনৰ আন এখন ছবি "মচিয়ে ভেৰ্ডু"ত ধনতান্ত্ৰিক সমাজৰ প্ৰতি বিদ্ৰূপ তীব্ৰ হৈ উঠে। ভেৰ্ডু বেঙ্কৰ কেৰাণী। নিজৰ পঙ্গু স্ত্ৰী তথা লৰা-ছোৱালী কেইটাক ভালদৰে পোহ পাল দিব নোৱাৰে! অথচ পুজিপতি হতৰ কাৰণে তেওঁ লক্ষ লক্ষ টকা ঘটি দিছে। শেষত চাকৰিটোও গ'ল। পৰিয়ালৰ ভৰণ পোষণৰ দায়ত ধনী মানুহৰ ছোৱালী এজনীক বিয়া কৰায় আৰু শেষত তাইক হত্যা কৰি ধন-ৰত্নবোৰ নিজৰ হস্তগত কৰে। নিজৰ পত্নীকো কথাটো জানিব দিয়া নাই। খুনী ভেৰ্ডু যেতিয়া কাঠগড়াত থিয় হ'ল—ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ মুখা খুলি দি দেখুৱাই দিলে যে ধনতন্ত্ৰৰ মূলতে থকা মালিক গোষ্ঠী সকলোবোৰেই প্ৰকৃততে খুনী। সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ লোক সকলক ইহতে দাৰিদ্ৰলৈ ঠেলি দি তিল তিলকৈ হত্যা কৰিছে।

চ্যাপলিনৰ ছবিত সমাজ চেতনা স্পষ্ট হৈ উঠাৰ লগে লগে মাৰ্কিনী আমোলাসকল অতীষ্ঠ হৈ উঠে। ইতিমধ্যে চ্যাপলিন সমাজতন্ত্ৰৰ প্ৰতি যে আকৃষ্ট হৈছে সেই কথা প্ৰকাশ কৰিবলৈ দ্বিধাবোধ কৰা নাছিল। সমাজতন্ত্ৰৰ প্ৰতি আকৃষ্ট হোৱাৰ পিচৰে পৰা তেওঁ ৰাজনীতিৰ প্ৰতিও আকৃষ্ট হ'ল। তেওঁৰ ভাষাত—'মই ৰাজনীতিক অৰ্থ নৈতিক সমস্যা হিচাবেহে দেখিছো, ইতিহাস হিচাবে নহয়।' অন্যথাই 'হিত সাধনাৰ কামনা নতুবা চৰকাৰৰ জনকল্যাণৰ কাৰণে দাৰিদ্ৰতা নকমে। কমিছে দ্বন্দমূলক বস্তুবাদৰ শক্তিৰ কাৰণেহে' (অৰ্থাৎ কোৱা বাহুল্য শ্ৰেণী সংগ্ৰামৰ ফলত)।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ১৯৪২ চনৰ ২২ জুলাইত নিউইয়াৰ্ক চহৰৰ মেডিচন স্কোয়াৰ পাৰ্কত সভা উপলক্ষে দিয়া চাৰ্লিৰ ভাষণ ইতিহাসৰ স্মৰণীয় হৈ ৰব। সাম্ৰাজ্যবাদী শক্তিসমূহৰ কবলৰ পৰা পৃথিবীৰ একমাত্ৰ সমাজতান্ত্ৰিক দেশ ৰাছিয়াক ৰক্ষা কৰিবলৈ তথা গণতন্ত্ৰক ৰক্ষা কৰিবলৈ তেওঁ এই সভাত জনগণৰ প্ৰতি আহ্বান জনাই কৈছিল—

'গণতন্ত্ৰ জীয়াই থাকিব নে নেথাকে সেই কথাৰ সিদ্ধান্ত হব ৰাছিয়াৰ ৰণক্ষেত্ৰত। এই যুদ্ধত মিত্ৰ বাহিনীৰ ভাগ্য সম্পূৰ্ণ ভাবে নিৰ্ভৰ কৰিছে কমিউনিষ্ট সকলৰ হাতত। ৰাছিয়া যদি পৰাজিত হয় তেতিয়াহলে পৃথিবীৰ সৰ্ব্ববৃহৎ তথা সম্পদশালী এচিয়া মহাদেশ নাৎসী বাহিনীৰ হাতলৈ যাব..........এনে অৱস্থাত হিটলাৰক পৰাজিত কৰাটো অত্যান্ত জৰুৰী কথা........। গোপন যোগাযোগৰ সমস্ত শক্তিখিনি নাৎসী বাহিনীৰ হাতত থকাৰ ফলত, নাৎসী বিৰোধী সমস্ত দলবিলাকক সিহঁতে ধ্বংস কৰি দিব। মানৱ জাতিৰ উন্নতি ব্যহত হব। সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰ বোলা কোনো কথাই নাথাকিব। শ্ৰমিক কৰ্মচাৰী আনকি নাগৰিক সকলৰো কোনো অধিকাৰ নাথাকিব। এই সকলোবোৰ সম্পূৰ্ণভাৱে নিশ্চিহ্ন হৈ যাব.......।"

দ্বিতীয় বিশ্বযুদ্ধৰ এনে এক ভয়াবহ দিনতে চাৰ্লিয়ে নিৰ্ম্মাণ কৰে 'দি গ্ৰেট ডিক্টেটৰ' নামৰ আন এখন ছবি। সৰ্ব্বকালৰ আলোচ্য এই ছবিখন মুক্তি পোৱাৰ লগে লগে চ্যাপলিনৰ প্ৰতি থকা আমেৰিকাৰ ৰোষ তথা ক্ষোভ চৰম সীমালৈ উঠে। মাৰ্কিন পুজিপতিসকলৰ তাবেদাৰ সমালোচক সকলৰ সমালোচনাৰ উত্তৰত চ্যাপলিনে কৈছিল—

"Nonsense' I was only poking fun at general confusion from which we were all suffering."

হিটলাৰ আৰু মুছোলিনী তেতিয়া ক্ষমতাৰ উচ্ছ শিখৰত। ফেচিজিমক ব্যঙ্গ কৰি নিৰ্ম্মাণ কৰা হৈছিল সেই ছবিখন। জাৰ্ম্মানীত হিটলাৰে ছবিখন নিষিদ্ধ কৰে। আমেৰিকাতো ছদ্মবেশী নাৎসী পন্থীসকলে ছবিখনৰ প্ৰদৰ্শনত বাধা দিছিল। তথাপি যতেই চলিছিল সৰ্ব্বসাধাৰণ ৰাইজৰ প্ৰশংসাৰ অন্ত নাছিল। ছবিখনৰ শেষত এটি বক্তৃতা আছে—

"Fight for liberty. In the 17 chapter of st luke it is written. The kingdom of god is within man—not in one man nor in a group of men but in all men. In you, you the people have the power to make this life free and beautiful—to make this life a wonderful adventure. Then in the name of Democracy let us use that power, let us all unite. Let us fight for a new world a decent world that will give man a chance to work that will give you a future and old age of security"

দ্বিতীয় মহাসমৰৰ পিচত চ্যাপলিনৰ বিৰুদ্ধে সুসংগঠিত আক্ৰমণ আৰম্ভ হয়। নানান কুচক্ৰান্ত কৰি চ্যাপলিনক শলঠেকত পেলাবলৈ অপচেষ্টা কৰা হৈছিল। অৱশ্যে সকলো চক্ৰান্তই ব্যৰ্থ হয়। কিন্তু জোচেফ ম্যাকাৰ্থিৰ কমিউনিজম বিৰোধী আন্দোলনৰ চিকাৰ হব লগা হয় চাৰ্লি চ্যাপলিন। প্ৰায় চাৰি দশক ধৰি আমেৰিকাত বসবাস কৰা চাৰ্লি চ্যাপলিন ১৯৫২ চনত চিৰকালৰ বাবে আমেৰিকা ত্যাগ কৰে আৰু মৃত্যুৰ সময়লৈকে সপৰিবাৰে চুইজাৰলেণ্ডত বসবাস কৰে।

চ্যাপলিন যে কেৱল সমাজবাদী চিন্তাধাৰাত বিশ্বাসী আছিল এনে নহয়, জাতীয়তাবাদতো তীব্ৰ বিৰোধী আছিল। নিজৰ উক্তিৰ পৰাই সেই কথাৰ স্পষ্ট প্ৰমাণ পোৱা যায়—

'I can not vociferate about national pride If one is steeped in family tradition, home and garden, a happy childhood, family and friends, I can understand this feeling—but I have not that back ground ... ...naturally if the country in which I lived. like most of us I believe I would be capable of an act of supreme sacrifice. But I am incapable of a fervent leve of home land for it has only to turn Nazi and I would leave it without compunction and from what I have observed the cells of Nazism if dormants at the moments, can be activated in every country ......... "

সন্দেহ নাই চ্যাপলিনৰ মৃত্যুত বৈপ্লৱিক পৰিবৰ্ত্তনত বিশ্বাসী এক মহান শিল্পীৰ অন্ত পৰিল। এই মহান শিল্পী জনাৰ জীৱনী সমাজৰ শোষিত নিষ্পেষিত গৰীব জনসাধাৰণৰ কাৰণে চিৰকাল প্ৰেৰণাদায়ক হৈ থাকিব। লগতে আৰু এষাৰ কথা আমি মনত ৰাখিব লাগিব আমাৰ ভৱিষ্যত কৰ্ম্মনীতিৰ কাৰণে চ্যাপলিনৰ 'লাইম লাইট' ছবিৰ সেই পৌঢ় কমেডিয়ান জনে কোৱা কথাষাৰলৈ— "I must go on. That is progress"

★



# প্ৰেমত পৰা ছোৱালী

মুকুল কলিতা
প্ৰাক্তন ছাত্ৰ

'জানা কাকলি, সকলো ক্ষেত্ৰতে দ্বন্দৰ প্ৰয়োজন, দ্বন্দৰ মাজেৰেহে সকলো বস্তু তথা ঘটনাৰ সত্যতা ভালদৰে উপলব্ধি কৰিব পৰা যায়।'

হা হা হা কৈ কাকলিয়ে হাঁহি দিলে—।' কাকলি তুমি এনেকৈ মোৰ আগত আৰু কেতিয়াও নেহাহিবা। এই হাঁহিৰ শব্দবোৰ, মোৰ বুকুত বহুদিনলৈ বাজি থাকে। যদি আমনি পোৱা মোৰ কথা শুনিবলৈ তেনেহলে নুশুনিবা। কিন্তু এনেদৰে হাঁহিবলৈ তোমাক আৰু অধিকাৰ দিয়া নহব।'

'বাদ দিয়াহে পুলক—সকলো ক্ষেত্ৰতে মাৰ্ক্সৰ দৰ্শন আনিলে নহব নহয়। মাৰ্ক্সৰ বস্তুবোৰ কেৱল বুৰ্জোৱা, ক'ৰ সৰ্ব্বহাৰা, অৰ্থনীতি :আদি শব্দেৰে এটা সম্পূৰ্ণ ব'ৰিং আৰু নিৰস বিষয়। প্ৰেমৰ ক্ষেত্ৰত এইবোৰ প্ৰযোজ্য নহয়। মই কামনা কৰো আজিৰ এই সন্ধিয়া এনে নিৰিবিলি পৰত তুমি মোৰ হাতখন বুকুৰ মাজত লৈ কপৌফুলাৰ কথা কোৱা—নাহৰৰ সুবাসত কেনেকৈ কোন নিজান বনত ভোমোৰা মতলীয়া হ'ল তাৰে কথা কোৱা- গণেশ গগৈৰ পাপৰিৰ স্তৱকৰ সুৰভী ওঁঠত সানি তোমাৰ এম্বিচনৰ কথা কোৱা। কিন্তু তাকে নকৰি তুমি মোৰ ইচ্ছাৰ বিৰুদ্ধে প্ৰত্যেক কথাতে কেৱল যদি সৰ্ব্বহাৰাৰ মুক্তি, বুৰ্জোৱা গনতন্ত্ৰৰ অৱসান, সংশোধনবাদৰ প্ৰতিক্ৰিয়া আদি কথা কোৱা মই কেনেকৈ সহ্য কৰিম। ময়োতো কব পাৰো—এনে পৰিবেশত তোমাক আৰু সৰ্ব্বহাৰা মেহনতী জনতা আদি অনৰ্থক ব'ৰিঙ কথাবোৰ কবলৈ অধিকাৰ দিয়া নহব।" অলপ বুজনি দিয়াৰ দৰে কাকলিয়ে কথাখিনি কলে, নৈৰ সিপাৰৰ আহত ডালত দিনটো আকাশৰ শূইনত উৰি ফুৰা চৰাইজাকে বাহলৈ উভতি আহি কোঢ়াল লগাইছে। চাপৰিৰ বিৰিণাখিনি বতাহৰ বোকোছাত কিবা আবেশত ঢলি পৰি যাওঁ পৰি যাওঁ। কথাখিনি কৈ কৈ কাকলিয়ে তাৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য নকৰি কাষৰ বনবোৰ কোমল আঙুলিৰে চিঙি চিঙি অন্যমনস্ক হব বিচা-

ৰিছিল। পুলকেই কলে—'সৰ্ব্বহাৰা, মেহনতী জনতাৰ কথাবোৰ তোমালোকে নীৰস পাবাই। খুউব বেছি নীৰস পাবা। কাৰণ, কাৰণ তোমালোকেই -এওঁ-লোকৰ সকলো ৰস শুহি নি নীৰস কৰি পেলাইছা।

"আমি ?"

এৰা তোমালোকেই। নহলে তোমাৰ দেউতাৰাই কেনেকৈ তিনিটাকৈ আট্টালিকা বনাব পৰিলেহেতেন। কেনেকৈ ইমান টকা বেঙ্কত থব পাৰিলেহেতেন। তুমি-য়েবা নিশ্চিন্তমনে হাতত চেক্ বহী লৈ সুন্দৰ গাড়ীত উঠি ক্লাবে ক্লাবে ঘূৰিব কেনেকৈ পাৰিলাহেতেন। এইবোৰ চব জনতাৰ তেজ। তেওঁলোকৰ পৰা শুহি আনি তোমালোকে তেওঁলোকক সৰ্ব্বহাৰা কৰিছা।" এই বাস্তৱ কথাবোৰ জনাৰ পিছত দেখাৰ পিছতো প্ৰতিকাৰৰ উপায় নিবিচাৰি পোন-পেনিয়া প্ৰেমৰ চকৰিত ঘূৰি থকাজন নপুংসক কাপুৰুষ। আৰু পেন পেনিয়া কবিতাৰে পৰিবেশ ৰচনা কৰাৰ কথা কৈছা—প্ৰগতিশীল সাহিত্যৰ লগত চিনাকী থাকিলে তুমি সুকান্তৰ পৰাই উত্তৰতো পালাহেতেন—"ক্ষুধাৰ ৰাজ্যে পৃথিবী আজ গদ্যময়। পূৰ্ণিমাৰ চাঁদ যেন ঝলচানো ৰুটি।" পুলকৰ কথাত আবেগ। গণেশ গগৈৰ কবিতাৰ প্ৰেৰণাৰে প্ৰেম কৰিব পাৰি কিন্তু সেই প্ৰেমৰ মোহভঙ্গ হবলৈ কিমান সময় লাগে তাকো জানো "পুলক, কোৱা তুমি যেনেকৈ কলেও মই তোমাক বেয়া নেপাওঁ। কাৰণ মই তোমাক ভাল পাই পেলা-ইছো কিন্তু মই আশা কৰো তুমি এই চবকলৈ মিচামিচি উত্তেজিত নহবা। মোৰ ওচৰত আৰু এইবোৰ কথা নকবা। মই শুনি ভাল নেপাওঁ। মইতো আৰু সৰ্ব্বহাৰা নহওঁ। আমাক ভগবানে সকলো দিছে।"

"এৰা তুমি কিয় সৰ্ব্বহাৰা হবা, তোমালোকৰতো চব আছে। ভগবানৰ দোহাই দি তোমালোকে চব কৰি লৈছা। অন্ততঃ ঘৰ, গাড়ী আৰু বেঙ্ক বেলেঞ্চ থকাতোতে তোমালোকে সকলো থকা বুলি ভাবি লৈছা। কিন্তু তুমিতো জানা মোৰ একোৱেই নাই। আনকি থাকিবলৈ এটা পজাও নাই। মই সৰ্ব্বহাৰা। তুমি শুনিব নোখোজা সৰ্ব্বহাৰাৰ কথাৰে পৰিপূৰ্ণ মোৰ জীৱনৰ কথাবোৰ—গতিকে তুমি মোৰ কথা শুনিব নোৱাৰিবা। তোমালোকৰ কৃত্ৰিম মনবোৰত সচা আবেগ অনুভূতিৰ স্থান নাই। ক্লাবৰ কথা লাখটকীয়া টুৰৰ কথা কবলৈ মোৰ নিৰন্ন পেটে শুকান ওঁঠ দুটাক প্ৰেৰণা দিব নোৱাৰে। মই বুজি নেপাওঁ কাকলি এইবোৰ জানিও তুমি মোক ভাল পাওঁ বুলি কেনেকৈ কব পাৰিলা।"

"তুমি ভুল কৰিলা পুলক। তোমাৰ চব আছে। তোমাৰ এটা ইঞ্জিনিয়াৰিঙ ডিগ্ৰী আছে, এটা সুন্দৰ স্বাস্থ্য আছে। মই ভাবো তুমি মোৰ কথামতেই কাম কৰিবা।" "তোমাৰ কথা মানে ?" আচৰিত হৈ পুলকে শুধিলে। "মানে তুমি এটা চাকৰি লৈ এই আদৰ্শ-চাদৰ্শ চব বাদ দি বিয়া খন পাতি মোৰ সৈতে এখন সুন্দৰ সংসাৰ ৰচনা কৰিবা! ফাৰ্ষ্ট ক্লাচ ইঞ্জিনিয়াৰ এজন হৈ তুমি কিয় পথাৰৰ দুৰ্গন্ধময় বোকাৰ লেতেৰা খেতিয়ক বোৰৰ মাজত হাল বাবলৈ যাবা। কিয় তুমি গাৱে গাৱে ৰ'দে ৰ'দে ঘূৰি ফুৰি কিবা নিৰৰ্থক আদৰ্শৰ কথালৈ মিটিং কৰি ভৰিৰ গোৰোহা ফটাবা কিয় ?

গম্ভীৰ, ভাবেই সোচকুৰ ভ্ৰুখিনি কিঞ্চিত কোচাই পুলকে কবলৈ আৰম্ভ কৰিলে—'এই কিয়বোৰৰ উত্তৰ মোৰ ওপৰত আছে কাকলি—কিন্তু যেতিয়ালৈকে তোমালোকৰ আভিজাত্য থাকিব গাড়ী, পকাঘৰ থাকিব, ডাইনিং হলত কাটা চামুচৰ ঝনঝননি থাকিব তেতিয়ালৈ বোধকৰো মোৰ উত্তৰৰ ভাষা বুজি নেপাবা। দুৰ্গন্ধময় বোকাত কোনোবা লেতাৰা মানুহে খেতি কৰিছে বাবেই যে তোমালোকে সুগন্ধময় বাদছাহ ভোগ্য বস্তু খাবলৈ পাইছা এই সহজ কথাখিনি নুবুজা মানুহে মোৰ ৰদে ৰদে ঘূৰি ফুৰাৰ কথাও বুজি নেপাবা। কিন্তু এদিন এচামে এইবোৰ কথা খুউব সহজ কৰি বুজাই দিব—আমি মাথো তোমালোকক বুজাবৰ বাবে সিহতক প্ৰস্তুত কৰি তোমাৰ প্ৰস্তুতি চলাইছো।'

'তুমি যে কি? কথাবোৰক কেৱল জটিল কৰিবহে জানা।' কাকলিৰ কথাত আবদাৰৰ সুৰ।'

"জীৱনটোৱো জানো সহজ কাকলি ?"

'নহয় জীৱনটো আচলতে তুমি ভবাৰ দৰে জটিল নহয়। মাত্ৰ তোমালোকেহে ইয়াক জটিল কৰি লৈছা। সেইবোৰক লৈ তৰ্ক নকৰো পুলক। মই যে তোমাক কেৱল চাকৰি কৰিবলৈয়ে কৈছো সেইটো নহয়। তুমি যদি স্বাধীন ভাবেই বিজনেচ কৰিব বিচৰা তাতো মোৰ কোনো আপত্তি নাই। দেউতাই লাগিলে খ'মিলতো আমাকে দিব। আৰু যদি খেতিৰ প্ৰতিয়ে তোমাৰ খুউব ইনটাৰেষ্ট তেনে তুমি ফাৰ্ম কৰিব পাৰা, নহলে দেউতাকৈ নতুনকৈ কিনা চাহ বাগিচাখন আমাৰ নামত লৈ লম—তুমি চলাবা। ধান-তানৰ ফাৰ্মও অৱশ্যে তোমাৰ কষ্ট হব। অৱশ্যে তুমি কৰা যদি তাৰো যথেষ্ট সুবিধা আছে। আমাৰতো আৰু মাটিৰ কোনো আকাল নাই। মাত্ৰ কেইখন মান ট্ৰেক্টৰ আৰু দুজনমান এগ্ৰিকালচাৰেল বিষয়া ৰাখিলেই হ'ল। 'কথাখিনি কাকলিয়ে সহজ ভাবেই কলে।'

'তোমালোকৰ মাটি আছে নহয়।'

'আছে, আছেতো।'

'কিমান ?'

'বহুত—সঠিক হিচাবতো মই নেজানো—তুমি এইবোৰ দেউতাৰ লগত আলোচনা কৰিবনা? এবাৰ খৰিকটিয়াৰ ৰায়তবোৰক উচ্ছেদ কৰি বহুত মাটি উলিয়াই লৈছে। আৰু যদি নোজোৰে বা সুবিধাত একেলগে বহুত মাটি ফাৰ্মৰ বাবে নহয় তেনে ৰায়তবোৰৰ পৰা আন ললেই হ'ল। 'এইখন পৃথিবীততো বহুত মাটিয়েই আছে কাকলি। সকলো আমাৰ নহয়। বাৰু কথাখিনি কওঁতে তোমাৰ অকণো খোকোজা লগা নাই নহয়। তুমি নেজানিলেও ৰতনমল ঠাকুৰিয়াৰ কিমান মাটি আছে তাৰ সঠিক হিচা'ব মই জানো সেইবোৰ মাটি কেনেকৈ নিজৰ কৰি ললে তাকো জানো।' 'জানিব পাৰা, আমি ছোৱালী মানুহ, দেউতাই চব কথা আমাৰ আগত নকয়।

"তুমি জানানে খৰিকটিয়াৰ মাটি দখল কৰোতে ভেৰোনীয়া গুণ্ডাৰ লাঠীৰ কোবত কেইজন নীৰিহ খেতিয়কে প্ৰাণ হেৰুৱাইছিল আৰু কিমান পঙ্গু হৈছিল।

"নেজানো, শুনিছো কেইজনমান গুণ্ডাই বোলে দেউতাৰ ওচৰত আঙুলি জোকাৰি কথা কৈছিল।" 'আৰু সেই অপৰাধতে সিহতক পুলিচৰ সাক্ষাতত গুণ্ডা লগাই কুকুৰ মেকুৰীৰ দৰে কোবাই মাৰিলে।"

"এইবোৰ মই কি জানো। আমি তেতিয়া সৰু। মনত আছে সিদিনা ৰাতি আমাৰ ঘৰত ডাঙৰ ভোজ হৈছিল। এজন পুলিচ বিষয়াই মোক কোলাত লৈ কিবা-কিবি সুধিছিল, মোৰ বৰ লাজ লাগিছিল। দেউতাই একৰাই ভিতৰলৈ যাব কোৱাত দৌৰ মাৰিছিলো। বিষয়াজনে পিচত আমাৰ ড্ৰয়িংৰুমৰ কাৰ্পেতৰ ওপৰতে বতিয়াইছিল। পেটৰ অসুখৰ কাৰণে। এইবোৰ মনত আছে অলপ অলপ।

"কাকলি, মই তোমাক কেনেকৈ বুজাই কওঁ যে সেই ভেৰোনীয়া গুণ্ডাৰ লাঠীৰ প্ৰচণ্ড কোব কেইটা অকল খেতিয়ক কেইজনৰে গাত লগা নাছিল।

সেই কোবে মোৰে মানসিক চেতনাক জোকাৰি দি গৈছে। ক্ষমতা থাকিল বুলিয়ে দুৰ্বলীৰ ওপৰত তাৰ অপপ্ৰয়োগ কৰাৰ অধিকাৰ তোমাৰ দেউতাৰাই ক'ত পালে। সৰ্ব্বহাৰাৰ তেজ শুহি নিজৰ ভড়াল টনকিয়াল কৰা দেউতাৰাই সেই গাৱৰ চাল ফুটি হাড় ওলোৱা নিৰন্ন শিশুৰ মুখবোৰলৈ এবাৰো কিয় চোৱা নাছিল। খৰিকটিয়াৰ বাৰ ঘৰ মানুহক অনাথ কৰাৰ আনন্দত বনা হৈ পৰা দেউতাৰাই নিজৰ জীয়েৰক পুলিচ বিষয়াৰ কোলাত থয়। তোমাৰ বয়স নিশ্চয় তেতিয়া বাৰৰ পৰা পোন্ধৰৰ ভিতৰত।' পুলকৰ কথাত উত্তেজনা। আবদাৰৰ সুৰত কাকলিয়ে কলে—"জানো এইবোৰ ৰাজনীতিৰ কথা মই বুজি নেপাওঁ পুলক।"

"ৰাজনীতিৰ কথা নহয় কাকলি—মানুহে মানুহক মৰম কৰাত মহানুভূতি দেখুৱাত, একে হবলৈ শিকাত কোনো ৰাজনীতি নাই। আৰু তুমি এইবোৰ নুবুজিবাই কাৰণ তাত তোমাৰ কোনো লাভ নাই। মোৰ প্ৰতি তোমাৰ, তোমা-লোকৰ স্বাৰ্থ আছে বাবেই মোৰ দুখত দুখীহৈ মোক উবুৰিয়াই দিবলৈ ওলাইছা নহয়। কিন্তু এবাধো ভাবি চাইছানে সেই দুৰ্ভগীয়া শিশুবোৰৰ ভিতৰতো বহুত ইঞ্জিনিয়াৰ ডাক্‌টৰ আছিল। আৰু সেই হতভগা গাৱখনৰ পৰাই মই ওলাই আহিছো। তোমাৰ দেউতাৰাই ভালকৈ জানে—হয়তো তুমি নেজানা যে খৰিকটিয়াৰ সেই অমানুষিক অত্যাচাৰত, লাঠীৰ কোবত মোৰ সহোদৰ ভাই এজনো ধেৰমেৰাই বাগৰি পৰি মৰিছিল।" কাকলিৰ মুখৰ পৰা কাঢ়ি আনি পুলকে প্ৰায় একে উশাহতে কথাখিনি কলে—।

'পুলক বিশ্বাস কৰা এই কথা মই মুঠেই নেজানো খৰিকটিয়া যে তোমাৰ ঘৰ আছিল আৰু তোমাৰ ককাইদেউৰাৰ মৃত্যুৰ কথা মই আজিহে জানিলো।



সৰুৰে পৰাতো মই গুৱাহাটীতে আছো আৰু তাতেইটো তোমাৰ লগত মোৰ চিনাকী।' কাকলিৰ কণ্ঠত অনুতাপৰ সুৰ।'

'মই যদি ইঞ্জিনিয়াৰ নহলোহেতেন হয়তো আজিও সেই কথা তোমাৰ অজ্ঞাতেই থাকিল হেতেন।'

'আজি সম্পূৰ্ণ দহ বছৰ পিছত তোমাক শান্তনা দিবলৈ নেযাওঁ মই। কিন্তু মই অনুতপ্তা।'

তেতিয়া তোমাৰ মোৰ চিনাকীয়ে হোৱা নাছিল। তুমি কিয় অনুতপ্তা হবা কাকলি। দেউতাৰাইতো জনা নাছিল যে তেওঁৰ দ্বাৰাই উচ্ছেদিত হোৱা, তেওঁৰ নিৰ্দেশতে গুণ্ডাই কোবাই মৰা এজন সৰ্ব্বহাৰা খেতিয়কৰ ভায়েকৰ ওপৰতে পেলাব লাগিব ছোৱালী গটোৱাৰ জালখন। অৱশ্যে মোমাইদেউহঁতে মোক মৰম কৰি তুলি নললে মোৰ অস্তিত্বৰ কোনো উমানেই নেপালাহেতেন।"

"দেউতাই কিন্তু তোমাক খুউব মৰম কৰে।'

'মই জানো বিবাহ উপযুক্তা ছোৱালী থকা ঘৰৰ প্ৰত্যেক দেউতাকেই প্ৰথম শ্ৰেণীৰ ইঞ্জিনিয়াৰক মৰম কৰিবই।' সুৰত তাচ্ছিল্যতা।

'তুমি মোৰ প্ৰেমক অপমান কৰিছা ;' কথাত স্পষ্ট অভিযোগ, কাকলি সেই এন্ধাৰতো যেন অলপ ৰঙা পৰিছিল।

'নাই কৰা—কিন্তু দুটা মনৰ আদৰ্শৰ সমন্বয় নহলে প্ৰেম জানো পূৰ্ণ হব পাৰে। মোৰ মুখখন দেহতো বা ডিগ্ৰীটো লৈ তুমি কি কৰিবা যদি মোৰ মনটোৱে নোপোৱা। সেয়ে কাকলি মই তোমাক কৈছো—তুমি মোক পাহৰি যোৱা। অতীতক কলেজীয়া জীৱনৰ অভিজ্ঞতা বুলি ধৰি লবা। মোৰ জানা বহুত কাম আছে, তোমাৰ লগত গাড়ীত উঠি ক্লাবলৈ যাবলৈ মোৰ সময় নহব। গাৱে গাৱে, কাৰখানাই কাৰখানাই শ্ৰমিক কৃষকৰ মাজে মাজে

গৈ তোমালোকৰ দেউতাৰাহতৰ দৰে মানুহবোৰৰ মুখাবোৰ খুলি দি জনতাৰ দৰবাৰত শাস্তি দিয়াৰ ব্যৱস্থা কৰাৰ কাম। তেতিয়া জানো তুমি মোক ভাল পাই থাকিব পাৰিবা। আৰু যদি মোৰ কামৰ সহযোগীহৈ মোৰ লগত থাকিব পাৰা মই তোমাক অন্তৰেৰে স্বাগতম জনাব পাৰো।'

কথা কওঁতে কওঁতে সেই নিৰ্জ্জন নদীৰ পাৰত সময় কিমান গৈছিল কাৰো খবৰ নাছিল। তেতিয়া নদীৰ সিপাৰৰ আহতত কোহ'াল কৰা চৰাইজাকে নিতাল মাৰিছিল। চাপৰিৰ কহুৱা অস্পষ্ট হৈছিল। একামোৰ খোৱা শুকান ৰুটিৰ দৰে জোনটো মথাউৰিটোৰ সিপাৰৰ পৰা উঠি আহিছিল। মাজতে কাকলিয়ে কলে—'মই দেউতাই কিবা বেয়া কাম কৰিছে বুলি নকওঁ—কিন্তু খৰিকটিয়াৰ উচ্ছেদ আৰু তোমাৰ ককাইদেউৰাক মৰাতো অন্যায় হৈছে। হয়তো দেউতাৰ উপায় নাছিল। বাদ দিয়া বহুত ৰাতি হল পুলক, ড্ৰাইভাৰটোৱে ৰখি থাকিব, বলা যাওঁ।" বুলি কাকলিয়ে যাবলৈ উঠিল। উঠোতে বুকুৰ চাদৰখন পৰিছিল। ঈষৎ আন্ধাৰত পুলকে দেখিছিল যদিও কোনো বিশেষ লক্ষ্য নকৰিলে।

দুয়ো আহি পুলকৰ মেচত উঠিল। কাৰণ তাইল আহিলেহে ড্ৰাইভাৰক নিৰ্দ্দেশ দিয়া হৈছিল। গাড়ী তেতিয়াও পোৱাহি নাই। পুলকৰ লগৰজন মেচত নাছিল। কাকলি পুলকৰ বিছনাতে বহিল। পুলকে চিমনী নমচা লেম্পটো জ্বলাই আনি টেবুলতে থলে।

'জানা পুলক আজি তোমাৰ মুখৰ পৰা বহুখিনি নজনা কথা জানিলো। তুমি মোৰ মনৰ মাজত খেলি মেলি নলগাবা। মই তোমাক খুউব ভাল পাওঁ। দেউতাৰ কি স্বাৰ্থ মই নেজানো। দেউতাইতো তোমাৰ কথা জনাই নাছিল। মইহে

কৈছিলো। মোৰ লগতে প্ৰথমে তোমাৰ চিনাকী হৈছিল। সম্বন্ধ গঢ়ি উঠিছিল। তোমাক মই পাহৰি যোৱাৰ কথা ভাবিৱই নোৱাৰো পুলক। ইমান আশা আৰু ভূমিকাৰ পিছত তোমাক মই ওচৰত পাইছো। মই কোনোমতেই তোমাক আতৰাই পঠাব নোৱাৰো। মোৰ সিদ্ধান্তৰ কথা ঘৰতো কৈছো। মই জানো তুমি দুখীয়া—কিন্তু একমাত্ৰ ছোৱালী হিচাবে দেউতাৰ সম্পত্তিৰ এটা বুজন অংশ মই পাম আৰু তাৰেই আমি সুখৰ সংসাৰ ৰচনা কৰিম বুলি ভাবিছিলো। দুখীয়া বুলি তোমাক মই কেতিয়াও আতৰাই দিয়া নাই—বৰং

"বৰং দুখীয়াৰ দুৰ্ব্বলতাৰ সুযোগলৈ তোমাৰ কৰ্তৃত্ব চলাব পাৰিবা বুলি ভাবিছা হবলা।"

"আগতেই কৈছো কথাবোৰ তুমি কেৱল জটিল কৰিবহে জানা—সহজ কৰিব নেজানা। ক্ষীণ অভিমানৰ সুৰত কাকলিয়ে কলে।

"কাকলি, মই তোমাক স্পষ্টভাৱে কওঁ তোমালোকৰ দেউতাৰাৰ শ্ৰেণীৰ মানুহবোৰক মই ঘিন কৰো—ভীষণ ঘিণ কৰো। তেওঁলোকৰ বিৰুদ্ধেই মই মোৰ মন কাৰ্য্যক্ষমতা সকলো প্ৰস্তুত কৰি তুলিব লাগিব। যদি তেওঁলোকৰ লৰা-ছোৱালী বুলি তোমালোকেও উত্তৰাধিকাৰীৰ মনোভাৱ লোৱা তেনেহলে তোমালোককো মই ঘিণ কৰো। দুখীয়া হিচাবে ধনীৰ প্ৰতি এয়া মোৰ অনক্ৰোশ নহয়। যদি সেই বুলি ভাবা তেতিয়া হলে ভুল কৰা হব। তুমিতো জানাই এজন ইঞ্জিনিয়াৰে ইচ্ছা কৰিলে আজিৰ দিনত বহুত টকাই কৰিব পাৰে। আনকি তোমালোকৰ দেউতাৰাহতৰ দৰে মানুহকো পিছত থুৱাব পাৰি। গোটেই অসহায় চামৰ প্ৰতিয়ে মোৰ কৰ্ত্তব্য আছে, আৰু সেই কৰ্ত্তব্য চৰকাৰী চাকৰিৰ মাধ্যমেদি কৰিব নোৱাৰি—সেয়ে মই দীক্ষা লৈছো এক মহান আদৰ্শৰ লক্ষ্য ৰাখিছো এনে এখন

সমাজ গঢ়াৰ য'ত শ্ৰেণী নেথাকিব ধনী দুখীয়াৰ। প্ৰত্যেকেই সাধ্য অনুযায়ী দিব আৰু প্ৰয়োজন অনু-সাৰে নিব।'

'তুমি যদি এই লক্ষ্যত উপনিত হব নোৱাৰা অথচ জীৱনটোও নষ্ট হৈ যায় তেতিয়া।"

'সেইটো একো অস্বাভাৱিক নহয়। মোৰ দিনত নহলেও এদিন এই আদৰ্শ এই মাটিত সফল হবই—এই প্ৰস্তুতিহে কাৰ্য্যকৰী ব্যৱস্থাৰ।"

"তোমাৰ তাত ব্যক্তিগত লাভ কি? এটা জীৱন তুমি অনিশ্চয়তাৰ সোতত নিৰ্মমভাৱে এৰি দিবা নেকি পুলক।' কাকলিৰ চকুত প্ৰত্যয়।

'মোৰ লাভ? তুমি ভাবিছা নেকি যে ব্যক্তি-গত লাভা লাভৰ বাবে মই বিপ্লৱৰ ঠিকা লৈছো। আমাৰ যি পথ সেই পথ নিশ্চয়তাৰ পথ। —চোৱা কাকলি এই দেশখনৰ এটা মূৰত দুৰ্ভিক্ষত খাব নেপাই কুকুৰ মেকুৰীৰ দৰে মৰা মানুহবোৰৰ সচা ছবিবোৰ প্ৰকাশ পোৱা ৰাতৰি কাকতেৰে আন এটা মূৰৰ মানুহে ধুবিৰ পৰা ইষ্ট্ৰি কৰা কাপোৰ মেৰিয়াই আনে। মৃত দুৰ্ভগীয়া সকলৰ প্ৰতি কাৰো অনুকম্পা নাই। সেই মৃত্যুৱে কাৰো চেতনাক জোকাৰি যোৱা নাই। এইখন চৰকাৰে আমাক জীয়াই থকাৰ উপযুক্ত সুবিধা দিব পৰা নাই আনকি নিম্নতম সুবিধাখিনিও—।'

"কিয়, চৰকাৰী আচনিবোৰ দেখো কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰে হাতে কামে লাগিছে।"

পুলকৰ কথাৰ মাজতে মপহুকৈ হস্তক্ষেপ কৰাত, পুলক অলপ অপ্ৰস্তুত যেন হলেও কিবা এটাৰ হঠাৎ হেৰোৱা আতডালহে যেন পালে—আৰু আৰম্ভ কৰিলে—"দিল্লীৰ বক্তৃতামঞ্চত গৰিবী হতাওঁৰ ধ্বনি দিওঁতেই যদি দেশৰ পৰা গৰিবী হতি গ'লহেতেন তেনে কোনো কথাই নাছিল। চোৰাং কাৰবাৰীক বিজুলী খুটাত হত্যা কৰিব লাগে বুলি কওতে যদি দেশৰ চোৰাং কাৰবাৰীবোৰ বিজুলী খুটাত ওলমিল-হেতেন তেনে ভালেই আছিল—আভিজাত্যিক ড্ৰয়িং ৰুমত বিলাতী মদৰ শ্ৰাদ্ধ কৰি সশস্ত্ৰ বিপ্লৱৰ আচনি কৰোতেই যদি বা আলোচনীৰ পাতত বৈপ্লৱিক বাণীৰ উদ্ধৃতি দি প্ৰবন্ধ লিখোতেই যদি দেশলৈ আমূল পৰিবৰ্ত্তন আহিলহেতেন তেনে কবৰ কথাই নাছিল। কিন্তু নহয় এইবোৰ চব ভুৱা—ফাকি মাথো। এই সচা কথাখিনি সমাজৰ সন্মুখত দাঙি ধৰিব পৰাটোৱেই মোৰ লাভ।'

অনেতে বাহিৰত গাড়ীৰ হৰ্ণ শুনি 'অ' গাড়ী আহিল, বহুত পলম হ'ল যাওঁ পুলক' বুলি কাকলি যাবলৈ থিয় হ'ল। টেবুলৰ পৰা আনি হাতেৰে এনেই খিড়িকী থকা সৰু কিতাপখনৰ ওপৰৰ নামটো পঢ়ি কাকলিয়ে কলে—জীৱনী নেকি এইখন। কিতাপখন মই নিওঁ দিয়া—পঢ়িবলৈ জানা একো কিতাপেই নাই। এনেয়ে ঘৰত বহি আছো—ঘৰৰ চব কিতাপ মানে পলুৱে এৰাপাত খোৱা দিছো বুলি নিজৰ ৰসিকতাত নিজে হাঁহিলে। "কি কিতাপ—কাৰ্লমাক্স বাপৰে ভূতৰ মুখত ৰাম নাম। কাৰ্লমাক্স পঢ়িবা হৈ চাবা কিন্তু—যদি ঘৰৰ পৰা বহিস্কাৰ কৰে—মোৰ গাত দোষ নাই। "ঠাট্টা নকৰিবা। মই জীৱনী পঢ়ি খুউব ভাল পাওঁ। কাৰ্লমাক্সৰ জীৱনী পঢ়িলেতো আৰু নীল-কণ্ঠ হব নেলাগে। নিওঁনে?

"নিয়া বুলি পুলকে কাকলিক গাড়ীলৈ আগ-বঢ়াই থৈ আহিল। কাকলিৰ কথাই ভাবি ভাবি কোঠালৈ উভতি অহাৰ কিছু সময় পাছতে লগৰ-জনো আহি ওলালহি।

দুদিন পিছ এটা ৰাতিপুৱা "ভাৰতীয় যুব মানসৰ গতি" শীৰ্ষক প্ৰবন্ধটোৰ আধৰুৱাখিনি লিখি আছে, পুলকে—কাৰোবাৰ ভৰিৰ শব্দ শুনি দুৱাৰ মুখলৈ চাই দেখে কাকলি—এই ৰাতিপুৱাতে



কাকলি অহাৰ কি কাৰণ থাকিব পাৰে পুলকে ভাবি নেপালে সেয়ে অলপ আচৰিত হ'ল যদিও স্বাভাৱিক ভাৱেই সুধিলে—"কাকলি, এই ৰাতি-পুৱাই আহিলাযে কিবা গুৰুত্বপূৰ্ণ সকাম নেকি? নে ঘৰত দেউতাৰাই কিবা কলে—মোৰ ওচৰলৈ।" 'নহয়, এটা কথা শুধিবলৈহে আহিছো পুলক। মই—মই 'জেনি' হব পাৰিম নে?' 'জেনি? অ' কিতাপখন পঢ়িলা, কব নোৱাৰো তুমি জেনি হব পাৰানে নোৱাৰা—মই কিন্তু মাক্স নহয়। তেওঁৰ আদৰ্শৰ এজন নিঃকিন সেৱকহে। আৰু শুনা যদি ধেমালি কৰিছা তেনেহলে কওঁ—মাক্সৰ জীৱনা আমাৰ দৰে মানুহৰ ধেমালিৰ নহয়। 'নহয়, নহয় ধেমালি কৰা নাই। কিতাপখন পঢ়াৰ পিছত যোৱা গোটেই ৰাতি মই অন্তদ্বন্দ্বত ভূগিছো। মোক জোকাৰি দি গৈছে মাক্সৰ বাস্তৱ উপলব্ধিয়ে। মই জানো জেনি হব নোৱাৰো? কিন্তু তোমাৰ সহযোগী হব নোৱাৰিম জানো? সৰ্ব্বহাৰাৰ কাৰণে তুমি জিৰণীবিহীন ভাৱে কাম কৰি যাবা আৰু সেই যাত্ৰাত তোমাৰ একমাত্ৰ লগৰী হ'ম মই। কেচা ৰ'দত তোমাৰ কপালত যেতিয়া ঘাম ওলাব মোৰ আচলেৰে মচি দিম। মোৰ কোলাত জিৰণী লৈ তুমি কৰি যাবা নতুন নতুন আচনি প্ৰস্তুত।..........

"নিৰ্ব্বাক পুলকে মাথোন এপলক চাৱনিৰে কাকলিৰ ফালে চায়ে ৰ'ল।

☆

টোকা—জেনি কাৰ্লমাক্স সহধৰ্মিনী আছিল। তেওঁ ধনীৰ দুলালী হৈয়ো মাক্সৰ আদৰ্শৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। মাৰ্কসৰ দুৰ্দিনৰ সময়ত তেৱো আছিল সহযোগী। দুখ সুখৰ সমভাগী।

# : বৰ্ত্তমান :

সমেন পাঠক
প্ৰাঃ বিঃ, দ্বিঃ বাঃ

জীৱনে সোৱৰা
তোমাৰ শৰ্পিলতা।
নৈৰ ঘাটত পৰি ৰোৱা
এটি মই শামুকৰ খোলা।
মৰমে বিচৰা,
তোমাৰ কণ্ঠৰা ভাষা,
শূন্যত হেৰাই যোৱা,
এমুঠি ধোঁৱা, চাই আৰু বাষ্প।
ভাগৰে জুমুৰি ধৰা,
মই শাৰদী নিশাৰ
সৰি পৰা এটি শেৱালি কণা। ●

# আৰবী ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ

অধ্যাপক কাইয়াজুল হক
আৰবী বিভাগ

চেমিটিক ভাষাৰ হিব্ৰু শাখাৰ পৰা আৰবী ভাষাৰ উৎপত্তি। সেয়েহে হিব্ৰু ভাষাৰ পিছত আৰবী ভাষা জগতৰ অতি পুৰণি ভাষা। বৰ্ত্তমান ইয়াৰ বয়স প্ৰায় দুহেজাৰ বছৰ। তথাপিও এই ভাষা মাত্ৰ জীৱিত হৈয়ে থকা নাই বৰং যৌৱন প্ৰাপ্তহে হৈছে। যি দৰে ইয়াৰ অতীত গৌৰবময় ঠিক তেনে দৰে ইয়াৰ ভৱিষ্যতো অতি উজ্বল। যেতিয়া এই ভাষা জন্ম লাভ কৰিছিল তেতিয়া ই উত্তৰী আৰু দক্ষিণী আৰব দীপ অৰ্থাৎ ছাউদী আৰেবিয়াত দুটা বিভিন্ন ৰূপত বিকাশ লাভ কৰিছিল, তাৰ পিছত 'মোহালহাল' আৰু 'ইমৰাউল কাইছে, ইয়াৰ চুলি বোৰ কনিয়ালে, 'নাবিগা' আৰু 'আছা' এ ইয়াৰ ওঠ আৰু গলধন সু-সজ্জিত কৰিলে, 'জুহাইৰে, ইয়াক বিষয় বস্তু প্ৰদান কৰিলে, 'আম্‌ৰ বিন কুলছুম' আৰু 'তাৰাকাই' বীৰত্ব দিলে 'আনতাৰা আৰু 'হাৰিছ বিন হিজ্জিল্লাই' ইয়াক সাহস দিলে. আৰু 'হাতিম তাইৰ পৰা আৰবী ভাষাই দানশীলতা আৰু মানৱতাৰ পাঠ অৰ্জ্জন কৰিলে। সি যিকি নহওক ই ইয়াৰ সৌন্দৰ্য্য আৰু সুন্দৰ ভংগীৰ দ্বাৰা সকলোকে আকৰ্ষিত কৰিছিল, কিন্তু ইয়াৰ এই সৌন্দৰ্য্য আৰু প্ৰকাশ ভংগী সেই সময়ত সাময়িকহে আছিল। আল্লাহ তাআলাই এজন অতি শুৱলা আৰব বাসীক যেতিয়া তেওঁৰ মৰমৰ শেষ নবী হিচাবে পৃথিবীলৈ পঠিয়ালে, তেতিয়া তেখেতৰ এই ভাষাতে তেওঁৰ স্বৰ্গীয় গ্ৰন্থ 'কোৰাণ' অৱতাৰণা কৰিলে। যাৰ দ্বাৰা আল্লাহ তাআলাই এই ভাষাক হজৰত 'খিজৰ'ৰ বয়স প্ৰদান কৰিলে। সেই মৰমৰ নবী (ছাঃ) এ এই ভাষাক তেওঁৰ ভিতৰত স্থান দিলে আৰু তেওঁৰ জাতি (উন্মত) ৰ কাৰণে এই ভাষাত তেওঁৰ বাণী দি গ'ল।

লগতে এই ভাষাক অনন্ত কাললৈ অমৰ কৰি থৈ গ'ল। সেই শেষ নবীৰ শক্তি বৃদ্ধি হ'ল আৰু এখন শক্তিশালী ইছলামী ৰাজ্য স্থাপন হল আৰু এই ভাষাইয়ো শক্তি অৰ্জ্জন কৰিলে। সেই কাৰণেই তাৰ যৌৱনৰ লহৰত উন্নতিৰ বাটত খেল-ধেমালি কৰি অগ্ৰগতি লাভ কৰি থাকিল। তাৰ পিছত মাআৱিয়া (ৰাঃ) এ যেতিয়া দামেস্কচত তেওঁৰ ৰাজধানী পাতিলে, তেতিয়াই সেই ঠাইত



বিৰাজ মান হ'ল। কিয়নো 'আখতাল', 'জাবীৰ', 'ফাৰাজদাক' আৰু 'ওমৰ বিন ৰাবিয়াই' ইয়াৰ সেৱা কৰিবলৈ ধৰিলে। আনপিনে কুফা আৰু বাছৰাত যেতিয়া শিক্ষাৰ নতুন বাট মুকলি হ'ল, তেতিয়া ই তাত সেই বাটৰ ৰশ্মি স্বৰূপ হ'ল। সেই সময়ত ইয়াৰ প্ৰভাৱ আৰু ইয়াৰ সৌন্দৰ্য্যৰ জোতি গোটেই ইৰাণ, মিচৰ আৰু আ'ফ্ৰিকাত ব্যাপ্ত হ'ল। সকলো ঠাইৰ মানুহে ইয়াৰ প্ৰতি মুগ্ধ হৈছিল। সি যি কি নহওক, ইয়াৰ শাসনাধীন এলেকাত বিস্তাৰ হৈ থাকিল। এই ভাষা সিন্ধুৰে ভাৰততো প্ৰবেশ কৰিলে, টিউনিচৰ বাটেৰে ইউৰোপৰ স্পেনতো গৈ স্থান গ্ৰহণ কৰিলে। তাৰ পিছত 'আব্দুল্লাহ আছ-ছাফ্‌ফাহে' যেতিয়া ইৰাকত তেওঁৰ ৰাজ্য পাতিলে, তেতিয়া আগতকৈ বেছি উল্লাসেৰে ইয়াৰ অভিনন্দন জনোৱা হল। ইয়াৰ ভনী ফাৰ্চি ভাষাৰ পৰা আৰবী ভাষাই কোমলতা কামনীয়তা আৰু শৃঙ্গাৰ ৰস ললে। 'আব্দুল্লাহ বিন মোকাফ্‌ফাই' ইয়াক সৰলতাৰ পাঠ দিলে, 'আবু তাম্মামে' বুদ্ধিমানীৰ শিক্ষা প্ৰদান কৰিলে, 'মাতা নব্বীয়ে ইয়াক যাদুৰ দৰে প্ৰকাশ ভংগীৰ অলৌকিকতা দিলে, 'আবুল আতাহিয়া'ই ইয়াক মানৱতা আৰু পৱিত্ৰতা শিকালে আৰু 'আবুল আলা অ'ল-মাআৰবী' এ ইয়াক গভীৰতা আৰু দৰ্শন অৱগত কৰিলে। এনেকৈ ই নতুন নতুন ৰং ৰূপত সু-সজ্জিত তথা প্ৰবাহিত হৈ উঠিল।

ইয়াৰ উন্নতিত ইছলাম ধৰ্ম্মৰ বৰঙনি অতুলনীয়, কাৰণ ইছলাম ধৰ্ম্মৰ ভেটি এই ভাষাত। কোৰআন, ফিক্‌হ, তাফচীৰ, হাদিছ আৰু আন আন ধৰ্ম্মীয় শিক্ষাৰ উৎস আৰবী ভাষাই। সেই কাৰণে প্ৰত্যেক মুছলমানে ইয়াক শিকিছিল, পঢ়িছিল। তেওঁ লোকৰ লিখাৰ মাধ্যম ও এই ভাষা আছিল। ইছলাম ধৰ্ম্মৰ বিস্তাৰৰ লগে লগে এই ভাষা ভাষীৰ সংখ্যাও বৃদ্ধি হবলৈ ধৰিলে। গ্ৰীকৰ দৰ্শনৰ অনুবাদে ইয়াক তৰ্ক শক্তি প্ৰদান কৰিলে, সংস্কৃত ভাষাৰ গ্ৰন্থৰ অনুবাদ বোৰে ইয়াক গভীৰতা আৰু গোপনীয়তা দিলে। ইয়াৰ পিছত যেতিয়া আব্বাচী পৰিয়ালৰ মাজত ৰাজশক্তিৰ কাৰণে কাজিয়া পেচাল আৰম্ভ হল আৰু খলিফা সকলৰ শক্তি লোপ পাবলৈ ধৰিলে. লগতে বাগদাদৰ সংস্কৃতি, গৌৰৱ ধ্বংস হবলৈ ধৰিলে, তেতিয়া এই ভাষাই তাৰ নতুন ঠাই বিচাৰিলে কিয়নো চিৰিয়াত ই হালাব ( Allepo ) ৰ দৰবাৰত গৈ উপস্থিত হল আৰু তাৰ সন্মান বৃদ্ধি কৰিলে, কাইৰো আহিলে আৰু কাতিমী খলিফা সকলৰ দৰবাৰৰ পোহৰ স্বৰূপ হল। স্পেনত ৭৩৬ খৃঃ প্ৰবেশ কৰিছিল গৈ। গতিকে স্পেনবাসীয়ে ইয়াক 'মোৱাচছাহ' আৰু 'জাজল' বুলি অলংকাৰেৰে অলংকৃত কৰিছিল, লগতে ইয়াৰ অন্যান্য ৰূপ প্ৰদান কৰিছিল। যি বোৰ ঠাইত আৰবী ভাষা নাছিল সেইবোৰ ঠাইতো বৰ উৎসাহেৰে স্থান পাবলৈ সক্ষম হ'ল, উদাহৰণ স্বৰূপে ইৰাণী এটা এনেকুৱা জাতি যিয়ে নিজক এৰিয়ান (আৰ্য্য) বুলি গৌৰব বোধ কৰে. সেই কাৰণে তেওঁলোকে তেওঁলোকৰ সংস্কৃতি আৰু ভাষাক ৰক্ষনাবেক্ষন দি আহিছে। যেতিয়া আৰববাসী সকলে তেওঁলোকৰ ৰাজ্যত বিজয় লাভ কৰি তেওঁলোকক দাসত্ব গ্ৰহণ কৰিবলৈ বাধ্য কৰালে, তেতিয়া তেওঁলোকে বিজয়ী সকলৰ ধৰ্ম্ম গ্ৰহণ কৰিলে। ধৰ্ম্মৰ লগে লগে আৰবী ভাষাও গ্ৰহণ কৰিবলৈ তেওঁলোকে বাধ্য হ'ল। ৬৪৮ খৃঃ পৰা ৮১৪ খৃঃলৈ আৰব সকলৰ অধীনত থকাৰ কাৰণে আৰবী ভাষাৰ লগত এটা এনেকুৱা সম্বন্ধ স্থাপিত হ'ল তাৰ পিছত তেওঁলোকে তেওঁলোকৰ বহু যত্ন কৰা স্বত্তেও সেই সম্বন্ধ চ্ছেদ কৰিব নোৱাৰিলে। একমাত্ৰ এয়াই নহয় যে আৰবী তেওঁলোকৰ ভাষাত প্ৰবেশ

কৰিলে বৰং ইৰাণী সকলে আৰবী সাহিত্যত যি বৰঙণি আগবঢ়ালে অৰ্থাৎ আৰবী সাহিত্যত প্ৰখ্যাত বুৰঞ্জীবিদ, 'মুফাচছিৰ' ব্যাকৰণবিদ, 'মোহাদ্দিছ, দাৰ্শনিক, আইনবিদ, সাহিত্যিক আৰু কবিসকলৰ ইমান দীঘলীয়া সূচী আছে যাৰ অধ্যয়ন নকৰিলে আৰবী সাহিত্যৰ অধ্যয়ন সম্পূৰ্ণ হব নোৱাৰে। তাৰ পৰা কিছুমান নাম দিয়া হল যেনে—আব্দুল্লাহ বিন আল মোকাফ্‌ফা, ইমাম আবু হানিফা, ছীবৈহ, বাচচাৰ বিন্ বুৰ্দ, আবু নোৱাছ, ইবনু কোতাইবা, তাবৰী, ইমাম বুখাৰী, ইবনে মাজা, তিৰমিজী, মুছলিম, ৰাজী, ইবনে ছীনা, আছছাআলিবী, আল-বেৰুণী, আল গাজ্জালী, আল-জেমাখচাৰী আদি। এনেদৰে স্পেনতও ইবনে আবদে ৰাববিহি, ইকহুল ফাৰিদ, ইবনে হানী আল-আনহুলুছী, ইবনে জাইদুন, ইবনে খাফাজা আৰু লিছানুদ্দিন বিন আল-খাতিব আদিৰ দৰে লিখক আৰু কবি সৃষ্টি কৰিলে। আমাৰ দেশ ভাৰতও এই ক্ষেত্ৰত পিছ পৰি নৰ'ল বৰং ইয়াতো ধৰ্মীয় শিক্ষাৰ বাহিৰে আৰবী সাহিত্য আৰু কবিতাৰ প্ৰতি সদায় আগ্ৰহ আছিল, উদাহৰণ স্বৰূপে খোৱাজা নিজামুদ্দিন আউলিয়া (ৰাঃ) ক হাৰীৰীৰ ৫০টা 'মাকামাত' মুখস্থ আছিল। পিছৰ শতাব্দীত প্ৰখ্যাত সাহিত্যিক 'কামুছ'ৰ লিখক মোহাম্মদ কি ৰোজাবাদী, 'তাজুল আৰুছ'ৰ লিখক চৈয়দ মোৰতুজা আল-জোৱাইদী, চৈখ আব্দুল হক মোহাদ্দিছ, নাৱাব ছিদ্দিক হাচান খান, মাউলানা চিবলী নোমানী আদিয়ে আৰবী ভাষা সাহিত্যলৈ প্ৰচুৰ বৰঙণি আগবঢ়াইছে।

বহুদিন ধৰি জনপ্ৰিয়তা অৰ্জন কৰাৰ পিছত হঠাৎ এই ভাষাই বিপদৰ সন্মুখীন হব লগাত পৰিছিল। হালাগু খানে বাগদাদত আক্ৰমণ কৰিলে। মছজিদ মাদ্ৰাছা, পুথিভঁৰাল আদি বহু অনুষ্ঠানত অগ্নি সংযোগ কৰি দিয়া হল বা নষ্ট কৰি দিয়া হল আৰু লগতে ১২৫৮ খৃঃ আৰব সকলৰ প্ৰতিপত্তিৰ অন্ত পৰিল। আৰবী ভাষা এই বিপদ সহ্য কৰিব পৰা নাছিল যে ইয়াৰ আন এটা কেন্দ্ৰ স্পেনও ধ্বংস হল আৰু ১৪৯১ খৃঃত এই ভাষা স্পেনৰ পৰা বহিস্কৃত হল, লগতে আৰবসকলৰ ৰাজত্ব সম্পূৰ্ণ ভাবে লোপ পালে এনে ধৰণে এই ভাষাই এটা বিপদৰ পিছত আন এটা বিপদক আকোৱালি লব লগা হল।

ছেঙ্গিজখানৰ অত্যাচাৰ আৰু উৎপীড়নৰ পিছত ইছলামী শাসন 'মমলুক'ৰ হাতলৈ আহিল। তেওঁলোকে কাইৰক তেওঁলোকৰ ৰাজধানী পাতিলে। এওঁলোকে তুৰ্কীৰ দাস আছিল। এওলোকৰ শাসনকাল ১২৬০ পৰা ১৩৮১ খৃঃলৈকে আছিল। ইয়াৰ পিছত 'ছাৰকাছি' বা 'বুৰজী' মমালিকৰ শাসনকাল ১৩৮২ পৰা ১৫১৬ খৃঃলৈকে চলিছিল। এওঁলোকেও তেওঁলোকৰ ভাই-ককাই মমলুকৰ দৰে তুৰ্কী জাতিৰ আছিল। এইটো স্পষ্ট যে এওঁলোকৰ ভাষা আছিল তুৰ্কী, তথাপিও এওঁলোকেও আৰবী ভাষাক সুবিধা দিছিল যিহেতুকে এওঁলোকে নিজেও আৰবী গ্ৰহণ কৰি আৰবী সাহিত্যিক সকলক উৎসাহিত কৰিছিল, কিন্তু আৰবী ভাষা সেই স্থান পাবলৈ সক্ষম নহল যিটো ত'ক নিজা আৰববাসী সকলে প্ৰদান কৰিছিল। সি যি কি নহওক, 'ছাৰকাছি' মমলুকক পৰাস্ত কৰি ওচমানি তুৰ্ক সকলে শাসন আৰম্ভ কৰিলে। এওঁলোকে ১৫১২ খৃঃ ইৰাণ ১৫১৬ত চিৰিয়া আৰু ১৫১৭ খৃঃত মিচৰত জয় লাভ কৰিলে। ওচমানি সকলৰ আগমনৰ পিচত আৰবী ভাষাৰ মূল্য আৰু প্ৰয়োজনও নোহোৱা হল, যিহেতুকে এওঁলোকে 'আস্তানা'ক ৰাজধানী আৰু তুৰ্কী ভাষাক চৰকাৰী ভাষা হিচাবে স্বীকৃতি দিলে। যদি আল্লাহ তাআলাই আৰবী ভাষাক



চিৰযুগময়ী কৰাৰ সিদ্ধান্ত নহলহেতেন, তেন্তে বাহ্যিক উপকৰণবোৰ এনেকুৱা আছিল যে এই ভাষাও তাৰ ভনী ভাষাবোৰৰ লগত বিলীন হৈ চিৰদিনৰ কাৰণে লোপ পালেহেতেন। সেই সময়ত দুটা বস্তুই তাক সংৰক্ষণ কৰিলে তাৰ প্ৰথমটো হ'ল পৱিত্ৰ কোৰআন আৰু দ্বিতীয়টো 'আল-আজহাৰ বিশ্ববিদ্যালয়'। যেতিয়ালৈকে ইছলাম ধৰ্ম্ম ভূ-পৃষ্ঠত থাকিব, তেতিয়ালৈকে কোৰআনও থাকিব, মুছলমান সকলে ইয়াক পঢ়িয়েই থাকিব। কাৰণ মুছলমান সকলৰ জীৱন এই গ্ৰন্থখনৰ লগতে জড়িত, লগতে এইখনৰ পৰাই তেওঁলোকে দুনিয়া আৰু ধৰ্মীয় সমস্যাৰ সমাধান পায়। সেই কাৰণে সেই সময়তো বিচাৰ আৰু ইনচাফৰ খাতিৰত কোৰআন, হাদিছ আৰু এই শিক্ষা সম্পৰ্কীয় জ্ঞানৰ আৱশ্যকতা আছিল, লগতে মুছলমান শাসক সকলে সদায় এই শিক্ষাক উৎসাহিত কৰিছে, তেওঁলোকে যিকোনো বংশৰ বা জাতিৰে নহওক। সেয়েহে ওচমানি চুলতান সকলেও, সীমিত ভাবে হলেও এই ভাষাৰ উন্নতিকল্পে উৎসাহ প্ৰদান কৰিছিল।

ফাতেমী খলিফা "আল মুইজ বিল্লাহ"ৰ সেনাধিনায়ক জৌহৰ ছাকলিয়ে মিচৰত বিজয় লাভ কৰাৰ পিচত ৯৭২ খৃঃত কাইৰ'ত নগৰ আৰু মছজিদ সজালে, ফাতেমী সকলে যিহেতু "ছিয়া" সম্প্ৰদায়ৰ লোক আৰু তেওঁলোকৰ বংশৰ হজৰত ফাতেমা (ৰাঃ)ৰ লগত সম্বন্ধ আছিল কাৰণে তেখেতৰ উপাধি "আজ জাহৰা"ৰ পৰা এই মছজিদৰ নাম তাল-আজহাৰ ৰাখিলে। এই মছজিদৰ লগে লগে তেওঁলোকে ছিয়া সম্প্ৰদায়ৰ ধৰ্মীয় শিক্ষা প্ৰচাৰৰ কাৰণে এখন মাদ্ৰাছাও স্থাপিত কৰিলে আৰু ইয়াৰ উন্নতিকল্পে তেওঁলোকে বিশ্ববিখ্যাত পণ্ডিত সকলক তালৈ আমন্ত্ৰণ কৰি একত্ৰিত কৰিলে, তেওঁলোকে নমাজৰ পিছত ধৰ্ম্মৰ শিক্ষা প্ৰদান কৰিছিল। ১১৭১ খৃঃত যেতিয়া আইউবীয়ে মিচৰত বিজয় লাভ কৰি ফাতেমী সকলৰ শাসন অন্ত পেলালে, তেতিয়া তেওঁ ছিয়া সম্প্ৰদায়ৰ শিক্ষা প্ৰচলন বন্ধ কৰি তাত "ছুন্নী" সম্প্ৰদায়ৰ শিক্ষা আৰম্ভ কৰিলে, লগতে আৰবী ভাষা আৰু সাহিত্যৰ এটা নতুন শাখা মুকলি কৰিলে। তাৰ পিছত মমলুক চুলতান সকলেও এই মাদ্ৰাছাত গুৰুত্ব দিলে। গতিকে এই শিক্ষাৰ সূৰ্যাই আৰবী ভাষাৰ শৰীৰত 'আত্মা' প্ৰদান কৰিলে। আৰু এই ভাষাক কোনো প্ৰকাৰে জীৱিত কৰি ৰাখিলে। ওচমানি খলিফা সকলে এই অনুষ্ঠানৰ-প্ৰতি একো চকু নিদিলে গতিকে এইখন পুৰণি ধৰণে চলি থাকিল। কিন্তু লাহে লাহে এই অনুষ্ঠান অকৰ্মণ্য হৈ পৰিল।

তাৰ পিছত ১৭৯৮ খৃঃত নেপোলিয়নে মিচৰত আক্ৰমণ কৰিলে। ইয়াৰ আগতে আৰবী ভাষাত যিবোৰ সাহিত্য ৰচনা কৰা হৈছিল, সেইবোৰ "মোকদ্দমা বিন খালদুন"ৰ বাহিৰে গতানুগতিক আছিল। নেপোলিয়নৰ সৈন্য নতুন নতুন শিক্ষা-দীক্ষা আৰু অস্ত্ৰৰে সু-সজ্জিত আছিল। সেই কাৰণে মিচৰ বাসীয়ে চিন্তা কৰিবলৈ বাধ্য হ'ল যে নতুন শিক্ষাৰ বাহিৰে তেওঁলোকে বাহিৰাগত শক্তিৰ মুখামুখী হব নোৱাৰে। নেপোলিয়নে তেওঁৰ লগত প্ৰেছ (ছাপাখানা) আনিছিল, লগতে তেওঁৰ লগত ইঞ্জিনিয়াৰ, ডাক্তৰ, সেনা বিশাৰদ, বিদ্বান আৰু শিক্ষক আদিৰো এটা দল আছিল। তেওঁলোকে নতুন শিক্ষা গোটেই মিচৰত প্ৰচাৰ কৰিলে। লগতে আৰবী ভাষা আৰু সাহিত্যৰ এটা নতুন অধ্যায় মুকলি কৰিলে। এই কাল আৰবী সাহিত্যত এটা বিপ্লৱৰ সূচনা হল। সাহিত্য জীৱনৰ ওচৰ চাপিলে, সমাজ, ৰাজনীতি আৰু অৰ্থনীতিৰ লগত প্ৰত্যক্ষ ভাবে সম্বন্ধ স্থাপিত হল। গতিকে গঠনমূলক সাহিত্য ৰচনা হবলৈ ধৰিলে, গতানুগতিক আৰু অস্থিৰতাৰ কাল শেষ হ'ল আৰু

আৰবী ভাষাৰ উৰ্দ্ধগতি আৰম্ভ হ'ল। এই ভাষাত নতুন নতুন ব্যাখ্যা আৰু চিন্তাধাৰা প্ৰবেশ হবলৈ আৰম্ভ কৰিলে। ইউৰোপিয়ান ভাষাৰ শব্দ, ভাব আৰু ব্যাখ্যাবোৰ আৰবী ভাষাত অনুবাদ কৰা হ'ল। প্ৰকাশ ভংগী সহজ আৰু সৰল হল। শব্দৰ কৃত্ৰিমতা নোহোৱা হ'ল। ভাবৰ ওপৰত গুৰুত্ব দিয়া হ'ল। নতুন নতুন বিষয় বস্তু প্ৰবেশ কৰিলে। উপন্যাস, নাটক, চুটি গল্প, বৰ্ণনামূলক আৰু বুৰঞ্জী মূলক কবিতা ৰচনা আৰম্ভ হ'ল। আৰু আজি আৰবী ভাষাই বিশ্বৰ বিভিন্ন উন্নতিশীল ভাষাৰ লগত ফেৰ মাৰিবলৈ সক্ষম হৈছে। আমি আশা কৰো যে ইয়াৰ শক্তি দিনে দিনে বাঢ়ি গৈ থাকিব আৰু ই বিভিন্ন ৰঙৰ ফুলেৰে ফুলি বিশ্ববাসীক সুবাসেৰে মোহিত কৰিব। ●

# ॥ চিলনী ॥

মূল—সুকান্ত ভট্টাচাৰ্য্য
অনুঃ—ধীৰেণ শৰ্ম্মা, স্নাতক ১ম বাৰ্ষিক

বাটত যাওঁতে যাওঁতে হঠাৎ দেখিলো:
ফুট পাথত এটা মৰা চিলনী;
চমকি উঠিলো তাৰ কৰুণ বীভৎস মূৰ্ত্তি দেখি
বহু ওপৰৰ পৰা যিয়ে এই পৃথিবীলৈ চাইছিল
লুণ্ঠনৰ অবাধ উপনিবেশ,
যাৰ তীক্ষ্ণ দৃষ্টিত কেৱল আছিল
তীব্ৰ লোভ আৰু ছোঁ মৰাৰ দস্যু প্ৰবৃত্তি—
তাক দেখিলো, ফুট পাথত মুখ গুজি পৰি থকা।
গম্বুজ শিখৰত বাস কৰিছিল এই চিলনী,
নিজকে জাহিৰ কৰিছিল সুতীক্ষ্ণ চিঞৰেৰে,
নীলা আকাশৰ মলয়া বতাহত দেউকা 'মেলি দিছিল
বহুতকে এৰি, অকলে:
পৃথিবীৰ পৰা বহু ওপৰত।
বহুতে আজি নিৰাপদ,
নিৰাপদ এন্দুৰৰ পোৱালীবোৰ আৰু খাদ্য দাতত প্ৰস্ত পথচাৰী
নিৰাপদ—কাৰণ আজি সি মৃত।
আজি আৰু কোনো নাই ছোঁ মাৰিবলৈ,
সিয়ে পেলাই দিয়া উচ্ছিষ্টৰ নিচিনা
সি পৰি থাকিল ফুট পাথত,
শুকান, শীতল, বিকৃত দেহে।
হাতত যাৰ আছিল প্ৰাণ ধাৰণৰ খাদ্য
বুকুত সযত্নে চেপি ধৰা—
সিহত আজি আগুৱাই গ'ল নিৰ্ভয়ে;
নিষ্ঠুৰ বিদ্ৰূপৰ নিচিনা পিচত পেলাই
আকাশ-চ্যুত এটা উদ্ধত চিলনীক। ●



# মই জেললৈ যোৱাৰ পিচত

মূল—নাজিম হিক্মত
অনুঃ—কুমুদ চন্দ্ৰ শৰ্ম্মা
প্ৰাক—দ্বিতীয় বাৰ্ষিক

জেললৈ আহিছিলো মই কাহানিবাই
তাৰ পিচত সূৰ্য্যক পৃথিবীয়ে প্ৰদক্ষিণ কৰিছে দহবাৰ।
পৃথিবীক যদি সোধো,—সি কব—
"একোই নহয়
অনুমাত্ৰ কাল।"
মই কম—
"মোৰ জীৱনৰ দহোটা বছৰ"
যি বছৰত জেললৈ আহিছিলো
এডাল পেন্সিল আছিল
লিখি লিখি এসপ্তাহো নেলাগিল ক্ষয় কৰোতে
পেন্সিলক যদি সোধা হয় সি কব—
"সম্পূৰ্ণ জীৱন এটি"
মই কম—
"ইমাননো আৰু কি,
মাথো এটি সপ্তাহ।"
যেতিয়া জেললৈ গৈছিলো
হত্যাকাৰী ওচমানে
কিছুদিন মুক্তি পালে
তাৰ পিচত
কলা বজাৰীৰ দায়ত
ঘূৰি আহি ছয় মাহ জেল খাটি
আকৌ মুক্তি পালে
কালি তাৰ চিঠি পালো, বিয়া হ'ল তাৰ
অহা বসন্তত সন্তানৰ মুখ দেখিব সি।

---

কবি পৰিচয়:—নাজিম হিক্মত এই শতাব্দীৰ তুৰস্কৰ সকলোতকৈ প্ৰিয় কবি। বিশ্ব শান্তি সংসদে তেখেতক শান্তি পুৰস্কাৰ দি সন্মানিত কৰিছিল। জন্ম ১৯০২ চনত। নাজিম হিক্মতৰ জন্ম সম্ভ্ৰান্ত পৰিয়ালত হলেও জীৱনৰ আৰম্ভণীৰে পৰা তেখেতে দেশৰ কোটি কোটি জনসাধাৰণৰ মুক্তি সংগ্ৰামত নিজক লিপ্ত কৰিছিল। তেখেতে কৈছিল—"মোৰ ককাদেউতা আছিল পাছা, দেউতা আছিল উচ্চ পদস্থ ৰাজ কৰ্ম্মচাৰী আৰু মই হলো কমিউনিষ্ট।" আৰু মুক্তি সংগ্ৰামত লিপ্ত হোৱা অভিযোগতেই আমেৰিকাৰ দালাল তুৰস্ক চৰকাৰে তেওঁক ৫৬ বছৰ জেল দিছিল —যি আছিল তেওঁৰ বয়সতকৈও অনেক বেছি।

# পৰিশোধিত ৰক্ত

শ্ৰীঅপৰ্ণা দত্ত
২য় বাৰ্ষিক স্নাতক মহলা

স্মিতা এতিয়া সুখী। তাইৰ অকণো আক্ষেপ নাই এই সাধাৰণ সৰল জীৱন যাপনৰ বাবে। তাই এতিয়া মুক্ত। অশোকহঁতৰ শ্ৰেণীটোৰ চিন্তা কৰিবলৈ এতিয়া আৰু তাইক কোনেও বাধা দিব নোৱাৰে। অশোকৰ লগত শোষিত জনৰ কাম কৰাত স্মিতাৰ বাবে কোনো বাধাৰ প্ৰাচীৰ নাই। স্মিতাৰ হাঁহি কান্দোন, খং-অভিমান, সুখ-দুখৰ প্ৰতিটো গতিৰ লগতে বান্ধ খাই আছে অশোক।

মেজিষ্ট্ৰেটৰ ছোৱালী স্মিতাই শিক্ষয়িত্ৰীৰ কাম কৰি সিহঁতৰ সংসাৰখন চলায় অতি সাধাৰণভাৱেই উচিত দাবীতেই এদিন অশোকৰ চাকৰি গল। চাকৰি এৰি দেশৰ হকে, সমাজৰ হকে, শ্ৰমিক কৃষকৰ মুক্তিৰ হকে অশোক কামত লাগি পৰিল। তেওঁৰ লগত একে পথৰ পথিক হ'ল স্মিতা।

বি, এচ, চি, ফাইনেল আৰম্ভ হবৰ কেইদিনমান আগৰে পৰা বেমাৰী পিতাক মহীধৰ শয্যাগত হ'ল। চিকিৎসাৰ বাবে ধনৰ অভাৱ হোৱাত সামান্য দামতে যিখিনি মাটি আছিল তাকো বিক্ৰী কৰি হস্পিটালত থলে পিতাকক। যদিও অশোকে ভৰামতে 'আলচাৰ' হোৱা দেউতাক আৰু মৃত্যু শয্যাৰ পৰা উঠি নবহিল। লগে লগে ঘৰৰ সমস্তবোৰ দায়িত্ব আহি পৰিল অশোকৰ মূৰৰ ওপৰত। অজিত ৰকৱাই এনে বিপদত সামান্য সহায় কৰি তেওঁক যথেষ্ট সকাহ দিলে। কোনো পথ নেদেখি পৰীক্ষা দি উঠিয়েই অশোকে গাৱতে শিক্ষকতা আৰম্ভ কৰি দিলে।

*　　*　　*

এদিন গধূলি শশীধৰে তেওঁৰ পুৰণি দিনৰ সহপাঠী হলিৰামৰ ঘৰত উপস্থিত হ'ল। হলিৰামে পুৰণি বন্ধুক লগ পাই আথে-বেথে বহিবলৈ দি ধপাত এগিলা আগবঢ়াই দিলে। ধপাতখিনি লৈ শশীধৰে মাত লগালে—হেৰা, শুনিছানে ল'ৰাটোৰ কথা। ওচৰ পাজৰৰ গাৱৰ পৰা ল'ৰা-ছোৱালী কেইজনমান গোটাই লৈ মিটিং কৰি ফুৰি আৰু মুখীয়াল জনৰ দ্ৰোহ আচাৰি নিজেই নিজৰ চাকৰিটো খেদালে। সংসাৰখনৰ দায়-দায়িত্বৰ কথা নভবাই হৈছে যেন পাওঁ, ল'ৰাটো একেবাৰে নষ্ট হলহে।

ঃকাৰ কথানো কৈছে? হলিৰামে সুধিলে।

ঃশুনা নাই নেকি? "কাৰ কথানো হব আকৌ সেই অশোকৰ কথাকে কৈছো।"

ঃকি হ'ল? "কিবা অঘটন ঘটালে নেকি?



কোনোবা অজিত নামৰ লৰা এটাৰ লগতেই চোন বেছিকৈ ঘূৰি ফুৰা দেখো।"

ঃকলেজত পঢ়োতে বোলে কোনোবা ডাঙৰ মানুহৰ ঘৰৰ ছোৱালীৰ লগত পিৰিতি কৰিছিল। এতিয়া শুনো সেইজনীক বোলে বিয়া কৰাইহে এৰিব। ইফালে চাকৰিটোও এৰিলে।

ঃচাকৰিটোৰ আকৌ কি লেথা লাগিল।

ঃনকবাহে সেইবোৰ। এমাহ মান আগতে ইয়াৰ পৰা ল'ৰা কিছুমান লৈ গৈ টাউনত কিবা 'ইচ্‌-টাইক' কৰিছিল নহয়—।

ঃবস্তুৰ দাম কমোৱা, মাটি হীনক মাটি দিয়া এইবোৰ হেনো কিবা-কিবি দাবী কৰিছিল চৰকাৰ খনৰ ওচৰত। হলিৰামে শশীধৰৰ কথাৰ মাজতে এইখিনি কলে।

ঃস্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰো হেনো গৈছিল। ইফালে হেড মাষ্টৰৰ বিৰুদ্ধেও বাতৰিত কিবা লিখিছিল। এইবোৰ কৰি থকা দেখি কমিটিয়ে তাক কামৰ পৰা খেদালে।

ঃএ! হয় নেকি? লৰাটো পিছে পঢ়োৱাত বৰ ভাল আছিল দেই। সেই কাৰণেই মোৰ সৰু লৰাটোৱে আৰু গাৱৰ লৰা ছোৱালী বোৰেও তাক বৰ ভাল পায়।

ঃহেৰি বৰ. এইবোৰ বহুত কথা। হালধিবাৰীৰ কেইজন মানে গৈ ওপৰৱালাক লাগি-ভাগি চাকৰিটো যেনিবা ৰাখিলে। ৰাখিলে কি হব, এতিয়া শুনো সি হেনো চাকৰি নকৰে, এৰি দিছে। সাহস বেছি হৈছে। এতিয়া চাকৰি নকৰিলে চলিব কেনেকৈ? মুখিয়াল জনৰ দোষ খুচুৰী থাকিলে কিয় তেনে মানুহক চাকৰিত ৰাখিব। মাক-ভনীয়েকৰ কথা ভাবিবলৈ এৰি সাহ দেখুৱাইছে। দুখো লাগে বেচেৰালৈ!

ঠিকেই কৈছে দিয়ক— ধপাত খিনিও মোহা এটা মাৰি হলিৰামে শশীধৰৰ কথাত সমৰ্থন জনালে। গাৱৰ লৰা বোৰক লৈ দিনে নিশাই মিটিং পাতিব, ইচ্‌টাইক কৰিব। সিদিনা মৌজাদাৰৰ মুখতহে শুনিলো সিহঁতে হেনো ধৰ্ম্ম-কৰ্ম্মও একো নেমানে। সিহতৰ কথা হ'ল কিবা বোলে শাসন ব্যৱস্থাৰ পৰিবৰ্ত্তন লাগে। কিবা জমিদাৰী খতম কৰিব লাগে। কওতে কথাবোৰ বেয়া কোৱা নাই। পিছে গুৱাহাটীৰ পৰা অহা সেই সম্পৰ্কীয় অজিত দাদাকটোৰ কাৰণেই সি ইমানকৈ বাঢ়িছে যেন পাও। সেই দিনা গোটেই সোপা গৈ কুমাৰ পাৰাতো বোলে কৃষক সভা এখন পাতিছিল। শুনিছো মৌজাদাৰৰ মানুহৰ লগতো কিবা এখন হকা-থকা লাগিছিল। আমাৰ বুঢ়া কেইজনমানো সিহতৰ লগ লাগিছে—শশীধৰে কলে!

জানো ইহত মথাই কি কৰিব খুজিছে। হলিৰামে উত্তৰ দিলে।

প্ৰধান শিক্ষকৰ লগত হোৱা অশোকৰ আদৰ্শগত বিৰোধৰ কথা সেই অঞ্চলত কাৰো অবিদিত নহয়। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ নামত অহা বৃত্তিৰ টকা স্কুল ভাল কৰাৰ নামত পোৱা এই সকলোবোৰ টকা বুদ্ধিৰে হাত কৰি লৈ টাউনত বৰ বৰ ঘৰ বান্ধি ভাড়াত দিলে। বৰ জীয়েকৰো বিয়াখন ধুমধামকৈ পাতিলে সেই সুযোগতে। অশোকে সেইবোৰৰ প্ৰতিবাদ জনালে। বাতৰি কাকতটো সেই বিষয়ে প্ৰকাশ কৰিলে। অশোকৰ দোষ হল, কিয় প্ৰধান শিক্ষকৰ কামৰ প্ৰতিবাদ কৰিলে আৰু নিৰ্ব্বাচনত এটা বিৰোধী দলক সমৰ্থন জনালে। প্ৰধান শিক্ষকৰ চেলা-চামুণ্ডা বিলাকে লগ লাগি অৱশেষত চাকৰিটোই খেদালে।

পিছত স্কুল পৰিদশকে আশোকক পুনৰ কামত নিয়োগ কৰিবলৈ আহ্বান কৰিছিল। কিন্তু তেওঁক অবৈধ ভাবে বৰ্খাস্ত কৰাৰ কাৰণে পৰিচালনা

কমিটি আৰু হেড্‌মাষ্টৰৰ ওপৰত কোনো বিচাৰ নকৰিলে পুনৰ চাকৰি নকৰে বুলি লিখি দিলে। গাৱৰ ডেকাবোৰে তেওক ইস্তফা পত্ৰ উঠাই লবলৈ কোৱাতো তেওঁ মান্তি নহ'ল। তেওঁৰ মতে এই দুৰ্নীতিবোৰ বন্ধ কৰি গোটেই ৰাষ্ট্ৰযন্ত্ৰটোকে সলনি কৰিব লাগিব। স্কুলত চাকৰি কৰি থাকিলে হয়তো নিৰৱছিন্ন ভাবে এই কাম কৰাতো অসম্ভৱ হব। সেয়েহে সময়ৰ আহ্বানক সহাৰি জনাই অশোকে স্কুলৰ পৰা বিদায় ললে। বি-এছ-চি পাছ কৰি ঘৰখনক ৰক্ষা কৰাৰ ওপৰিও সেই চাকৰিৰ যোগেদি পচা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ এদল সৈনিক গঢ়াৰ আৰু আদৰ্শ গত ভাবে সিহঁতক নতুন শিক্ষা দিয়াৰ মনোভাবত তেওঁ চাকৰিত সোমাইছিল। এদিন তিনিটা প্ৰাণীৰ জীৱনৰ দায়িত্ব লৈ অশোকে চাকৰিত সোমাইছিল আৰু আজি ওলাই আহিছে এখন আদৰ্শগত সমাজ নিৰ্ম্মাণৰ বাবে। আনুষ্ঠানিক ভাবে এদিন তেওঁ স্কুলৰ পৰা বিদায় ললে যদিও. ক্ষন্তেকৰ কাৰণে হলেও তেওঁৰ মনটো সেমেকি উঠিছিল সেই ছাত্ৰ-ছাত্ৰীবোৰৰ কাৰণে।

স্মিতাই অশোকক উৎসাহ দিলে। স্মিতাই কথা দিলে তেওঁৰ জীৱন সংগী হৈ তেওঁৰ সৰু সংসাৰখন চলাব আৰু অশোক লাগি পৰিব দুখীয়া শ্ৰমিক কৃষকৰ মুক্তিৰ কাৰণে।

০ ০ ০

ঃ শুনিছো তুমি হেনো বিয়া কৰাবা ? অজিতে সুধিছিল।

ঃ বিয়া কৰাম ? কাক ? অশোকে ওলোটাই প্ৰশ্ন কৰিলে।

কিয় সেই যে স্মিতা হাজৰিকা। তোমাতকৈ এক ক্লাচ তলত পঢ়া, সেই মেজিষ্ট্ৰেটৰ ছোৱালী-জনী। অজিতে কলে—

ঃ অশোকে তেওঁৰ মুখলৈ চালে।

"মানুহৰ জীৱনলৈ প্ৰেমৰ বান আহে অশোক। কিন্তু মনত ৰাখিবা মেজিষ্ট্ৰেট অভিজিত হাজৰি-কাৰ জীয়ৰী স্মিতা। কিমান মানুহক ঠগি ঠগি মাটি—সম্পত্তি কৰি লৈছে তুমি জানাই আৰু এজন মানুহৰ বাবে প্ৰেমেই সকলো নহয়। প্ৰেম সাগৰত বুৰ গৈ পাহৰি নাযাবা যে তেনে ভণ্ড শোষক বোৰৰ বিৰুদ্ধেই আমাৰ সংগ্ৰাম আৰু পাহৰি নাযাবা স্মিতাৰ তেজতো অভিজিত হাজৰিকাৰ তেজ বৰ্ত্তমান।"

ঃ স্মিতা ভাল ছোৱালী অজিত।

ঃ স্মিতাক বেয়া বুলি মই কোৱা নাই। মাথো তাইৰ মনটোৰ হে আমূল পৰিৱৰ্ত্তন হব লাগে। এক আদৰ্শত বিশ্বাসী হব নোৱাৰিলে তোমাৰ ভাল পোৱাযে বিষময় হব, অশোক।

তলৰ ক্লাচৰ ছাত্ৰী হলেওঁ একেখন কলেজতে পঢ়ি অহা স্মিতাৰ মৰম সনা মুখখন আৰু সংগ্ৰামী মনটোৰ স্মৃতি সজীৱ হৈ উঠিল অশোকৰ মনত। এজন ভণ্ড বদমাচৰ ছোৱালী হলেও স্মিতাৰ আছে শুদ্ধ এটি চিন্তা। সংগ্ৰামী জনগণৰ মুক্তিৰ সংগ্ৰামত তাইৰ আছে গভীৰ আস্থা।

তাইৰ সুপ্ত সংগ্ৰামী মনটোত আছে অপৰি-সীম সাহস আৰু ধৈৰ্য্য। অথচ তাই লম্পট হাজৰিকাৰ ছোৱালী। খাব নোপোৱাৰ মুখত এমুঠি অন্ন দিয়াৰ কাৰণে হাহাকাৰ কৰি উঠে তাইৰ মন।

কিন্তু তথাপিও অশোকৰ মনটো মাজে-সময়ে দুৰ্ব্বল হৈ উঠে। কাৰণ তাই যে 'শোষক' হাজৰিকাৰ ছোৱালী। জীৱনৰ সংগ্ৰামী পথত যদি স্মিতা অতীষ্ঠা হৈ পৰে, যদি বিশ্বাস ঘাটকতা কৰিবলৈ ওলায়, যদি তাই সংগ্ৰামী পথত ভাগৰি পৰে!

সেইদিনা মিটিং এখনৰ পৰা ঘূৰি আহোতে অশোকে সুধিয়েই পেলালে—'তুমি জানো পাৰিবা



স্মিতা এটা দুখীয়া পৰিয়ালৰ সুখ-দুখৰ সমভাগী হবলৈ ! মোৰ যে কেতিয়াবা ভয় লাগি যায়— স্মিতা !

ঃ অহ্‌! স্মিতা যেন বিৰক্ত হৈ উঠিল। তুমি নুবুজা কিয় অশোক। হাজৰিকাৰ ছোৱালী হলো বুলিয়েই জগৰ লাগিল নেকি ? ময়োতো তোমাৰ আদৰ্শৰ সমাজখনেই বিচাৰিছো। ময়োতো তাৰেই সপোন দেখো।

এৰা এজন দুখীয়া কৃষকৰ লৰাক ভাল পাব পৰা সাহস স্মিতাৰ আছে আৰু তাই মনে-প্ৰাণে আদৰি লৈছে আদৰ্শক। হঠাতে এদিন স্মিতাই নিজৰ ঘৰত অশোকৰ সৈতে থকা সম্পৰ্কৰ কথা কৈ পেলালে। যদিও বহু দিনৰে পৰা তাইৰ ভালেমান কথা হাজৰিকাই গমপাই আহিছিল, তথাপি তেওঁ বিশ্বাস কৰিব পৰা নাছিল যে স্মিতাৰ ভাল পোৱা ইমান দূৰ শিপাইছে। সেয়ে স্মিতাৰ নিজ মুখেৰে ইমানবোৰ কথা শুনাৰ পিছত হাজ-ৰিকা অত্যান্ত কঠোৰ হৈ পৰিল। কাৰণ তেওঁ জানে যে সেইখন সমাজত তেওঁৰ মান-সন্মান, প্ৰতি পত্তি যথেষ্ট আছে। তেনে ক্ষেত্ৰত তেওঁৰ দৰে এজন লোকৰ ছোৱালী হৈ স্মিতা সামান্য এজন হাল-ছিলা ভিকহুৰ তাত যাব, এইটো কেতিয়াও হব দিব নোৱাৰে। সেয়েহে হাজৰিকাই খঙতে মুখত যি আহে তাৰে গালি পাৰিব ধৰিলে। আৰু আনকি এটা সময়ত তেওঁ স্মিতাক এই দৰে সকিয়াই দিলে যে এই চৰৰ লগত যদি আজিৰ পৰা কোনো ধৰণৰ সম্পৰ্ক ৰাখ তেন্তে ঘৰৰ পৰা ওলাই যাবি আৰু যদি এইখন ঘৰত থাকিব বিচাৰ তেন্তে এই ঘৰৰ সমপৰ্য্যায়ৰ মানুহৰ লগতহে সম্পৰ্ক ৰাখিব পাৰিবি। স্মিতাই দেউতাকৰ পৰা কোনো দিনে এনে ধৰণৰ কথা শুনি পোৱা নাই। সেয়ে স্মিতা অতি অধৈৰ্য্য হৈ পৰিল। এফালে দেউ-তাকৰ কঠোৰ মুখৰ বাক্য বাণ আনফালে মহান আদৰ্শ আৰু অশোকৰ মৰমৰ আহ্বান। বহুতো ভাবি-চিন্তি এটা সময়ত তাই ঘৰৰ পৰা ওলাই গ'ল। স্মিতা গ'ল সচা। কিন্তু হাজৰিকাই কল্প-নাও কৰিব পৰা নাছিল যে নিজৰ ছোৱালী হৈ স্মিতাই দেউতাকৰ গালিত অধৈৰ্য্য হৈ ঘৰৰ পৰা ওলাই যাব। হাজৰিকা মহা বিপাঙত পৰিল। কি কৰা যায়! হেজাৰ হলেও নিজৰ ছোৱালী। পিচদিনাৰ পৰা গোটেই অঞ্চলটোতে এটা বিৰাট হৈ-চৈ লাগি পৰিব। অৱশ্যে মুখৰ আগত কোনেও একো নকয়। কাৰণ ধনী-মানী মানুহ সকলোৱে সমীহ কৰি চলে।

স্মিতা গল অনিশ্চিত এক ভবিষ্যত মূৰৰ ওপৰত লৈ। এইদৰে গৈ গৈ স্মিতা এটা সময়ত অশোকৰ ঘৰ পালে। সেইদিনা অজিতে মানুহ কেইজন মানৰ আগত শ্ৰেণী সংগ্ৰামৰ কথা বুজাই আছিল। অশোকৰ ঘৰতে সেইদিনাৰ মিটিংখন অনুষ্ঠিত হৈছিল। হঠাতে স্মিতা গৈ অশোকক সাৱটি ধৰি হুক্ হুক্‌কৈ কান্দি সকলোবোৰ কথা বিবৰি কলে। কৃষক সভাৰ মানুহ কেইজনো বেদনাতুৰ হৈ উঠিল। অশোক বাকৰুদ্ধ হৈ পৰিল।

অজিতে মানুহ কেইজনৰ আগত কৈ গ'ল এইযে মহিলা গৰাকীৰ কান্দোন সেয়াও শ্ৰেণী সংগ্ৰামৰেই ফলশ্ৰুতি। স্মিতাৰ বাপেকৰ শ্ৰেণী চৰিত্ৰই স্মিতাৰো শ্ৰেণী চৰিত্ৰ হব নোৱাৰে। সেয়েহে স্মিতাই বাপেককো পৰিত্যাগ কৰি আমাৰ মাজত ঠিয় হৈছেহি। এইযে শ্ৰেণী সংগ্ৰাম, ই চলিবই। ই অৱধাৰিত। ইয়াক আৰু তীব্ৰতৰ কৰিহে তুলিব লাগিব। অশোক আৰু স্মিতাৰ মনৰ মিল আছে। আজিৰ পৰা দুয়ো এক হৈ সৰ্ব্বহাৰা শ্ৰমিক কৃষকৰ হৈ কাম কৰি থাব। অৱশ্যে বিয়া খনেই তেওঁলোকৰ প্ৰেমৰ সৰ্ব্বশ্ৰেষ্ঠ ৰূপ দান হব নোৱাৰে। কামৰ মাজেৰেই তেওঁলোকে তেওঁলোকৰ ভাল পোৱাক ৰূপায়িত কৰিব লাগিব। +

# মৌখিক সাহিত্যত এভুমুকি

ডিম্বেশ্বৰ বৰুৱা
স্নাতক মহলা (অনার্চ)
২য় বার্ষিক

প্ৰত্যেক সমাজৰে পৰিমাৰ্জিত ৰূপৰ সাহিত্য থকাৰ দৰে সেই সমাজৰে অপৰিমাৰ্জিত অথচ সাহিত্য সৃষ্টিৰ গাথনি স্বৰূপ আন এটি ঠাল আছে। এই ঠালটোৰ চৰ্চ্চা চলে হোজা গাৱলীয়া জন-সমাজত। মুখে মুখে পৰম্পৰাগত ভাবে চলি অহা এইবিধ আপুৰুগীয়া সম্পদক সাহিত্যিক মনীষি সকলে জন-সাহিত্য অথবা মৌখিক সাহিত্য নাম দিছে—সাহিত্যিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা গণনা কৰি। সাহিত্য কলমে কাগজে বিকাশ হোৱাৰ আগছোৱাত যদিও ই মানুহৰ জ্ঞানৰ পৰিধি বঢ়োৱাতে ব্যস্ত আছিল তথাপি লিখিত ৰূপ নোপোৱালৈকে ইয়াৰ শিশুৰূপ ত্যাগ কৰিব পৰা নাছিল। অসমীয়া সাহিত্য আজি যদিও বিভিন্ন অলংকাৰেৰে পত্ৰে পুষ্পে বিকশিত হৈ উঠিছে, তথাপি ইয়াৰ ভেটি স্বৰূপ মৌখিক সাহিত্যৰ লগত ইয়াৰ সম্পৰ্ক আজিকোপতি অক্ষুন্ন হৈ আছে। অকল অসমীয়া সাহিত্যতে নহয় পৃথিৱীৰ বিভিন্ন সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে মৌখিক সাহিত্যৰ বিষয়ে সবিশেষ জনা যায়। অদ্যৱধি জন সাহিত্যই মৌলিক সাহিত্যৰ সৌন্দৰ্য্য বৃদ্ধিত যথেষ্ট অৰিহনা যোগাই আছে—আৰু যে কতকাল এনেভাবে থাকিব তাকে বা নাজানে কোনে ?

জন সাহিত্যই পৌৰাণিক যুগত খ্যাতি লাভ কৰিছিল গীতিময় আৰু কবিতা প্ৰধান হিচাবে। সুৰ বা লয়ৰ যোগেদি এইবোৰে জনসাধাৰণৰ চিত্ত আকৰ্ষণ তথা বিনোদন কৰিব পাৰিছিল। সুৰে মানুহক বলিয়া কৰে আনকি বনৰীয়া পশু-পক্ষীকো। গতিকে মানৱ সমাজত সুৰ বা তাল-মানৰ স্থান সুকীয়া। 'সংসাৰ মৰুত গান সৰোবৰ' কথাষাৰৰ অৰ্থ...ইয়াতেই উপলব্ধি কৰিব পাৰি। প্ৰাচীন জনগনে তেওঁলোকৰ সুখ, দুখ, হৰ্ষ-বিষাদ, কামনা বাসনা; প্ৰাকৃতিক শোভাৰাজিৰ বৰ্ণনা আদি এজনৰ পৰা আন এজনলৈ বিনিময় কৰিছিল কবিতাৰ মাধ্যমেদি। আত্ম প্ৰচাৰ আৰু আত্ম প্ৰকাশৰ হেপাহে মানুহক যুগে যুগে উদ্বুদ্ধ কৰি আহিছে আৰু ভবিষ্যতেও থাকিব। সেয়েহে আদিম বৰ্ব্বৰ যুগৰে পৰা এতিয়ালৈকে অৰ্থাৎ সভ্যতাৰ উচ্চ শিখৰ প্ৰাপ্ত যুগলৈ প্ৰতিভাৰ বিস্তাৰত মানুহ সদায় ৰত।

এই জন সাহিত্যৰ যোগেদিয়ে পোন প্ৰথমে সাহিত্যৰ সোণ পথাৰত সিচি গৈছিল আমাৰ উত্তৰ পুৰুষ সকলে নব্য সভ্যতাৰ বীজ। সেই বীজ এতিয়া পুৰঠ হ'ল ; তাৰ পৰা আকৌ অনেক নতুন বীজৰ সৃষ্টি হ'ল—গজালি ওলাল, লগে লগে সাহিত্য কানন গছে-পাতে ৰমক-জমকহৈ উঠিল। আমাৰ সাহিত্য বিচাৰকৰ কিছুমানে এই গীতবোৰক আখ্যা দিছে—'প্ৰকৃতিৰ প্ৰতি সজাগতা বা সহজ বৃত্তিমূলক কবিতা বুলি। আকৌ আন একোজনৰ দৃষ্টিত এইবোৰেই হৈ পৰিছে 'আপোনা-আপুনি ৰচিত আদিম সঙ্গীত'।

মুঠতে জন সাহিত্যই যে শীৰ্ষস্থান লাভ কৰিবৰ বাবে সক্ষম হৈছে তাক নুই কৰিব নোৱাৰি। অসমীয়া লোক সাহিত্যতো এইষাৰ কথাৰ সাৰ্থকতা উপলব্ধি কৰা যায়। অৱশ্যে এইটো স্বীকাৰ্য্য যে এই প্ৰাচীন গীত সমূহ আহৰি কৰোতে নিৰক্ষৰ জন সমাজত কিছু ৰীতি অবলম্বন কৰিব লগীয়া আছিল। যধে মধে সেই বোৰ গোৱা নহৈছিল। ক্ৰমবিবৰ্ত্তনৰ মাজেদি মুখ বাগৰি এইবোৰ সাহিত্য বিভিন্ন অৱস্থাৰ মাজেদি বৰ্ত্তমান যুগৰ দুৱাৰ-দলিত থিয় দিছেহি। ৰচকৰ নাম নাইকিয়া লৌকিক সাহিত্যবোৰৰ ৰচনাৰ সময় নিৰূপন কৰাটো সহজ সাধ্য নহয়। যিহেতু এই সাহিত্যৰ উৎস এখন সমাজত আৰু ৰচনাকাৰী সমাজখনো অন্য এক বেলেগ সমাজ। পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ মাজেদি মৌখিক সাহিত্যই নিজৰ স্বকীয় বৈশিষ্ট্য তথা ৰূপ বদলোৱাটো ধ্ৰুৰূপ। সেয়েহে চহাজীৱনত প্ৰতিফলিত এইবোৰ লোকগীতক দশম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত চলিত অসমীয়া ভাষাৰ প্ৰকৃত বুলি কবৰ সাধ্য নাই। মৌখিক সাহিত্যৰ বিভিন্ন ধাৰা তলত দেখুৱা ধৰণে বিভাগ (Division) কৰিব পাৰিঃ—




সাহিত্যিক মনীষি সকলে এই লোকগীতবোৰক একোখন দাপোণৰ লগত তুলনা কৰিছে। কিয়নো এইবোৰতে মানৱ সমাজৰ সকলো প্ৰতিবিম্বৰ প্ৰতিফলন ঘটিছে। নিৰক্ষৰ লোকসমষ্টিৰ অন্তৰৰ ভাল

পোৱা, হাঁহি কৌতুক, ব্যঙ্গ আদিৰ ইয়াতেই সংমিশ্ৰন ঘটিছে। লিখা-পঢ়া নজনা মানুহবোৰৰ কাব্যিক বৰ্ণনা যে ইমান অনুভূতি প্ৰবণ আৰু চিত্তৰঞ্জক হৈ উঠে, ভাবিলে বিস্ময় জাগে। "এই গীতবোৰৰ একোটিৰ মাজতে একোখন জগত সোমাই আছে, যেন এটি পাত্ৰৰ মাজত এখন মহাসমুদ্ৰ। এই গীতবোৰ একোজনী অলংকাৰ বিহীন আপোনাৰ স্বাভাৱিক সৌন্দৰ্য্যৰে সৌন্দৰ্য্যৱতী সজীৱ ৰূপহী ছোৱালী।" এই লোকগীতবোৰত দুই এটা লক্ষণ বিশেষ ভাবে পৰিলক্ষিত। যেনে—(ক) বৰ্ত্তমান কাব্যৰ লিখকৰ দৰে লোকগীতবোৰত ৰচকৰ নাম পাবলৈ টান।

(খ) ভাৱ অনুভূতি আৰু ৰচনা প্ৰণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য। এই গীত মাতবোৰৰ লগত আধুনিক সাহিত্যৰ ঘোৰ শত্ৰুতা দেখা যায়।

বিষয়-বস্তু তথা ৰচনা ভঙ্গীৰ ফালৰ পৰা অসমীয়া লোক সাহিত্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি।

১) লোকগীত

২) ফকৰা-যোজনা বা পটন্তৰ বা প্ৰবচন।

৩) সাধুকথা বা উপকথা।

লোকগীত সমূহক তিনিটা শ্ৰেণীত বিভাজন কৰা হৈছে। তাৰ ভিতৰত আখ্যানমূলক, অনুষ্ঠানমূলক আৰু বিবিধ বিষয়ক। 'বিবিধ বিষয়ক'ৰ ভিতৰত দেহবিচাৰৰ গীত, নাও খেলোৱা গীত, আই নাম ধাই নাম, হালবোৱা গীত, গৰখীয়া নাম, মহখেদা গীত, ফকৰা-যোজনা ইত্যাদিয়ে প্ৰধান।

অনুষ্ঠান মূলক—

বিহুগীত—বিহু অসমীয়া জাতিৰ আদৰৰ ধন। তিনিটা বিহুৰ ভিতৰত ৰঙালী বিহুতেই উৎসৱ বেছি হয় আৰু এইটোৰেই অসমীয়াৰ বং বহইচৰ বিহু। বিহুৰ এমাহ আগৰে পৰা প্ৰকৃতি ৰাণীয়ে পুৰণি আভৰণ ত্যাগ কৰি নতুন সাজেৰে সুশোভিত হৈ উঠাৰ লগে লগে অসমতো বিহুৰ উজান উঠে। ডেকা-ডেকেৰী নাকি চিগা মহৰ দৰে উতনুৱা হৈ পৰে, তেওঁলোকৰ মন হৈ পৰে 'কমোৱা তুলাৰ দৰে।' বনত হৰিণাই কান্দে, বিৰিখত কান্দে বিৰহী কুলি। অসমৰ পথাৰ-সমাৰৰ মাজে মাজে বাটে পোৱালি মেলিবলৈ লয়, চাৰিওফালে শুনা যায় ছাগলীৰ ছালৰ হেম্বেলনি। প্ৰকৃতি দেৱী ৰঙে-ৰসে ভৰপুৰ হৈ পৰাৰ লগে লগে ডেকা-গাভৰুৰ সাচতীয়া যৌৱনে মূৰ ডাঙি উঠে। এজনে আনজনক হিয়া মন সমৰ্পি যৌৱনৰ জুইকুৰা নুমাবৰ উপক্ৰম কৰে।

সেয়েহে ডেকা ডেকেৰী উভয়ে নিশা নিৰিবিলি ঠাইৰ গছৰ তলত বিহু পাতেগৈ। মনৰ উদ্দাম দমাব নোৱাৰা বিহু বলীয়া ডেকাই গাভৰুহতক লক্ষ্য কৰি কয়—

তোমালৈ সিমানটি চেনেহ ঐ চেনাইটি
আনলৈ সিমানটি নাই;
আশা কৰাই কৰাই নিৰাশা কৰিলা
তোমাৰ মান নাৰকী নাই।

'ডেকা-গাভৰুৰ অন্তৰত প্ৰেমৰ সঞ্চাৰ, প্ৰেমৰ বিকাশ, প্ৰেমৰ বিনিময়, প্ৰেমৰ বাটত সমাজৰ বাধা-বিঘিনি, বিৰহ-বিচ্ছেদ, প্ৰেমৰ পৰিণতি আদি গাৱলীয়া পৰিবেশৰ এই গীতবোৰত সুন্দৰ ভাবে প্ৰকাশ পাইছে।' বিহুগীতত অসমীয়া গাভৰুৰ সৌন্দৰ্য্য প্ৰকট হৈ উঠিছে। গাভৰুৰ বুকু পদুমৰ চকা'ৰ দৰে, ককাল খামুচীয়া, ডালিমৰ গুটি হেন দাত, ঘোৰা কানৰ নিচিনা চুলি, পাভ মাছৰ নিছিনা গাল, বুকুখনি 'কুমলীয়া তামোলৰ থোক। গাৱৰ সমাজৰ আচাৰ ব্যৱহাৰ, পুৰণিকলীয়া ৰীতিৰ প্ৰচলন ইত্যাদিও বিহুগীতত পোৱা যায়।



বিয়ানাম—

অসমীয়া সমাজৰ বিয়া এক আনন্দৰ উৎস। ইয়াত ডেকা, বুঢ়া, কেচুৱা প্ৰত্যেকে সমানে তৃপ্ত হব পাৰে। বিয়াগীতবোৰ আয়তীসকলে যধে-মধে নাগায়; সময় আৰু সুবিধা অনুযায়ী বিভিন্ন গীতৰ প্ৰয়োগ প্ৰথাও ভিন্ন। কইনাক জোৰণ দিয়াৰ পৰা আৰম্ভ কৰি—বৰ-কইনা ধুৱাৰৰ সময়ত, দৰা আদৰোতে, পানী তোলাৰ সময়ত, কইনা সমাজলৈ অনাৰ সময়ত আৰু হোমৰ গুৰিত বহোতে বেলেগ বেলেগ গীত গোৱা হয়। দৰাক সাধাৰণতে দ্বাৰকাৰ কৃষ্ণ, ৰামচন্দ্ৰ আৰু কইনাক ৰুক্মিণী, সীতাৰ লগত ৰিজনি দি বিয়া নাম জোৰা হয়। বৰ্ত্তমানে জয়মতী আৰু গদাপানিৰ নামো উল্লেখ আছে। যেনে—'ইৰিণা-বিৰিণা বনৰে হৰিণা, তোমাৰ স্বামী-গুৰু গদাপানিৰ নিচিনা।' গহীন ৰুচিপূৰ্ণ গীতবোৰত 'জ্ঞানৰ পোহৰ পৰা নাই কাৰণেই নামতী সকলৰ চকুৰ আগত ইপাৰ-সিপাৰ বুৰাই টলবল কৰি থকা যমুনাৰ ঢৌ, বাটৰ দুয়োকাষে হালি পৰা কদম-বকুলৰ শাৰী, উজান-ঘাটৰ নৌকা তামৰ কলচী, সৰগত জ্বলি থকা ধূপিতৰা।' আধুনিক নামতী সকলৰ বিয়াগীতত্তকৈ পুৰণি আইতাহতৰ বিয়া নামবোৰত যথেষ্ট গাম্ভীৰ্যতা পৰিলক্ষিত হয়। তাৰ উদাহৰণ—দৈৱকী ডাকয় ৰজনী পুহয় এ,

হাৰে কৃষ্ণ এ—
অ উঠৰে ৰোহিনী বাই অ-ৰাম
দৈৱকী নন্দন কৃষ্ণ এ'।

দ্বিতীয় বিধ গীত প্ৰথম বিধতকৈ বহু পৰিমাণে তৰল। এই বিধ গীতক খিচাগীত বোলা হয়। দৰা-কইনা উভয় পক্ষই উভয় পক্ষক চোকাবান মাৰি গোৱা গীত। বিশেষকৈ 'বামুণ বপুৰা'ৰ অৱস্থা জাক গাভৰুৰ খিচাগীতত অতি শোচনীয় হৈ পৰে। তাৰ নমুনা—

"বামুণৰ ঘৈণাকে পিঠা পুৰ্‌বা নৰে
ঐ ৰাম তেওঁ বামুণ খথতে মৰে হে।
চালৰে কুমুৰা বামুণটো ধুমুৰা
ঐ ৰাম ঘৈণাকটো গোবৰৰ খদাহে ॥"

কেতিয়াবা কইনাৰ ভায়েক বা দৰাৰ ভায়েককো শক্তিশেল মাৰিবলৈ গাভৰুহত সাজু—

বোকাচাল ভিজালাক আধাপিতা,
দৰাথেৰ লাট্‌টোত নাইকা ফিটা।
নাইকা ফিটা নাইকা তেল,
কইনাৰ ভাকটো তেল কিন্‌বা গেল।
তেল কিন্‌বা যাওঁতে নেনিলা টকা;
ৰঙিয়াৰ কায়েনী ৰাখিলা ধোকা।
অ হে কায়েনী কি কল্লু তোক,
ডেৰ তেলেদি ভুলালি মোক।

কইনা শহুৰীৰ ঘৰলৈ যাবৰ পৰত সকলোৰে মুখত এটি শোকৰ ছাঁ পৰে। এটা কৰুণ সুৰে আটাইজনৰে মন অৱৰোধ কৰে। আত্মীয় স্বজনে নিজৰ জীয়ৰিৰ প্ৰস্থানত আকুলি-ব্যাকুলি ক্ৰন্দন কৰে, চকুৰ পানীৰে বাট নেদেখা হৈ পৰে। তেতিয়া ছোৱালীহঁতে গাই—'অ মন তগৰ, আজি সুদা হব বানৰে নগৰ।' এনেদৰে হাহি ধেমালি, কান্দোনেৰে একোখন বিয়াৰ সামৰণি পৰে।

আইনাম—গাৱত বা ঘৰত যেতিয়া বসন্ত ওলায় তেতিয়া এই ৰোগৰ উপশমকৰ্ত্ত্ৰী দেৱীৰ উদ্দেশ্যে আমাৰ গাৱলীয়া জন সমাজে সাত গৰাকী আইৰ নামত নৈবেদ্য আগবঢ়াই তুতি-নতি কৰে। এই গীতবোৰ অসমীয়া নাৰী সমাজে দেৱীক মাতৃজ্ঞান কৰি নিজৰ আন্তৰিক শ্ৰদ্ধা ভক্তিৰে দেৱীৰ উদ্দেশ্যে প্ৰণিপাত জনায়। তাৰ নমুনা—

আয়ো আহিলা আসনে বহিলা
সবাৰে মনতে ৰং হৰি এ
শুকুলা বস্ত্ৰে আসন পাৰি দিছো

মোৰে নাই বহু ধন হৰি হে।

উক্ত আই নামবোৰত ফুলবাৰীৰ দেওঘৰ, পিচলাৰ ঘাট আৰু কামাখ্যা দেৱীৰ নাম উল্লেখ আছে। আইক দুখীয়াৰ ত্ৰানকৰ্ত্তা দয়ালী আখ্যা দিয়া হয়—

দুখীয়াৰ পুতলা আয়ে তুলি দিলে
আইৰ মান দয়ালী নাই।
আইৰ নাম শীতলা দুখীয়াৰ পুতলা
দি যোৱা বুকু জুৰাই॥

ধাইনাম—ধাই নামবোৰক থোৰতে শিশু ওম লোৱা গীতো বুলিব পাৰি। এই গীতবোৰৰ জৰিয়তে শিশু নিচুকোৱা হয়। প্ৰত্যেক শিশুৰ মনত এই কোটিকলীয়া পুৰণি গীতবোৰ সদায় নতুন। বহু সাহিত্যিকৰ ৰচনাৱলীত শিশুৰ চৰিত্ৰ অঙ্কিত হৈছে। এই গীতবোৰত গাৱলীয়া শিশুসকলৰ সকলো ৰূপ প্ৰতিফলিত হৈছে। শিশুৰ গাত ভগবানৰ অস্তিত্ব ন্যস্ত কৰি দৰাচলতে কবি Wordsworth য়ে সিহতক 'মহান প্ৰফেট' আখ্যা দিছে। শিশু সদায় অনুকৰণ প্ৰিয়, কল্পনাপ্ৰিয়! আৰু কিন্তু যুক্তি প্ৰিয় নহয়। মাকে যেতিয়া আকাশৰ জোনক মোমাই সম্বোধন কৰি ভাত, গাখীৰ আৰু মাছ খুজি মোমায়ে কলৈ চিঠি লিখিবলৈ কয় তেতিয়া সিহতে তাকে সচা বুলি বিবেচনা কৰে। ঘৰুৱা কামত ব্যস্ত মাকক যেতিয়া অবুজন শিশুৱে আহুকালত পেলাই; মাকে তেতিয়া সিহতক ভুকুকাবলৈ চেষ্টা কৰে। অন্ধকাৰ ৰাতি কান্দি থকা শিশুক নিচুকাবলৈ আগৰ দিনৰ ধাই মাকে গাইছিল—

শিয়ালী এ নাহিবি ৰাতি।
তোৰে কাণে কাটি লগামে বাতি॥
চাকি নুমাল বাতি নুমাল
ৰাপাই দেখে আন্ধাৰ
দুৱাৰ মুখত বহি আছে মলুৱা বান্দৰ॥

তাহানি জগতৰ পতি শ্ৰীকৃষ্ণক টোপনি থেদাব নোৱাৰি মাক যশোদা বৰ বিমোৰত পৰিছিল। দুষ্ট শিশু কৃষ্ণক টোপনিত পেলাবলৈ যশোদাৰ মনত তেতিয়া এক কাল্পনিক 'কাণখোৱা'ৰ সৃষ্টি হৈছিল। মাতৃ যশোদাৰ সেই 'কাণখোৱা' গীতৰ আৰ্হিকেই অনুসৰণ কৰি বোধকৰো জনসমাজত ধাই নামৰ প্ৰচলন হৈ আহিছে। কাণখোৱাৰ নাম শুনি কৃষ্ণৰ গাৰ নোম শিয়ৰি উঠিছিল।

ঘুমুটি যায়োৰে অৰে কাণাই
হৰে কাণখোৱা আসে;
সকল শিশুৰ কাণ খাই খাই
আসই তোমাৰ কাহে।

অদ্যবধি শিশু নিচুকাবলৈ মাকহতে গাই—"আমাৰে মইনা শুব এ, বাৰীতে বগৰী ৰুব এ, বগৰী সৰিব, মইনাই বুটলি খাব।" কল্পনাৰ মাধুৰ্য্যতা এই গীতবোৰৰ শ্ৰেষ্ঠতম বৈশিষ্ট্য। আকাশৰ তৰা, জোনবাই, সুৰুয, প্ৰকৃতিৰ গছ-গছনি ইত্যাদিয়ে এই গীতবোৰত যথেষ্ট বৰঙণি আগ বঢ়াইছে।

আখ্যানমূলক গীত:—অসমীয়া সাহিত্যৰ আখ্যানমূলক গীত সমূহক তিনিটা শাখাত ভাগ কৰিব পাৰি।

১) বুৰঞ্জীমূলক
২) জনশ্ৰুতিমূলক
৩) কাল্পনিক

বুৰঞ্জীমূলক গীত সমূহৰ ভিতৰত বদন বৰফুকনৰ গীত, চিকণ সৰিহৰ গীত, নাহৰৰ গীত, জয়মতী কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, বুঢ়া গোহাইৰ গীত আৰু বৰচা কুঁৱৰীৰ গীত আদিয়েই প্ৰধান। হৰদত্ত-বীৰদত্তৰ গীতত এনেদৰে কোৱা আছে—

হৰদত্তৰ জীয়ৰি পদুম কুৱৰী
ধনৰাত নাখালে ভাত;



কুমেদান বঙালে হাতত ধৰি নিলে
বঙালে মাৰিলে জাত।

সাহিত্যৰ ক্ষেত্ৰত এই (Ballad) বা মালিতাবোৰেই আটাইতকৈ পুৰণি। এই গীতবোৰত অতিৰঞ্জন, অতি প্ৰাকৃত, দুঃসাহসিকতাৰ কাহিনী, যুদ্ধক্ষেত্ৰৰ লোমহৰ্ষক বৰ্ণনা পোৱা যায়। বেলাডত সাধাৰণতে ৰচকৰ নাম পোৱা নাযায় আৰু এই গীতবোৰত মৌখিক ভাবে জনসমাজত চলিত হৈ আহিছে। বৰ্ত্তমানে এইবোৰ গীত ছপা কৰি পঠণীয় হোৱাত অসমীয়া সাহিত্যৰ শোভা বৃদ্ধি পাইছে। মালিতাবোৰৰ ৰচনাভঙ্গী সহজ সৰল। ইয়াত পোৱা যায় সংলাপৰ ব্যৱহাৰ, আকস্মিক সংযোগ আৰু অবাঞ্চিত ঘটনাৰ অৱতাৰণা। এনেবোৰ উপাদানে মালিতাবোৰত নাটকীয়ত্ব দান কৰা দেখা যায়। বেলাডবোৰৰ ভিতৰত নাহৰৰ গীতেই সৰ্ব্ব প্ৰাচীন আৰু মণিৰাম দেৱানৰ গীত অতি সৰ্ব্বাচীন। নাহৰৰ গীত সমূহৰ নমুনা এনেধৰণৰ—

ৰাঙলি মদাৰৰ পাত মোৰ নাহৰ ঐ
ৰাঙলি মদাৰৰ পাত;
এইনো মাজনিশা আহিলি নাহৰ ঐ
থালি কি নাখালি ভাত।

নাহৰৰ গীতত নাহৰ আৰু বুঢ়ীমাকৰ কথোপকথন মন কৰিবলগীয়া। লগৰীয়াৰে সৈতে মহং বেহাবলৈ যোৱা নাহৰৰ আসন্ন বিপদৰ আশংকাত নাতিয়েক আকলুৱা বুঢ়ীমাক অতাৰ্ঠ হৈ পৰিছে। সেয়েহে নাতিয়েকক মহং বেহাবলৈ যাবলৈ বুঢ়ীয়ে বাধা দিছে—

মিচিমি দেশলৈ নাযাবি চেনাই ঐ
মিচিমি অকৰা ঠাই,
অকৰা মিচিমি ফকৰাই কাটিব
তোৰ লগত কান্দোতা নাই॥

এনেবোৰ কৰুণ ৰসাসিক্ত গীতত ঐতিহাসিক পুৰুষজনৰ প্ৰতি সহানুভূতি সততে দেখা যায়। মণিৰাম দেৱানৰ গীতবোৰতো কৰুণ ৰসৰ আভা দেখা যায়। মণিৰাম দেৱানৰ ফাচীৰ সময় উপস্থিত হোৱাত এটি শোকৰ ছা পৰা যেন অনুমান হয়। সেয়েহে এই গীতবোৰত পোৱা যায়—

মাৰে কান্দিলে ইননি-বিননি
ভায়েৰে কান্দিলে হৈৰ,
বাৰীৰ পিছফালে ঘৈণীয়ে কান্দিলে
হাততে কটাৰী লৈ।

জনশ্ৰুতি বা কিম্বদন্তীৰ ভেটিত ৰচিত গীতবোৰৰ ভিতৰত মণিকোৱৰৰ গীত, জনা গাভৰুৰ গীত, কমলাকুৱৰীৰ গীত, ফুলকোৱৰৰ গীত আদিয়েই উল্লেখযোগ্য। এই মুখ বাগৰি অহা গীতবোৰত একোটা সুসংবদ্ধ কাহিনী পোৱা যায়। শংকল দেউ ৰজাৰ পুতেক আছিল মণিকোৱৰ। তেওঁ ঘোৰাত উঠি গৈ কাচনমতী কুৱৰীক বিবাহ কৰায়। বৰ বৰুৱাৰ ৰূপহী কুৱৰী কাচনমতীয়ে 'সোণৰ কাকৈৰে মূৰ ফণিয়াওতে কোৱৰৰ নিলে মন হৰি।' সেয়েহে কুৱৰীৰ বিৰহত মণি কোৱৰ ৰোহ ঘৰত পৰে আৰু দেউতাকে বাধাবিঘিনি অতিক্ৰম কৰি কোৱৰৰ মানসী প্ৰতিমা আনি দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়—

চকুৰে মণি মণিধৰ কোৱৰ মোৰ
কিনো বৰ কথাটি কলা,
কেকুৰি দোলাতে কাচনক আনিমে
খাবলৈ লৰ ধৰ কৰা।

দুৰ্ভাগ্য বশতঃ যোল্ল বছৰত ভৰি দিওতেই অজলা মণিকোৱৰক নৈত গা ধুবলৈ যাওতে জলকুৱৰীয়ে হৰণ কৰি লৈ যায়। দেউতাকৰ উক্তিৰ পৰা বুজা যায় মণিকোৱৰ ৰাজহাউলীত সকলোৰে মৰমৰ পাত্ৰ আছিল।

গীতত কোৱা আছে—

অৰি কুমাৰৰে ঘৰি মোৰ দেউতা

অৰি কুমাৰবে ঘৰি,
ই জাবুৰ মাৰোতে ঠানুৰা কোৰৰক
নিলে জলকোৱৰে হৰি ।

মণিকোৱৰৰ পুতেকৰ নাম ফুল কোৱৰ। ফুল কোৱৰে কাঠৰ পথী ঘোৰাত উঠি মালিনীৰ সতে লগ হৈ ৰজাৰ জীয়ৰি পচেতুলীক বিয়া কৰায়। ছুটা ল'ৰা সন্তান জন্ম হোৱাৰ পিছত শুকুলাহাতীয়ে ফুলকোৱৰক পিঠিত তুলি নি শুকুলাহাতীৰ দেশত ৰজা পাতে। অন্য এজন সাউদে পচেতুলীক নি বিয়া কৰায়। সদৌ শেষত ফুল কোঁৱৰ আৰু পচেতুলীৰ পুনৰ্মিলন হয়।

জনা গাভৰুৱে ন শ কোঁৱৰক বিফল কৰাৰ পিছত গোপীচন কোঁৱৰে জনাৰ পৰীক্ষা তিনিটাত উত্তীর্ণ হয় আৰু ছুয়োৰো বিয়া হয়।

কাল্পনিক গীত সমূহ হ'ল কন্যা বাৰমাহী গীত, ছবলা শান্তিৰ গীত, মধুমতীৰ গীত, শান্তি বাৰ মাহীৰ গীত. জয়ধন বনিয়াৰ গীত ইত্যাদি। তদুপৰি পৌৰাণিক কাহিনীৰ আলমত লিখা গীতবোৰ হ'ল ৰামবাৰমাহী, সীতাবাৰমাহী, তাৰা পটেশ্বৰী কন্যা বাৰমাহী। এনে ধৰণৰ গীতবোৰ করুণতাৰে ভৰা আৰু ইয়াত প্রোষিতভর্ত্রী নায়িকাৰ প্রিয় বিৰহৰ বর্ণনা কৰা হয়। বছৰটোৰ বিভিন্ন মাহৰ প্রাকৃতিক পৰিবেশত থাকি প্রবাসী স্বামীসঙ্গৰ পৰা বঞ্চিত নায়িকাৰ বিৰহ যাতনা সচাকৈয়ে দুখময়। সেয়েহে

ৰত্নৰ পালংকত শান্তিৰ নাহিল ঘুমুটি।
অতদিনে সাউদৰ কোৱৰ নাহিল উলটি ॥

এনেবোৰ গীতক বিলাপ গীতি আখ্যা দিব পাৰি। প্ৰিয়াবিৰহত কাতৰ হৈ বিলাপ জোৰা ৰমণীৰ এনে গীত বোৰত অসমীয়া সমাজৰে নহয় সাৰ্বজনীন সমাজৰে চিত্র অংকিত হৈছে।

বিবিধ বিষয়কৰ ভিতৰত প্ৰৱচন, ফকৰা যোজনা আৰু সাথৰ। এই প্ৰৱচনবোৰৰ ভিতৰত শ শ শতিকাজুৰি সঞ্চিত হৈ থকা ধাৰণা জ্ঞানৰ সফুৰাৰ উমান পোৱা যায়। ডঃ নেওগৰ মতে—"আন আন লোক সাহিত্যৰ দৰেই সেই প্ৰবাদ বাক্যও প্ৰজ্ঞাৰ স্বতঃস্ফূর্ত্ত প্ৰকাশ, জীৱনৰ টিপ্পনী। লোক সাহিত্যৰ দৰেই তাৰ প্ৰকাশৰ ৰূপো সৰল। অনেক প্ৰবাদ বাক্যৰে অন্তৰালত প্ৰত্যক্ষভাবেই কিম্বা প্ৰচ্ছন্ন ভাবেই একোটি কথা বা কাহিনী বৰ্ত্তমান। কিছুমানত আকৌ এটি ৰসিকতা বৰ্ত্তমান. কেতিয়াবা সেই ৰসিকতা গ্ৰাম্য দোষ কিম্বা শ্লীলতাৰ সীমা ডেই যায়।"

অসমীয়া সাহিত্যত এই যোজনা পটন্তৰবোৰে এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই-বোৰৰ সৈতে অসমীয়া জাতীয় জীৱনৰ সম্পৰ্ক অধিক গুৰুতৰ। যোজনা পটন্তৰ সমূহৰ পেটতে সোমাই আছে সমাজনীতি, ৰাজনীতি, আচাৰ-বিচাৰ, কৃষি. শিল্প, ৰাজনীতি আদিৰ সাৰুৱা উপদেশ অনুদেশ। 'ইবোৰ বিভিন্ন কালৰ বিভিন্ন ৰুচি আৰু অভিজ্ঞতাসম্পন্ন লোকৰ সুক্ষ্মতম অভি-ব্যক্তি।' কোনো এটা কথা স্পষ্টকৈ বুজাবৰ বাবে আন এটা কথা উপমা দি পটন্তৰ সমূহ প্ৰয়োগ কৰা হয়। যেনে—

কিনো বেটীৰ হিয়া
পোনাটো মাটিত থৈ
গছত উঠিলে কিয়া? (কাঠ আলু)

কৰ্ম্মহীন মানুহে কেতিয়াবা নিজৰ কাম নহলে অযথা একে কামকে উৰাই-বুৰাই কৰে। তাৰো উদাহৰণ এনে ধৰণৰ—

বৰনদীৰ বন নাই খান্দে আৰু পাতে।
বিষয়াৰ বন নাই ভাঙে আৰু পাতে ॥

এনেদৰে এই যোজনা সমূহে নানা বিষয়ক সামৰি লৈছে! সাথৰ বোৰতো বিচক্ষণ লোকৰ জ্ঞান-পটুতাৰ পৰিচয় পোৱা যায়। পৃথিবীৰ অন্যান্য



সমাজৰ মৌখিক সাহিত্যতো এই সাঁথৰ ( Paradox ) বোৰৰ ব্যৱহাৰ আছে। অৰুণাচল অঞ্চলত বস-বাস কৰা চেৰডুকপেন জনজাতি সমূহৰ মাজতো এনে ধৰণৰ সাঁথৰৰ প্ৰয়োগ দেখা যায়। যেনে—

১) ওপৰৰ পৰা মাতিলে আহ আহ বুলি।
তলৰ পৰা উত্তৰ দিলে নাযাওঁ নাযাওঁ বুলি ॥
(বতাহত কপি থকা ঢেকীয়াৰ পাত)

বহুৰঙী গামোচা সিটো।
পৰি থাকে জগত জুৰি ॥ (বাট-পথ)

জনসাধাৰণৰ বাবে এই সাথৰবোৰৰ মূল্য বৰ বেছি। এইবোৰ আওপকীয়া বৰ্ণনাত ৰচকৰ পাণ্ডিত্যতকৈ বুদ্ধি কৌশলৰ আৱশ্যকতা অধিক প্ৰয়োজনীয়।

সাধুকথাবোৰো মৌখিক সাহিত্যৰে এবিধ আপুৰুগীয়া ঠাল। নিৰক্ষৰ জনসাধাৰণ আৰু শিশু সকলৰ মাজত সাধুকথাৰ সমাদৰ বেছি। সাহিত্যৰ ক্ষেত্ৰত সাধুকথা বোৰৰ মৰ্য্যদা কম যেন অনুমেয় হলেও নৃতত্ব আৰু সমাজতত্বৰ অধ্যয়নত এইবোৰৰ উচ্চ মৰ্যাদা আছে। পৃথিবীৰ বিভিন্ন জাতিৰ মাজত এই সাধুবোৰ বিভিন্ন পৰিবেশত সিচৰিত হৈ আছে। সাধুবোৰৰ ধৰাবন্ধা কোনো নিয়ম আৰু ৰূপ নাথাকিলেও ৰচকৰ ৰুচি অনুযায়ী সাধু-কথা বৰ্ণাই যাব পাৰে। মূল ঘটনা একে হলেও ভিন্ন ৰুচিৰ সাধুকওতাৰ মুখত সি অন্যান্য ৰূপ লবই। "প্ৰেম-প্ৰীতি, পিতৃস্নেহ, মাতৃস্নেহ, সপত্নী বিদ্বেষ. অসূয়া ঈৰ্ষা, জীয়াই থকাৰ স্পৃহা আদি আদিম ভাব আৰু অনুভূতি সমূহৰ সৰল আৰু অলৌ-মুকলি প্ৰকাশ সাধুবোৰত দেখা যায়।" অলৌ-কিকতা সাধুকথাবোৰৰ প্ৰাণ স্বৰূপ। তাত মানুহৰ পৰিবৰ্ত্তে অশৰীৰি আত্মা, কদাকাৰ ৰাক্ষস, বান্দৰ, শিয়াল. ভূত-প্ৰেত, যখিনী আদি চৰিত্ৰ নিৰ্ব্বাচন কৰি সেইবোৰৰ জৰিয়তে মানবীয় গুণ দোষ সমূহ উপস্থাপন কৰা হয়। হিতোপদেশ, পঞ্চতন্ত্ৰ, ইছপৰ সাধু আদিত নৈতিকতাৰ আভাস পোৱা যায়। অসমীয়া সাহিত্যত বুঢ়া আইৰ সাধু, ইছপৰ সাধু, ডাৱৰৰ সিপাৰৰ সাধু, নিংনি ভাৱৰীয়াৰ ৰহস্য, গোপাল ভাৱৰীয়াৰ ৰহস্য, জোলোঙাৰ সাধু আদিত হাস্য, কৰুণ ৰসৰ সমাবেশ আছে।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে যদিও সাহিত্যৰ পৰিসৰ দিনক-দিনে বৃদ্ধি হৈ আহিব লাগিছে, তথাপি তাৰে মাজত মৌখিক সাহিত্যৰ স্থান তৰাৰ মাজত চন্দ্ৰৰ দৰে। এই এস্বৰীয়া যন্ত্ৰবোৰ যদিও বীণা যন্ত্ৰলৈ ৰূপান্তৰিত হ'ল তথাপি সেইবোৰেই অসমীয়া সাহিত্যৰ ভেটি স্বৰূপ, যাৰ সাহিত্যিক মূল্যক উলাই কৰা টান। পুৰুষানুক্ৰমে চলি অহা এই লোকগীত সমূহ মুখ বাগৰাৰ পৰা নিজৰ মোট সলাই আজি এটা পূৰ্ণাঙ্গ অৱস্থালৈ পৰিৱৰ্ত্তিত হৈ আমাৰ মাজত ন সাজত ধৰা দিছেহি। নৃত্য-গীতৰ মাজেদিয়েই যৌথ জীৱনৰ আশা, নিৰাশা, প্ৰেম-প্ৰীতি, আনন্দ উৎসৱ ফুটাই তোলাত অসমীয়া সাহিত্য সাগৰত মই লোক সাহিত্যৰ অবদানৰ মূল্য যে কিমান বেচি তাক উশাহতে কৈ থব নোৱাৰি। ইয়াৰ সাহিত্যিক মৰ্য্যদা ভবিষ্যতে আকৌ ন ন সাজত দেখিবলৈ নাপাম বুলি আমি ন দি কব নোৱাৰো। ●

# যাত্ৰী আমি নতুনৰ

মাখনী পাঠক
স্নাতক ২য় বাৰ্ষিক

নতুন পথৰ সন্ধানী দৃষ্টিৰ
নবীন যাত্ৰী আমি
ইপ্সিত আমাৰ
(এক) নতুন পৃথিৱী
সাম্য মৈত্ৰীৰ ।
আজি জাগিছে সৰ্ব্বহাৰা
শোষিত শ্ৰমিক
ৰক্ত পিপাসু ৰক্ত বীজ
ধনীক শ্ৰেণীৰ লৌহ দুৱাৰ
বিচূৰ্ণ কৰি
আমি গৰজি উঠিম
সাম্য মৈত্ৰী
একতাৰ বলেৰে
জয় গান গাম
শোষিত সৰ্ব্বহাৰাৰ ॥



# ॥ যোৱা দুবছৰৰ নোবেল বঁটা বিজয়ীসকল ॥

শ্ৰীজ্যোতিষ চন্দ্ৰ লস্কৰ
প্ৰাঃ বিঃ ২য় বাৰ্ষিক

১৯৭৬ চনৰ নোবেল বঁটা বিজয়ীসকলৰ ভিতৰত সৰ্ব্বশেষ নাম ঘোষণা কৰা হয় সাহিত্যৰ ক্ষেত্ৰত। বিজয়ীসকল সকলো আমেৰিকাৰ। ইতিহাসত এই প্ৰথমবাৰ এখন দেশে একেবাৰতে ইমানবোৰ নোবেল পুৰস্কাৰ পালে। পুৰস্কাৰ বিজয়ীসকলৰ চমু পৰিচয় এনে ধৰণৰ।

## চল বেলো : সাহিত্য

সাহিত্যৰ বাবে সৰ্ব্বসন্মতিক্ৰমে নোবেল পুৰস্কাৰ পালে ঔপন্যাসিক চল বেলোই কোনো বিশেষ কিতাপৰ বাবে নহয় তেওঁৰ জীৱনৰ সাধনাৰ সাহিত্যৰূপৰ বাবে। জীৱনৰ প্ৰতি শ্ৰদ্ধা, মানুহৰ অজেয় আত্মাৰ প্ৰতি সহানুভূতি যেন জয়গীত হৈ তেওঁৰ সাহিত্য দৃষ্টিত সৰব হৈ উঠিছে। বেলোৰ মানুহক বুজাৰ ক্ষমতা আৰু বৰ্ত্তমানৰ সমাজৰ 'সূক্ষ্ম বিশ্লেষণে, বিচাৰক মণ্ডলীৰ মনত চাপ বহুৱায়। তেওঁলোকে চলবেলোৰ সাহিত্য সৃষ্টিক দুটা ভাগত ভগায়। প্ৰথম জীৱনত "ডেঙ্গ্লিং মেন", দ্যা ভিক্টিম, চিজ দ্যাতে, আদি ৰচনাকালত তেওঁৰ লিখনিত মোপাছাঁ, হেনৰী জেমছ, ফ্লব্লাট আদি মাৰ্গ লেখকৰ দৰে অন্তৰালত দ্বন্দ কোনো কোনো সময়ত হিংস্ৰ ভাবে, কিন্তু নাটকীয় ভাবে নহয়—ফুটি উঠা দেখা যায়। দ্বিতীয় অধ্যায় আৰম্ভ হয় ১৯৫৩ চনত প্ৰকাশিত 'দ্যা এডভেন্সাৰাছ' অফ আতি মাৰ্চৰ পৰা, এক যুৱকৰ স্বপ্ন আৰু স্বপ্নভগ্নৰ কাহিনী। ইয়াৰ পিছত প্ৰকাশিত হ'ল 'হেণ্ডাৰছন দ্যা ৰেইন কিং' হাৰজগ, 'যি ছেমলাৰছ, প্লেনট আৰু হামবল্ডটছ গিফট'। ১৯৪৪ চনত 'ডেঙ্গ্লিং মেন' প্ৰকাশিত হোৱা দিনৰ পৰা দেখা গৈছে চলবেলোই 'এন্টিহিৰোৰ' সপক্ষে সদায় থিয় হৈছে। তেওঁৰ ছবিবোৰ যেন এই অস্থিৰ পৃথিবীত স্থিৰতা বিচাৰি ত্ৰিশঙ্কু অৱস্থাত ওলমি আছে। এই অনুসন্ধানত ব্ৰতী হৈ হতাশ হলেও তেওঁলোকৰ বিশ্বাস অটল যে জীৱনত সকলোতকৈও মূল্যবান হৈছে আত্মসন্মানবোধ—অৱশেষত সত্যৰ জয় হয়। ১৯৭৫ চনত প্ৰকাশিত 'হামবল্ডটছ গিফট' এ আমেৰিকাৰ সৰ্ব্বোচ্ছ সাহিত্য পুলিৎজাৰ বঁটা লাভ কৰে।

নোবেল বঁটা পোৱা খবৰটো শুনি মিঃ বেলোই কয়—মই এই সন্মানত অভিভূত হৈছো, কাৰণ বহু মহান সাহিত্যিকে এই বঁটা লাভ কৰিছে। তেওঁৰ চৰিত্ৰত অহঙ্কাৰৰ লেখ মাত্ৰাও নাই। তেওঁ নিজেই এই পুৰস্কাৰ এনেড্ৰেমেলৰ-হেনৰি মিলাৰ আদি সম-সাময়িক সাহিত্যিকৰ প্ৰাপ্য বুলি মত প্ৰকাশ কৰে।

মিল্টন ফ্ৰীডমেন : অৰ্থনীতি

১৯৭৬ চনৰ বাবে অৰ্থনীতিৰ পুৰস্কাৰ বিজয়ী মিলটন ফ্ৰীডমেন আমেৰিকাৰ সু-পৰিচিত অৰ্থ-নীতিবিদ। ডঃ ফ্ৰীডমেনে বিশ্বাস কৰে যে জাতীয় ক্ষেত্ৰৰ সুদৰ হাৰ আৰু আন্তৰ্জ্জাতিক ক্ষেত্ৰত মুদ্ৰাই স্বাধীন ভাবে নিজৰ সমতা বিচাৰি লব পৰা উচিত। ইতিমধ্যে টকা পইচাৰ ডঃ ফ্ৰীডমেনৰ মত প্ৰচলিত হোৱা দেখা গৈছে, কিয়নো আগৰনুৱা দেশবোৰে নিজৰ নিজৰ মুদ্ৰা স্বাধীনভাবে আনৰ্জ্জাতিক ক্ষেত্ৰত বেচা কিনা কৰিব দিছে। 'ভয়চ অব আমেৰিকাৰ লগত এক সাক্ষাৎ প্ৰসঙ্গত ডঃ ফ্ৰীডমেনে মত প্ৰকাশ কৰে যে সকলো দেশৰ লগত মুকলিকৈ বেপাৰ-বাণিজ্য কৰা উচিত আৰু খাদ্যক অস্ত্ৰ হিচাপে কামত লগোৱা উচিত নহয়। অৰ্থ-নৈতিক মতবাদত তেওঁৰ গুৰু হৈছে দুশ বছৰ আগেয়ে 'ৱেলথ অব নেশনচ্' লিখি যোৱা এডাম স্মিথ। ৬৪ বছৰ আগেয়ে নিউ ইয়ৰ্কৰ এক দুখীয়া পৰিয়ালত ডঃ ফ্ৰীডমেনৰ জন্ম। তেওঁ ৰাট গৰছ বিশ্ব বিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ চিকাগো বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পি এইচ ডিগ্ৰী ডঃ ফ্ৰীডমেনে পায় কলম্বিয়া বিশ্ব-বিদ্যালয়ৰ পৰা। কেবাখনো বিশ্ববিদ্যালয়ত তেওঁ অধ্যাপনা কৰিছে। ১৯৪৬ চনৰ পৰা ডঃ ফ্ৰীড-মেনে বহু কিতাপ আৰু প্ৰবন্ধ লিখিছে আৰু যোৱা দহ বছৰ ধৰি বিখ্যাত 'নিউজ উইক' পত্ৰিকাত নিয়মিত ভাবে লিখি আহিছে। তেওঁৰ এখন সুপৰিচিত কিতাপ 'ম্যানিটেৰী হিষ্টী অব ইউনাই-টেড ষ্টেটছ ১৮৬৭-১৯৬০ চন।" এই গ্ৰন্থ তেওঁ আন্নাজে চৱছন চোৱাৰাজৰ সহযোগিতাত লিখে আৰু যিবিলাক কিতাপ তেওঁৰ বিখ্যাত সেইবোৰ হৈছে 'এ থিয়ৰিটিকেল ফ্ৰেমৱৰ্ক অব মানিটাৰী এনালিছিছ (উইলবাৰ কহেনৰ সহযোগিতাত লিখা), 'ছছিয়েল চিকিউৰিটি' আৰু এন ইকনমিষ্টছ প্ৰটেষ্ট। ডঃ ফ্ৰীডমেনৰ পত্নীও এগৰাকী অৰ্থনীতিবিদ আৰু লেখিকা। ১৯৭৩ চনত চিকাগো ইউনাইটেড জুইচ ফাণ্ডে ফ্ৰীডমেনক বছৰৰ শ্ৰেষ্ঠ শিক্ষক সন্মানেৰে অভিষিত কৰে।

ডঃ উইলিয়াম লিপছকম্ব : ৰসায়ন বিদ্যা :—

হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ৫৬ বছৰীয়া ৰসায়ন-বিদ ডঃ উইলিয়ম লিপছকম্ব ৰসায়ন বিভাগত বঁটা লাভ কৰে। বৰণ আৰু হাইড্ৰজেনৰ যৌগিক পদাৰ্থ ব'ৰেণৰে ৰসায়নিক বিশ্লেষণৰ বাবে তেওঁ এই পুৰস্কাৰ পায়। ডঃ লিপছকম্বইক এই সন্মান প্ৰদান কৰি নিৰ্ব্বাচন একাডেমীয়ে ৰসায়নৰ অন্যান্য ক্ষেত্ৰতো তেওঁৰ দানৰ প্ৰসংসা কৰে। ইয়াৰ ভিতৰত এনজাইমৰ গঠন আৰু কাৰ্য্য প্ৰণালী অধ্যয়ন বিশেষকৈ উল্লেখযোগ্য। আন এগৰাকী নোবেল বঁটা বিজয়ী ৰসায়নবিদ ডঃ লাইনাছ পাওলিঙৰ দ্বাৰা প্ৰভাৱিত ডঃ লিপছকম্বৰ গবেষণাই বিষাক্ত আৰু বিস্ফোৰক পদাৰ্থ ব'ৰণক সলনি কৰি এনে এটা যৌগিক পদাৰ্থত পৰিণত কৰিবলৈ সমৰ্থ হৈছে যে এতিয়া ইয়াক মগজুৰ টিউমাৰ বা মানসিক অসুস্থতাৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়। অৱশ্যে কেন্সাৰত ইয়াক ব্যৱহাৰৰ ক্ষেত্ৰ এতিয়াও সীমিত। সেইবাবে ডঃ লিপছকম্বই কয় "মোৰ আচল কাম এতিয়াও বাকী। যোৱা কুৰি বছৰ ধৰি গবেষকজনে ব'ৰণ লৈ পৰীক্ষা কৰি আহিছে। তেৱেঁই প্ৰথম ইয়াৰ গঠন বিশ্লেষণ কৰি আহিছে। তেৱেঁই প্ৰথম ইয়াৰ গঠন বিশ্লে-ষণ কৰি ব'ৰণে স্ফটিক তৈয়াৰ কৰিবলৈ সমৰ্থ হয়। ডঃ লিপছকম্ব কেণ্টাকি বিশ্ববিদ্যালয়ৰ স্নাতক আৰু কেলিফোৰ্ণিয়া ইনষ্টিটিউট অব টেকনোলজিৰ ডক্টৰেট ডিগ্ৰীধাৰী। পত্নী আৰু দুটা সন্তানেৰে তেওঁৰ সুখী পৰিয়াল।

ডঃ বাৰুক ব্লামবাৰ্গ আৰু ডঃ কাৰ্লটন গেডুচেক— চিকিৎসা বিদ্যা :—

পেনছিলভিনিয়া মেডিকেল স্কুলৰ অধ্যাপক ডঃ বাৰুক আৰু নেচনেল ইনষ্টিটিউট অব নিৰ্ডৰ লজিকেল ডিজিজেছৰ অধ্যাপক ডঃ কাৰ্লটন গেডু-চুকে চিকিৎসা বিভাগত যুটীয়াকৈ নোবেল পুৰস্কাৰ পাইছে। সংক্ৰামক ৰোগৰ বীজাণু আবিষ্কাৰত নতুন পদ্ধতি উদ্ভাৱনাৰ বাবে। ডঃ ব্লামবাৰ্গে অষ্ট্ৰেলিয়াৰ আদিমবাসীসকলৰ তেজত 'অষ্ট্ৰেলিয়া' এণ্টিজেন' আবিষ্কাৰ কৰে। (এণ্টিজেন হৈছে এনে এটা ৰাসায়নিক দ্ৰব্য যি শৰীৰত প্ৰতিৰোধক শক্তি গঢ়ি তুলি ৰোগৰ শৰীৰত সোমাবলৈ নিদিয়ে। অষ্ট্ৰেলিয়াৰ আদিমবাসী সকলৰ শৰীৰত থকা এণ্টি-জেন অতি টান ধৰণৰ হেপাটাইটিছৰ (যকৃতৰ ৰোগ) ভাইৰাছৰ লগত একে বুলি প্ৰমাণিত হয়। চুৰিনাম, নাইজেৰীয়া, ছিংগাপুৰ, ভাৰত, মেৰু অঞ্চল আদি বহু ঠাইৰ বাসিন্দাৰ তেজত 'চিৰাম' পৰীক্ষা কৰি ডঃ ব্লামবাৰ্গ এজন চিকিৎসাবিষয়ক নৃতত্ত্ববিদো হৈ উঠে আৰু বেলেগ বেলেগ সমাজ আৰু বংশানুক্ৰমিক কাৰণত কিয় ৰোগৰ প্ৰতি মানুহৰ বেলেগ বেলেগ প্ৰতিক্ৰিয়া হয় তাক পৰীক্ষা কৰিবলৈ ধৰে। তেওঁ এতিয়া এই বিষয়ে অধ্যাপনাও কৰে নিজ বিশ্ববিদ্যালয়ত। নিউইয়ৰ্কৰ ডঃ ব্লাম-বাৰ্গে বায়কেমিষ্ট্ৰীত ডক্টৰেট পায় অক্সফৰ্ড বিশ্ব-বিদ্যালয়ৰ পৰা। তেওঁৰ পৰিয়ালত স্ত্ৰী আৰু চাৰিটা সন্তান।

ডঃ কাৰ্লটন গেডুচেকৰ গবেষণা স্থল হ'ল নিউ-গিনি দ্বীপ। 'কুৰু' নামৰ মৃত্যু বহনকাৰী এক ৰোগৰ কাৰণ কি তাকে অনুসন্ধান কৰিবলৈ তেওঁ তালৈ যায়। তাত তেওঁ দেখে যে অসভ্য জন-জাতি সকলৰ মাজত প্ৰচলিত এক প্ৰথামতে মানুহৰ মগজু ভক্ষণ কৰাৰ ফলত এই ৰোগ হয়। এই আবিষ্কাৰৰ প্ৰভাৱত ভালেমান মৃত্যু ঘটোৱা ৰোগৰ গৱেষণাতো পৰিব। ডঃ গেডুচুক নিউগিণিত বিক্ষিপ কৰিব খোজা এই ভাইৰাছক অন্যান্য লেহেম বা শ্লো ভাইৰাছৰ একে জাতৰ বুলি কয়। এই ভাই-ৰাছবোৰকে স্নায়ু, দুৰ্ব্বলতা, পাৰ্কিনছন ৰোগ আদিৰ বাবে দায়ী বুলি ধৰা হয়। ইহত খুব ক্ষুদ্ৰ বাবে ধৰা পেলোৱা বা ধ্বংস কৰাটো টান। ডঃ গেডুচুকে এতিয়া এই শ্লো ভাইৰাছ লৈ গৱে-ষণা কৰি আছে। জাতত হাঙ্গেৰীয় এই গৱে-ষকজন অবিবাহিত।

11896

ডঃ বাৰ্টন ৰিকটাৰ আৰু চেমুৱেল টিং :
পদাৰ্থ বিজ্ঞান :—

১৯৭৬ চনৰ পদাৰ্থ বিজ্ঞানত কেলিফোৰ্ণিয়াৰ অধ্যাপক ডঃ বাৰ্টন ৰিকটৰ আৰু মাছাছুটেছ ইনষ্টিটিউট অব টেকনোলজিৰ অধ্যাপক ডঃ ছেমুৱেল টিঙে পাইছে এক নতুন প্ৰাথমিক কণা (ইলিমেণ্টৰী পাৰ্টিকল) আবিষ্কাৰৰ বাবে। ডঃ ৰিকটাৰে ইয়াৰ নাম দিছে পি, এছ, আই আৰু ডঃ টিঙে-

ডিছে 'জে'। স্বাধীনভাবে গবেষণা কৰি দুয়োজনে প্ৰায় একে সময়তে ১৯৭৪ চনত এই আবিষ্কাৰ কৰে আৰু ইতিমধ্যে ই পদাৰ্থ বিজ্ঞানৰ ক্ষেত্ৰত এক বিশেষ বিপ্লৱ ঘটাইছে। প্ৰকৃতিৰ সকলোতকৈ ক্ষুদ্ৰ পদাৰ্থৰ সন্ধানৰ অংশবিশেষ এই আবিষ্কাৰে হয়তো সকলো বস্তুৰ ধৰ্ম্ম সম্বন্ধে এটা সম্পূৰ্ণ মতবাদ আগবঢ়াব। 'জে' আৰু পি, এছ; আইৰ আবিষ্কাৰে পৃথিবীৰ পদাৰ্থবিদসকলক চমকাই তুলিলে। কাৰণ অৱশেষত 'চাৰ্ম'ৰ সন্ধান পোৱা গ'ল। ই মাত্ৰ এক চেকেণ্ডৰো অকণমান অংশহে জীৱিত থাকে কিন্তু অন্য কণাৰ তুলনাত এয়েই এহেজাৰ গুণ অধিক। তদুপৰি ই প্ৰটোনতকৈ চাৰি গুণে গধুৰ। এই আবিষ্কাৰৰ পিছত অন্য গবেষণাগাৰতো ইয়াৰ অৱস্থিতিৰ প্ৰমাণ পোৱা যায়।

বৈজ্ঞানিক সকলৰ মতে 'প্ৰাথমিক কণা' বিষয়ত ই সকলোতকৈ গুৰুত্বপূৰ্ণ আবিষ্কাৰ। গোটেই পৃথিবীৰ গবেষণাগাৰত ই এটা ধুমুহাৰহে যেন সৃষ্টি কৰিছে। এই আবিষ্কাৰৰ ফল স্বৰূপে প্ৰকৃতিৰ সৃষ্টি সম্বন্ধে এটা ঐক্যবদ্ধ তথ্য স্থাপন কৰিব পাৰে আৰু পদাৰ্থনো কি তাৰো নতুন চকুৰে চোৱাব (দেখিব) পাৰে। এই জ্ঞানৰ সহায়ত বৈজ্ঞানিকে যিহকে বিচাৰে তাকে নতুন নতুন সমন্বয়ৰে তৈয়াৰী কৰিব পাৰে।

নিউইয়ৰ্কৰ ডঃ ৰিকটৰৰ দুটি সন্তান। চীনা মাতৃ পিতৃৰ সন্তান ডঃ টিং সৰু কালছোৱা চীন দেশত কটাইছিল। আৰু বাৰ বছৰ বয়সলৈকে কোনো স্কুলীয়া শিক্ষা লোৱা নাছিল। তেওঁ জেনেভা আনবিক গবেষণা কেন্দ্ৰৰ এজন অধ্যাপক।

## ১৯৭৭ চনত সাহিত্যৰ বাবে নোবেল বঁটা লাভ কৰিলে স্পেনিচ—কবি আলেকজেন্দ্ৰে

১৯৭৭ চনৰ ছুইদিছ একাডেমীয়ে সাহিত্যৰ নোবেল বঁটাৰ বাবে নিৰ্ব্বাচন কৰিছে স্পেনৰ কবি ভিচেণ্ট আলেকজেন্দ্ৰক। বৰ্হিবিশ্বত প্ৰায় আখ্যাত এইজনা কবি বৰ্ত্তমান শতিকাৰ অন্যতম স্পেনিচ কবি হিচাপে স্পেনত খ্যাতিমান। স্পেনৰ আন্দালুছিয়া প্ৰদেশৰ ছেভিল নগৰীত ১৯০০ চনত তেওঁৰ জন্ম। পিছত ৰাজধানী মাদ্ৰিদলৈ আহি বসবাস কৰিবলৈ লয় আৰু বৰ্ত্তমান তাৰেই বাসিন্দা। ১৯২৮ চনত তেওঁৰ প্ৰথম কাব্য সংকলন 'মহাকাশ' প্ৰকাশিত হয়। আলেকজেন্দ্ৰোৰ কবিতাত ৰমন্যাসবাদী আৰু চুৰ্‌ৰিয়েলিষ্টিক ভাবধাৰাৰ মিশ্ৰণ ঘটিছে। মানুহৰ প্ৰতি গভীৰ সহানুভূতি, মানবিক বাস্তৱতা আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্বন্ধৰ কথা তেওঁৰ কবিতাৰ উপজীব্য। তেওঁৰ কবিতাক "মুক্তৰ ছন্দত প্ৰকাশিত গভীৰ চিন্তাৰ অনুৰণন" বুলি সমালোচক সকলে চিহ্নিত কৰিছে। সুদীৰ্ঘ কালৰ বিৰতিৰ পিছত ১৯৪৪ চনত তেওঁৰ দ্বীতিয় সংকলন "স্বৰ্গৰ ছায়া" প্ৰকাশিত হয়। ১৯৫৪ চনত 'হৃদয়ৰ ইতিহাস' আৰু ১৯৬২ চনত "বিশাল সাম্ৰাজ্যত' শীৰ্ষক কাব্য সংকলন প্ৰকাশিত হয়।

নোবেল বঁটাৰ বাবে নিৰ্ব্বাচিত হোৱাৰ পিছত যোৱা অক্টোবৰৰ (৭৭) দিনা সাংবাদিকৰ সৈতে হোৱা সাক্ষাত প্ৰসঙ্গত আলেকজেন্দ্ৰে নিজকে এজন 'দায়বদ্ধ' (কমিটেড) কবি বুলি বৰ্ণনা কৰে। তেওঁ কয়—মানুহৰ আচাৰ ব্যৱহাৰ আৰু ভবিষ্যতৰ সৈতে সামগ্ৰীক সংহতিৰ পৰিপ্ৰেক্ষিতেতেই মোৰ সমগ্ৰ জীৱন আৰু ৰচনাৰ মূল্যায়ন কৰিব লাগিব। মোৰ লিখাৰ বিষয় হ'ল মানুহ। কবিয়ে নিজকে 'লিবাৰেল ডেমক্ৰেট' হিচাপে পৰিচয় দিয়ে। স্বাভাবিকতে তেওঁৰ সাহিত্য কৰ্ম্মৰ সৈতে ৰাজনৈতিক জীৱনৰ সংগতি আছে। যি বাস্তৱিকতা আৰু ৰহস্যৰ সংমিশ্ৰণ ভিচেণ্ট কাব্যৰ অন্যতম বৈশিষ্ট্য, তাৰ উৎকৃষ্ট নিদৰ্শন ইয়াত অনুদিত 'আগন্তুক' শীৰ্ষক কবিতাটিত ফুটি ওলাইছে বুলি সমালোচক সকলে কয়।



## ঃ আগন্তুক ঃ

মই এই ঘৰটোত প্ৰৱেশ কৰিলো দেখা পালো গিৰিহতনী চিলাই কামত ব্যস্ত। ওখ লাহী ধুনীয়া গাভৰু ছোৱালীজনীক তাইৰ দৃষ্টি মোৰ ওপৰত পৰা নাই।

অকণমানি শিশুটিয়ে যেন নিঃশব্দে
উচুপিছে
তাৰ কোমল হাতৰ পৰশ লাগিল
মোৰ ভৰিত
কিন্তু সি মোলৈ লক্ষ্য কৰা নাই।
বাহিৰত দুৱাৰ মুখত বহি থকা
মানুহজন
নিৰুগ্নচিত্তে লো-টুকুৰাত
হাতুৰীৰে
কোবাই আছে
মোৰ প্ৰবেশ কাৰো চকুত পৰা নাই।
মই এখন দুৱাৰেৰে সোমাই গৈছো
আনখন দুৱাৰেৰে
ওলাই যাবলৈ।
যেন এজাক বতাহে সিহতৰ গাৰ
কাপোৰত
মৃদু কপনি তুলি গুছি গ'ল।
ছোৱালীজনীয়েও উদাস দৃষ্টিৰে
মূৰ দাঙি চাই ৰ'ল,
মোৰ কপালত আঙুলি বুলালে।

বিঃ দ্ৰঃ—সহায় লৈ লিখা।

# আহা, আগুৱাই আহা

শ্রীনৃপেন চন্দ্ৰ নাথ
প্ৰাক-বিশ্ববিদ্যালয়, ২য় বাৰ্ষিক

হেৰা,
শোষিত, নিষ্পেষিত,
পদ দলিত
জনতাৰ দল
আহা, আগুৱাই আহা।
সৌৱা,
পূৱাকাশত চোৱা
পূৱাৰ সূৰ্য্যৰ ৰাঙলী কিৰণ।
দেখা নাই জানো ?
আহা, নকৰিবা ভয়।
আগুৱাই আহা।
টোপনিৰ পৰা উঠা
এবাৰ চকুমেলি চোৱা।
তিমিৰাছন্ন নিশাৰ
অৱসান
কেতিয়াবাই ঘটিল।
নিশাচৰ জন্তু জানোৱাৰ
আতৰি গৈছে,
কেতিয়াবাই।
আহা, আগুৱাই আহা
লোৱা,
হাতে হাতে ৰক্ত নিচান।
আহা পূৱতি সূৰ্য্যক আদৰো আহা।
গোৱা শান্তি মৈত্ৰীৰ ঐক্যতান।



# : দিন বদলেৰ কবি :

শ্রীবীৰদত্ত কলিতা
স্নাতক, দ্বিতীয় বাৰ্ষিক

কাজী নজৰুল ইছলাম আৰু সুকান্ত ভট্টাচাৰ্য্য কবি সৈনিক আছিল।

'শোনরে মালিক, শোনরে মজুতদার
তোদের প্রাসাদে জমা হত কত মৃত মানুষের হাড়
হিচাব কি দিবি তার ?
হিচাব ওরা ওদের দুঃখের দুর্দশার কথা শোণায়
প্রিয়াকে আমার কেড়েছিস তোরা
ভেঙেছিস ঘর বাড়ী,
সে কথা কি আমি জীবনে মরণে
কখনো ভুলতে পারি ?"
(সুকান্ত ভট্টাচাৰ্য্য)

দুজন কবি। দিন বদলোৱাৰ কবি। শোষণ, নিৰ্য্যাতন আৰু নিষ্পেষণৰ বিৰুদ্ধে অনৰ্গল হিয়া-ফলা চিঞৰেৰে মানৱৰ মুক্তি পথৰ দিকদৰ্শক দুজন কবি। বাংলা সাহিত্যত কৃষক শ্রমিক আৰু শ্রম-জীৱি মেহনতী শোষিত দলিত নিষ্পেষিত জনগণৰ মুক্তিৰ আজান দিয়া দুজন কবি। সমগ্ৰ ভাৰতবৰ্ষৰ পৰা নিষ্ঠুৰ বৰ্ব্বৰ সাম্ৰাজ্যবাদী, সামন্তবাদী আৰু নকৈ সাম্ৰাজ্যবাদৰ গাত ভেজা দি গঢ় লৈ উঠা দুৰ্ধৰ্ষ, শ্রমজীৱি মেহনতি জনতাৰ তেজপুঞ্জ শুহি নিয়া পুঁজিবাদী শোষণৰ বিৰুদ্ধে নতুন প্ৰভাতৰ আকুল আহ্বানত পূৱতীৰ আজান দিয়া দুজন কবি। বিদ্ৰোহী কবি কাজী নজৰুল ইছলাম কবি সৈনিক আৰু 'দিন বদলের কবি' সুকান্ত ভট্টাচাৰ্য্য। যেন দুটি নাম নহয়। কোটি কোটি শ্রমজীৱি মেহনতী শ্রমিক কৃষকৰ অন্য নাম কাজী নজৰুল আৰু সুকান্ত। নজৰুল, সুকান্ত নিজেই ইতিহাস। ভাৰতবৰ্ষৰ মুক্তিৰ দাবীত যিয়ে বৈপ্লৱিক তত্ত্বৰ দ্বাৰা অনুপ্ৰাণিত হৈ তথাকথিত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুজ দিয়া শ্রমজীৱি জনগণৰ মুক্তিবীৰ কবি সৈনিক কাজী নজৰুল ইছলাম আৰু সুকান্ত ভট্টা-চাৰ্য্য। দুয়োজন কবিৰে জীৱন গাথা বোধহয় আজি ভাৰতবৰ্ষৰ কম মানুহৰহে অপৰিচিত। কৃষক আৰু শ্রমিক জীৱনৰ শৰিকদাৰ হৈ কৰ্ম আৰু কথাত আত্মীয়তা অৰ্জন কৰি দুয়োজন কবিয়ে সাধাৰণ মানুহৰ কানে কানে শুনাইছিল তেওঁলোকৰ মৰ্মবেদনাৰ ইতিহাস, শুনাবলৈ সক্ষম হৈছিল নতুন দিনৰ গান, যিয়ে সাধাৰণ মানুহকো বিপ্লৱৰ লগত চামিল হবলৈ উদাত্ত আহবান জনাইছিল তেওঁলোক দুয়োজনে আছিল কবি সুকান্ত আৰু নজৰুল। দুয়োজনে আজি ইতিহাস। বাংলা তথা ভাৰতবৰ্ষৰ

শ্ৰমজীৱি জনগণৰ মুক্তি পথৰ পথ প্ৰদৰ্শক। বাংলা তথা ভাৰতবৰ্ষৰ শ্ৰমজীৱি জনগণৰ নিদ্ৰা ভঙ্গৰ কবি, পুনৰ অভ্যুত্থানৰ কবি সুকান্ত আৰু নজৰুল। দুয়োজনে অভিন্ন। দুয়োজনে লিখি থৈ গৈছে কৃষক শ্ৰমিকৰ দুখ আৰু নিৰ্য্যাতন। তেওঁলোকৰ উদাত্ত আহবান সাধাৰণ মানুহৰ মনৰ মনি কোথাতো ৰেখাপাত কৰিবলৈ সমৰ্থ হৈছে। সেয়ে আজি বাংলা ধন্য, ধন্য আজি ভাৰতবৰ্ষ। তেওঁলোক দুয়োজনৰে হিয়াফলা মৰ্মন্তুদ আৰ্তনাদৰ ছন্দ আজিও অতুলনীয়।

যেতিয়া নিষ্ঠুৰ বৃটিছ সাম্ৰাজ্যবাদে কঠোৰ নিয়ম শৃঙ্খলাৰে ভাৰতবৰ্ষৰ শ্ৰমজীৱি জনগণক নিপীড়িত কৰে তেতিয়াই বিপ্লৱী কবি নজৰুলৰ কণ্ঠত বাজি উঠে বিকুল ধ্বনি, দাসত্বৰ শিকলি ছিঙি স্বৰাজ প্ৰতিষ্ঠাৰ এখন শোষণহীন মুক্ত সমাজ গঢ়াৰ। তেতিয়াই কবিয়ে গাইছে—

ধ্বংশ দেখে ভয় কেন তোর ? প্রলয় নূতন সৃজন বেদন.
আসছে নবীন—জীবনহারা অসুন্দরের করতে ছেদন।
তাই সে এমন কেশে বেশে
প্রলয় বয়েও আসছে হেসে
মধুৰ হেসে—
ভেঙে আবার গড়তে জানে সে চির সুন্দর
তোরা সব জয়ধ্বনি কর ;
তোরা সব জয়ধ্বনি কর।

ইমাত্ৰ গানেই নহয়, প্ৰসুপ্ত পৰিবেশক প্ৰাণতপ্ত কৰি তোলাৰ আকুল আহ্বান। জুই জলোৱা এই গান। জুই জলোৱা এই সুৰ। অকল দহনৰ শক্তি ইয়াত বিৰাজ কৰা নাই, ইয়াত আছে স্নিগ্ধতাৰ পৰশ, আছে আশ্বাসবাণী, নতুন স্বপ্নত বিভোৰ হৈ উঠাৰ মদিৰতা।

আৰু সুকান্ত। 'দিন বদলের' কবি সুকান্ত। তেওঁতো নিজেই উক্তি কৰি গৈছে—"আমি জনতার কবি হতে চাই, জনতা বাদ দিলে আমার চলবে কি করে ?" সুকান্তই জনগণৰ কবি হিচাবে নবজীৱনৰ মন্ত্ৰোচ্ছাৰণ কৰিলে। এবাৰক্ৰম্বিৰ মহৎ কাব্যৰ ভাৱনাৰ মূলমন্ত্ৰ—

"I will call it compendiously, in cantation' the power of using words so as to produce in us a short of enchantment, and by that man power nor merely charm and delight, but to kinds our minds in to unusual vitality, equisitely aware both of things; of the connexsons of things" এই মূল মন্ত্ৰৰ দ্বাৰাই সুকান্তই জনগণৰ কাব্যত প্ৰাণ প্ৰাচুৰ্য্য উদ্দীপ্ত কৰি তোলাৰ দাবী ৰাখে। জনগণৰ কবি সুকান্ত জনগণৰ চেতনাকে আপোন চেতনাৰ জুমুঠি হিচাবে ৰাখিছিল, জনগণৰ দৃষ্টি ভঙ্গি আৰু আশা আকাঙ্খাই আছিল সুকান্তৰ দৃষ্টিভঙ্গি, আশা আৰু আকাঙ্খা। সেয়েহে কবিয়ে শোষিত জনতাৰ হকে বৃটিচ সাম্ৰাজ্যবাদৰ নগ্ন শোষণৰ বিৰুদ্ধে প্ৰত্যাহবান জনাইছিল জনগণক লগত লৈ—

মনেরে জানায় সাবধান হুচিয়ার,
খুজি নিতে হবে পুরাণো হাতিয়ার
পাণ্ডুর পৃথিবীতে।

যুদ্ধোন্মত্ত সৈনিক কবিয়ে প্ৰদীপ্ত হুংকাৰ মাৰি আকৌ উদ্দীপ্ত হৈ উঠিছিল—

"পণ করো দৈত্যের অংগে
হানবো বজ্রাঘাত, মিলবো সবাই এক সংগে,
সংগ্রাম শুরু কর মুক্তির।"

আকৌ ১৯২১ৰ ডিচেম্বৰ। বাংলা কাব্যৰ



পালা বদলোৱাৰ সময়। নজৰুলতো এতিয়া বিদ্ৰোহী। আৰু এই বলিষ্ঠ ভূমিকালৈয়ে তেও লিখিলে—

বল বীর
বল উন্নত মম শির
শির নেহারি আমারি, নত শির ওই
শিখর হিমাদ্রির।

নজৰুলৰ কবিতা এতিয়া স্পষ্ট ঋতু। ভাগ্যৰ পৰিহাসৰ বিৰুদ্ধে তীব্ৰ অট্টহাস। নজৰুলে একেবাৰে সংহাৰ মূৰ্ত্তিত ৰুদ্ৰৰূপ ললে দিন বদলাবৰ বাবে—

আমি যুগে যুগে আসি
আসিয়াছি পুনঃ মহা বিপ্লব হেতু
এই স্রষ্টার শনি মহাকাল ধূমকেতু।

'বিজলী' বাংলা সাপ্তাহিক পত্ৰিকাত কবিতা প্ৰকাশিত হল। সোত বোৱাই দিলে এটি নামে, নজৰুল ইছলাম সমস্ত শোষণ অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনালে।

আমি দুর্বার
আমি ভেঙে করি সব চুরমার
আমি অনিয়ম উশৃঙ্খল
আমি দলে যাই যত বন্ধন,
যত নিয়ম কানুন শৃংখল।
০ ০ ০
আমি চির দুর্দাম, দুর্বিনীত, নৃশংস
মহা প্রলয়র আমি নটরাজ,
আমি চাইক্লোন, আমি ধ্বংশ।
আমি মহাভয়, আমি অভিশাপ পৃথিবীর
আমি শাসন ত্রাসন সংহার
আমি উষ্ণ চির অধীর।

ক্ষমতা মদমত্ত বৃটিচ শাসকে সিদিনা এই কবিতাৰ ওপৰত ৰাজদ্ৰোহৰ লেবেল লগাব পৰা নাছিল। হিন্দু-মুছলমান দুই জাতিৰ পুৰাণ প্ৰসঙ্গ আলোচিত হৈছে নজৰুলৰ কবিতাৰ অনেক স্থানত সাধ্য নহল বৃটিছ শাসক গোষ্ঠীৰ চৰাচৰী এই কবিতাক ৰাজদ্ৰোহীৰ অপৰাধত দণ্ডনীয় কৰা। এই কবিতাক ৰাজদ্ৰোহৰ অপৰাধত অপৰাধী কৰিলে ধৰ্ম্মৰ ওপৰতো হস্তক্ষেপ কৰিব লাগিব। যিহেতু এই বিদ্ৰোহ আছিল ভগবানৰ বিৰুদ্ধেও—

আমি বিদ্রোহী ভৃগু
ভগবান বুকে এঁকে দিব পদচিহ্ন,
আমি খেয়ালী বিধির বক্ষ করিব ছিন্ন।

অকল ধ্বংশই নহয়, এই বিদ্ৰোহ আমাৰ নতুন সৃষ্টি জন্যেও। পুৰণি দিনক বদলোৱাৰ ডংকা বজালে এই কবিতাই—

আমি সৃষ্টি, আমি ধ্বংশ,
আমি অরশান, আমি নিশাবসান,
আমি ছিন্নমস্তা চণ্ডী
আমি রণদা সর্বনাশী
আমি জাহান্নামের আগুনকে বসিয়া
হাসি পুষ্পর হাসি।
০ ০ ০ ০
আমি বলরামে স্কন্ধে
আমি উপরি ফেলাব অধীন বিশ্ব
অবহেলে নবসৃষ্টির মহানন্দে।

আনহাতে সুকান্তই বাংলা সাহিত্যত অকল বিপ্লৱ আনিব খোজা নাছিল। তেওঁৰ কবিতাত আন্তৰ্জাতিকতাৰ সুৰ পাতালী গঙ্গাৰ দৰে প্ৰবাহিত হৈছিল। কবিয়ে অনুভৱ কৰিছে—"বিপ্লব স্পন্দিত বুকে মনে হয় আমিই লেনিন।" মুঠৰ ওপৰত সুকান্ত সচাকৈয়ে বাস্তৱবাদী কবি আছিল। বিভিন্ন সমাজ ব্যৱস্থাত শাসক গোষ্ঠীৰ শ্ৰেণী স্বাৰ্থবহনকাৰী কবি সাহিত্যিকৰ দৰে সুকান্তই পলায়নবাদী মনোভাৱ পোষণ কৰা নাছিল। কাৰণ কবি আছিল কমিউনিষ্ট। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সভ্য আছিল সুকান্ত। বাল্য কাল তথা

ছাত্ৰ অৱস্থাতে তেওঁ সাম্যবাদৰ মন্ত্ৰত দীক্ষিত হয় আৰু তেতিয়াই হৈ পৰে কমিউনিষ্ট পাৰ্টিৰ এজন সক্ৰিয় কৰ্মী। সেই বাবেই আজি শুনিবলৈ পাওঁ কবি সুকান্তৰ কবিতাত এক উষ্ণতা, যাৰ দ্বাৰা শ্ৰেণী দ্বন্দৰ দ্বাৰ শ্ৰেণী শোষণৰ মূল শিপা উভালি সম্পূৰ্ণ শোষণহীন সমাজ ব্যৱস্থাৰ ভেটি স্থাপিত কৰা এক দুৰান্ত উচ্ছাস। কবিয়ে শোষণৰ প্ৰত্যেকটো দিশকে টানি আজুৰি ছিঙিবলৈ জন সাধাৰণক আহ্বান জনাইছিল আৰু তেওঁলোকৰ দুখৰ বৰ্ণনা উদাত্ত কণ্ঠে গাইছিল—

জীবনের রাত্রিকে ওরা কিনেছে অল্প দামে,
অনেক দুখে বহু বেদনায়, অভিমান অনুরাগে,
ঘরে তরে প্রিয় একা শয্যায় বিনিদ্র রাত জাগে।

সুকান্তই বিশ্বাস কৰিছিল সাম্ৰাজ্যবাদৰ বিৰুদ্ধে লড়াই কৰাই হল এই যুগৰ শান্তি। স্বাধীনতাই একমাত্ৰ লক্ষ্য। সেই বাবে তেওঁ উদাত্ত আহ্বান জনাইছিল সৰ্ব্বহাৰা কৃষক শ্ৰমিক আৰু মধ্যবিত্ত শ্ৰেণীৰ মৈত্ৰিক। তৎমুহূৰ্ত্তত ভাৰতৰ মুক্তিৰ পথ সুকান্তই বিশ্বাস কৰিছিল লেনিনৰ পথ "সাম্ৰাজ্য-বাদৰ বিৰুদ্ধে, জাতীয় মুক্তিৰ বাবে জাতীয় আন্দো-লনেই একমাত্ৰ পথ।" সেয়েহে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সুকান্তই বিশ্বাস কৰিছিল মহাত্মা গান্ধীৰ জাতীয় আন্দোলনেই একমাত্ৰ মুক্তিৰ পথ। গান্ধীজীৰ একমাত্ৰ জাতীয় আন্দোলনেই আছিল মুক্তিৰ প্ৰথম স্তৰ আৰু স্বৰ্ত্ত। জমিদাৰী, জোতদাৰী আৰু আড়ৎদাৰী সকলো বিলাকৰ সৃষ্টিৰ গুৰিতে আছিল বৃটিছ সাম্ৰাজ্যবাদী শোষণৰ হাতিয়াৰ। সেই সময়ত সাম্ৰাজ্যবাদে চূড়ান্ত সীমা পাইছিল আৰু তাৰ ফলত ফেচীবাদে আৰু নাৎসীবাদে সমগ্ৰ বিশ্বকে গ্ৰাস কৰাৰ অপচেষ্টা চলাইছিল। কোটি কোটি শ্ৰমজীৱি জনগণ বলি হব লগা হৈছিল সাম্ৰাজ্যবাদী শোষণৰ কবলত। দিনক দিনে বাঢ়ি আহিছিল এফালে দুৰ্ভিক্ষ আনফালে ব্যাঙ্ক ব্যালেঞ্চ। সুকান্তই উপলব্ধি কৰিছিল আৰু অনুধাবন কৰি-ছিল ভাৰতবৰ্ষৰ শ্ৰমজীৱি জনগণৰ ভবিষ্যত। সেয়েহে তেওঁ মাত্ৰ ষোল্ল বছৰ বয়সতে কমিউনিষ্ট পাৰ্টিৰ সভ্য হিচাবে ভৰ্ত্তি হয় আৰু অতি কম সময়তে পাৰ্টিৰ এজন সক্ৰিয় কৰ্মী হৈ উঠে। কেবা ৰাতিও একেৰাহে উজাগৰে থাকি পোষ্টাৰিং কৰা অভ্যাস কোমলমতীয়া সুকান্তৰ চিৰ অভ্যাসৰ নিচিনাই হৈছিল। কিন্তু নিষ্ঠুৰ নিয়তিৰ পৰিহাস এইজনা কবিৰ মাত্ৰ ২১ বছৰ বয়সতে জীৱন বন্তিৰ শেষ অধ্যায়ৰ যৱনিকা পৰে। এইটো স্বীকাৰ কৰিব লাগিব যে মাত্ৰ ২১ বছৰ বয়সতে এজন ভাল বিপ্লৱী কবি আৰু ভাল ৰাজনীতি হোৱা লোক বিৰল। সেয়ে কবি সুকান্ত মৰিও অমৰ।

কিছুমান সমালোচকে সুকান্তৰ কবিতা সমূহক একমাত্ৰ কমিউনিষ্ট পাৰ্টিৰ শ্লোগান বুলি কব খোজে। আন কিছুমানে কয় যে সুকান্তই ৰাজ-নীতিৰ ফালে ঢাল খোৱা বাবেই এজন ভাল কবি হব নোৱাৰিলে।

কিন্তু আমি কব খোজো যে সেই তথা কথিত সমালোচক সকলে সুকান্তৰ বিপ্লৱী সত্বাক চিনি নাপালে আৰু সেই হেতুকে সিহতে 'ৰাজনীতি'ৰ খোলাটোৰ বাহিৰত থাকি মুষ্টিমেয় এটা শ্ৰেণীৰ স্বাৰ্থ-বহন কৰি নিজৰ সা-সুবিধা বাধাহীন ভাবে ভোগ কৰি থাকিব বিচাৰে। যিয়ে নহওক আজি সুকান্তৰ কবিতাৰ তথা বিপ্লৱী সত্বাক বিচাৰ কৰি চাব আৰু ভবিষ্যতে জনগণে তেওঁলোকৰ নিজৰে এজন বুলি আপোন কৰি লব বুলি আমাৰ বিশ্বাস। সোণ-ৰূপৰ চামুচ লৈ সুকান্ত ওপজা নাছিল আৰু সেই বাবেই আজি জনগণৰ 'দিন বদলের কবি' সুকান্ত।



আনহাতে নজৰুল। তেওঁতো কেতিয়াবা কবি নজৰুল। কেতিয়াবা গায়ক নজৰুল আৰু কেতি-য়াবা ৰাজবন্দী নজৰুল। আজীৱন দাৰিদ্ৰ্যক জীৱনৰ জীৱন মুক্তিৰ শৰিকদাৰ হিচাবে লৈছিল নজৰুলে। বাল্য কালৰে পৰা নজৰুলে কেতিয়াবা চাহ দোকানত কেতিয়াবা 'বাবুৰ' তলত গোলামী খাটিব লগা হৈছিল। তেওঁৰ জন্ম ১৮৯৯ চনত বৰ্দ্ধমান জিলাৰ চুৰুলিয়া গাৱত। পিতাক কাজী ফকিৰ আহমদ। যেন দৰিদ্ৰতাৰ একোটি জলন্ত স্বাক্ষৰ। কিছুদিন তেওঁ মিলিটাৰী বিভাগতো কাম কৰিছিল। জীৱনৰ বেচি সময়তে তেওঁৰ বন্ধু আছিল মুজফৰ আহমদ। তেওঁৰ লগত থাকিয়ে নজৰুলে আৰম্ভ কৰিলে বিপ্লৱী কবিতা, আৰু বিপ্লৱী গান। সমগ্ৰ জনসাধাৰণক শুনালে গান।

আৰু কবিতাৰ মাধ্যমেৰে মুক্তি পথৰ সন্ধান। লাহে লাহে যতে নজৰুল ততে হাজাৰ হাজাৰ জনতাই গোট খায় আৰু তেওঁৰ কবিতা, গান শুনে। মুক্তিৰ গান, মুক্তিৰ কবিতা। সমস্ত শ্ৰমজীৱি জনগণৰ মনৰ মণিকোঠাতো বাহ লৈছিল তেওঁৰ গান আৰু কবিতাই। সাম্ৰাজ্যবাদৰ নগ্ন শোষণ নিষ্পেষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে অবিৰাম ভাবে আন্দোলন চলায় গৈছিল নজৰুলে। 'মোর একহাতে বাঁকা বাঁশের বাঁশরী, আন হাতে রণতূর্য্য' এয়ে আছিল নজৰুলৰ হাতিয়াৰ, শোষণৰ বিৰুদ্ধে, সাম্ৰাজ্যবাদৰ বিৰুদ্ধে। সেই বাবে নজৰুল কেতি-য়াবা 'কবি' আৰু কেতিয়াবা "ৰাজবন্দী" নজৰুল। বিভিন্ন সময়ত তেও বহুবাৰ জেল খাটিব লগাত পৰিছিল। তেওঁৰ কাব্যৰ বিদ্ৰোহী সুৰ আছিল 'অসমতাৰ বিৰুদ্ধে সমতাৰ বিদ্ৰোহ, ধনীক শ্ৰেণীৰ বিৰুদ্ধে সৰ্ব্বহাৰাৰ বিদ্ৰোহ, আৰু ছুৎমাৰ্গগামী সমাজপতি সকলৰ বিৰুদ্ধে বৈড়ালব্ৰতী ভণ্ডদলৰ বিৰুদ্ধে মানৱতাৰ বিদ্ৰোহ।' নজৰুলৰ কবিতাত চাৰিটা চৰিত্ৰ স্পষ্ট হৈ পৰে। ই হল অৱমানিত মনুষ্য, নিৰ্য্যাতিত সমাজ, শোষণ ক্লিষ্ট জীৱন আৰু পৰাধীনতাৰ শৃঙ্খল অক্টোপাচে জৰ্জৰিত কৰা জন্মভূমি। সেইবাবেই নজৰুল কবিতাই জন্ম পালে বিদ্ৰোহী হিচাবে। তেওঁৰ বিদ্ৰোহী সত্বাই জন্ম দিলে—

আমাদের কাছে শুধু হালাল
দুশমন খুন লাল সে লাল।

কেইজন কবিয়েনো বাৰু এনে সাহসেৰে কব পাৰিছে, এয়ে প্ৰকৃত কবি তথা বিপ্লবী সত্বাৰ পৰিচয়। তেওঁৰ কবিতা সচাকৈ কবিতা নাছিল আছিল মুক্তি স্পৃহাৰ কালজয়ী অস্ত্ৰ—

কারার ওই লোহ কপাট
রক্ত জমাট
শিকল পুজোর পাষাণ ভেদি
ওরে ও তরুণ ঈশাণ
ধ্বংস নিচান
উরক প্রাচীর প্রাচীর ভেদি।

কবিতাৰ অগ্নিময় জ্বালা আৰু নজৰুলৰ নব্য প্ৰকা-শিত, যাৰ বাবে তেওঁ কাৰাবাস খাটিব লগাত পৰিছিল, সেই বাংলা সাপ্তাহিক "ধুমকেতু'ৰ জ্বালা-ময় বাৰ্ত্তাৰ অগ্নিস্ফুলিঙ্গত আপ্লুত হৈ লিখিলে উপেন্দ্ৰ নাথ বন্দোপাধ্যায়ে,—"রূদ্ররূপ ধরে ধুম-কেতুতে তুমি দেখা দিয়েছ—আমি প্রাণতরে বলছি স্বাগত, সৃষ্টি যারা করবার তারা করবে, তুমি মহাকালে প্রলয় নিশান এবার বাজাও। অতীতকে আজ ডোবাও, ভয়কে আজ ভাঙো, মৃত্যু আজ মরণের ভয়ে কোপে উঠক।" আনহাতে নজৰুলে উদাত্ত আহবান জনালে "এস ভাই পথের সাথী বন্ধুরা, এস আমাদের লক্ষীছাড়ায় দল। আজ শনি এসেছে তোমাদের পোরা কপালে বালি ছাই-য়ের পাণ্ডু টিকা পরিয়ে দিতে। আজ ঝর ঝর

কৰে বা.ৰি ধাৰায় কান্না উঠেছে—'হায় গৃহহীন, হায় পথবাসী, হায় গতি হারা। তোমাদের জন্যে গৃহ নাই, দয়া নাই করুণা নাই।' তাই দুর্দিনে তোমাদের ঘরে ডেকে নেবার কেউ নাই, তোমাদের ডাক দিয়েছে ওই ঝর বদলের উতল হাওয়া আৰু মাটির মাদের সিক্ত কোল। এস আমার অনাহত লাঞ্চিত ভাইয়েরা, আমারাই নতুন কয়ে আমাদের জ্বালার জগত সৃষ্টি করবো। শনি হবে আমাদের কপালের জয় টিকা, 'ধুমকেতু' হবে আমাদের রথ বরভূমি হবে আমাদের মাতৃক্রোড়, মৃত্যু হবে আমাদের বধু।" এৰেই কবি নজৰুল' গায়ক নজৰুল আৰু ৰাজবন্দী নজৰুল যাৰ কণ্ঠেৰে নিগৰি ওলাইছিল আগ্নেয় গিৰিৰ লাভা মানৱ মুক্তিৰ অগ্নি স্ফুলিঙ্গ, সমস্ত শোষণ, নিষ্পেষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে। আজি নজৰুল নাই। সৌ সিদিনা হেৰাই গল 'জনগণর কবি', দিনবদলের কবি, সৈনিক কাজী নজৰুল ইছলাম।

আজি সময় আহি পৰিছে বিচাৰ কৰি চোৱাৰ সময়। ভাল কবি কোন, ভাল দাৰ্শনিক, অৰ্থনীতিবিদ অৰ্থাৎ মানৱ কল্যাণ প্ৰেমী কোন। যেতিয়াৰ পৰা সমাজত ভাববাদী চিন্তাধাৰাই মৰ কামোৰ দি খোপনি পুতি বহিছে তেতিয়াৰ পৰাই তথাকথিত মানৱ কল্যাণ প্ৰেমী সকলে বিভিন্ন দৰ্শন আৰু মতামত যুক্তিৰ দ্বাৰা মানৱৰ মুক্তি পথৰ সন্ধান দিব বিচাৰিছে। কিন্তু পাৰিছে জানো? কিন্তু কিয় নোৱাৰিলে?

সেয়েহে আজি মহামানৱ কাৰ্লমাৰ্ক্সৰ এষাৰি যুগজয়ী মন্তব্যই আমাক প্ৰকৃত সত্যতা সম্পৰ্কে সচেতন কৰি থৈ গৈছে—। তেওঁ কৈছিল যে—'Philosophers have so far interpreted the world, the point is to change it.' ইয়াৰ দ্বাৰাই আমাৰ স্পষ্ট হয় তথাকথিত সমাজবাদী আৰু সমাজ কল্যাণকামী সকলৰ দেউলীয়া শ্লোগানৰ অন্তঃসাৰ শূন্যতা। তেওঁলোকে মাত্ৰ সমাজক জাতি, ধৰ্ম্ম, ভাষা আৰু সাম্প্ৰদায়িক ভাগত ভগাই আৰু ভাববাদী আদৰ্শৰে আবেগিক কৰি জনগণক প্ৰকৃত আৰু বাস্তৱ বৈজ্ঞানিক পথৰ পৰা বিচ্ছিন্ন কৰি ৰাখিব খোজে। সমাজ ব্যৱস্থাৰ বিভিন্ন স্তৰত এইটো আমাৰ স্পষ্টভাৱে পৰিলক্ষিত হয়। শাসক-শ্ৰেণীৰ স্বাৰ্থ বহন কৰাত বাহিৰে এই শ্ৰেণীৰ লিখক বা সাহিত্যিকৰ নিজস্ব দৃষ্টি ভঙ্গী একো নাই। কিন্তু সমাজ পৰিবৰ্ত্তনশীল। বিপ্লৱৰ ভূমিকা লৈ আগবাঢ়ি আহে সমাজ। আবিৰ্ভাৱ হয় নতুন বৈজ্ঞানিক জীৱন বোধ আৰু জীৱন ধাৰণৰ ৰঙীণ বাস্তৱ কল্পনাৰ। এওঁলোকৰ আগত ফুটুকাৰ ফেন হৈ উৰি যায় তথাকথিত ভাববাদী দাৰ্শনিক, সমাজ বাদী সকল। শ্ৰেণী দ্বন্দ্ব আৰু শ্ৰেণী সংগ্ৰামে মানুহক অতি মানৱ কৰি তোলাৰ প্ৰথম স্তৰ আৰু চৰ্ত্ত হিচাবে আগভাগ লয়। সেয়া আজি ঘটিছে সমগ্ৰ দুনীয়াৰ এক তৃতীয়াংশ মানুহৰ দ্বাৰা। শ্ৰেণী শোষণ আৰু শ্ৰেণী বিলুপ্তি। সেয়ে আজি সমস্ত দুনীয়াৰ মানুহ থিয় হৈছে তেজ ৰঙা পতাকাৰ তলত একেলগে আৰু সমস্বৰে সকলোৱে গাব লাগিছে—"We are on the same boat, brother" উক্ত আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ কবি সুকান্ত, কবি নজৰুল। বস্তুবাদী আদৰ্শত অনুপ্ৰাণিত হৈ গাইছিল জনগণৰ মুক্তিৰ শ্লোগান। সাম্যবাদৰ প্ৰভাতৰ বৰগীত। সেয়েহে কবি সুকান্ত আৰু নজৰুল জনগণৰ কবি। আজি ভাৰতবৰ্ষৰ শ্ৰমজীৱি, কৃষক, শ্ৰমিক, ছাত্ৰ, যুৱক, শোষিত, দলিত নিষ্পেষিত মেহনতী জনগণে ঐক্যবদ্ধ হোৱাৰ সময় আহি পৰিছে আৰু সুকান্ত, নজৰুলৰ লগত একে সুৰতে সুৰ মিলাবৰ সময় আহি পৰিছে।



# কাল আৰু প্ৰতিশ্ৰুতি

এম চুলেমান আলী
প্ৰাক্তন ছাত্ৰ

অতীত! তুমি আমাক বহু হুহুৱালা, কন্দুৱালা আৰু নচুৱালা
প্ৰতিশোধ লবলৈ আৰু, কিবা আছে বাকী?
তুমি আমাক কি দিছা?
ৰজা-মহাৰজাৰ কাহিনী শুনাই, নিচুকনী গীত গাই
আমাক শুৱাই থৈছা—
বীৰৰ কথাৰে আমাক ভুলাই ৰাখিছা
ভোক লাগিলেও ভাত দিয়া নাছিলা
দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত পেলাই থৈছা
স্মৃতিৰ সাগৰত গৌৰৱৰ পাল এৰি দি হাহিছা
সেই হাহি—বিকট হাহি।
ওহোঁ আমি নমৰো। বাচি থাকিম।
জীয়াই থকাৰ প্ৰতিশ্ৰুতি।

বৰ্ত্তমান! তুমি কি কৰিছা?
সংস্কাৰৰ নামত ভুৱা দিছা
সংস্কৃতিৰ নামত দুস্কৃতি আনিছা
নামৰ পৰিবৰ্ত্তে বদনাম কৰিছা
বিপ্লৱৰ নামত কলংক সানিছা
তুমি আমাক পঙ্গু কৰিছা। আৰু আমি?
অতীত আৰু বৰ্ত্তমানক কবৰ দি
ভবিষ্যতক সাদৰিম।

আগন্তুক! তুমি আহা দুৰ্নীতিৰ প্ৰাচীৰ ভাঙি
নতুন সুৰুজ ওলাওক দেশত আজি
ফজৰৰ মোৱাজ্জিনৰ আজানত
সাৰ পাওঁক দেশৰ নৰনাৰী আৰু সূচনা হওক
নতুন যুগৰ নতুন ইতিহাস। ·|·

# ১৯৭৭-৭৮ চনৰ ছাত্ৰ একতা সভাৰ

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৭৭-৭৮ চনৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি আপোনালোকৰ সেৱা কৰিবলৈ মহান দায়িত্ব দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছো।

মহাবিদ্যালয় সপ্তাহ :—

১৯৭৭ চনৰ ১৪ পৰা ১৮ ডিচেম্বৰলৈ বিভিন্ন কাৰ্য্য-সূচীৰে কলেজ সপ্তাহ পালন কৰা হয়। ১৮ ডিচেম্বৰত কলেজ সপ্তাহৰ মুকলি সভাত মূখ্য অতিথি হিচাবে বিশিষ্ট সাংবাদিক সাহিত্যিক শ্ৰীযুত মুকুট ভট্টাচাৰ্য্য নিৰ্দ্দিষ্ট বক্তা হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ডঃ চন্দ্ৰ শৰ্ম্মা আৰু সভাপতিত্ব কৰে ৰঙিয়া কলেজৰ অধ্যাপক শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাদেৱে।

সদৌ অসম আন্তঃকলেজ ৺সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা—

১৯৭৮ চনৰ ২৭ নবেম্বৰ তাৰিখে সদৌ অসম আন্তঃকলেজ ৺সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ তাৰ্কিক সকলে অংশ গ্ৰহণ কৰে, তৰ্কৰ বিষয় বস্তু আছিল 'বৰ্ত্তমান ত্ৰুটি পূৰ্ণ শিক্ষা ব্যৱস্থাই আৰ্থ সামাজিক অনগ্ৰাসৰতাৰ মূল কাৰণ।' প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে কটন কলেজ, দ্বিতীয় স্থান অধিকাৰ কৰে গোৱালপাৰা সৈনিক স্কুল আৰু তৃতীয় স্থান অধিকাৰ কৰে আৰ্য্যবিদ্যাপীঠ কলেজ শ্ৰেষ্ঠ তাৰ্কিক দল হয় আৰ্য্যবিদ্যাপীঠ কলেজ। প্ৰতিযোগিতা পৰিচালনা কৰাত সহায় কৰে ৰঙিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ শ্ৰীযুত কামেশ্বৰ কলিতা, ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত ভৱকান্ত শৰ্ম্মা আৰু ৰঙিয়া কলেজৰ অধ্যাপক শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাদেৱে।

নবাগত আদৰণী সভা :—

১৯৭৮ চনৰ ১৮ নবেম্বৰ তাৰিখে নবাগত আদৰণী সভা অনুষ্ঠিত হয়। সভাত মূখ্য অতিথি হিচাবে বি-বৰুৱা কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত তাৰক চন্দ্ৰ গোস্বামী নিৰ্দ্দিষ্ট বক্তা হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ডঃ ফণী গগৈ আৰু সভাপতি হিচাবে আমাৰ কলেজৰ উপাধ্যক্ষ শ্ৰীযুত নীলকান্ত মহন্তদেৱে।

মোৰ কাল ছোৱাৰ গুৰুত্ব পূৰ্ণ ঘটনা :—

ৰঙিয়া কলেজ ছাত্ৰ-ছাত্ৰীয়ে (ছাত্ৰৰ সুকীয়াকৈ জিৰণি কোঠা, ছাত্ৰীৰ জিৰণি কোঠাৰ সম্প্ৰাসাৰণ, বিজুলী বিচনী, কলেজৰ ৰাস্তা পকি কৰা, চাইকেল গ্যাৰেজৰ ব্যৱস্থা, বিজ্ঞান আৰু বাণিজ্য শাখা খোলা, কলা বিভাগ পূৰ্ণ কৰা আৰু প্ৰত্যেক বিষয়তে অনাৰ্চ খোলা, বৃত্তি টকা আদায় দিয়া, চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগ, শ্ৰেণী কোঠা নিৰ্ম্মাণ, হোষ্টেল নিৰ্ম্মাণ, শিক্ষকৰ স্থায়ী নিযুক্তি আৰু অন্যান্য) দাবীৰ ভিত্তি আন্দোলন চলাইছিল কিন্তু পৰিতাপৰ কথা যে তথা কথিত অৰাজনৈতিক 'সদৌ অসম ছাত্ৰ সন্থাৰ' নেতৃবৃন্দই এইবোৰ দাবীত ৰাজনীতি দেখা পাইছিল আৰু লগতে আমাৰ এই মৌলিক দাবী ভিতিক আন্দোলনক ধ্বংস কৰাৰ বাবে চৰকাৰী কৰ্ত্তৃপক্ষৰ লগত একেলগে সুৰ মিলাই কৈছিল 'অগণতান্ত্ৰিক আন্দোলন'। আনকি অৰাজনৈতিক নেতাসবে চৰকাৰী কৰ্ত্তৃপক্ষৰ লগত লগ হৈ নিৰ্ব্বাচিত ছাত্ৰ সভা ভাঙি দিয়াৰ ষড়যন্ত্ৰ কৰিছিল কিন্তু ৰঙিয়া কলেজৰ ছাত্ৰ সমাজে এই অৰাজনৈতিক নেতাৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিলে। ছাত্ৰীৰ জিৰণী কোঠা সম্প্ৰাসৰণ, আধা বিজুলী বিচনী আৰু বৃত্তিৰ টকা আদায় দিয়াৰ বাহিৰে অন্যবোৰ দাবীৰ ভূৱা প্ৰতিশ্ৰুতি দিয়াই থাকিল।

এই কাল ছোৱাত ৰঙিয়া কলেজ ছাত্ৰ একতা সভাক ভাঙি দিয়াৰ বাবে আৰ, এছ, এছ আৰু জাতীয়তাবাদীৰ নেতৃত্বত সৰ্ব্বদলীয় স্বাৰ্থ ৰক্ষা কমিটি গঠন কৰিছিল আৰু এই সৰ্ব্বদলীয় স্বাৰ্থ ৰক্ষা কমিটিৰ চৰিত্ৰ ৰঙিয়া কলেজ ছাত্ৰ একতা সভাই ছাত্ৰ সমাজৰ আগত উদঙাই দিছিল।

বিভিন্ন সংগঠনৰ আন্দোলনক সমৰ্থন :—

ৰাজ্যিক কৰ্ম্মচাৰী কৰা আন্দোলনক সমৰ্থন কৰি ৰঙিয়া কলেজ ছাত্ৰ একতা সভাই এদিনীয়া প্ৰতীক ধৰ্ম্মঘট পালন কৰিছিল। ৭৮ চনৰ ১১ আগষ্টত ভাৰতৰ ছাত্ৰ ফেডাৰেচন কেন্দ্ৰীয় কমিটিৰ আহ্বানত হোৱা সৰ্ব্ব ভাৰতীয় ছাত্ৰ দাবী দিৱসৰ প্ৰতি পূৰ্ণ সমৰ্থন জনায়।

ৰঙিয়া কলেজত মোৰ কাৰ্যকালত অধ্যাপক মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত সহায় কৰা বাবে আন্তৰিক ধন্যবাদ জনাইছো।

অৱশেষত আটাইকে মোৰ বৈপ্লৱিক অভিনন্দন জনাই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদন সামৰিছো।

ইনকিলাব—জিন্দাবাদ

ছাত্ৰঐক্য—জিন্দাবাদ

জীৱন জীৱিকাৰ সংগ্ৰামত ছাত্ৰ যুৱ শ্ৰমিক কৃষক এক হওক ৰঙিয়া কলেজ ছাত্ৰ একতা সভা জিন্দাবাদ।

অভিনন্দনেৰে—
মোছাৰেফ হুছেইন
সাধাৰণ সম্পাদক
ৰঙিয়া কলেজ ছাত্ৰ একতা সভা
ইং ১৯৭৭-৭৮ চন

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ পাতনিতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীকে ১৯৭৭-৭৮ চনৰ বাবে মোক সাধাৰণ সম্পাদক আৰু বিভিন্ন পদত এচ-এফ-আইৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰা বাবে আন্তৰিক তথা বৈপ্লৱিক অভিনন্দন জনাইছো।

গতানুগতিকতাৰ দৰে মোৰ কাৰ্য্যকালত আৰম্ভ হৈছিল "বছৰেকীয়া সেৱা সপ্তাহ"। লৰা-ছোৱালীৰ মনৰ বিকাশৰ বাবে খেলা-ধূলা, সাহিত্য চৰ্চ্চা, সমাজ সেৱা ইত্যাদি অপৰিহাৰ্য্য। সেয়েহে মহোৎসৱত বিভিন্ন খেলা-ধূলা, তৰ্ক-প্ৰতিযোগিতা সাহিত্য প্ৰতিযোগিতা, বিভিন্ন গীত-মাত তথা নাটক প্ৰতিযোগিতা ইত্যাদি প্ৰতিযোগিতা হৈছিল। বছৰেকীয়া সেৱা সপ্তাহৰ মুকলি অধিবেশন এক বিশেষ আড়ম্বৰেৰে উদযাপিত হৈ যায়।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কাৰ্য্যকালৰ বিভিন্ন সময়ত ৰঙিয়া চাৰ্কোলৰ উপপ্ৰতি সমহৰ্তাৰ জৰিয়তে মহাবিদ্যালয়ৰ অভাব অভিযোগৰ বাবে আন্দোলন সংগঠিত কৰি চৰকাৰলৈ স্মাৰক পত্ৰ প্ৰদান কৰিছো। ১৯৬৩ চনতে স্থাপন কৰা এই মহাবিদ্যালয়ৰ অৱস্থা একেবাৰে শোচনীয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিচালনা কমিটি তথা চৰকাৰৰ হেমাহিয়ে একমাত্ৰ কাৰণ। ৰঙিয়াৰ বৃহৎ এলেকাৰ ভিতৰত অৱস্থিত এই মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা সম্বন্ধীয় প্ৰয়োজনীয় চাহিদা পূৰণ কৰাত ব্যৰ্থ হৈছে। সেয়েহে ৰঙিয়াৰ ছাত্ৰ সমাজে শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ ৰঙিয়া মহাবিদ্যালয়ক এক পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান গঢ়িবলৈ হলে আন্দোলন সংগঠিত কৰাৰ বাহিৰে বিকল্প ব্যৱস্থা নাই। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই দাবী কৰে— (১) কলা শাখা পূৰ্ণাঙ্গ কৰক। (২) বাণিজ্য আৰু বিজ্ঞান শাখা আৰম্ভ কৰক। (৩) ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰী জিৰণী কোঠা বিজ্ঞান সন্মতভাবে নিৰ্ম্মাণ কৰক (৪) চাইকেল গ্যাৰেজৰ সুব্যৱস্থা কৰক। (৫) G. B. ত ছাত্ৰৰ প্ৰতিনিধি দিয়াৰ ব্যৱস্থা কৰক। (৬) নতুনকৈ ছাত্ৰাবাস নিৰ্ম্মাণ কৰক। (৭) শিক্ষকৰ অস্থায়ী চাকৰি স্থায়ী কৰক। (৮) প্ৰয়োজন অনুযায়ী তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগ কৰক (৯) কলেজ ৰাস্তা পকী কৰাৰ প্ৰতিশ্ৰুতি পালন কৰক (১০) 'poor fund'ৰ জৰিয়তে দুখীয়া ছাত্ৰ-ছাত্ৰীক সহায় কৰক (১১) প্ৰস্ৰাব গাৰৰ সুব্যৱস্থা কৰক।

উল্লেখযোগ্য যে ভাৰতৰ ছাত্ৰ ফেডাৰেচনৰ (এচ, এফ, আই) ৰঙিয়া কলেজ শাখাই মহাবিদ্যালয়ৰ উন্নতিৰ বাবে অগ্ৰনী ভূমিকা গ্ৰহণ কৰিছে। বিভিন্ন দাবী-দাবা আদিত এচ-এফ আই কৰ্ম্মীৰ সহায় সহযোগিতা লেখত লবলগীয়া। ভবিষ্যতেও এচ-এফ-আই মহাবিদ্যালয় শাখাই এই ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়াব বুলি মোৰ দৃঢ় বিশ্বাস।

কাৰ্য্যকালৰ অন্তিম অৱস্থাত নবাগত সকলক স্বাগত জনাবলৈ পাই আনন্দিত হৈছো। "নবাগত আদৰণি সভা" পাতি হাইস্কুলীয়া শিক্ষা শেষ কৰি উচ্চ শিক্ষাৰ সোৱাদ লবলৈ অহা ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীৰ সৈতে মিলা-প্ৰীতি, বন্ধু-সুলভ মনোভাব গঢ়ি তুলিবলৈ আমি সেই দিনাই দৃঢ় প্ৰতিজ্ঞ হৈছিলো।

সদৌ শেষত আমাৰ কাৰ্য্যকালত সহায় কৰা ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত চিৰ কৃতজ্ঞ। কাৰ্য্যকালৰ সময়ত আমাৰ অযথা ভুল ক্ৰটীৰ বাবে ক্ষমা বিচাৰিছো। অৱশেষত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

বৈপ্লৱিক অভিনন্দন সহঃ

সহঃ সাধাৰণ সম্পাদক—শ্ৰীদেবেন ডেকা

## তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে মই ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ মোৰ আন্তৰিক মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিলো। ৰঙিয়া মহাবিদ্যালয়ৰ তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাবে মোক নিৰ্বাচিত কৰি যি গুৰু দায়িত্ব অৰ্পন কৰি মহাবিদ্যালয়খনক সেৱা কৰিবলৈ সুযোগকণ দিলে তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয় সপ্তাহৰ বাবে সাজু হব লগীয়াত পৰিছিলো। তথাপিও মোৰ বন্ধু-বান্ধৱ সকলৰ সহযোগত মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্য-সূচী অনুযায়ী তৰ্ক আৰু সাহিত্য বিভাগৰ বিভিন্ন অনুষ্ঠানসমূহ চলাই নিবলৈ সক্ষম হৈছিলো।

আলোচনা চক্ৰ :—

মহাবিদ্যালয় সপ্তাহ উপলক্ষে এখনি আলোচনা চক্ৰ পতা হয়। আলোচনা চক্ৰৰ বিষয় বস্তু আছিল 'অৰ্থকাৰী (Joboriented) শিক্ষা ব্যৱস্থা অবিহনে নিবনুৱা সমস্যা সমাধান অসম্ভৱ।' এই শীৰ্ষক আলোচনা চক্ৰত সভাপতিৰ আসন অলঙ্কৃত কৰিছিল মাননীয় অধ্যক্ষ শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈদেৱে। লগতে আমন্ত্ৰিত অতিথি হিচাবে শ্ৰীযুত অনন্ত কুমাৰ ডেকাই উক্ত আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি আলোচনা চক্ৰৰ সৌষ্ঠৱ বঢ়ায়।

তৰ্ক সভা—

যুক্তি তৰ্ক, বৰ্ত্তমান যুগৰ লগত মিলি মনৰ চালুকীয়া মনোবৃত্তিবোৰ প্ৰকাশ কৰিবলৈ তৰ্ক সভাৰ জন্ম হয়। তৰ্কৰ জৰিয়তে মানুহৰ লুপ্ত জ্ঞান প্ৰকাশ পায়, আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধি পায়। সেয়েহে এই বছৰো মহাবিদ্যালয় সপ্তাহত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। তৰ্কৰ

বিষয়-বস্তু আছিল "কুটীৰ আৰু ক্ষুদ্ৰ শিল্পই জন জীৱনৰ অৰ্থ-নৈতিক উন্নতিৰ একমাত্ৰ পথ।" উক্ত তৰ্ক প্ৰতিযোগিতাত ৰঙিয়া ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক মাননীয় শ্ৰীযুত ভৱকান্ত শৰ্ম্মা দেৱে অধ্যক্ষৰ আসনৰ শোভা বঢ়াইছিল। বিচাৰকৰ সু-কঠিন দায়িত্বত ন্যস্ত আছিল শ্ৰীযুত খছনুৰ আহমেদ, শ্ৰীযুত নগেন ভট্ট আৰু শ্ৰীযুত পৰেশ দত্ত দেৱৰ ওপৰত। এখেত সকলৰ বিচাৰ ক্ৰমে শ্ৰীতৰুণ শইকীয়া ১ম, শ্ৰীভূপেন শৰ্ম্মা ২য়, আৰু শ্ৰীবীৰেন্দ্ৰ নাথ ডেকাই ৩য় স্থান লাভ কৰে।

মহাবিদ্যালয়ৰ সপ্তাহৰ ভিতৰতে তৰ্ক আৰু সাহিত্য বিভাগৰ দ্বাৰা এখনি সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এইবাৰৰ সাহিত্য প্ৰতিযোগিতাত অনেক নতুন উৎসাহী যুৱক-যুৱতীৰ শুভাগমন হৈছিল। বেছি ভাগ কবিতা, গল্প, প্ৰবন্ধতে জনতাৰ প্ৰাণ মুৰ্ত্ত হোৱাটো মন কৰিবলগীয়া। দেশৰ বুভুক্ষু জন-গণৰ বাবে সৃষ্টি হোৱা এই লিখনীয়ে অনাগত ভৱিষ্যতক বৈপ্লৱিক পদক্ষেপেৰে গ্ৰহণ কৰক। সৃষ্টি হওক নতুন সমাজ, মুৰ্ত্ত হওক নতুন পৃথিৱী এয়ে আমাৰ বাস্তৱৰ স্বপ্ন। এইবাৰৰ সাহিত্য প্ৰতিযোগিতাত শ্ৰীভগীৰথ শৰ্ম্মাই বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাবে পৰিগণিত হৈছে। ইয়াৰ উপৰিও তৰ্ক আৰু সাহিত্য বিভাগৰ দ্বাৰা কুইজ আৰু কবিতা আবৃত্তিৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এইবাৰৰ অনুষ্ঠিত হোৱা কবিতা আবৃত্তি প্ৰতিযোগিতাত আৰবী কবিতা আবৃত্তিও নকৈ অন্তৰ্ভুক্ত হোৱাটো মন কৰিবলগীয়া।

মোৰ কবলগীয়া দু-আষাৰ :—

কলেজীয়া জীৱনত সাহিত্য সংস্কৃতি চিন্তা-চৰ্চ্চাৰ বাবে এটা যৌথ প্ৰয়াস থকা দৰকাৰ। কেৱল মহাবিদ্যালয় সপ্তাহতে আবদ্ধ নেথাকি ইয়াৰ বিকাশ সকলো সময়তে হোৱাটো উদ্যোগী ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে মঙ্গলজনক। এইখিনিতে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ জ্ঞাতাৰ্থে কেইটিমান কথা ডাঙি ধৰিব বিচাৰিছো।

প্ৰথমতে, আমাৰ মহাবিদ্যালয়ত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী থকা স্বত্বেও "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে আয়োজন কৰা তৰ্ক কুইজ প্ৰতিযোগিতা আদিত কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটো মন কৰিবলগীয়া। সচাকৈয়ে এইটো অতি পৰিতাপৰ বিষয়। সেয়েহে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক অনুৰোধ জনাওঁ যাতে ভৱিষ্যতে তেওঁলোকে তেওঁলোকৰ প্ৰতিভা দেখুৱাবলৈ কুণ্ঠাবোধ নকৰে! দ্বিতীয়তে আলোচনা চক্ৰ তথা কবিতা আবৃত্তি প্ৰতিযোগিতা আদি অনুষ্ঠিত হোৱা সময়ত শ্ৰদ্ধেয় অধ্যাপক, অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতি যেনেদৰে হব লাগে তেনেদৰে নোহোৱাৰ ফলতেই প্ৰতিযোগীৰ সংখ্যা কম হোৱা বুলি ভাবো। সেয়েহে মই শ্ৰদ্ধেয় অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলক টানি অনুৰোধ জনাওঁ যাতে তেখেত সকলে আগলৈ এনেকুৱা অনুষ্ঠানত যোগদান কৰি প্ৰতিযোগী সকলক উৎসাহ উদ্দীপনা যোগায়। তৃতীয়তে মহাবিদ্যালয় সপ্তাহত তৰ্ক কুইজ তথা কবিতা আবৃত্তি প্ৰতিযোগিতা আদি চলি থকা সময়তে একালে মহাবিদ্যালয়ত খেল ধেমালি প্ৰতিযোগিতা আদি চলি থকাটো নিশ্চয় সমীচিন নহয় বুলি ভাবো। আশা কৰো কলেজ কৰ্ত্তৃপক্ষই ইয়াৰ এটা সুবিবেচনা কৰিব।

মোৰ কাৰ্য্য কালত উপদেশ, পৰিশ্ৰম আৰু নিষ্ঠাৰে সহায় আগবঢ়োৱা বাবে পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈ দেৱলৈ মোৰ বিভাগীয় তত্বাবধায়ক মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ



ডেকা দেৱলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা আগবঢ়ালো।

তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ দায়িত্ব লৈ ছাত্ৰ সমাজ তথা মহাবিদ্যালয়ৰ বাবে মই কি কৰিব পাৰিছো তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাবে মোৰ দায়িত্ব খিনি মই সততা আৰু নিষ্ঠাৰে পালন কৰিব পাৰিছো নে নাই তাৰ হিচাব নিকাচ এই প্ৰতিবেদনত ডাঙি ধৰাৰ সাহস মোৰ নাই। ইয়াৰ বিচাৰ কৰিব ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা শ্ৰদ্ধেয় অধ্যাপক-অধ্যাপিকা সকলে। মোৰ কাৰ্য্যকালত যদি অজ্ঞাতবশতঃ কিবা ভুল ভ্ৰান্তি হৈছে ইয়াৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থনা কৰিছো।

মোৰ কাৰ্য্য কালত বন্ধুবৰ ভূপেন শৰ্ম্মা, অনিমা ঠাকুৰীয়া, চফিদা বেগম, মেচেৰ, ৰাঙা, হাচমত, অনুপমা, দেৱেন, প্ৰাক্তন সাধাৰণ সম্পাদকদ্বয়, তৰুণ দত্ত লহকৰ আৰু মোছাৰেফ হুচেইন আৰু নৱ নিৰ্ব্বাচিত সম্পাদক ভগীৰথ শৰ্ম্মাৰ সহায় মই পাহৰিব নোৱাৰিম। আজিৰ প্ৰতিবেদনতো মই এই সকলোলৈ ধন্যবাদ আৰু শলাগ আগবঢ়াইছো।

সৰ্ব্ব শেষত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা চিৰ সেউজী হওক। ইয়াকে কামনা কৰিছো। লগতে আন্তৰিক শুভেচ্ছাৰে মোৰ প্ৰতিবেদন সামৰিছো।

ধন্যবাদ—

মহঃ জিয়াউল ইছলাম

সম্পাদক তৰ্ক আৰু সাহিত্য বিভাগ

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ পাতনিতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰুলৈ কৃতজ্ঞতা তথা আন্তৰিক শ্ৰদ্ধা নিবেদিছো। ১৯৭৭-৭৮ চনৰ 'ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা' সভাৰ নিৰ্ব্বাচনত জয়ী হৈ সংস্কৃতিক বিভাগৰ সেৱা কৰিবলৈ পোৱা বাবে মই আনন্দিত। এই প্ৰতিবেদনৰ যোগেদি মোৰ কাৰ্য্যকালৰ কেইটামান অভিজ্ঞতা আপোনালোকৰ ওচৰত দাঙি ধৰিব বিচাৰিছো।

এক অনাড়ম্বৰ পৰিবেশৰ মাজেদি মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত সাংস্কৃতিক (সংগীত) প্ৰতিযোগিতা খেলি মেলি জনক পাৰিস্থিতিত শেষ কৰিবলগিয়া হয়। এইটো বৰ পৰিতাপৰ কথা যে, একমাত্ৰ প্ৰতিযোগীৰ অভাৱত, আয়োজন কৰা একাঙ্কিকা নাট প্ৰতিযোগিতা এই বছৰ পাতিব পৰা নহল। সংগীতৰ প্ৰতিযোগিতাটো আশা কৰা মতে প্ৰতিযোগী পোৱা নহল। এইবোৰ আৰু আৰ্থিক কাৰণে 'আন্তঃ কলেজ যুৱ মহোৎসৱত যোগদান কৰাৰ পৰা বিৰত থাকিব লগা হয়। মোৰ পৰবৰ্ত্তী সম্পাদকে নিশ্চয় চেষ্টা কৰিব।

মই বৰ দুখেৰে জনাও যে 'ভঙা সভাত ৰাগ দিয়া'ৰ দৰে প্ৰতিযোগী কেইজনৰ বাহিৰে নিশা আন কোনো নাথাকে। আনকি দুই এজন শিক্ষা

খেলৰ সামগ্ৰী অপহৰণৰ পৰা বিৰত থাকে তাৰ বাবে মই ছাত্ৰী-বান্ধৱী সকলক অনুৰোধ কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। মহাসমাৰোহেৰে মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। কিন্তু এইটো অতি দুখৰ বিষয় যে ছাত্ৰীসকলৰ খেল ধেমালিৰ প্ৰতি অনুৰাগ একেবাৰে কম। 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে যি খেল অনুষ্ঠিত হয় তাত প্ৰতিযোগীৰ সংখ্যা নিচেই তাকৰ। অতি কম সংখ্যক ছাত্ৰীয়ে খেলত যোগদান কৰে।

'মহাবিদ্যালয় :সপ্তাহ'ত সকলোবোৰ কাম সুচাৰুৰূপে কৰাৰ বাবে বিশেষ ভাবে সহায় কৰা ছাত্ৰ বন্ধু আৰু ছাত্ৰী বান্ধৱী সকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালত শ্ৰদ্ধেয় শিক্ষাগুৰু সকলে যি ধৰণৰ উপদেশেৰে উপকৃত কৰিছে আৰু বিভাগীয় তত্বাৱধায়িকা শ্ৰীযুতা নীলিমা বাইদেৱে যি ধৰণে সহায় সহযোগিতা আগবঢ়াইছে তাৰ বাবে মই চিৰ কৃতজ্ঞ। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মই যদি কাৰোবাৰ ওচৰত অজ্ঞানিতে ভুল কৰিছো তাৰ বাবে ক্ষমা বিচাৰিছো। সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

শুভকামনাৰে—

শ্ৰীঅনুপমা কলিতা

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## '১৯৭৭-৭৮ চনৰ ছাত্ৰ একতা সভা'
## আমি শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সোঁৱৰিম এইসকল বন্ধুক

মোছাৰেফ হুছেইন, সাধাৰণ সম্পাদক

দেবেন চন্দ্ৰ ডেকা, সহকাৰী সাধাৰণ সম্পাদক

চাইফুদ্দিন আহমেদ, সম্পাদক খেল বিভাগ

জিয়াউল ইচলাম, সম্পাদক তৰ্ক আৰু সাহিত্য বিভাগ

অনুপমা কলিতা, সম্পাদিকা ছাত্ৰীৰ জিৰণি কোঠা

মইনুদ্দিন আহমেদ, সম্পাদক সমাজ সেৱা বিভাগ

মহিম চন্দ্ৰ নাথ, সম্পাদক ছাত্ৰ জিৰণি কোঠা

নৃপেন চন্দ্ৰ নাথ, সম্পাদক কৃষ্টি বিভাগ

শ্ৰেণীৰ প্ৰতিনিধি—

| | | | |
|---|---|---|---|
| জমিৰুদ্দিন আহমেদ, | প্ৰাক্‌বিশ্ববিদ্যালয় | ১ম | বাৰ্ষিক |
| দিলীপ শৰ্ম্মা, | " | " | " |
| বিজু কলিতা, | " | ২য় | " |
| চৰিফুদ্দিন আহমেদ, | " | ৩য় | " |
| মনজুলা গোস্বামী, | স্নাতক | ১ম | বাৰ্ষিক |
| বীৰদত্ত কলিতা, | " | " | " |
| ভূপেন শৰ্মা, | " | ২য় | " |
| বাসন্তী কলিতা | " | " | " |

[ সমাপ্ত ]






কৰ্ম্ম সংস্থান আৰু প্ৰশিক্ষণৰ ডাইৰেক্টৰ জেনেৰেলে ১৯৭৮-৮৩ চনৰ পৰিকল্পনাত দিয়া তথ্য-মতে ভাৰতত ২৫০০০০ত কৈও অধিক বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ লোক নিবনুৱা। তেওঁলোকৰ ভিতৰত আছে প্ৰায় ১,৯০,০০০ ইঞ্জিনিয়াৰিং আৰু প্ৰযুক্তি বিদ্যাৰ স্নাতক, ৩৬০০০ ইঞ্জিনিয়াৰিং ডিপ্লমাধাৰী, ৩৩০০ চিকিৎসা বিভাগৰ (দৰব) স্নাতক আৰু ৫৬০০ কৃষি স্নাতক আৰু স্নাতকোত্তৰ। পৰিকল্পনাত হিচাপ কৰা মতে ১৯৮১-৮৩ চনত বিজ্ঞানৰ স্নাতক আৰু স্নাতকোত্তৰ নিবনুৱাৰ সংখ্যা হবগৈ প্ৰায় ৩,০০,০০০ ইঞ্জিনিয়াৰিং স্নাতক আৰু ডিপ্লমাধাৰী নিবনুৱাৰ সংখ্যা হবগৈ ৮০০০ জনতকৈও অধিক আৰু নিবনুৱা ডাক্তৰৰ সংখ্যা হবগৈ ৩৫০০ জন।

আনহাতে অসমৰ কৰ্ম্ম সংস্থান পৰ্য্যালোচনা কমিটিয়ে ১৯৭৮ চনৰ ২১ জুনত অসম বিধান সভাত দাখিল কৰা ৰিপৰ্ট অনুযায়ী অসমত সৰ্ব্বমুঠ নিবনুৱাৰ সংখ্যা হ'ল ১৫ লাখ। তাৰ ভিতৰত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হ'ল ১'৫০ লাখ আৰু তেওঁলাকৰ ১'০১ লাখেই হ'ল শিক্ষিত।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে পঞ্জীয়নত নাম ভৰ্ত্তি নকৰা বা কৰিব নোৱাৰা লক্ষ লক্ষ অশিক্ষিত বা অৰ্দ্ধশিক্ষিত নিবনুৱাৰ সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে। দেখা যায় অসমত শিল্পৰ দ্ৰুত সম্প্ৰসাৰণ আৰু মৌলিক ভূমি সংস্কাৰৰ অবিহনে আন কোনো পন্থাৰে এই সমস্যা সমাধান কৰিব নোৱাৰে।

১। 'আৰবী অনাৰ্চ' শীঘ্ৰে প্ৰদান কৰক।
২। কলা শাখা পূৰ্ণাঙ্গ কৰক।
৩। বাণিজ্য আৰু বিজ্ঞান শাখা আৰম্ভ কৰক।
৪। অস্থায়ী শিক্ষকৰ নিযুক্তি পূৰ্ণ কৰক।
৫। আধৰুৱা বিজুলী বিচনী সম্পূৰ্ণ কৰক।
৬। 'চাইকেল ষ্টেণ্ড' নিৰ্ম্মাণ কৰক।
৭। প্ৰয়োজন অনুযায়ী শীঘ্ৰে তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগ কৰক।
৮। G, B, ত ছাত্ৰৰ প্ৰতিনিধি দিয়াৰ ব্যৱস্থা কৰক।
৯। কলেজ পথ পকী কৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে শীঘ্ৰে পালন কৰক।
১০। প্ৰস্ৰাব গাৰৰ সুব্যৱস্থা কৰক।
১১। ছাত্ৰৰ জিৰণি কোঠা সুকীয়াকৈ নিৰ্ম্মাণ কৰি ছাত্ৰী জিৰণি কোঠাত আৱশ্যকীয় সামগ্ৰি দিয়ক।
১২। 'Poor fund' ৰ জৰিয়তে দুখীয়া ছাত্ৰ-ছাত্ৰীক সহায় কৰক।






Mr. Dhirendra Nath Sarmah
Best Singer of '78-79.
He is being honoured as the best singer of the College continuously for three years including this year.



Best Lady Athlete of 1977-78
Bina Bania



Mr. Bhagirath Sarmah
Best Literary man of '77-78.



Best Athlete 1977-78
Nuruddin Saikia



Continue two years Table Tenies chempion.
Hari Ram Agrawal



Special N. S. S. camp "youth for Rural Reconstruction" held in the year 1977.

Left to right—

Sitting—Rahul Islam, Jyotish Lahkar, Habibar Rahman Saikia

Standing– Atul Kalita, Bishnupad Dey, Kumud Bhatta.



Manoranjan Kalita
N.C.C. under officer.



Continue three years
N.C.C. U.N.O.
Akkel Ali

# RANGIA COLLEGE MAGAZINE

## ● ENGLISH SECTION ●

YEARLY PUBLICATION

9TH ISSUE

* 1977-78 *



Edited by :

Dhirendra Nath Sarmah

# CONTENTS


- A dream of Freedom / 1 / Kandarpa Kr. Kalita
- How China tamed the 'River of sorrow" / 2 / Samar Ali Ahmed
- Education of the scheduled castes / 7 / Hareswar Boro
- Student unrest its content and source / 12 / Khagen Kalita
- Indian agriculture at the Cross roads /22/ Hari Agrawal


# A DREAM OF FREEDOM


Kandarpa Kr. Kalita
B. A. 1st year


I sing a song –
A song of revolution,
It echoes a voice –
A voice of freedom of the people,
I dream a dream,
A dream to make them alive.
To enliven them
I burn a flame—
A flame of revolution
With this burning flame
I burn the barriers.
In the path of their freedom.

●

# HOW CHINA TAMED THE 'RIVER OF SORROW'

Samar Ali Ahmed
P. U. II year.

Our country suffered from the worst ever flood havoc this year. The damages both human and material this time were unprecedented, While the entire northern belt was affected, the major brunt of the flood fury was faced by West Bengal, The government of India, after the intial let-up in the flood situation announced a massive multi crore project to control and minimise the damages from the floods.

Every time we are faced with a calamity of such gigantic proportions such projects are announced by the government but no one seems to take them seriously least of all the bureaucrats, Some of them immediately after the government announcement made statements to the effect that floods actually can not be controlled. In the modern age of science, and the collective power that men have come to exercise over nature such statements have no validity, This is clearly borne out by the experience of china which has effectively controlled its floods

In china practically all the rivers have a flood problems The most important of these is the yellow River which has almost a similar maximum discharge as India's Kosi River



## RIVER OF THE SORROW IN THE PAST,

The yellow River china's second largest waterway. rises in the yaholatahotze Mountain area, chinghai province north west china, It flows 54 0 Kilometres eastward through seven provinces and two autonomous regions. A very long section of it crosses a 430 000 square kilometres loess plateau, For ages huge quantities loess were washed in to the channel, which made this river section the muddiest waterway in the world. Every year it carried 1600 million tons of silt down stream. This continuous process raised the river-bed of the lower course untill it was higher than the surrounding land. In rainy seasons the swollen river often breached its dykes with calamitous results.

During the 2000 years before china's liberation in 1949, the yellow River changed its course 26 times and breached the dykes 1500 times, causing tremendous losses of life and property. It became known abroad as china's sorrow.

A comprehensive plan was worked out for the harnessing of the river This plan covers the construction of multi purpose project for the storage of flood water, irrigation and power generation along the main course of the river and its tributaries, the conservation of water and soil in its middle and upper reaches the renovation of the dykes in its lower reaches, the construction of projects to retain and divert flood-water, and channel the river water for irrigation purposes.

Year after year 300'000 to 400'000 people in Honan and Shantung provinces turned out to work on the lower yellow River. They heightened and widened the low dilapidated dykes of old china and transformed them in to invulnerable flod-water containing walls The dykes were reinforced with well over 400 million cubic metres of earth and more then 10 million cubic metres of rock

the total amount, if buit in to a wall one metre high and one metre thick, would girdle the globe at the equator ten times.

## CONTRAST BETWEEN PAST AND PRESENT

For more than twenty years the yellow River dykes under the constant supervision of a million flood fighters civilions and army men have stood firm against any flood in the rainy season. They stood up to their severest test in the summer of 1958, when a mighty wall of water racing along at the rate of 22,3oo cubic metres per second threatened the Honan-Shantung River section in 19 33, under kuomintang reactionary rule, a smaller flow of 10,000 cubic metres per second breached the dykes in over 5o places. It submerged 67 countries, made 3,640,000 people homeless and took a toll of 18,000 lives. Such is the contrast between the past and



Today in more then 30 countries along the lower yellow River, there are about 200 sluice gates, pumping stations and siphon projects, built to convey river water to two thirds of a million hectores of firm land In many places, the depressions caused by previous floods have been filled in with river-silt and thus transformed in to good firm land. This is done by allowing the river water to flow in, deposit the silt it carries, and then flow out again

